মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ

যোগেন্দ্ৰ নাথ ভূঞা

STATE CENTRAL LIBRARY
Call No.........
ASSAM.

পৰিবেশক :
জনতা প্ৰেছ, মনিৰাম দেৱান পথ
নগাওঁ-৭৮২০০১

MAHAPURUSH
SRIMANTA
SANKARDEV

An account of the life, works and teachings of Srimanta Sankardev, written by Jogendra Nath Bhuyan and published by the author. Kuwaritol

Price Rs. 12·00 (c) Author

॥ প্ৰকাশক ঃ শ্ৰীযোগেন্দ্ৰ নাথ ভূঞা ● কলিয়াবৰ ● নগাওঁ অসম ॥

॥ প্ৰথম প্ৰকাশ ঃ গুৰুজয়ন্তী, ৫৩২ শঙ্কৰাব্দ ● চেপ্তেম্বৰ ১৯৮০ ॥

॥ বেটুপাতৰ ছবি ঃ শ্ৰীবেণু মিত্ৰ ● গুৱাহাটী আৰ্টিষ্ট গীল্ড ॥

॥ ছপা আৰু বন্ধা ঃ জনতা প্ৰেছ ● মনিৰাম দেৱান পথ ● নগাওঁ ॥

॥ মূল্য— বাৰ টকা ॥

দেশৰ উত্তৰাধিকাৰীসকল

আৰু

ধৰ্মানুৰাগী

পাঠকসকলৰ

হাতত—

মঙ্গলাচৰণ

'তোমাৰ চৰণ সেৱাৰ গোবিন্দ
নাজানো একো উপায় ।
যি মতে সেৱাত ৰহিবো কৰুণা
কৰিতে হৰি যুৱায় ।'

'হেঁ ভগৱন্ত গুৰু তযু পদে মন মোৰ
যি কালত স্থিতিক লভয় ।
তোমাৰ কৃপাত তেবে সকল সাধন শ্ৰম
এৰাই সুখী হৈবোহো নিশ্চয় ॥
হে প্ৰভু নৰহৰি তোমাৰ চৰণ দুইকো
প্ৰেম ভাৱে স্মৰণ দুৰ্লভ ।
যথা কথঞ্চিত ৰূপে অহৰ্নিশে প্ৰভু মোৰ
সুমৰণ হওঁক সুলভ ॥
হে' প্ৰাণ বন্ধু কৃষ্ণ কৃপাৰ সাগৰ হৰি
কৃপা দৃষ্টি চাহিয়োক মোক ।
সহজ বাসনা ৰূপে শৰণ দিয়োক নাথ
মোৰ অহঙ্কাৰ দূৰ হোক ॥
নমো ৰাম কৃষ্ণ হৰি নাৰায়ণ নিৰঞ্জন
নমো দেৱ দৈৱকী দায়াদ ।
পৰম অনাথ আমি তোমাৰ চৰণে নমি
মাগো প্ৰভু ভকতি প্ৰসাদ ॥'

কথাপাটৰ প্ৰণতি

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু অসমৰ বৈষ্ণৱ ধৰ্মৰ অন্যান্য গুৰুসকলৰ জীৱন-কথা ভক্ত-বৈষ্ণৱসকলৰ প্ৰাণৰ বস্তু। সেইবাবেই, প্ৰাচীন পদ আৰু কথা-চৰিতসমূহৰ উপৰিও আধুনিক যুগতো ভালেকেইজন মহানুভৱ লোকে গুৰুজনাৰ জীৱন-চৰিত আলোচনা কৰিছে। কিন্তু, সেই বুলিয়েই গুৰুজনাৰ বিষয়ে লিখিবলগীয়া কথা অন্ত হোৱা নাই। কবি যতীন্দ্ৰ নাথ দুৱৰাদেৱে যথাৰ্থভাবেই উল্লেখ কৰিছে ঃ

"তোমাৰ জীৱনী দেৱ লেখে এনে সাধ্য কাৰ।
গোটেই অসম জুৰি বিস্তৃত জীৱনী যাৰ॥'

গুৰুজনাৰ জীৱন-চৰিত ৰচনাৰ সমল উভৈনদী হলেও এইসমূহ সমল যথেষ্ট বুলি কব নোৱাৰি। কাৰণ, মহাপুৰুষৰ স্মৃতি-বিজড়িত স্থানসমূহ, তেৰাৰ স্ব-হস্ত লিখিত গ্ৰন্থসমূহ আৰু তেৰাৰ দ্বাৰা স্থাপিত অনুষ্ঠানসমূহ সংৰক্ষণ কৰিব পৰা হলে হয়তো অধিক প্ৰমাণিত তথ্য আহৰণ কৰিব পৰা হলহেঁতেন। কিন্তু আমাৰেই জাতীয় অবচেতনা আৰু অদূৰদৰ্শিতাৰ গুণে মহাপুৰুষজনাৰ দ্বাৰা স্থাপিত অনুষ্ঠানসমূহ নিশ্চিহ্ন হৈ গ'ল, তেৰাৰ স্ব-হস্ত লিখিত গ্ৰন্থসমূহ কোনোবা অন্ধকাৰ গৰ্ভত সোমাই পৰিল; আনকি তেৰাৰ জন্ম আৰু জীৱন-লীলাৰ স্থানসমূহো জাতীয় সংস্কৃতিৰ সংৰক্ষিত স্থান হিচাবে গণ্য কৰাৰ কোনো ব্যৱস্থা আজিকোপতি হৈ নুঠিল। আনহাতে, গুৰুচৰিতসমূহৰ ভিতৰতে আটাইতকৈ প্ৰাচীন আৰু নিৰ্ভৰযোগ্য ৰামচৰণ ঠাকুৰৰ চৰিতখনিয়েই পিছৰ যুগত কাৰোবাৰ হাত লাগি যে প্ৰক্ষিপ্ত হৈছে সন্দেহ নাই। আকৌ 'আখিৰি' তথা আগেয়ে ৰচিত চৰিত আগত

নথকা অৱস্থাত লোকৰ মুখে শুনা কথাৰ ওপৰত নির্ভৰ কৰি লিখা দৈত্যাৰি, ৰামানন্দ, ভূষণ দ্বিজ আদিৰ চৰিততো যে বর্ণনাৰ আগ-পাছ আৰু বঢ়া-টুটা ঘটিছে এই কথাও উল্লিখিত চৰিতসমূহৰ উল্লেখৰ পৰাই বুজিব পাৰি। ইয়াৰ উপৰি প্ৰাচীন চৰিতৰে পৰা আধুনিক চৰিতলৈকে সকলোতে যে লেখকসকলৰ স্বকীয় বিচাৰ-বিবেচনাৰ প্ৰভাৱ পৰি কেতবোৰত মূল কথা বিকৃত হৈছে এই কথাও নুই কৰিব নোৱাৰি। আধুনিক যুগৰ কোনো কোনো লেখকে আকৌ গুৰুজনাৰ ধৰ্ম আৰু আনুষঙ্গিক বিভিন্ন কাৰ্য্য-কলাপত সৰ্বভাৰতীয় তথা বাহিৰৰ প্ৰভাৱ প্ৰমাণ কৰিবৰ বৃথা চেষ্টা কৰিছে।

'মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ' নামৰ এই গ্ৰন্থখনিতো গুৰুজনাৰ জীৱন-চৰিত –আৰু কাৰ্য্যসমূহৰ এক ধাৰাবাহিক বর্ণনা বুৰঞ্জী বিচাৰৰ সহায়ত বাস্তৱ দৃষ্টিভঙ্গীৰে দাঙি ধৰিবৰ যত্ন কৰা হৈছে। ইয়াকে কৰিবলৈ যাওঁতে পূৰ্ব ৰচিত প্ৰায়বোৰ গুৰুচৰিত আৰু আলোচনা গ্ৰন্থ 'আৰিসি' হিচাবে সন্মুখত ৰখা হৈছে যদিও গুৰুজনাৰ দ্বাৰা ৰচিত বিভিন্ন শাস্ত্ৰাদিৰ প্ৰমাণৰ ওপৰতহে ঘাইকৈ নির্ভৰ কৰা হৈছে। গুৰুজনাৰ এই জীৱন চৰিত লিখোঁতে যিসমূহ গ্ৰন্থৰ সহায় লোৱা হৈছে সেইসমূহৰ উল্লেখ আলোচনাৰ যথাস্থানত কৰা হৈছে; সেইবাবে সুকীয়াকৈ সেইসমূহ গ্ৰন্থৰ তালিকা সংযোজন নিষ্প্ৰয়োজন।

অৱশ্যে, ইয়াৰ কেতবোৰ কথাত কীৰ্তনৰ 'উদ্ধাৰিলা বেদ প্ৰভু প্ৰলয় জলত' আৰু নামঘোষাৰ 'মুক্তিতো নিষ্পৃহ যিটো সেহি ভকতক নমো' আদি শুদ্ধ পাঠৰ ঠাইত 'উদ্ধাৰিলা চাৰিবেদ.........' আৰু 'মুক্তিত নিষ্পৃহ যিটো.........' আদি প্ৰক্ষিপ্ত বাক্যকে আচল পাঠ বুলি মানোঁতাসকল যে বিতুষ্ট হব সন্দেহ নাই। তথাপি, ইয়াকে কৰোঁতে যদি কিঞ্চিতমানো গুৰুসেৱা সাধন হৈছে এই অধমে কৃতাৰ্থ মানিব।

শেষত এইকথা স্বীকাৰ কৰিবই লাগিব যে আমাৰ অন্তৰত গুৰুসেৱাৰ এই আগ্ৰহ জগাই তুলি গুৱাহাটী বুক ষ্টলৰ স্বত্বাধিকাৰী শ্ৰীবংশীধৰ শৰ্মাদেৱে এই অভাজনক কৃতজ্ঞতাৰ পাশত আবদ্ধ কৰিছে।

সাহিত্য সেৱাৰ ক্ষেত্ৰত প্ৰবীণ নবীন অনেকক শ্ৰীশৰ্মাই একেদৰেই অনুপ্ৰেৰণা যোগোৱাৰ কথাও শুনিছোঁ। সেইবাবেই ভাবিছোঁ, শ্ৰীশৰ্মা অসমীয়া সাহিত্যসেবীসকলৰ এজন পৰম বন্ধু, দুজনা গুৰুৰ জীৱন আদৰ্শতো গুৰুসেৱা তথা ভগৱন্তৰ কথাৰ প্ৰতি আগ্ৰহ জন্মাওঁতাজনক 'বান্ধৱ' বোলা হৈছে। কৃতজ্ঞতাৰ চিন স্বৰূপে শ্ৰীশৰ্মাক আমি একো নিদিওঁ, মাত্ৰ ভগৱানৰ চৰণত প্ৰাৰ্থনা জনাইছোঁ, পৰমেশ্বৰে তেখেতক দীৰ্ঘজীৱন দান কৰক আৰু সাহিত্য সেৱাৰ প্ৰেৰণা দিয়ক।

এই গ্ৰন্থখনি ৰচনাৰ কাম ১৯৭৮ চনতে সম্পূৰ্ণ কৰা হ'ল, কিন্তু, প্ৰকাশ কৰোঁতে, বিভিন্ন কাৰণত অযথা পলম হ'ল। শেষত নগাওঁ জনতা প্ৰেছৰ মালিক আৰু আমাৰে সুহৃদ শ্ৰীলব বৰাই ছপাই দিয়াৰ দায়িত্ব লোৱাত লোকদৰ্শন কৰোৱাৰ সাহস উপজিল। তেখেতলৈ আৰু গ্ৰন্থখন ছপাই উলিওৱাত জনতা প্ৰেছৰ কৰ্মীবৃন্দই যি কষ্ট স্বীকাৰ কৰিলে তাৰবাবে সমূহ কৰ্মীলৈ আমাৰ অশেষ শলাগ জনালোঁ। ইতি—

বিনীত—
শ্ৰীযোগেন্দ্ৰ নাথ ভূঞা

কলিয়াবৰ, নগাওঁ
২ আহিন, ৫৩২ শঙ্কৰাব্দ
ইং ১৯।৯।৮০

॥ সূচী ॥

অৱতৰণিকা ১—২

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকল ৩—৭

ভূঞাসকলৰ অসম আগমনৰ কাল ৮—১০

প্ৰাকশঙ্কৰী অসমত বৈষ্ণৱ প্ৰবাহ ১১—১৬

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান ১৭—২৬

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ কাল ২৭—৩১

নামত শঙ্কৰদেৱ প্ৰভু ভগৱন্ত ৩২—৩৭

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰূপ বৰ্ণন ৩৮—৪১

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱনলীলা ৪২—১৮০

ৰৰদোৱা চৰিত ৪৩—৯০

ধুঁৱাহাটা চৰিত ৯১—১২৮

বাউসী-বেহাৰ চৰিত ১২৯—১৮০

পৰিশিষ্ট

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আদ্যৰচনা স্তোত্ৰটিৰ সম্পূৰ্ণ পাঠ আৰু সৰলাৰ্থ ৩—৫

মহাপুৰুষীয়া ধৰ্মৰ দৰ্শন ৭—৩০

অৱতৰণিকা

ভাৰতীয় দৰ্শনৰ মত অনুসৰি একোখন দেশত যেতিয়া ৰাজনৈতিক অনৈক্য, সামাজিক বিশৃঙ্খলা, সাংস্কৃতিক বিপৰ্য্যয়, ধৰ্মৰ গ্লানি আদি সংঘটিত হয় সেই সময়তে সেই দেশত একোজন অসাধাৰণ প্ৰতিভাসম্পন্ন লোকে জন্মগ্ৰহণ কৰি সমাজক নতুনকৈ শৃঙ্খলা শিকাই সেই দেশক সভ্যতা-সংস্কৃতিৰ বাটত আগবঢ়াই নিয়ে। সেইবাবে এখন দেশৰ ইতিহাস বহু পৰিমাণে সেই দেশৰ মহান পুৰুষসকলৰ জীৱন ইতিহাস বুলি কব পাৰি। কাৰণ এখন দেশৰ ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আদি অৱস্থাসমূহ এনে একোজন মহান লোকৰ ব্যক্তিত্বৰ প্ৰভাৱতে গঢ় লৈ উঠে, পৰিবৰ্ত্তিত হয় আৰু উন্নতিৰ ফালে আগবাঢ়ে। পৃথিবীৰ বুৰঞ্জীত এনে অনেক মহান পুৰুষৰ উল্লেখ পোৱা হয়।

কিন্তু সেয়ে হলেও, অৰ্থাৎ মহান পুৰুষসকলৰ কাৰ্য্য-কলাপ একোখন দেশৰ মাজতে আবদ্ধ থাকিলেও তেওঁলোকৰ সমগ্ৰ চেষ্টা সদায় বিশ্ব-ভাতৃত্ব আৰু বিশ্বাত্মাবোধৰ ফালেহে। তিমিৰাচ্ছন্ন মধ্যযুগত অসমভূমিত অৱতাৰ গ্ৰহণ কৰি বিশ্বজগতৰ মঙ্গলৰ অৰ্থে শান্তি, মৈত্ৰী, ভাতৃত্ব আৰু প্ৰকৃত মানৱ-ধৰ্মৰ উপদেশ-বাণীৰে সমৃদ্ধ সনাতন বৈষ্ণৱ ধৰ্ম প্ৰবৰ্তন কৰোঁতা শ্ৰীমন্ত শঙ্কৰদেৱ এনে এজন মহাপুৰুষ। এই প্ৰসঙ্গতে মন কৰিবলগীয়া যে বিশ্বৰ বুৰঞ্জীত অনেক কবি, সাহিত্যিক, সঙ্গীত-কলা-বিশাৰদ, সমাজ-সংস্কাৰক আদিৰ উল্লেখ আছে, অনেক সাধু, সন্ত, ধৰ্ম-প্ৰচাৰক আৰু ধৰ্ম-গুৰুৰ বিভিন্ন কাৰ্য্য-কলাপৰ বৰ্ণনা আছে; কিন্তু একেজন পুৰুষৰ ব্যক্তিত্বত এই

সকলোখিনি গুণৰ সমাবেশ কেৱলমাত্ৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ব্যক্তিত্বতহে সম্ভৱ হৈছে। অধ্যাপক বাসুদেৱচৰণ অগ্ৰৱালৰ ভাষাত "শঙ্কৰদেৱ আছিল এনে এক জ্যোতিষ্মান সূৰ্য্য যি জনাৰ মনৰ উত্তাপ লাগি অসম এপাহি সহস্ৰদল কমলৰ দৰে বিকশিত হৈ উঠিছিল।" অগ্ৰৱালদেৱৰ এই উক্তি মহাপুৰুষজনাৰ কাৰ্য্যকলাপ সম্বন্ধে সঁচা হলেও এই মন্তব্য যেন মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিভাৰ সম্যক পৰিচায়ক নহয়। বাস্তৱিকতে শ্ৰীমন্ত শঙ্কৰদেৱ আছিল ভাৰতৰ ইতিহাসত ভগৱান বুদ্ধৰ পিছত নিৰাশা আৰু হতাশা প্ৰপীড়িত জনগণক সাম্য-মৈত্ৰী-স্বাধীনতাৰ আশাৰ বাণী শুনাওঁতা একমাত্ৰ মহাপুৰুষ। সেইবাবেই শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন-চৰিত আমাৰ সাংস্কৃতিক ইতিহাসৰ আটাইতকৈ প্ৰয়োজনীয় কাহিনী।

শ্ৰীমন্ত শঙ্কৰদেৱে কোনো এক বিশেষ দেশ, বিশেষ জাতি অথবা বিশেষ সম্প্ৰদায়ৰ কাৰণে ধৰ্ম প্ৰচাৰ কৰা নাই; তেওঁৰ ধৰ্ম বিশ্বজনীন, সাৰ্বজনীন। পৰম পণ্ডিত ছোট আতা মাধৱদেৱ পুৰুষে নামঘোষাত গুৰুবন্দনা কৰি লিখিছে—

হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আৰ বন্ধু॥
হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
ৰাম নাম ৰত্ন বিকায়া জগতে
চলয় বৈকুণ্ঠ পুৰী॥
শ্ৰীমন্ত শঙ্কৰ হৰি ভকতৰ
জানা যেন কল্পতৰু।
তাহান্ত বিনাই নাই নাই নাই
আমাৰ পৰম গুৰু॥

॥ জয় গুৰু শঙ্কৰ ॥

শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্বপুৰুষ সকল

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকল, বুৰঞ্জীয়ে চিনাকি কৰি দিয়ামতে, অত্ৰিগোত্ৰ-সম্ভূত; আৰু এওঁলোকৰ আদিপুৰুষ প্ৰেম পূৰ্ণানন্দগিৰি। পূৰ্বতে এওঁলোকে কনৌজপুৰত (কান্যকুব্জ) বাস কৰিছিল। খৃষ্টীয় ত্ৰয়োদশ শতিকাৰ আগভাগত ভাৰতত মুছলমান অধিকাৰ স্থাপন আৰু তাৰো আগৰেপৰা অত্যাচাৰ, উৎপীড়ন হৈ থকা কাৰণে লণ্ডাবৰ ভূঞাৰ দিনত এওঁলোক পলাই ভালেমান দিন হাবিয়ে-বননিয়ে ঘূৰি ফুৰাৰ পিছত গৌড় পায়হি আৰু গ'গৰিয়াপুৰ নগৰত বসবাস কৰিবলৈ ধৰে। গ'গৰিয়াপুৰ নগৰখন ব্ৰহ্মপুত্ৰৰ কাষতে অৱস্থিত আছিল আৰু সেয়েহে বাৰিষা নদীৰ বাঢ়নি পানী সোমাই এই নগৰৰ ঘৰ-বাৰী, খেতি-পথাৰ বুৰাই প্ৰায়ে অনিষ্ট সাধন কৰে। গৌড়েশ্বৰে নদীৰ পাৰত ধৰ বান্ধি গ'গৰিয়াপুৰলৈ পানী সোমোৱা জানৰ মুখ বন্ধ কৰি দিয়ে। উল্লেখ আছে যে গৌড়েশ্বৰৰ পাত্ৰ-মন্ত্ৰী আৰু প্ৰজাবৰ্গ ধৰবন্ধা কামত প্ৰথমে বিফল হয় আৰু শেষত লণ্ডাবৰৰ পুত্ৰ পৰম পণ্ডিত আৰু সমস্ত বিদ্যাতে পাৰ্গত চণ্ডীবৰৰ কৌশল অনুসৰিহে স্থায়ী বান্ধ বন্ধা কাৰ্য্যত কৃতকাৰ্য্যতা লাভ কৰে। কৃতজ্ঞতাৰ চিনস্বৰূপে ৰাইজ আৰু ৰজাই অপুত্ৰক চণ্ডীবৰক পুত্ৰলাভৰ বাবে আশীৰ্বাদ দিয়ে।

ইয়াৰ পিছত কিবা কাৰণত গৌড়েশ্বৰ ধৰ্মনাৰায়ণ আৰু কমতেশ্বৰ দুৰ্লভনাৰায়ণৰ মাজত যুদ্ধ হয়। অৱশ্যে এই যুদ্ধৰ কাৰণ সম্পৰ্কে বুৰঞ্জী নিমাত আৰু উভয় ৰজাৰ মিত্ৰতা সম্পৰ্কতো চৰিত পুথিসমূহে বিভিন্ন মতামত দিছে। ৰামচৰণ ঠাকুৰে "প্ৰজা ক্ষয়ঙ্কাৰ হেতু লাগিল বিৰোধ" বুলি যুদ্ধৰ কাৰণ নিৰ্ণয় কৰিছে। যুদ্ধৰ অন্তত উভয় ৰজাৰ মাজত মিত্ৰতা স্থাপন হয়। এই মিত্ৰতা চিৰস্থায়ী কৰিবৰ কাৰণে কমতেশ্বৰে নিজৰ দুহিতাক গৌড়েশ্বৰলৈ বিবাহ দিয়ে আৰু গৌড়েশ্বৰৰ পৰা সাতঘৰ কায়স্থ আৰু সাতঘৰ ব্ৰাহ্মণ খুজি লয়। কমতেশ্বৰে এই চৈধ্যঘৰ লোক খুজি লোৱা কথাটো সকলো চৰিতকাৰ আৰু বুৰঞ্জীলেখকে একমুখে স্বীকাৰ কৰিছে। এইদৰে দুখন ৰাজ্যৰ মাজত মিত্ৰতা স্থাপন হোৱাৰ নিদৰ্শন প্ৰাচীন বুৰঞ্জীত অন্যান্য ক্ষেত্ৰতো পোৱা হয়। বিশেষতঃ প্ৰাচীন কামৰূপৰ ৰজাসকল বিদ্যোৎসাহী আৰু ধৰ্মপৰায়ণ আছিল। তেওঁলোকে দেশৰ ভিতৰ আৰু বাহিৰৰপৰা আনি ভালেমান পণ্ডিত লোকক বৃত্তি দি নিজৰ ৰাজসভাত ৰাখিছিল। কমতেশ্বৰ দুৰ্লভনাৰায়ণ নিজে মহাভাৰতৰ অশ্বমেধ পৰ্ব, বভ্ৰুবাহনৰ যুদ্ধ আদি পুথিৰ ৰচক হৰিবৰ বিপ্ৰ আৰু প্ৰহ্লাদৰ চৰিতৰ কবি হেম সৰস্বতীৰ পৃষ্ঠপোষক আছিল।

কমতেশ্বৰ দুৰ্লভনাৰায়ণে যি চৈধ্যঘৰ লোক গৌড়েশ্বৰৰপৰা খুজি লৈছিল তেওঁলোকে কেতিয়া আহি অসমত থিতাপি লয়হি সেই সম্পৰ্কে কোনো নিৰ্দ্দিষ্ট তাৰিখ নিৰ্ণয় কৰিব নোৱাৰিলেও, ত্ৰয়োদশ শতিকাৰ মাজভাগতে যে এই আগমন ঘটে সন্দেহ নাই। অসমলৈ অহা এই লোকসকলৰ ভিতৰত ব্ৰাহ্মণ কেইঘৰ হ'ল— কৃষ্ণপণ্ডিত, ৰঘুপতি, ৰামবৰ, লোহাৰ, বৰণ, ধৰম আৰু মথুৰা; আৰু কায়স্থ কেইঘৰ হ'ল— চণ্ডীবৰ, শ্ৰীধৰ, হৰি, শ্ৰীহৰি, শ্ৰীপতি, চিদানন্দ আৰু সদানন্দ। এই সকলোৰে ভিতৰত কায়স্থ চণ্ডীবৰেই বিদ্যা-বুদ্ধি, শৌৰ্য্য-বীৰ্য্য, পাণ্ডিত্যত শ্ৰেষ্ঠ আৰু মুখিয়াল লোক

আছিল। দুৰ্লভনাৰায়ণে প্ৰথমে এওঁলোকক লেঙামাগুৰিয়া গ্ৰামত (হাজোৰ ওচৰৰ একে নামৰ বিলৰ পাৰত) স্থান দিলে। এই লেঙামাগুৰিয়াতে চণ্ডীবৰৰ পুত্ৰ ৰাজধৰৰ জন্ম হয়। ৰাজধৰৰ পুত্ৰ সূৰ্য্যবৰ; তেওঁৰো জন্ম ইয়াতেই। পিছে লেঙামাগুৰিয়াত ভোটৰ অত্যাচাৰত থাকিব নোৱাৰি চণ্ডীবৰে সকলোৰে লগত যুগুতি কৰি নিৰাপদ স্থান বিচাৰি পূবলৈ আহি গোপেশ্বৰ পালেহি আৰু তাৰ-পৰা ব্ৰহ্মপুত্ৰ পাৰ হৈ দক্ষিণত কালশিলা অতিক্ৰমি টেম্বুৱানি জানৰ পাৰত উঠিলহি। ভূঞাসকলে টেম্বুৱানি জানৰ দুয়োপাৰে দ আৰু উৰ্বৰা ভূমিখণ্ড দেখি তাতে ঘৰ-বাৰি সাজি বসবাস কৰিবলৈ ধৰিলে: "ইপাৰে সিপাৰে গ্ৰাম নিৰ্ম্মিলা প্ৰবন্ধে।" এই টেম্বুৱানিতে মহা আড়ম্বৰে বৃদ্ধ বয়সলৈকে কাল জাপন কৰি চণ্ডীবৰে পৰলোক গমন কৰে। ইফালে এইছোৱা কালৰ ভিতৰতে ভূঞাসকল আন এক বিপদৰ সম্মুখীন হ'ল - টেম্বুৱানি জানেদি গ্ৰামত ব্ৰহ্মপুত্ৰৰ পানী সোমাই খেতি-পথাৰ নষ্ট কৰে। সেইবাবে তেওঁলোকে টেম্বুৱানি জানত বান্ধ দি গ্ৰামত পানী সোমাব নোৱাৰা কৰিলে— 'টেম্বুৱানি বন্ধ'।

কোনো কোনো আলোচকে আৰু চৰিত পুথিত এই সময়তে ভূঞাসকল টেম্বুৱানিৰপৰা আলিপুখুৰীলৈ উঠি যোৱা আৰু শঙ্কৰদেৱৰ বিশ বছৰমান বয়সত, কছাৰীৰ, উপদ্ৰৱৰ হেতু আলিপুখুৰীত থাকিব নোৱাৰি, পুনৰ বৰদোৱালৈ ঘূৰি অহাৰ কথা কৈছে। শঙ্কৰদেৱৰ নিজৰ বৰ্ণনাত কিন্তু ক'তো আলিপুখুৰীৰ কথা বা ভূঞাসকলে দুডোখৰ ঠাইৰ মাজত বাসস্থান সলনি কৰি থকাৰ কথা উল্লেখ নাই। ভূঞাসকলৰ স্থান পৰিবৰ্তনৰ বৰ্ণনাত যি 'বাৰভূঞাৰ ভিঠা'ৰ কথা উল্লেখ কৰা হৈছে সেই স্থানৰ লগত মহাপুৰুষ শঙ্কৰদেৱৰ পিতৃ-বংশৰ কোনো সম্বন্ধ নাই। বাৰভূঞাৰ ভিঠা বুলিলে প্ৰকৃততে বৰদোৱাৰ উত্তৰ-পূবত থকা ৰামপুৰ অঞ্চলকহে বুজায়। এই অঞ্চল-টোৰ অৰ্থাৎ ৰামপুৰৰ পৰা পূবে কলিয়াবৰলৈকে জুৰি পূবৰপৰা

ভটিয়াই অহা ভূঞাসকলেহে (আৰিমত্ত ৰজাৰ মন্ত্ৰী সমুদ্ৰৰ নাতিনী-জীয়াৰীৰ পুত্ৰ শান্তনুৰপৰা বাঢ়ি হোৱা সক বাৰভূঞা) বসতি কৰিছিল। মুঠতে টেম্বুৱানি আৰু আলিপুখুৰী একেডোখৰ ঠাই। টেম্বুৱানি জানৰ বান্ধ বন্ধাৰ পিছত ভূঞাসকলে আলি বান্ধি, পুখুৰী খান্দি এখন পৰিকল্পিত গাওঁ স্থাপন কৰিলে। পিছলৈ এই গাওঁ বা চহৰখনেই বৰদোৱা বা বটদ্ৰৱা নামে খ্যাত হয়।

শস্যে-মৎস্যে অনুপাম ভূমিখণ্ডত নতুন আদৰ্শৰে গাওঁ স্থাপন কৰি ধনে-ধানে আঢ্যৱন্ত হৈ ভূঞাসকলে জীৱন নিৰ্বাহ কৰিবলৈ ধৰিলে। কিন্তু বংশ পৰম্পৰাৰ দুখ তেৰাসকলৰ তথাপিও নুগুছিল : সূৰ্য্যবৰো অপুত্ৰক হৈ ৰ'ল। তেওঁৰ আন তিনিজন ভাতৃৰো বিবাহ সম্পাদন হ'ল, কিন্তু পুত্ৰ কাৰো নাই। মনৰ দুখত পিতৃ ৰাজধৰে জ্যেষ্ঠ পুত্ৰক মাতি আনি বংশ ৰক্ষাৰ উপায় কৰিবলৈ উপদেশ দিলে। পিতৃৰ উপদেশ অনুক্ৰমে সূৰ্য্যবৰে দশদিগপালক স্তুতিকৰি কুসুম্বৰক পুত্ৰ লাভ কৰে (স্তুতি তুষ্ট হৈ সূৰ্য্যবৰৰ শিৰত "দেৱতাসকলে যাতো কুসুম সিঞ্চিলা। সেহি কাৰ্য্যে তাহান কুসুম নাম দিলা ॥") এই কুসুমেই শ্ৰীমন্ত শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰ।

বিবাহযোগ্য বয়স হ'লত কুসুম্বৰে শ্ৰীহৰি নামে ভূঞাৰ বংশৰ অনিৰুদ্ধৰ কন্যা সত্যসন্ধ্যাক বিয়া কৰায়। কিন্তু বহুকাল একো সতি-সন্ততি নোহোৱাৰ কাৰণে পুনৰ শ্ৰীপতি ভূঞাৰ ঘৰৰ অমৃধৃতিক বিয়া কৰাই পুত্ৰ কামনা কৰিলে। তথাপি পুত্ৰ নাই। অৱশেষত পিতৃ সূৰ্য্যবৰৰ পৰামৰ্শক্ৰমে কুসুম্বৰে পুত্ৰ কামনাৰে শিঙৰিৰ গোপেশ্বৰ শিৱক বিষ্ণু বুদ্ধিৰে উপাসনা কৰিলে ! শঙ্কৰক উপাসনা কৰি লাভ কৰা কাৰণে কুসুম্বৰৰ পুত্ৰৰ নাম ৰখা হ'ল শঙ্কৰবৰ। এই শঙ্কৰবৰেই ঘোৰ কলিযুগত ধৰ্ম-কৰ্ম, আচাৰ-বিচাৰ ভ্ৰষ্ট হৈ ধ্বংস হব খোজা নিজকুল মানৱ সমাজক ত্ৰাণ কৰিবৰ কাৰণে নৰদেহা কাৰণকৈ অসমভূমিত অৱতীৰ্ণ হওঁতা অযোনিজাত পুৰুষ নাৰায়ণৰ ছদ্মমায়া মহাপুৰুষ শঙ্কৰদেৱ। মাধৱদেৱ পুৰুষে এই তত্ত্ব প্ৰকাশকৈ

লিখিছে—

ত্রিভুবন বন্দন দৈৱকী নন্দন
যো হৰি মাৰল কংস।
জগজন তাৰণ দেৱ নাৰায়ণ
শঙ্কৰ তাকেৰি অংশ ॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ বংশলতা।

লণ্ডাদেৱ (কনৌজপুৰৰ পৰা আহি গ'গৰিয়াপুৰত বসতি লয়)
|
চণ্ডীবৰ (এওঁৰ দিনতে ভুঞাসকল কামৰূপলৈ আহে)
|
ৰাজধৰ
|
- সূৰ্য্যবৰ
  - সত্যসন্ধ্যা = কুসুম্বৰ = অনুধৃতি
    - শঙ্কৰদেৱ
    - বনগঞাগিৰি
- হলায়ুধ (অপুত্ৰক)
- জয়ন্তা
  - সন্তানন্দ
    - ৰামৰায়
- মাধৱ
  - হাথিয়াৰ দলৈ
    - ৰত্নকান্তগিৰি

ভূঞাসকলৰ অসম আগমনৰ কাল

কমতেশ্বৰ দুৰ্লভনাৰায়ণৰ দিনত অহা মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ উপৰিপুৰুষ চণ্ডীবৰৰ কামৰূপ আগমনৰ কাল ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই ১২২০ খৃষ্টাব্দ অৰ্থাৎ আহোমসকল অসমলৈ অহাৰ কিছুকাল পূৰ্বৰ বুলি অনুমান কৰিছে। বুৰঞ্জীবিদ কনকলাল বৰুৱাৰ মতে দুৰ্লভনাৰায়ণৰ কাল ১৩৩০ - ১৩৫০ খৃষ্টাব্দ; কিন্তু গেইট চাহাবে এইজন কমতেশ্বৰৰ সময় এয়োদশ শতিকাৰ শেষভাগ বুলি অনুমান কৰিছে। ডঃ মহেশ্বৰ নেওগে ৰামানন্দৰ চৰিতৰ পৰা উনত্ৰিশ বছৰত কুসুম্বৰৰ পুত্ৰ জন্ম হোৱা মত তুলি ভূঞাসকলৰ প্ৰত্যেক পুৰুষতে ত্ৰিশ বছৰ ধৰি চণ্ডীবৰৰ কামৰূপ আগমনৰ সময় খৃষ্টীয় চতুৰ্দশ শতিকাৰ ষষ্ঠ দশক বুলি ঠাৱৰ কৰিছে। অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী প্ৰণেতা দেবেন্দ্ৰনাথ বেজবৰুৱাই আকৌ প্ৰতি পুৰুষতে পঞ্চাশ বছৰ ধৰি চণ্ডীবৰৰ সময় ১২৪৯ খৃষ্টাব্দ বুলি ঠাৱৰাইছে। অৱশ্যে বেজবৰুৱাই ৰজা দুৰ্লভনাৰায়ণৰ দিনৰ অন্যতম কবি হেম সৰস্বতীৰ লেখাৰ বৰ্ণ-বিন্যাস ৰীতি আৰু ব্যাকৰণৰ বৈশিষ্ট্যৰ কথা যুক্তি সহকাৰে দেখুৱাই এই সিদ্ধান্তত উপনীত হৈছে। মন কৰিবলগীয়া কথা যে এই সময়ছোৱাৰ, বিশেষকৈ কামৰূপাধিপতি কুমাৰ ভাস্কৰ বৰ্মাৰ পিছৰেপৰা কোচৰজা বিশ্বসিংহৰ আগলৈকে, অসম বুৰঞ্জীৰ কোনো প্ৰামাণ্য সমল পাবলৈ নাই আৰু এই সময়ছোৱাৰ বুৰঞ্জী অস্পষ্ট হোৱাই এনে মতান্তৰৰ ঘাই কাৰণ।

এই মতান্তৰসমূহৰ আন এটি ঘাই কাৰণ হ'ল— মহাপুৰুষ

শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকলক এইদেশত আগৰে পৰা বসবাস কৰি থকা ভূঞা বা ভূঞাৰজাসকলৰ লগত কোনোৱে এক্তে পৰিয়াল বুলি বৰ্ণনা কৰিছে। কণকলাল বৰুৱাদেৱে স্পষ্টকৈ কৈছে যে "It is a mistake to suppose that the Bhuyan chiefs originated with the seven families of Brahmans and the seven families of Kayasthas whom Durlavnarayana settled in Kamrupa with the Siromoni Bhuyan Chandibor, as the leader of them all about the year 1330." তেখেতে আৰু দেখুৱাইছে যে কোনো কোনো বুৰঞ্জীবিদে শঙ্কৰদেৱৰ পূৰ্বপুৰুষ ৰাজধৰক (আজুককাক) পূৰ্ব অসম খণ্ডৰ পৰা অহা শান্তনুৰ বংশধৰ ৰাজধৰ বুলি অনাহক ভ্ৰান্তিৰ সৃষ্টি কৰিছে।

উল্লিখিত এই মন্তব্য সমূহলৈ সম্ভ্ৰম ৰাখি আমি এই সম্পৰ্কত আৰু তুটিমান কথালৈ মন কৰিলেই প্ৰকৃত সত্য লাভ কৰিব পাৰিম। চৰিত-পুথিসমূহৰ পৰা আমি পাওঁ যে কুসুম্বৰৰ বাহিৰে আন ভূঞা সকলৰ কাৰো মাজ বয়সত মৃত্যু হোৱা নাই; সকলোৱেই 'কালৰ প্ৰমাণে' অৰ্থাৎ বৃদ্ধাৱস্থাত মৃত্যুৰ কালপ্ৰাপ্তহৈহে পৰলোক গমন কৰিছে। দ্বিতীয়তে, ভূঞাসকলৰ প্ৰত্যেকজনেই প্ৰথম অৱস্থাত পুত্ৰ কন্যাহীন আছিল আৰু বিয়াৰ ভালেমান দিনৰ পিছত কোনো দেৱতাক আৰাধনা কৰিহে সন্তান লাভ কৰিছিল বুলি সকলো চৰিতকাৰে স্বীকাৰ কৰিছে। মহাপুৰুষ মাধৱদেৱৰ ভাগিন ৰামচৰণ ঠাকুৰ কৃত গুৰু-চৰিতত এই কথাৰ সমৰ্থনত আৰু এটা কথা পোৱা যায় যে ৰাজধৰৰ দিনত লেঙামাগুৰীৰপৰা উজাই আহি ভূঞাসকলে টেম্বুৱানি বন্দত থিতাপি লোৱাৰ সময়ত সূৰ্য্যবৰৰ বয়স তিনি বছৰ তুমাহ আৰু ইয়াত পঁচিশ বছৰ কাল কটোৱাৰ পিছত ৰাজধৰ আলিপুখুৰীলৈ উঠি যায়। এই টেম্বুৱানি আৰু আলিপুখুৰী একেখন ঠায়েই হওক বা ভিন্ন ঠায়েই হওক ('মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্ম স্থান' বিষয়ৰ আলোচনা দ্ৰষ্টব্য) আৰু নতুন স্থানত সূৰ্য্যবৰক

খ্যাতিলাভ কৰিবলৈ সময় লাগকেই বা নালাগকেই, বিয়াৰ সময়ত তেওঁৰ বয়স যে উনত্ৰিশ বছৰ কিম্বা ত্ৰিশ বছৰৰ ওচৰা-ওচৰি হৈছিল, সন্দেহ নাই। একাদিক্ৰমে ৰাজধৰৰ চাৰিওজন পুত্ৰৰ বিবাহ হ'ল; কিন্তু কাৰো পুত্ৰ নাই।

ৰাজধৰে বোলে বাপু শুনা সূৰ্য্যবৰ।
সন্ততি নভৈল দেখো তোমাৰ বংশৰ॥
চাৰিও ভাতৃৰ মাজে পুত্ৰ কাৰো নাই।.....

পিতৃৰ ইঙ্গিত বুজি সূৰ্য্যবৰে দশদিগপালক পূজি পুত্ৰ লাভ কৰে। গতিকে পুত্ৰলাভৰ সময়ত সূৰ্য্যবৰৰ বয়স আঠৈকুৰিৰ ওচৰা-ওচৰি বুলি ধৰিলে নিশ্চয় প্ৰমাদ নহব। কুসুম্বৰ ভূঞাৰ সন্তান লাভৰ সম্পৰ্কতো একে ধৰণৰ কথাকে পোৱা যায়। প্ৰথমা পত্নীৰ বিবাহৰ বহুদিন পিছলৈকে তেওঁলোকৰ কোনো সতি-সন্ততি নোহোৱাত জ্ঞাতিসকলৰ পৰামৰ্শ অনুসৰি কুসুম্বৰে দ্বিতীয় বিবাহ কৰে; কিন্তু তথাপিও সতি-সন্ততি নহ'ল। পুত্ৰ কামনাৰে কুসুম্বৰে যজ্ঞ কৰিলে, ব্ৰহ্মভোজ দিলে, গীতা পাঠ কৰালে, মন্ত্ৰ জপিলে; তথাপি পুত্ৰ নাই। এতিয়া ৰামানন্দ দ্বিজৰ চৰিত্ৰৰ "তথাপিতো তান পুত্ৰ নভৈলেক বিংশতি নব বৎসৰ" আৰু ৰামচৰণ ঠাকুৰৰ চৰিতৰ "কেনমতে হোৱে পুত্ৰ চিন্তা ৰাত্ৰিদিনে" কথাষাৰ মিলাই চালে পুত্ৰলাভৰ সময়ত কুসুম্বৰৰো বয়স পঞ্চাশৰ কাষ চাপে; কাৰণ কেৱল মাত্ৰ উনত্ৰিশ বছৰ বয়সলৈকে সতি-সন্ততি নুপজিলে ইমান গহীনভাবে চিন্তা কৰিবৰ কোনো হেতু নাই। এইখিনি কথাৰ ওপৰত নিৰ্ভৰ কৰি আৰু যেহেতু বুৰঞ্জীয়ে আমাক ভ্ৰান্তিৰ মাজলৈহে টানি নিয়ে, সেইবাবে চণ্ডীবৰৰ অসম আগমনৰ সময় সম্পৰ্কত অনুমানৰ ওপৰত কোনো এটা নিৰ্দ্দিষ্ট তাৰিখ ৰেখা নাটানি ত্ৰয়োদশ শতিকাৰ মাজভাগ বুলি ঠাৱৰ কৰাই বোধহয় সমীচীন হব।

প্ৰাক্-শঙ্কৰী অসমত বৈষ্ণৱ প্ৰবাহ

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱৰ আগতে অসমত যে বিভিন্ন ধৰ্মৰ যুঁজ-বাগৰ চলিছিল আৰু এই যুঁজ-বাগৰৰ ফলস্বৰূপে ধৰ্মৰ নামত নানা ব্যভিচাৰ চলিছিল সেই কথা বুৰঞ্জীয়ে অবিসম্বাদী ভাবে স্বীকাৰ কৰিছে। ছাৰ এডৱাৰ্ড গেইটে তেখেতৰ অসম বুৰঞ্জীত মহাৰাজ নৰনাৰায়ণৰ ৰাজত্বকালৰ গৌৰৱ বৰ্ণনা প্ৰসঙ্গত এই ব্যভিচাৰৰ কথা এনেদৰে উল্লেখ কৰিছে: "আদিমবাসীবোৰৰ অনাৰ্য্য দস্তুৰৰ লগত অধঃপতিত হিন্দুধৰ্মক সানমিহলি কৰি ধৰ্মৰ নামত যি ভয়ঙ্কৰ আৰু জঘন্য ভেকো-ভাওনা চলিছিল তাক অনিৰ্দ্দিষ্ট কাললৈ চলি থাকিবলৈ দিয়া অসম্ভৱ বুলিয়ে শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত বৈষ্ণৱ ধৰ্ম্মৰ প্ৰচাৰেৰে নৰনাৰায়ণৰ ৰাজত্বকাল গৌৰৱ-মণ্ডিত হৈ পৰিছিল।" গেইট চাহাবৰ 'আদিমবাসীবোৰৰ অনাৰ্য্য দস্তুৰ' উক্তিৰ নিচিনাকৈ কেতবোৰ বুৰঞ্জী আৰু চৰিতত উল্লেখ কৰাৰ দৰে শঙ্কৰদেৱৰ আগতে এইদেশত ধৰ্ম নাছিল বোলা কথাটো সত্য নহয়; বৰং আদি সত্যযুগৰেপৰা চলি অহা সনাতন ধৰ্ম্মৰ সোঁতটোক এই যুঁজ-বাগৰসমূহে সম্পূৰ্ণ নিশ্চিহ্ন কৰি দিব পৰা নাছিল।

অজ্ঞাত বুৰঞ্জীৰ কথা জোৰা-ফোন্দা দি প্ৰাচীন অসমৰ ধৰ্ম-সংস্কৃতিৰ বুৰঞ্জী প্ৰণয়নৰ চেষ্টা বাদ দিও যি দুই-এটা প্ৰাচীন

বুৰঞ্জীৰ জ্ঞান দিব পৰা সমল এতিয়ালৈকে উদ্ধাৰ হৈছে, সেইসমূহ নিৰীক্ষণ কৰিলে এইদেশত বৈষ্ণৱ-ধৰ্মৰ প্ৰভাৱৰ সম্পৰ্কত কেতবোৰ চমকপ্ৰদ কথা ওলাই পৰে। খৃষ্টীয় চতুৰ্থ শতিকাৰ মাজভাগৰ দিগ্বীজয়ী সম্ৰাট সমুদ্ৰগুপ্তই হিন্দুধৰ্মৰ বিহিত ৰাজসূয় যজ্ঞ সম্পাদন কৰে। এলাহাবাদ শিলালিপিত উল্লেখ কৰামতে এই ৰাজসূয় যজ্ঞত কামৰূপৰ ৰজায়ো যোগ দিয়ে। বুৰঞ্জীবিদ পণ্ডিতসকলৰ মতে সম্ৰাট সমুদ্ৰগুপ্তৰ সময়ত কামৰূপৰ ৰজা আছিল পুষ্যবৰ্মা আৰু এওঁ সমুদ্ৰগুপ্তৰ প্ৰতি অনুৰক্ত আছিল। সেইবাবে এই সময়তে কামৰূপত ভাগৱতী ধৰ্ম প্ৰবেশ কৰে বুলি পণ্ডিতসকলে অনুমান কৰিছে।

সপ্তম শতিকাৰ আগছোৱা কালৰ কামৰূপৰাজ কুমাৰ ভাস্কৰবৰ্মাৰ পাঁচ পুৰুষৰ আগৰ মহাভূতিবৰ্মাক মিকিৰ পাহাৰৰ বৰগঙ্গা অঞ্চলত আবিষ্কৃত শিলালিপি এখনত 'পৰম ভাগৱত' বোলা হৈছে। মহাভূতিবৰ্মা কমপক্ষেও ষষ্ঠ শতিকাৰ আগভাগৰ ৰজা হ'ব। সেইদৰে কুমাৰ ভাস্কৰবৰ্মাক পিনাকপাণি শিৱৰ উপাসক বুলি বৰ্ণনা কৰিলেও বানৰ হৰ্ষচৰিতত তেওঁক বৈষ্ণৱ-বংশৰ বুলি উল্লেখ কৰা হৈছে। উল্লেখযোগ্য যে এই বংশৰ সকলো ৰজাই তেওঁলোকক বৰাহৰূপী বিষ্ণু আৰু বসুমতীৰ পুত্ৰ নৰকৰ বংশধৰ বুলি চিনাকি দিছে।

আনহাতে প্ৰাচীন কামৰূপৰ তাম্ৰশাসনবোৰত ভগবানৰ বৰাহ, নৰসিংহ, জামদগ্ন্যৰাম, দাশৰথিৰাম আৰু বাসুদেৱৰ উল্লেখ মন কৰিবলগীয়া। খৃষ্টীয় একাদশ শতিকাৰপৰা অসমৰ ধৰ্ম জগতত বিষ্ণু উপাসনাৰ প্ৰাধান্যৰ ভালেমান প্ৰমাণ এই তাম্ৰশাসনসমূহে দাঙি ধৰে। ইন্দ্ৰপাল ৰজাৰ গুয়োখন ফলিত শিৱৰ উল্লেখ থাকিলেও বৰাহৰূপী বিষ্ণু আৰু বাসুদেৱৰ বন্দনা কৰা হৈছে। দ্বাদশ শতিকাৰ আগভাগৰ ৰজা ধৰ্মপালৰ তৃতীয়খন ফলিত পোন-পটীয়াকৈ বিষ্ণুৰ বন্দনা কৰা হৈছে। আনকি চতুৰ্দশ শতিকাৰ

শেষভাগ আৰু পঞ্চদশ শতিকাৰ আৰম্ভণি কালত কেঁচাইখাতী গোসাঁনীৰ প্ৰাধান্য প্ৰধান উত্তৰ-পূৱ অসমৰ ৰজা লক্ষ্মীনাৰায়ণৰ তামৰ ফলিতো গণেশ, শিৱ আৰু পাৰ্বতীৰ লগতে বাসুদেৱকো প্ৰণাম জনোৱা হৈছে।

প্ৰাচীন অসমৰ ফলি আৰু লিপিসমূহৰ দৰেই স্থাপত্য আৰু ভাস্কৰ্য্যইও এই দেশত বৈষ্ণৱ প্ৰভাৱৰ প্ৰমাণ দাঙি ধৰে। মহাপুৰুষ শঙ্কৰদেৱে কীৰ্ত্তনঘৰৰ ভেটি বন্ধা সময়ত চতুৰ্ভুজ বিষ্ণু-মূৰ্ত্তি পোৱাৰ কথাই এই দেশত প্ৰাক্-শঙ্কৰী যুগত বৈষ্ণৱ প্ৰভাৱৰ অধিক প্ৰাচীনত্ব প্ৰমাণ নকৰিলেও গোলাঘাটৰ দেওপানীৰ ওচৰত পোৱা বিষ্ণুমূৰ্ত্তি নৱম শতিকাৰ বুলি পণ্ডিতসকলে স্থিৰ কৰিছে। মিকিৰ পাহাৰৰ বৰগঙ্গা অঞ্চল আৰু নগাঁৱৰ ডবকা, গোসাঁইজুৰি আদি অঞ্চলত আবিষ্কৃত বাসুদেৱ-মূৰ্ত্তিৰ কালো নৱম শতিকাৰ পিছলৈ নাহে। অশ্বক্ৰান্তৰ অনন্তশায়ী বিষ্ণুমূৰ্ত্তি বুৰঞ্জীবিদ পণ্ডিত কনকলাল বৰুৱাৰ মতে দ্বাদশ শতিকাৰ।

এইসমূহৰ উপৰিও প্ৰাচীন অসমৰ সাহিত্যৰপৰাও এই দেশত যে শঙ্কৰদেৱৰ পূৰ্ববৰ্ত্তী কালছোৱাত বৈষ্ণৱ ধৰ্মৰ এটি সোঁত অন্যান্য দেৱ-দেৱীৰ সেৱা-উপাসনাৰ সমান্তৰালভাবে বৈ আছিল সেই কথাৰ প্ৰমাণ পোৱা যায়। দশম শতিকাত ৰচিত কালিকা পুৰাণ আৰু চতুৰ্দশ শতিকাৰ গ্ৰন্থ যোগিনী তন্ত্ৰতো বিষ্ণু-মাহাত্ম্য স্পষ্ট ভাবে প্ৰকাশ পাইছে। যোগিনী-তন্ত্ৰত বিষ্ণুক সৰ্বশ্ৰেষ্ঠ দেৱতা বুলি ঘোষণা কৰা হৈছে— "নাৰায়ণঃ শ্ৰেষ্ঠো দেবানাং পুৰুষোত্তমঃ"। কালিকাপুৰাণত বিষ্ণু-মাহাত্ম্য প্ৰকাশক অন্যান্য বাক্যৰ উপৰিও গ্ৰন্থকাৰে বশিষ্ঠৰ মুখেৰে কোৱাইছে— 'স্বয়ং বিষ্ণু পুণৰায় এই ঠাইলৈ নাহে মানে কামৰূপত দেৱীৰ পূজা বামা প্ৰক্ৰিয়াৰে চলিব আৰু ম্লেচাচাৰ হব।'

স্বয়ং বিষ্ণুৰ্নাচায়াতি যাবৎ স্থানমিদং পুনঃ।
বিৰলাশ্চাগমাঃ সন্তু য এতৎ প্ৰতিপাদিকাঃ॥

অৰ্থাৎ কালিকা পুৰাণৰ মতে এই গ্ৰন্থ ৰচনাৰ সময়ত কামৰূপত তান্ত্ৰিকতাৰ প্ৰাচুৰ্ভাৱ আছিল আৰু তাৰ আগেয়ে এই দেশত অন্যান্য দেৱ-দেৱীৰ সেৱা-উপাসনাৰ ব্যৱস্থা থাকিলেও বৈষ্ণৱ ধৰ্মৰো প্ৰাচুৰ্ভাৱ আছিল। সেইদৰে পুৰুষোত্তম গজপতিৰ দীপিকাছন্দ, হৰিহৰ বিপ্ৰৰ বব্ৰুবাহনৰ যুদ্ধ, হেম-সৰস্বতীৰ প্ৰহ্লাদ চৰিত্ৰ, মাধৱ কন্দলীৰ ৰামায়ণ, দেৱজিৎ আদি গ্ৰন্থই প্ৰাক্-শঙ্কৰী কালৰেপৰা অসমত বৈষ্ণৱ ভাবৰ প্ৰাধান্য প্ৰমাণ কৰে। আনকি স্বয়ং শঙ্কৰদেৱ আৰু মাধৱদেৱৰ লেখাতো এচাম লোকে বৈষ্ণৱৰ বেশ ধৰি হৰিনাম ধ্বজা কৰি বেদ-পথ (জ্ঞান পথ বা বেদৰ গুপুত বিত্ত ভক্তি পথ) নষ্ট কৰি ফুৰাৰ উল্লেখ কৰা হৈছে— "বৈষ্ণৱৰ বেশ ধৰিয়া ফুৰয় বেদপথ কৰি নষ্ট"। অৰ্থাৎ মহাপুৰুষ শঙ্কৰদেৱৰ প্ৰাক্কালত এই দেশত বৈষ্ণৱ-ধৰ্মৰ প্ৰভাৱ অধিক প্ৰকট আছিল। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে গুৰুগৃহত পুৰাণ, ভাৰত আদি চৰ্চা কৰা আৰু কছাৰীৰ খেদাত ব্ৰহ্মপুত্ৰ পাৰ হৈ যাওঁতে জঁাৰ্জিত গীতাশাস্ত্ৰ পোৱাৰ কথাও এই প্ৰসঙ্গতে উল্লেখযোগ্য।

মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্বপুৰুষসকলৰ বুৰঞ্জী বিচাৰ কৰিলেও অসমত যে বৈষ্ণৱ ধৰ্মৰ এটি সোঁত আগৰেপৰা প্ৰবাহিত হৈ আছিল তাৰ প্ৰমাণ পোৱা যায়। শঙ্কৰদেৱৰ বংশলতাত যিজনাক আদিপুৰুষ হিচাপে দেখুওৱা হৈছে, সেই প্ৰেম পূৰ্ণানন্দগিৰি কৃষ্ণ উপাসক আছিল। সেই বংশতে কৃষ্ণগিৰিয়ে সুবৰ্ণ দি ভগৱন্তক উপাসনা কৰি সুবৰ্ণগিৰিক পুত্ৰ লাভ কৰে। সেইদৰে সুবৰ্ণগিৰিক গন্ধৰ্বসকলৰ, গন্ধৰ্বগিৰিক ৰামৰ, কৃষ্ণকান্তিক শিৱৰ, লণ্ডাৰৰক চণ্ডীৰ, চণ্ডীবৰক দেৱীৰ, ৰাজধৰক সূৰ্য্যৰ, সূৰ্য্যবৰক দশদিগপালৰ আৰু শঙ্কৰদেৱৰ পিতৃ কুসুম্বৰক গোপেশ্বৰ শঙ্কৰৰ উপাসক হিচাপে দেখুওৱা হৈছে। উল্লেখযোগ্য যে শঙ্কৰদেৱৰ আজোককাক চণ্ডীবৰক দেৱীৰ উপাসক বুলি উল্লেখ কৰিলেও অপুত্ৰক চণ্ডীবৰে ৰাইজৰ আশীৰ্বাদতহে ৰাজধৰক পুত্ৰ লাভ কৰে। চণ্ডীবৰৰ পত্নীকো বিষ্ণুভক্তা হিচাপেহে

চৰিতকাৰে চিনাকি কৰিছে :

'সন্ধ্যা নামে ভাৰ্য্যা তান মহা গুন্ধমতী ।
সৰ্ব্বদায়ে কৰে তেহে বিষ্ণুত ভকতি' ॥

সেইদৰে কুসুম্বৰে পুত্ৰ-কামনাৰে শিৱৰ উপাসনা কৰিলেও গুৰুমাতৃ সত্যসন্ধ্যা আয়ে গৰ্ভ-ধাৰণৰ আগে আগে সপোনত ত্ৰিনয়ন শিৱৰ দৰ্শনৰ পিছতে শঙ্খ-চক্ৰ-গদা-পদ্মধাৰী বিষ্ণুৰূপৰো দৰ্শন পাইছিল। গৰ্ভধাৰণৰ আঠ মাহৰ অন্ততো সত্যসন্ধ্যা সতীয়ে দশদিগপাল আৰু দেৱতাসকলে স্তুতি কৰি থকা অৱস্থাত বৈকুণ্ঠপতি কৃষ্ণক সপোনত দৰ্শন পাইছিল। দ্বিজ ৰামানন্দৰ চৰিতত উল্লেখ কৰা মতে আকৌ কুসুম্বৰেও গোপেশ্বৰ শিৱক বিষ্ণু-জ্ঞানেৰেহে পূজা কৰিছিল :

নমো বাসুদেৱ চৰণে তোমাৰ
মনক পূৰা আমাৰ ।
মৎস্য কূৰ্ম্ম ৰূপ ধৰিয়া আছাহা
তুমি বিষ্ণু অৱতাৰ ॥
গঙ্গা যে যমুনা কাষতে উত্তৰ
সমীপতে মহাদেৱ ।
দিয়ো পুত্ৰ দান নমাগোঁহো আন
চৰণত কৰোঁ সেৱ ॥
একে বিষ্ণু আসি তিনি মূৰ্ত্তি ভৈলা
হিতক চিন্তি লোকৰ ।
উৰিষ্যা নগৰী জগন্নাথ ৰূপ
শিঙ্গৰীত গোপেশ্বৰ ॥
হাজো নগৰতে আছন্ত বেকাতে
হয়গ্ৰীৱ অৱতাৰ ।........
......তিনিও ঈশ্বৰ একে কলেৱৰ
কহিছন্ত পুৰাণত ॥

উল্লেখযোগ্য যে "কামৰূপৰ প্ৰধান প্ৰধান দেৱতাৰ ক্ষেত্ৰ মাত্ৰেই

শিৱৰ ক্ষেত্ৰ; শিৱ বা বিষ্ণু বুলি কোনো ভেদভাব নাই”। ডঃ বাণীকান্ত কাকতীয়ে তেখেতৰ ‘পুৰণি কামৰূপৰ ধৰ্মৰ ধাৰা’ গ্ৰন্থত এই কথা প্ৰমাণ সহকাৰে উল্লেখ কৰিছে।

এই সকলো কথাই প্ৰমাণ কৰে যে, শঙ্কৰদেৱৰ পূৰ্ববৰ্তী কালত অসমত বিভিন্ন ধৰ্মৰ যুঁজ-বাগৰ চলিলেও আৰু সময়ত শক্তি, শিৱ অথবা আন বামাচাৰী সেৱা-উপাসনাই গা কৰি উঠিলেও এই সমূহ যুঁজ-বাগৰে বৈষ্ণৱ সোঁতটোক সমূলঞে নাইকিয়া কৰিব পৰা নাছিল; বৰং জুইত পুৰিলে সোণৰ জেউতি চৰাদি এই সংঘাতসমূহ অতিক্ৰমি মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দিনত পবিত্ৰ আৰু সনাতন বৈষ্ণৱ ধৰ্মই শুদ্ধৰূপত প্ৰকাশ লাভ কৰে।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মস্থান

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে নিজৰ স্থানস্বৰূপে বৰদোৱা, বটদ্ৰৱা আৰু টেমুনিয়া বা টেম্বুৱানি— এই কেইটা ঠাই-নাম উল্লেখ কৰিছে। দশমস্কন্ধ ভাগৱতত আত্মপৰিচয় দিওঁতে তেৰাই লিখিছে :

“বৰদোৱা নামে গ্ৰাম শস্যে মস্যে অনুপাম
লোহিতৰ আতি অনুকূল ।
সেহি মহা গ্ৰামেশ্বৰ আছিলন্ত ৰাজধৰ
কায়স্থ কুলৰ পদ্মফুল ॥
তান্ধে পুত্ৰ সূৰ্য্যবৰ মহাবৰা দেশধৰ
দানী মানী পৰম বিশিষ্ট ।
যাৰ যশ এভো জ্বলে জয়ন্ত মাধৱ দলৈ
দুই ভাই যাহাৰ কনিষ্ঠ ॥
তানে পুত্ৰ কুলোদ্ধাৰ ভৌমিক মধ্যত সাৰ
প্ৰসিদ্ধ কুসুম নাম যাৰ ।
তানে পুত্ৰ শিশুমতি কৃষ্ণ পাৱে কৰি নতি
বিৰচিল শঙ্কৰে পয়াৰ ॥”

অষ্টম আৰু একাদশ স্কন্ধ ভাগৱততো গুৰুজনাই নিজস্থান সম্পৰ্কে প্ৰায় একে কথাকে দোহাৰিছে। আকৌ ‘ৰুক্মিণী-হৰণ’ কাব্যত

ৰাজধৰৰ পিতা চণ্ডীবৰৰ চিনাকি দিওঁতে গুৰুজনাই লিখিছে—

"টেমুনিয়া বন্ধে বসাইলা প্ৰবন্ধে
বটদ্ৰৱা নামে গ্ৰাম।
দুৰ্ল্লভ নাৰায়ণে যাক বহুমানে
দিলা দেৱীদাস নাম॥"

তেৰাৰ হৰিশ্চন্দ্ৰ উপাখ্যান আৰু অষ্টমস্কন্ধ ভাগৱততো ঠাইডোখৰৰ টেমুনিয়াৰ আৰু বটদ্ৰৱা এই দুয়োটা নাম একেলগে উল্লেখ কৰা হৈছে। ঠাইখনৰ আচল নাম যে টেমুনিয়া বা টেম্বুনিয়া বা টেম্বুৱানিহে এই কথা ৰামচৰণ-কৃত গুৰু-চৰিতৰপৰাও ঠাৱৰ কৰিব পাৰি—

"মহাসুখে ৰইল আসি টেম্বুৱানি পায়।.......
......ইপাৰে সিপাৰে গ্ৰাম নিৰ্ম্মিলা প্ৰবন্ধে।
বঞ্চিলন্ত হৈতত তেবে পৰম আনন্দে॥"

টেমুনিয়াৰ বটদ্ৰৱা বা বৰদোৱা নাম যে পিছত হোৱা নামহে, এই কথা ওপৰত উল্লেখ কৰা, গুৰুজনাৰ নিজৰ লেখাৰপৰাই ভালকৈ বুজিব পাৰি। দৈত্যাৰি ঠাকুৰেও এই টেম্বুৱানি আৰু বৰদোৱাৰ কথা একেদৰেই উল্লেখ কৰিছে—

"চণ্ডীবৰে ৰাজসেৱা বিস্তৰ কৰিল।
দুৰ্ল্লভ নাৰায়ণে দেৱীদাস নাম দিল॥
দেৱীদাসে বসাইলন্ত টেম্বুৱানি-বন্ধে।
বৰদোৱা নামে গ্ৰাম পৰম প্ৰবন্ধে॥"

এই পবিত্ৰ বৰদোৱা নামৰ লগত আন এটি ঠাই-নামো সংযোজিত হৈ আছে আৰু সেই ঠাই-নাম হৈছে আলিপুখুৰী। কোনো কোনো চৰিতকাৰ আৰু সংস্কৃতিৰ বুৰঞ্জীলেখক পণ্ডিতে বৰদোৱা আৰু আলিপুখুৰী দুখন ঠাই বুলি অভিমত দিছে আৰু আলিপুখুৰীয়েই (বৰদোৱাৰপৰা ভালেমান দূৰত অৱস্থিত বুলি নিৰ্দ্দেশ কৰি) মহাপুৰুষ গুৰুজনাৰ আবিৰ্ভাৱৰ স্থান বুলি খাটাংকৈ

অভিমত দাঙি ধৰিছে। কিন্তু মহাপুৰুষৰ নিজৰ লেখাত আলি-পুখুৰীৰ কোনো উল্লেখ নপকালৈ চাই এনে অভিমতৰ যৌক্তিকতা নাই বুলি ঠাৱৰাব পাৰি। বিশেষতঃ দুজনা গুৰু বেহাৰলৈ বুলি ধুঁৱাহাটাৰপৰা নাৱেৰে ভটিয়াই যাওঁতেও গুৰুজনাই শিঙৰিঘাটৰ পৰা হাত মেলি বৰদোৱা থানহে ছোট আতা মাধৱদেৱ পুৰুষক দেখুৱাইছিল, আলিপুখুৰী নহয়। বৰদোৱা আৰু আলিপুখুৰী দুখন ঠাই বুলি উল্লেখ কৰা চৰিতপুথিৰ সূক্ষ্ম অধ্যয়নেও দুয়োটা নাম একেখন ঠাইৰ বুলিয়ে প্ৰমাণ কৰে। চৰিতপুথি মতে শঙ্কৰদেৱে বৰদোৱাৰ পৰা তীৰ্থযাত্ৰা কৰিছিল, আৰু ঘূৰি আহি আলিপুখুৰীৰ ঘৰত সোমাল। এইখিনিতে মন কৰিবলগীয়া যে শঙ্কৰদেৱ তীৰ্থত থকা কালত কোনো কাৰণত ভূঞাসকল পূৰ্ব-বাসস্থানৰপৰা অন্য ঠাইলৈ উঠি যোৱাৰ কথা কোনো চৰিতপুথিত উল্লেখ কৰা নাই। অথবা শঙ্কৰদেৱ তীৰ্থৰপৰা ঘূৰি আহোঁতেও গৃহ-পৰিবৰ্তনৰ দৰে গুৰুত্বপূৰ্ণ বাৰ্তাটোও তেৰাক কোনোৱে দিয়াৰ উল্লেখ নাই। গতিকে অনুমানৰ ওপৰত ভেঁজা দি আলিপুখুৰীলৈ ঘৰ তুলি নিয়া কথা প্ৰমাণ কৰিবৰ চেষ্টা কৰা অমূলক। মুঠকথা, টেম্বুৱানি <টেমোনিয়া <টেম্বুনিয়া <টেমুনিয়া <টেমিনিয়া, বৰদোৱা আৰু আলিপুখুৰী একেডোখৰ ঠাই। বৰদোৱা নামৰ দৰেই আলিপুখুৰীও টেম্বুৱানিৰ পিছত হোৱা নাম। মহাগ্ৰামেশ্বৰ, ভৌমিকমধ্যত সাৰ ভূঞাসকল যে দূৰদৰ্শী পণ্ডিত, মহাবুদ্ধিমন্ত আৰু উন্নত সংস্কৃতিসম্পন্ন আঢ্যৱন্ত লোক আছিল সন্দেহ নাই। তেওঁলোকে টেমিনিয়া জানৰ কাষত ব্ৰহ্মপুত্ৰই সততে ঢৌৱাই থকা উৰ্বৰ ভূমিখণ্ডত আলি-পুখুৰীৰে এখন উন্নত গাওঁ পাতি গাৱঁলৈ পানী সোমোৱা জানত বান্ধ বান্ধি জানৰ উত্তৰ পাৰে কায়স্থ ভূঞাসকল আৰু দক্ষিণপাৰে ব্ৰাহ্মণসকল (নলচা গাওঁ) বহিছিল। ভূঞাসকলে যে সাধাৰণতে নৈয়ে ঢৌৱাই থকা দ আৰু উৰ্বৰা ঠাই চাই বসতি স্থাপন কৰিছিল এইকথা আৰু এটি কথাই সমৰ্থন কৰে। কনৌজৰপৰা দেশ এৰি আহি গংগাৰিয়াপুৰত বসতি

লগুঁতেও তেওঁলোকে দ ঠাঁই চাইহে বসতি লৈছিল। এই গ'গৰিয়াপুৰত গৌড়েশ্বৰৰ লোকে নৈৰ পানী সোমোৱা বাটত বান্ধ বন্ধা কাৰ্য্যত অকৃতকাৰ্য্য হোৱাৰ পিছত চণ্ডীবৰে গোজ পোতাই চ'তি-শলখা মৰাই খৰিয়াল আকাৰে বৃন্দা দি বান্ধ বন্ধাইছিল। অনুক্ৰমে টেমিনিয়াতো "গ্ৰাম নিৰ্ম্মিলা প্ৰবন্ধে"। আলি, পুখুৰীৰে সুবিধাযুক্ত কৰি লোৱা ভূঞাসকলৰ এই নতুন গাওঁখনকে পিছলৈ লোকে আলিপুখুৰীও বুলিছিল।

আলিপুখুৰী আৰু বৰদোৱা যে একেখন ঠাই সেই কথা অসমীয়া সংস্কৃতিৰ আন এটি চমকপ্ৰদ অধ্যায়েও প্ৰমাণ কৰি দেখুৱাইছে। গুৰুজনাৰ মহাপ্ৰয়াণৰ পিছত যি কাৰণতেই নহওক বৰদোৱাৰ সংস্কৃতি ধ্বংস হৈ গ'ল, মহাগ্ৰাম নিশ্চিহ্ন হ'ল। পিছত মহাপুৰুষৰ জীয়াৰী পক্ষৰ নাতি চতুৰ্ভূজ ঠাকুৰৰ পত্নী আই কনকলতাই সাক্ষাত বৈকুণ্ঠ "ভকতি সূৰ্য্য উদয়ৰ স্থান" বৰদোৱা পুনৰ আৱিষ্কাৰ কৰে (১৬৫৬ খৃঃ) আৰু তেতিয়াৰেপৰা এই পবিত্ৰ ভূমি ভকত বৈষ্ণৱসকলৰ তীৰ্থক্ষেত্ৰৰূপে স্বীকৃত হৈ আছিছে। চতুৰ্ভূজ ঠাকুৰে দেহ ত্যাগ কৰাৰ পিছত আয়ে মুছলমান ৰাজ্যৰ সীমামূৱলীয়া গোৱালপাৰাৰ বিষ্ণুপুৰ সত্ৰত থকা নিৰাপদ নহৰ ভাবি জয়ধ্বজসিংহ স্বৰ্গদেৱৰ দিনত আহোম ৰাজ্যলৈ আহে আৰু ৰাজ অনুচৰবৰ্গৰ সহায়ত পূৰ্বে গুৰুপত্নী কালিন্দী আয়ে কোৱা বৰ্ণনাৰ লগত মিলাই বৰদোৱাগ্ৰাম বিচাৰি উলিয়ায়। আইৰ উপদেশক্ৰমে অনুচৰসকলে সাত দিন থানৰ অনুসন্ধান কৰিছিল। অৱশেষত ভাউক পক্ষীৰ মাত অনুসৰণ কৰি শান্তিজান, আকাশীগঙ্গা, আলি, পুখুৰী, শিলিখাবৃক্ষ, নামঘৰ আৰু দ'লৰ ভেটি আদি পাই সেয়ে বৰদোৱা থান বুলি নিশ্চয় কৰে আৰু তেতিয়াৰেপৰা টেম্বুৱানি, বটদ্ৰৱা, আলিপুখুৰী আদি নাম তল পৰি বৰদোৱা নামটিয়েই প্ৰজ্বলিত হৈ চলি আহিছে।

বটদ্ৰৱা বা আলিপুখুৰীৰ বৰদোৱা নাম তাৎপৰ্য্যপূৰ্ণ। বটদ্ৰৱা শব্দৰ লগত বৰদোৱা শব্দৰ গাঠনিক বা অৰ্থগত কোনো মিল নাই।

কোনো কোনোৱে ঠাইডোখৰ দ হোৱাৰ কাৰণে এই নাম হোৱা বুলি মত দিয়ে। কিন্তু দ অৰ্থ প্ৰকাশ কৰিবলৈ ডুবি বা ডোবা শব্দহে ব্যৱহাৰ কৰা হয়। সেইদৰে বট বা বড় গছ আকাশী-গঙ্গাৰ জলত ডুব গৈ বৰদোৱা নাম হোৱা মন্তব্যও একে কাৰণতে যুক্তিৰ বাহিৰত। বৰদোৱা গুৰুচৰিতত আকৌ কোৱা হৈছে— গুৰুজনাই “এদিন নিশা যোগে বটগছৰ তললৈ গৈ ধেনুৰ অগ্ৰেদি চাপাকৃতি আঁক দি গঙ্গাদেৱীক আহ্বান কৰাত বটবৃক্ষ দ্ৰবিত হৈ গঙ্গা উৎপত্তি হ'ল, সেইদিনাৰপৰা সত্ৰৰ নাম বটদ্ৰৱা হ'ল”। এই কাহিনী যে নিতান্তই কাল্পনিক আৰু ভ্ৰান্ত-বুদ্ধিপ্ৰসূত সন্দেহ নাই; এনেকি গুৰুজনাৰ পবিত্ৰ ধৰ্মত শক্তি বা তেনে আন কোনো দেৱ-দেৱীৰ উপাসনা পদ্ধতিৰ প্ৰভাৱ পেলাবৰ অপচেষ্টা বুলি ভাবিবৰো থল আছে। শব্দৰ গাঠনিক দৃষ্টিকোণৰপৰা চালে বটদ্ৰৱাৰ বৰদোৱা নাম যাৱনিক প্ৰভাৱৰ ফল বুলি ঠাৱৰাব পাৰি। অসমীয়া ‘বৰ’ শব্দই উত্তম, শ্ৰেষ্ঠ, প্ৰধান, আশীৰ্বাদ, মিল হোৱা, বৰণ কৰা আদি অৰ্থ প্ৰকাশ কৰে আৰু যাৱনিক ‘দোৱা’ শব্দৰ অৰ্থ হ'ল আশীৰ্বাদ। ইয়াৰ লগতে আৰু দুই-এটা কথা চালে দেখা যায় যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰথমে এই স্থানতেই ‘লোকক কৃপায়ে’ আদি সত্য যুগৰ শুদ্ধ, শ্ৰেষ্ঠধৰ্ম হৰিনাম প্ৰকাশ কৰে। দামোদৰদেৱেও গুৰুজনাক “ভক্তিবৃক্ষ গজিবাৰ তুমি মূল ভূমি” বুলি প্ৰণতি জনাইছে। মহাপুৰুষে জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো শ্ৰেণীৰ লোকক একেখন সমাজৰ ভিতৰত সামৰি লৈছিল আৰু সকলো সংস্কৃতিৰ সমন্বয়ত এক উন্নত সংস্কৃতি গঢ়ি তোলাৰ চেষ্টা কৰিছিল। বিশেষতঃ মহাপুৰুষৰ কুলীন অকুলীন আতাসকলৰ লগতে চান্দসাই নামে এজন যৱন শিষ্যও আছিল। মহাপুৰুষীয়া সমাজত এইজন আতাৰ স্থান কেনে আছিল সেইকথা নামঘৰ সাজোঁতে শিৰৰ খুটা পোতা কাৰ্য্যৰপৰাই ঠাৱৰাব পাৰি। মুঠতে বৰদোৱা এই নতুন নাম যে যাৱনিক প্ৰভাৱৰ ফল সন্দেহ নাই।

'বটদ্ৰৱা'— এই পবিত্ৰ নামটিৰ উৎপত্তি সম্বন্ধত গুৰুজনাৰ অপূৰ্ব লীলাৰ সৈতে ছুটিমান সুন্দৰ কিংবদন্তি সংযোজিত হৈ আছে। অৱশ্যে এই কিংবদন্তীৰ লগত সম্বন্ধ থকা কিছু কথা এখন চৰিত্ৰতো পোৱা হৈছে। প্ৰাপ্ত চৰিত্ৰ অধ্যায়ত মহাপুৰুষৰ অৱতাৰৰ কথা এইদৰে বৰ্ণনা কৰা হৈছে—

"শঙ্কৰ স্বৰূপে আসি আদি নিৰঞ্জন।
মাধৱ স্বৰূপে হলিৰাম উৎপন্ন॥
প্ৰদ্যুম্ন পুৰুষোত্তম নামে ভৈলা জাত।
অনিৰুদ্ধ চতুৰ্ভূজ ভৈলন্ত সাক্ষাত॥
"জয়তি শ্ৰীবৎস বটদ্ৰৱা নাম যাৰ।
শঙ্কৰ স্বৰূপে হৰি তাতে অৱতাৰ॥
পঙ্কজ বিলাস নামে আসি ভৈলা থান।
শ্ৰীমন্ত শঙ্কৰে তাক কৰিলা নিৰ্মাণ॥
পূৰ্ব্বত বৰাহে আক্ষ আছন্ত আশ্বাসি।
বৰ শব্দে ভৈলা বৰদোৱা নাম আসি॥
কুণ্ডিলক যাইতে বেদনিধি সহিতে।
থানিতেক জুৰাৱন্ত গোবিন্দে তহিতে॥
সেহি মহা থানে পাছে শ্ৰীমন্ত শঙ্কৰ।
অৱতৰি কৰিলন্ত কাৰ্য্য নিৰন্তৰ॥"

সম্বন্ধিত কিংবদন্তী অনুসৰি বৰাহৰূপী বিষ্ণুৱে হিৰণ্যাক্ষক বধ কৰি ৰসাতলৰপৰা পৃথিৱী উদ্ধাৰ কৰাৰ পিছত এই স্থানতে জিৰণি লৈছিল। স্বাভাৱিকতে পানী জমা হৈ থকা দ ঠাই ডোখৰত অৱলীলাক্ৰমে লেটি লওঁতে বৰাহ-বিষ্ণুৰ গাৰপৰা এডাল নোম সৰি পৰিছিল আৰু কালক্ৰমত সেইঠাইতে পশু-পক্ষীকে আদি কৰি প্ৰাণীসমূহৰ আশ্ৰয়স্বৰূপ এজোপা বটগছৰ উৎপত্তি হ'ল। আন এটি কিংবদন্তী অনুসৰি ৰুক্মিণীক হৰণ কৰি কুণ্ডিলৰপৰা দ্বাৰকালৈ উভতি আহোঁতে এই বটগছজোপাৰ তলতে শ্ৰীকৃষ্ণ-ৰুক্মিণীয়ে খন্তেক

জিৰণি লৈছিল। কুণ্ডিলৰ পথত বেদনিধি শ্ৰুতিহত হৈ চলি পৰোঁতে এই স্থানতে ৰথ ৰাখি শ্ৰীকৃষ্ণই বেদনিধিক আশ্বস্ত কৰিছিল আৰু তেতিয়াই পূৰ্ব-স্মৃতি বিজড়িত ঠাইডোখৰ প্ৰত্যাবৰ্ত্তন যাত্ৰাত চাই যাবলৈ মনতে গুণাগঁথা কৰিছিল। বেদনিধিৰ প্ৰসঙ্গতে আৰু এটি ঘটনাৰ উল্লেখ আছে, যিটো টেম্বুৱানি বা টেমুৱানি জানৰ সৈতে সম্বন্ধিত। শ্ৰীকৃষ্ণৰ ৰথৰ বেগ সহিব নোৱাৰি উশাহ-নিশাহ নিৰোধ হৈ মূৰ আচন্দ্ৰাই কৰি দাংকোপ মৰা বামুণ অচেতন হৈ পৰিল। শ্ৰীকৃষ্ণই ৰথ ৰাখি এটা জানৰপৰা পানী আনি মূৰত দিয়াতহে কথমপি তেওঁ চেতনা পালে। তাৰ পিছত তামোল খাবলৈ খাস্তি-জোলোঙাৰপৰা সাজ-সৰঞ্জাম উলিয়াই লওঁতেই হাতৰপৰা টেমিটো সৰি বাগৰি গৈ জানটোত পৰিল। পিছত জানিবা শ্ৰীকৃষ্ণই টেমিটো বিচাৰি দিয়াত তামোল খাই ওঁঠত ৰাং চৰাই তলহ্-তমহ্ কৈ ৰুক্মিণী আইদেউৰ ওচৰলৈ যাবলৈ সাজু হ'ল। সেইবাবে এই জানটোৰ নাম হ'ল— টেমিনিয়া>টেমুনিয়া>টেম্বুৱানি।

এইখিনি কথাৰ লগতে মহাপুৰুষৰ লীলাৰ কথাখিনি সংযোজন কৰিলে বটদ্ৰৱা নামৰ উৎপত্তিৰ সম্পূৰ্ণ বিৱৰণটো স্পষ্ট হৈ উঠে। শঙ্কৰদেৱ তেতিয়া ডেকাগিৰি; আধ্যাত্মিক সাধনৰো দীক্ষাগুৰু। অনাবৃষ্টিৰ ফলত কেউফালে পানীৰ অভাৱ। ব্ৰহ্মপুত্ৰই গতিপথ সলোৱাৰ কাৰণে নদীও ভালেমান দূৰলৈ গ'ল। চাৰিওফালে হাঁহাকাৰ লাগিল। সকলোৱে গৈ গুৰুজনাত খাটনি ধৰিলেগৈ। গুৰুজনাই বোলে—"তোম্ৰাসৱে দিনে নিশা নাম ডাকা, পাস কৈ জল দিব ভগৱন্তে"। সকলো ভক্তই গুৰুজনাক মধ্যকৈ নাম ডাকিলে। দোভাগ নিশা গুৰুজনাই ৰাগ দিলে মেঘমল্লাৰ। হঠাৎ আকাশ মেঘে ছানি ধৰিলে, ধুমুহা আহিল; লগে লগে মুষলধাৰে বৰষুণ আৰম্ভ হ'ল। চাৰিওফাল পানীৰে উপচি পৰিল। ইয়াৰ মাজতে আৰু এটি অদ্ভুত ঘটনা ঘটিল— বজ্ৰনাদে এটি শব্দ হ'ল। ক'ত কি হ'ল কোনেও তৰ্কিব নোৱাৰিলে, গুৰুজনাইও

একো নকৰে। পিছদিনা সকলোৱে দেখে যে আগৰ যি স্থানত বটগছজোপা আছিল ডালে-পাতে আবৰেমানে তাত এখন সৰোবৰ আছে আৰু তাৰেপৰা ধনুৰ আকৃতিত এসোঁতা স্ফটিক-নিৰ্মল পানী বৈ গৈছে। কথিত আছে যে বেদনিধিক আশ্বস্ত কৰিবৰ সময়ত শ্ৰীকৃষ্ণই সাৰঙ্গধনুখন বটগছজোপাত আঁউজাই থৈছিল আৰু কিবা বিভূতিত ধনুখন বাগৰি পৰি কোমল মাটিত এটি সাঁচ বহি গৈছিল। লোকৰ কুশল হেতু শঙ্কৰস্বৰূপে হৰি নিজ অংশে অৱতৰি বৰষুণৰ ধাৰেৰে আকাশীগঙ্গা নমোৱাৰ পিছত পবিত্ৰ পানীধাৰ সেই চিনেদিয়েই বৈ গৈ বৰ্তমানৰ আকাশীগঙ্গা নামে খ্যাত জলাশয়টিৰ সৃষ্টি কৰিলে। এইদৰেই পৰমপুৰুষৰ পূৰ্বাপৰ কীৰ্তি বিজড়িত হৈ 'বৈকুণ্ঠ ভুতয়' বটদ্ৰৰাৰ সৃষ্টি হ'ল।

কথাগুৰু চৰিতত আকাশীগঙ্গাৰ সৃষ্টি আৰু টেম্বুৱানি বন্ধত থকা সেই বিশাল বটগছজোপা দ্ৰৱিত হোৱাৰ সম্পৰ্কত এইদৰে উল্লেখ কৰা হৈছে— "পাচে নাম দিলে। মহাপুৰুষ গুৰু তুপৰ নিশা গৈ বৃদ্ধাঙ্গুষ্ঠে ধেনুএ কাৰ কৰি উৰ্দ্ধহস্তকৈ গোৰ্হানি মাৰিলে; গিৰ্ গিৰ্ শব্দে আকাশীগঙ্গা নামিলহি পূৰ্বৰো নিমিত্তে"। কথা-গুৰু চৰিতৰ এই উক্তি এইবাবেই গ্ৰহণযোগ্য নহয় যে ভগৱন্তৰ শ্ৰীমন্ত শঙ্কৰৰূপ শান্ত অৱতাৰহে; এই অৱতাৰত তেৰাৰ হাতত ধনু-কাঁড় নাই, কাপ-কাকতহে আছে। আৰু বিশেষতঃ এই অৱতাৰ, শাস্ত্ৰই নিৰ্ণয় কৰা মতে, পৰম পুৰুষৰ পূৰ্ণ অৱতাৰ। আদি নাৰায়ণে ব্ৰহ্মাক পূৰ্ণ অৱতাৰৰ স্বৰূপ বৰ্ণনা কৰি নিজেই কৈছে—

"পূৰ্ণ ভৈলে অস্ত্ৰ শস্ত্ৰ নধৰোহো ময়।
সৃষ্টি স্থিতি সংহৰি কাৰণ সবে হয়॥
বহুতৰ নাম মূৰ্ত্তি নধৰোহো ময়।
কেৱল ভক্তিকে থাকো কৰিয়া আশ্ৰয়॥
সন্ত মূৰ্ত্তি ধৰি থাকোঁ শুনা সৃষ্টিকৰ।"

অনুৰূপে— "শঙ্খ চক্ৰ গদা পদ্ম অস্ত্ৰ চাৰিখান।
শৰণ চাৰিটি আসি ভৈলন্ত প্ৰধান॥…
শঙ্খে গুৰু চক্ৰে দেউ জানিবা নিশ্চয়।
গদা নাম ভক্তে পদ্ম নাহিকে সংশয়॥"

কোনোৱে আকৌ আকাশীগঙ্গাৰ অৱতৰণক অলৌকিক আখ্যান মাত্ৰ বুলি অভিহিত কৰিব বিচাৰে। কিন্তু আপুনি ঈশ্বৰ শক্তি মহাপুৰুষৰ এই কাৰ্য্য নিতান্ত স্বাভাৱিক। ভাৰতীয় কাব্য, উপাখ্যান, বুৰঞ্জী আদিত এনে উদাহৰণৰ অভাৱ নাই— চিত্ৰলেখা, তানসেন আদিৰ নৃত্য-গীতৰ চৰ্চ্চা ভাৰতীয় সঙ্গীত-কলাৰ গৌৰৱময় স্মৃতি। বটদ্ৰৱা এই ঠাই-নামটিয়েও সেইদৰে প্ৰাচীন অসমৰ নৃত্য-গীত আৰু সভ্যতা-সংস্কৃতিৰ তেনে গৌৰৱোজ্জ্বল ইতিহাসকে বহন কৰিছে।

এই বৰদোৱাতে আদি নাৰায়ণে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ ৰূপে অৱতাৰ গ্ৰহণ কৰি দেৱসবে কপট ঢাকোন দি গুপুতে ৰখা আদি সত্য যুগৰ শুদ্ধ ধৰ্ম হৰিনাম প্ৰচাৰি সমস্ত লোকক অপাৰ সংসাৰ সিন্ধু তৰণৰ প্ৰকৃত পথ দেখুৱাই দিলে। বংশীগোপালদেৱে গুৰুজনাৰ অৱতাৰ ক্ষেত্ৰৰ মাহাত্ম্য বৰ্ণনা কৰি কৈছে—

"সপ্ত বৈকুণ্ঠৰ শক্তি বৰদোৱা থান।
তথাতে ৰহিলা সবে কৰিয়া কীৰ্ত্তন॥
যৈত আসি গুৰুজনে ভৈলা অৱতাৰ।
অন্য ভূমি কোন সম হৈবে বৰদোৱাৰ॥"

মহাপুৰুষৰ একান্ত অনুৰক্ত পুৰুষোত্তম ঠাকুৰেও এই বৰদোৱা আৰু গুৰুজনাৰ চিনাকি দি লিখিছে—

"জয় জয় বটদ্ৰৱা বৈকুণ্ঠ তুতয়।
সেহি থানে নিজ গুৰু ভৈলন্ত উদয়॥
সেহি স্থানে নিজ গুৰু পাতিলন্ত হাট।
ৰাম নাম মহাৰত্ন বেসাইলন্ত তাত॥
মধ্যে পাদশিলা দক্ষিণত নামঘৰ।

মণিকূট গৃহ বান্ধি ৰহিল শঙ্কৰ ॥
দক্ষিণে যাত্ৰাৰ দৌল শঙ্কৰে নিৰ্ম্মিলা ।
সাতো বৈকুণ্ঠৰ চিহ্ন আঁকিয়া দেখাইলা ॥
পশ্চিমে শিলিখা বৃক্ষ হালিয়া আছয় ।
তাহাতে আঁউজি গুৰু পুথিক লিখয় ॥
উত্তৰে আকাশীগঙ্গা ভক্তি সৰোবৰ ।
ৰাত্ৰিভাগে নিৰ্ম্মিলন্ত শ্ৰীমন্ত শঙ্কৰ ॥
চাৰিফালে চাৰি হাটি মহা ভক্তগণ ।
চৌদ্ধয় প্ৰসঙ্গ কৰে নামৰ কীৰ্ত্তন" ॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ কাল

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ কাল সম্পৰ্কত চৰিতকাৰসকলে ভিন্ ভিন্ মত দাঙি ধৰিছে। সেইদৰে তেখেতৰ বৈকুণ্ঠ প্ৰয়াণৰ কাল সম্পৰ্কতো মত-পাৰ্থক্য আছে। এই দুয়োটা কাল একেলগে গণনা কৰিলেহে মূল সত্যত উপনীত হব পৰা হব; সেই বাবে অপ্ৰাসঙ্গিক হলেও গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণৰ কালো এই প্ৰসঙ্গতে উল্লেখ কৰা হ'ল। ৰবদোৱা চৰিতমতে গুৰুজনাৰ আৱিৰ্ভাব হয় "১৩৭১ শকৰ কাৰ্ত্তিক সংক্ৰান্তিৰ অমাবস্যা তিথিত বৃহস্পতিবাৰ মাজনিশা" আৰু "১৭৯০ শকৰ ভাদ্ৰ মাহৰ দ্বিতীয়া তিথিত দিবাভাগে মানৱলীলা সম্বৰণ কৰি বৈকুণ্ঠে প্ৰয়াণ কৰিছে"। কথাগুৰু চৰিত অনুসৰি "কাৰ্ত্তিকৰ সংক্ৰান্তি, বাৰ বৃহস্পতি, তিথি পূৰ্ণিমা, শ্ৰাৱণা নক্ষত্ৰ, মধ্যনিশা, জ্যোতিষৰ তেৰশত একসত্তৰি শকত শ্ৰীশ্ৰীমন্ত ভকতৰ তিনি নিৰ্ব্বন্ধৰ কল্পতৰু আত্মা মহাপুৰুষ গুৰু অৱতাৰ" আৰু "উনবিংশতি শতবৰ্ষ ৰহি বেহাৰে কাকতকুটাত পৃথিবী এৰি নৰদেহা সম্বৰণ কৰি বৈকুণ্ঠে গলন্ত"; "ৰাজশক ১৪৯০।" অনিৰুদ্ধদেৱৰ চৰিত্ৰত অৱতাৰৰ কাল দিছে— "বাণ বসু নয়ন চন্দ্ৰমা শক চাৰি" (১৩৮৫ শক) আৰু প্ৰয়াণৰ সময় দিছে— "ভাদ্ৰ মাস শুকুলা দ্বিতীয়া তিথি ভৈলা॥ ....বিন্দু, ৰন্ধ্ৰ বেদ চন্দ্ৰ বুজা এই শক"— (ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত, ১৪৯০ শক)। ৰামানন্দ দ্বিজৰ মতে জন্ম "ফাল্গুন মাসত / শুক্লা দ্বিতীয়াত / অৰ্দ্ধ ৰাত্ৰি যেবে গৈল" আৰু প্ৰয়াণৰ সময় হ'ল— "সাত দিন ৰাহ্তে ভাদ্ৰৰ শুকিলা দ্বিতীয়া তিথি"। ৰুদ্ৰ যামলত গুৰুজনাৰ

আবিৰ্ভাৱৰ সময় ১৩৭১ শকাব্দ আৰু প্ৰয়াণৰ সময় ১৪৯০ শক বুলিছে। শঙ্কৰদেৱৰ শিষ্য সাৰ্বভৌম ভট্টাচাৰ্য্যই পদ্ম-পুৰাণ স্বৰ্গখণ্ডত চমুকৈ গুৰুজনাৰ জীৱন কাল "এক বাম ছয় বিংশ বৰিষ ভৈলন্ত" বুলি উল্লেখ কৰিছে। ৰামচৰণ ঠাকুৰৰ চৰিতত আবিৰ্ভাৱৰ সময় —

আশ্বিন প্ৰবেশি পঞ্চদিন বহি গৈলা।
সেহিদিনা শঙ্কৰদেৱৰ জন্ম ভৈলা॥
শুকুলা দশমী আসি ভৈলা শুক্ৰবাৰ।

আৰু প্ৰয়াণৰ সময় দিছে—

ভাদ্ৰ আসিয়া শুক্লা দ্বিতীয়া তিথি ভৈলা।
সেহি দিনা গুৰু নৰনাট্য সামৰিলা॥
ডেৰ বছৰ মন্দ আয়ু ভৈল ছয়কুৰি। (হুবলগা পাঠান্তৰ-বৰিষেক)
প্ৰভু বৈকুণ্ঠক গৈলা নৰনাট এৰি॥

আন কেবাখনো চৰিত্ৰতো আয়ুকাল আৰু প্ৰয়াণৰ কাল সম্পৰ্কে এই অনুক্ৰমেই কোৱা আছে ঃ

ভাদ্ৰ মাস শুকুলা দ্বিতীয়া তিথি ভৈলা।
সেহি দিনা শঙ্কৰ বৈকুণ্ঠে চলি গৈলা॥
বৰিষেক মন্দ আয়ু ভৈল ছয়কুৰি॥
তেখনে চলিলা গুৰু বৈকুণ্ঠ নগৰী॥

ওপৰত উল্লেখ কৰা আটাইখিনি কথা মিলাই চালে দেখা যায় যে প্ৰয়াণৰ কাল বা সময় সম্পৰ্কে কোনো চৰিতকাৰৰ মতভেদ নাই। আয়ুকাল সম্পৰ্কত ছোট আতা মাধৱদেৱ পুৰুষৰ আজ্ঞাক্ৰমে চৰিত ৰচোঁতা ৰামচৰণ ঠাকুৰৰ চৰিত্ৰত কোনো নকলকাৰকে 'বৰিষেক' শব্দৰ পাঠান্তৰ ঘটাই 'ডেৰ বছৰ' কৰিছে। কাৰণ শাৰী কেইটালৈ চকু দিলে দেখা যায় যে আটাই কেইটা শাৰীৰ প্ৰতি শাৰীতে চৌদ্দটাকৈ বৰ্ণ বা যুক্তবৰ্ণ আছে, কিন্তু উল্লিখিত বিশেষ শাৰীটিত পোন্ধৰটা বৰ্ণ আছে আৰু পাঠান্তৰত দিয়া শব্দবে কাব্য শুদ্ধ হয়। এইমতে হলে ৰামচৰণৰ মত সাৰ্বভৌম ভট্টাচাৰ্য্য,

রুদ্র যামল আৰু শেষোক্ত চৰিত-পাঠসমূহৰ লগত সম্পূর্ণ মিলি যায়। ৰামানন্দ দ্বিজৰ চৰিতত জন্ম-কাল সম্পর্কে এটি খুঁত বৈছে : সপ্তদশ শতিকাৰ শেষ ভাগত ৰচিত এই চৰিত্রত জন্মকাল ফাগুন মাহ ধৰিছে। এই সময় মহাপুৰুষৰ মাতৃ-গর্ভত সঞ্চাৰৰ সময় পাঠান্তৰ ঘটি হোৱা ত্রুটি হব পাৰে। ৰামচৰণ ঠাকুৰৰ চৰিত্রত সত্যসন্ধা মাতৃৰ গর্ভসঞ্চাৰৰ কাল সম্পর্কে উল্লেখ কৰিছে—

"মাঘমাসে দশদিন যেবে বহি গৈল।
শুক্ৰবাৰ তথাতে দ্বিতীয়া তিথি ভৈল॥
সেহি বেলা গুৰু যাই গর্ভে লৈলা বাস।"

বৰদোৱা চৰিততো ৰামচৰণৰ এই তথ্য স্বীকাৰ কৰি লোৱা হৈছে।

এইমতে হিচাপ কৰিলে দেখা যায় যে গুৰুজনাই মাতৃগর্ভত সঞ্চাৰৰপৰা দিনৰ হিচাপত আঠমাহ অন্তত নৱনাট্য আৰম্ভ কৰিছে। ৰামচৰণ ঠাকুৰেও গুৰুজনৰ গর্ভস্থিত কাল আঠমাহ বুলিহে উল্লেখ কৰিছে আৰু বিশেষতঃ মহাপুৰুষৰ আবির্ভাৱৰ ই এক উল্লেখনীয় বৈশিষ্ট্য। বিশ্বৰ মনীসীসকলৰ গর্ভস্থিত কাল সম্পর্কে অনুসন্ধান কৰিলেও এই সত্যৰ তাৎপর্য্য উপলব্ধি কৰিব পৰা হব্। মুঠতে, গুৰুজনাই ১৩৭১ শকৰ আহিনৰ পাঁচ দিন যোৱাত শুক্লা দশমী তিথিত ৰোহিনী নক্ষত্রৰ সংযোগত শুক্রবাৰে মাজনিশা অৱতাৰ গ্রহণ কৰে। গুৰুজনাৰ জন্মৰ এই ক্ষণ সম্পর্কে ৰামচৰণ ঠাকুৰৰ চৰিতত পোৱা হয়—

"ৰোহিনী নক্ষত্র মিলিলেক সিবেলাত। ....
..... চাৰিদণ্ড ৰাতি যেবে গৈল সিদিনাৰ।
তেবেসে জানিবা জন্ম ভৈলা শঙ্কৰৰ"॥

এইখিনিতে উল্লেখযোগ্য যে ভাগৱত আদি শাস্ত্রত ভগবান শ্রীকৃষ্ণৰ ঐশ্বৰিক লক্ষণ বর্ণনা কৰাদি মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱৰ জন্মক্ষণ আৰু কার্য্য কলাপৰ বর্ণনাতো চৰিত-পুথিত বিভিন্ন শুভলক্ষণ আৰু অতিমানৱীয় কার্য্য-কলাপৰ উল্লেখ কৰা হৈছে। কম-বেছি

পৰিমাণে আটাইকেইখন চৰিত-পুথিত এনে উল্লেখ পোৱা হয়। অৱশ্যে, ভক্ত বৈষ্ণৱসকলৰ মানত প্ৰামাণ্য আৰু বৰচৰিত নামে খ্যাত ৰামচৰণ ঠাকুৰ বিৰচিত চৰিত আৰু কথাগুৰু-চৰিততকৈ আপেক্ষিক-ভাবে সংক্ষিপ্ত, দৈত্যাৰী ঠাকুৰ আৰু ৰামানন্দ দ্বিজৰ চৰিতত শিশুকালৰ অতি-মানৱীয় লক্ষণসমূহৰ কথা বৰ্ণনা কৰা নাই।

গুৰুজনাৰ জন্ম-মুহূৰ্তৰ শুভ-লক্ষণসমূহ দৈত্যাৰী ঠাকুৰ আৰু ৰামানন্দ দ্বিজে প্ৰায় একে ধৰণেৰেই বৰ্ণনা কৰিছে। ৰামানন্দ দ্বিজে লিখিছে—

একদণ্ড মানে জন্ম সময়ত
প্ৰকাশিলা পুৰী খান।
অন্ধকাৰ নিশা জ্যোতিময় দেখি
সবাৰো বিস্ময় মন॥
পৰম শোভন সুগন্ধ বাতাস
কতোক্ষণে বহিলেক।
ঘ্ৰাণ পায়া আতি সমস্তে লোকৰ
প্ৰসন্ন মন ভৈলেক॥
ঘোৰা চিহৰিলা বাজনা বাজিলা
যতেক বাদ্য সকল।
পুত্ৰ উতপতি শুনি কুসুমৰ
ভৈলা আতি কৌতুহল॥

কথাগুৰু চৰিতত ইয়াতকৈ কিছু বেলেগ কথা পোৱা হয়। এই চৰিতত বৰ্ণনা কৰা মতে: "জলজন্তু, থলজন্তু, বনচৰ, হস্তী, ঘোঁড়া, কাঁহ, ভেকু, ডবা, কালি, শঙ্খ, ঘণ্টা পৰ্য্যন্ত বাজি উঠিল, উৰুলি মঙ্গল কৰিলে।...... কসটিৰ চণ্ডা হালি পৈল, এশ গছ বস্তি ঝাত কৰে মুমলে, মেৰ ভাগি এশপুৰা সৰিহ্ পৈল কাৰণৰ নিমিত্তে আৰু এহাত পৃথিৱী উঠিছে, আৰু তিনিগছ নাড়ি মেৰাই আছিছিল, তিনিগুণে"। বৰদোৱা চৰিততো কথাগুৰু চৰিতৰ এইসমূহ বৰ্ণনা

উল্লেখ কৰা হৈছে।

ৰামচৰণ ঠাকুৰৰ চৰিতত উল্লেখ কৰা বৰ্ণনা এনে ধৰণৰ : ১৩৭১ শকৰ আহিনৰ পাঁচদিন যোৱাত শুক্রবাৰে শুকুলা দশমী তিথিৰ চাৰিদণ্ড ৰাতি ৰোহিণী নক্ষত্ৰ সঞ্চাৰ হোৱা এই শুভ-মুহূৰ্তত গম্ভীৰ শব্দে মেঘে গাজিব ধৰিলে ; সকলো প্ৰকাৰ দুখ নিবাৰক সুবাসিত বতাহ বলিল ; চতুৰ্দিশে মহা আমোদিত গন্ধ বিয়পি পৰিল, নদ-নদী, পৰ্বত পাহাৰকে আদি কৰি সকলোতে মহা আনন্দৰ ধ্বনি উঠিল ; জলচৰ, স্থলচৰ জীৱসমূহে আনন্দত উল্লসিত হৈ নানা প্ৰকাৰ ধ্বনি কৰিলে। সেই শুভ-মুহূৰ্ততে তিনিগছি নাড়ি বেষ্টিত হৈ শ্ৰীমন্ত গুৰুৰ পৃথিবীত আবিৰ্ভাৱ হ'ল আৰু লগে লগে পৃথিবী তল্ বল্ কৰি উঠিল— ভূঞাসৱৰ গৃহৰ দেৱীমূৰ্তিসমূহ কাটি হৈ পৰিল, প্ৰজ্বলিত বন্তিসমূহ নুমাই গ'ল। ৰামচৰণৰ মতে তিনিগছি নাড়িৰে বেষ্টিত হৈ জনম লভি গুৰুজনে দেৱ, নাম আৰু ভকত এই তিনি সত্যৰ তত্ত্বহে ব্যক্ত কৰিলে :

> প্ৰথম নাৰীয়ে জানা দেখাৱে দেৱক। (নাৰী=নাড়ি)
> আউৰ দুই নাৰী কৰে নাম ভকতক ॥

সেইদৰে দেৱীমূৰ্তিসমূহ কাটি হৈ পৰা আৰু মূৰ্তিৰ সন্মুখৰ প্ৰজ্বলিত বন্তিসমূহ নুমাই যোৱা ঘটনাও মহাপুৰুষৰ আবিৰ্ভাৱৰ ফলস্বৰূপে অন্যান্য দেৱ-দেৱীৰ সেৱা উপাসনাৰ প্ৰাধান্য কমি গৈ একশৰণ যোগে ধৰ্মৰ পুনঃ সংস্থাপনৰ ইঙ্গিত মাত্ৰ।

যি কি নহওক, "শুভক্ষণ শুভলগ্ন নক্ষত্ৰ মিলিল। সেহিবেলা কুসুমৰ পুত্ৰ উপজিল ॥ ····· উপজিল পুত্ৰ কথা কুসুমে শুনিলা। পৰম আনন্দে স্নান সবস্ত্ৰে কৰিলা ॥" দৈৱজ্ঞইও গণি পঢ়ি অঙ্ক কৰি চাই পালে যে জাতক ধনুৰাশি, দেৱগণ, ৰোহিণী নক্ষত্ৰ আৰু মাহেন্দ্ৰ যোগত জন্ম, নাম কোষ্ঠীত গঙ্গাধৰ ; পিতৃদত্ত শঙ্কৰক উপাসনা কৰি লাভ কৰা বাবে শঙ্কৰ বা শঙ্কৰবৰ। এইদৰে শুভদিন, শুভবাৰ, শুভতিথি, শুভক্ষণত পৰমপুৰুষে কুসুম্বৰৰ গৃহত শঙ্কৰ ৰূপে অৱতাৰ গ্ৰহণ কৰি সম্পূৰ্ণ এশ উনৈশ বছৰ কাল নৰলীলাৰ অন্তে ১৪৯০ শকৰ ভাদ্ৰ মাহৰ সাতদিন যোৱাত শুক্লা দ্বিতীয়া তিথিত বৃহস্পতিবাৰে নৰনাট সম্বৰণ কৰি বৈকুণ্ঠ প্ৰয়াণ কৰে।

নামত শঙ্কৰদেৱৰ প্ৰভু ভগৱন্ত

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ যে ভগৱানৰে অৱতাৰ এই কথা নতুনকৈ প্ৰমাণ কৰিবলগীয়া কথা নহয়। অনেক বেদ-বিশাৰদ পণ্ডিতকে আদি কৰি ভালেমান একেশ্বৰবাদী তথা মহাপুৰুষীয়া শাস্ত্ৰজ্ঞ পণ্ডিতে এই কথা কেতিয়াবাই প্ৰমাণ কৰি বিৰুদ্ধবাদীসকলৰ চকুত আঙুলি দি দেখুৱাই থৈ গৈছে। বৰ্তমান যুগৰো দেশ-বিদেশৰ ভালেমান পণ্ডিতে শ্ৰীমন্ত শঙ্কৰদেৱ যে আচলতে মহাপুৰুষ তথা অৱতাৰী পুৰুষ সেইকথা স্বীকাৰ কৰিছে। প্ৰাচ্যৰ এগৰাকী শ্ৰেষ্ঠ মনীষী ডঃ সুনীতি কুমাৰ চট্টোপাধ্যায়ে তেখেতৰ বিষয়ে লিখিছে— "Sankardev is specially connected with Assam but he belongs to the whole of India, and he has also a universal quality, as a man of faith and religion, of learning and organisation" (শঙ্কৰদেৱ বিশেষভাৱে অসমৰ লগত সম্বন্ধিত হলেও তেওঁ সমগ্ৰ ভাৰতৰে আৰু ধৰ্ম, বিশ্বাস, শিক্ষা, সংগঠন আদিৰ ক্ষেত্ৰত তেওঁ এগৰাকী বিশ্ব-মানৱীয় প্ৰতিভাসম্পন্ন ব্যক্তি)। ভাৰতৰ আন এজন প্ৰসিদ্ধ সাহিত্যিক আৰু সমাজ-সংস্কাৰক কাকা চাহেব কালেলকাৰে তেখেতৰ বৰদোৱা দৰ্শনৰ উদ্দেশ্য ব্যক্ত কৰি কৈছিল— "মই আহিছোঁ অৱতাৰী পুৰুষ শঙ্কৰদেৱৰ জন্মস্থান বৰদোৱা দৰ্শন কৰিবলৈ। আমাৰ দক্ষিণৰ মানুহৰ মনত পূবৰ শঙ্কৰদেৱ এতিয়াও জীৱন্ত হৈ আছে।" শ্ৰীসত্যসাই বাবাৰ অন্যতম প্ৰধান শিষ্য শিক্ষাবিদ ডঃ বিনয়কৃষ্ণ গোকাকেও শঙ্কৰদেৱক "এগৰাকী বিপ্লৱী ধৰ্ম-প্ৰচাৰক আৰু অৱতাৰী

পুৰুষ" বুলি স্বীকাৰ কৰিছে। মুঠতে আত্ম-প্ৰকাশৰে প্ৰকাশিত সূৰ্য্যক কোনেও চিনাই দিবৰ প্ৰয়োজন নোহোৱাৰ দৰে শ্ৰীমন্ত শঙ্কৰদেৱো নিজৰ মহান পুৰুষৰ দ্বাৰাই জগতত স্বয়ং ঈশ্বৰ অৱতাৰ বুলি নিঃসন্দেহে স্বীকৃত হব।

কিন্তু তথাপিও বহুতে ভ্ৰান্ত ধাৰণাজনিত বুদ্ধিৰ দোষত মহাপুৰুষৰ সেৱা প্ৰৱৰ্ত্তন কৰাৰপৰাহে তেখাক পাছত মহাপুৰুষ বোলা হৈছে বুলি তৰ্ক যুক্তি দাঙি ধৰিছে। বহুতে আকৌ অজ্ঞানতাবশতঃ তেখাক কেৱল কবি, সাহিত্যিক, নাট্যকাৰ, শিল্পী, সমাজ-সংগঠক, ধৰ্ম-প্ৰবৰ্ত্তক, সাংস্কৃতিক নেতা আদি গুণৰে বিভূষিত কৰি অসমীয়া জাতিৰ পিতা বুলিয়েই আত্ম-প্ৰসাদ লাভ কৰে। মহাপুৰুষৰ মহত্বৰ ওপৰত অত্যোপচাৰ চলাওঁতা এইসকলৰ ভিতৰত দ্বিতীয় চামে আকৌ শ্ৰীমন্ত শঙ্কৰদেৱৰ চৰিত্ৰ আৰু কাৰ্য্যকলাপত অতিলৌকিকতাৰ গোন্ধ পাই সেইসমূহ অবাস্তৱ বুলি কৈ চৰিতকাৰসকলে শ্ৰীমন্ত শঙ্কৰদেৱৰ ওপৰত ঈশ্বৰত্ব আৰোপ কৰিবলৈ বৃথা চেষ্টা কৰিছে বুলি মত দিবলৈকো কুণ্ঠাবোধ কৰা নাই।

শ্ৰীমন্ত শঙ্কৰদেৱৰ মহাপুৰুষত্ব বা ঈশ্বৰত্ব উপলব্ধি কৰোঁতাসকলে তেওঁলোকৰ মতৰ সমৰ্থনত যি সমূহ শাস্ত্ৰৰ উল্লেখ কৰিছে সেইসমূহৰ ভাসেমানত মাধৱদেৱপুৰুষে গুৰু-বন্দনাত "দেৱ নাৰায়ণ/শঙ্কৰ তাকেবি অংশ" বুলি কোৱাৰ দৰে "শঙ্কৰঃ পৰমব্ৰহ্ম" বুলি স্পষ্ট উল্লেখ নাথাকিলেও সেইসমূহ শাস্ত্ৰৰ নামোল্লেখৰ যৌক্তিকতা উপলব্ধি কৰিবলৈ পাণ্ডিত্যৰ লগতে ভকতি-মনীষাৰো প্ৰয়োজন। আনহাতে, মহাপুৰুষ বা পৰমপুৰুষ অৰ্থাৎ ভগৱানৰ সেৱকক মহাপুৰুষ বোলা কথা ক'তো নাই। ভাগৱততো ভগৱানৰ একান্ত সেৱকক 'মহাপৌৰুষিক' বা মহাপুৰুষীয়া বুলিহে কোৱা হৈছে। মহাপুৰুষ শব্দটোৱে মূলত পৰমেশ্বৰকহে বুজাইছে। শ্ৰীমন্ত শঙ্কৰদেৱো যে এই ঈশ্বৰ বা মহাপুৰুষৰে অৱতাৰ সেই কথা বুজিবলৈ আমি শাস্ত্ৰৰ আৰু কেইটিমান কথা চলকি চাব লাগিব। যেনেকৈ ভগৱানৰ

মৎস্য অৱতাৰত সত্যব্ৰতেহে মাথোন চিনিব পাৰিছিল ; নৰসিংহক স্বয়ং ভগৱান বুলি ভক্ত প্ৰহ্লাদেহে মাথোন চিনিব পাৰিছিল, হিৰণ্যকশিপু আদি অন্যান্য দৈত্য-দানৱবিলাকে নহয় ; লঙ্কাত প্ৰৱেশ কৰাৰ পিছত ৰামচন্দ্ৰক ভগৱানৰ অৱতাৰ বুলি ভক্ত বিভীষণেহে মাত্ৰ চিনিছিল— ৰাৱণ, কুম্ভকৰ্ণ আদি অন্যান্য ৰাক্ষসগণে নহয় ; সেইদৰে শ্ৰীমন্ত শঙ্কৰদেৱকো স্বয়ং ঈশ্বৰ বুলি মাধৱদেৱ, দামোদৰদেৱ আদিয়েহে চিনিছিল, মিছা অহম্মমকাৰী পণ্ডিতসকলে নহয়। একেই তুলনাৰে এই বিশ্ব-ব্ৰহ্মাণ্ডৰ আদি-কাৰণ আৰু সমস্ত জগতৰ মঙ্গল বিধায়ক ভগৱান স্বয়ং কৃষ্ণকো শিশুপাল, দন্তবক্ৰ আদিৰ তুলনাৰে নিজকুলৰ লোকসকলেও মনুষ্যবুদ্ধিৰে মনুষ্য জ্ঞানহে কৰিছিল।

ক্ষীৰ সাগৰত আছিলন্ত শশধৰ।
মাছে যেন বোলে ইয়ো এক জলচৰ॥
সেহিমতে কৃষ্ণক পাইয়া যদুগণ।
মনে মানিলন্ত এন্তে জ্ঞাতি একজন॥

আনকি উপনিষদ-ধেনুৰ বৎস, ব্ৰহ্মবাদী আৰু তত্ত্বদৰ্শী সাধক অৰ্জ্জুনৰ মনতো শ্ৰীকৃষ্ণৰ ঈশ্বৰত্ব সম্পৰ্কে সময়ত সন্দেহৰ সৃষ্টি হৈছিল। ভক্তৰ মনত সৃষ্টি হোৱা এই ভ্ৰান্তি দূৰ কৰিবৰ কাৰণে ভকত-বৎসল ভগৱন্তই নিজেই নিজৰ পৰম-পুৰুষত্বৰ কথা ব্যক্ত কৰিবলগা হৈছিল। গীতাত সেয়েহে মোহপাশছিন্নাকাঙ্ক্ষী অৰ্জ্জুনৰ আগত সৰ্বোৎকৃষ্ট গুহ্য-উপদেশ দিওঁতে ভগৱান স্বয়ং শ্ৰীকৃষ্ণই কৈছে—

অৱজানন্তি মাং মূঢ়া মানুষীং তনুমাশ্ৰিতম্।
পৰং ভাৱমজানন্তো মম ভূতমহেশ্বৰম্॥
মোঘাশা মোঘকৰ্ম্মাণো মোঘজ্ঞানা বিচেতসঃ।
ৰাক্ষসীমাসুৰীঞ্চৈব প্ৰকৃতিং মোহিনীং শ্ৰিতাঃ॥
মহাত্মানস্তু মাং পাৰ্থ দৈৱীং প্ৰকৃতিমাশ্ৰিতাঃ।
ভজন্ত্যনন্যমনসো জ্ঞাত্বা ভূতাদিমব্যয়ম্॥

(হে পাৰ্থ, মোৰ ভূতমহেশ্বৰ স্বৰূপ অৰ্থাৎ ময়ে যে জীৱসমূহৰ অন্তৰাত্মা

এই পৰম ৰহস্য উপলব্ধি কৰিব নোৱাৰি অজ্ঞ লোকসকলে মনুষ্য-দেহধাৰী মোক সামান্য জীৱ বুলি অৱজ্ঞা কৰে। মোহকাৰিণী ৰাক্ষসী আৰু আসুৰী প্ৰকৃতিক আশ্ৰয় কৰোতা এইসকল লোকে, জ্ঞান ৰহিত আৰু বিকৃতচিত্ত হোৱা কাৰণে, কেতিয়াও সফলতা লাভ কৰিব নোৱাৰে। কিন্তু দৈৱী প্ৰকৃতিৰ আশ্ৰয়ী মহাত্মন-সকলে মোকে ভূতসমূহৰ আদি আৰু অবিনাশী বুলি জ্ঞান কৰি অনন্যচেতা হৈ মোকে ভজনা কৰে।)

এইসমূহ প্ৰমাণৰ বাহিৰেও গীতাৰ 'সৃজাম্যহম্' তত্ত্ব অথবা ভাৰতীয় অৱতাৰবাদৰ পোহৰত চাই আমি যদি মৎস্য, কূৰ্ম, বৰাহ আদিক ভগৱানৰ অৱতাৰ বুলি স্বীকাৰ কৰোঁ তেনেহলে লোকৰ কুশল হেতু অৱতাৰ গ্ৰহণ কৰি আপোন নামক প্ৰচাৰি জগতক উদ্ধাৰৰ পথ দেখুৱাওঁতা শ্ৰীমন্ত শঙ্কৰদেৱক অ-বিসম্বাদে মহাপুৰুষ বুলি স্বীকাৰ কৰিব লাগিব। আনহাতে, এই অৱতাৰবাদ অকল ভাৰতবৰ্ষয়েই নহয়, সমগ্ৰ বিশ্বই স্বীকাৰ কৰিছে; প্ৰভেদ মাথোন তেনে অৱতাৰী পুৰুষক কোনোৱে ঈশ্বৰ-প্ৰেৰিত দূত আৰু কোনোবাই ঈশ্বৰ-পুত্ৰ বুলি মানিছে। ভাৰতীয় দৰ্শনে তাকে "ধৰ্মক থাপিবে লাগি/হওঁ মই অৱতাৰ/পৰিত্ৰাণ কৰিবে সাধুক" বুলি ঈশ্বৰৰ ৰাম, কৃষ্ণ, বুদ্ধ আদি বিভিন্ন অৱতাৰ স্বীকাৰ কৰি লৈছে। শ্ৰীমন্ত শঙ্কৰদেৱৰ ব্যক্তিত্বতো ৰাম, কৃষ্ণ, বুদ্ধৰ দৰে এনে ঈশ্বৰ-শক্তি উপলব্ধি কৰিয়েই মাধৱদেৱ পুৰুষে লিখিছে—

দ্বাপৰ যুগৰ দৈৱকী নন্দন
কলিত কুসুম্বৰ ঘৰে।
কৃষ্ণেসে শঙ্কৰ স্বৰূপ ধৰিয়া
জগত উদ্ধাৰ কৰে॥

একেই দৃষ্টিৰে মহান কবি ৰাম-সৰস্বতীয়েও "শ্ৰীমন্ত শঙ্কৰ/আপুনি ঈশ্বৰ/নৰৰূপে জাত ভৈলা" বুলি কৈ মহাপুৰুষক স্বয়ং ঈশ্বৰৰ অৱতাৰ ৰূপে স্বীকাৰ কৰিছে। সেইদৰেই ৰামৰাম গুৰু, শিক্ষাগুৰু

মহেন্দ্র কন্দলিকে আদি কবি চৰিতকাৰসকললৈকে সকলোৱে এক-বাক্যে শ্ৰীমন্ত শঙ্কৰদেৱক মহাপুৰুষ তথা ঈশ্বৰ অৱতাৰ বুলি জ্ঞান কৰিছে ।...

জ্যোতিষীয়া ব্ৰাহ্মণ পণ্ডিত সাৰ্বভৌম ভট্টাচাৰ্য্যই ইয়াৰ লগতে প্ৰমাণ সিদ্ধান্ত সহকাৰে দেখুৱাইছে যে ভগৱানৰ শ্ৰীমন্ত শঙ্কৰ অৱতাৰ আন ভালেমান অৱতাৰৰ দৰে কলা অৱতাৰ মাথোন নহয়— এই অৱতাৰ বৈকুণ্ঠপতি নাৰায়ণৰ পূৰ্ণ অৱতাৰ । বৈকুণ্ঠপতি নাৰায়ণে ব্ৰহ্মাৰ প্ৰশ্নৰ উত্তৰত পূৰ্ণ অৱতাৰৰ বিশেষত্ব প্ৰকাশ কৰিছে—

পঙ্কজ বিলাস নামে আতি শ্ৰেষ্ঠতৰ ॥
তাহাতে আছোহোঁ মই নিজৰূপ ধৰি ।
প্ৰেমৰ মূকতি ভক্ত সমে লীলা কৰি ॥...
পূৰ্ণ ভৈলে অস্ত্ৰ-শস্ত্ৰ নধৰোহোঁ মই ।
সৃষ্টি স্থিতি সংহাৰ কাৰণ সবে হয় ॥
বহুতৰ নাম মূৰ্ত্তি নধৰোহোঁ ময় ।
কেৱল ভক্তিকে থাকোঁ কৰিয়া আশ্ৰয় ॥

আন এগৰাকী ব্ৰাহ্মণ পণ্ডিত ৰামানন্দ দ্বিজে আকৌ শ্ৰীমন্ত শঙ্কৰদেৱৰ অৱতাৰৰ তাৎপৰ্য্য নিৰ্ণয়িছে—

আনবাৰ অৱতাৰ ধৰন্ত ঈশ্বৰ কৃষ্ণে
হৰিবাক পৃথিৱীৰ ভাৰ ।
অন্ত্যজাতি পতিতৰ তাৰণ কাৰণ হেতু
ইবাৰ ভৈলাহা অৱতাৰ ॥

ভগৱানৰ আন আন অৱতাৰসমূহলৈ লক্ষ্য কৰিলেও দেখা যায় যে ৰাম, কৃষ্ণ, বুদ্ধ আদি অৱতাৰসমূহৰো এনে একোটা বৈশিষ্ট্য আছে । উল্লেখযোগ্য যে পুৰুষোত্তম শ্ৰীৰামচন্দ্ৰ অৱতাৰ ঘাইকৈ সত্যাৱতাৰহে । সেইদৰে কৃষ্ণ অৱতাৰক প্ৰেমাৱতাৰ আৰু বুদ্ধ অৱতাৰক কৰুণাৱতাৰ বোলা হয় । মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰ অৱতাৰো দেশ, কাল, জাতি, ধৰ্ম, বৰ্ণ নিৰ্বিশেষে সকলো লোকৰ কুশল হেতু ভক্তি-ধৰ্ম প্ৰচাৰ

কৰি সাম্য, মৈত্ৰী আৰু স্বাধীনতাৰ মহামন্ত্ৰ প্ৰচাৰ কৰিবৰ অৰ্থে গ্ৰহণ কৰা ভগৱানৰ পূৰ্ণ আৰু শান্ত অৱতাৰহে। মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱত ভগৱানৰ এই পূৰ্ণাভিব্যক্তিৰ কথা প্ৰকাশ কৰি ৰামানন্দ দ্বিজে গুৰু-চৰিতৰ প্ৰথম অধ্যায়তে লিখিছে—

পৰম ঈশ্বৰ যাত পৰে নাই আৰ।
তোমাৰ চৰণে প্ৰভু শৰণ আমাৰ॥
লোকক তাৰণ হেতু ভৈলা অৱতাৰ।
তাহান চৰণে মোৰ কোটী নমস্কাৰ॥
প্ৰচাৰি নামক উদ্ধাৰিলা জগতক।
কি কহিবো শঙ্কৰ দেৱৰ মহত্বক॥

× × ×

কৃষ্ণ ৰূপ ধৰি কৈলো চৰিত্ৰ অপাৰ।
তাকো বিৰচিবে পুনু হৈবো অৱতাৰ॥
প্ৰৱৰ্ত্তাইবো শ্ৰৱণ কীৰ্ত্তন ধৰ্ম্মসাৰ।
তাক শুনি সৰ্ব্বলোকে তৰিবে সংসাৰ॥
এহি বিধবিধ কৃষ্ণে কৰিয়া মনত।
কুসুম গিৰিৰ গৃহে ভৈলন্ত ৰেকত॥
নামত শঙ্কৰদেৱ প্ৰভু ভগৱন্ত।
তাহান মহিমা কহি কোনে পাৰে অন্ত॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰূপ বৰ্ণন

সৰ্বগুণাকৰ কৃপালুগুৰু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ সকলো কথাই অনুপম—'যাকেৰি নাহি উপাম'। তেৰাৰ ঐশ্বৰিক পুৰুষত্বৰ কথা 'পেখিতে সুশোভন' 'সৰ্ব্ব সুলক্ষণ' দৈহিক ৰূপ আৰু কান্তিয়েও যেন প্ৰকাশ কৰিছে। সেইবাবেই মহাপুৰুষ মাধৱদেৱ আৰু চৰিতকাৰ সকল শ্ৰীমন্ত গুৰুৰ ৰূপ বৰ্ণনাত পঞ্চমুখ। বৰ্ণনা-সমূহ তেৰাসৱৰ নিজ ৰচনা অনুক্ৰমেই উদ্ধৃত কৰা হ'ল।

ৰামানন্দ দ্বিজে গুৰুজনাৰ বাল্যকালৰ ৰূপ বৰ্ণনা কৰিছে এইদৰে—

গৌড় কলেৱৰ বাতুল অধৰ আয়ত নেত্ৰ যুগল।
শিৰ চত্ৰাকৃত নাসা তিলফুল শোভিত মুখ কমল॥
দুইখানি বাহু অতি সুবলিত ৰক্তবৰ্ণ কলেৱৰ।
বিতোপন কৰ্ণ সুভাষিত গণ্ড মনোহৰ বক্ষস্থল॥
সুবৰ্ণ শলকা সদৃশ আঙুলি তিনিৰেখা উদৰত।
শঙ্খ মুখ সম নাভি নিৰূপম দেখিতে সুখ মনত॥
উৰু দুইখানি বৰ্ত্তুল দেখিয়া ৰঞ্জিত দুই চৰণ।
সৰ্ব্ব সুলক্ষণ বালক দেখিয়া তুষ্ট ভৈলা সৰ্ব্বজন॥

স্থানান্তৰত ৰামানন্দই যৌৱনাৱস্থাৰ বৰ্ণনা দিওঁতে লিখিছে—
"আজানু লম্বিত বাহু দীৰ্ঘ ভৈলা কেশ।"

দৈত্যাৰী ঠাকুৰৰ বৰ্ণনাত মহাপুৰুষৰ ৰূপ এনেদৰে প্ৰকাশ পাইছে—

দেখিতে সুন্দৰ গৌড়বৰ্ণ কলেৱৰ ।
কৰন্ত প্ৰকাশ আতি সূৰ্য্য সমসৰ ॥
ৰূপ দেখি কন্দৰ্পৰ দৰ্প হোৱে চুৰ ।
সৰ্ব্বজন ৰঞ্জি থাকে বচন মধুৰ ॥
গমন গম্ভীৰ নেত্ৰ কমলৰ পাসি ।
চন্দ্ৰ সম বদন প্ৰকাশে অল্প হাসি ॥
সুবুদ্ধি শুধিৰ ধীৰ গম্ভীৰ সাগৰ ।
প্ৰীতি বাঢি যায় তান্তে সমস্ত লোকৰ ॥

ৰামচৰণ ঠাকুৰে ভেবাৰ সাধন সৎসঙ্গ গুৰু মাধৱদেৱৰ পৰা জগতগুৰুৰ ৰূপ আৰু কাৰ্য্য-কলাপ সম্বন্ধে জ্ঞান লৈ চৰিত ৰচনা কৰোঁতে মহাপুৰুষৰ পৰমসুন্দৰ মনোহৰ ৰূপ বৰ্ণনা কৰি আন কেইটিমান বিশেষ লক্ষণৰ কথা উল্লেখ কৰিছে। গুৰুজনাৰ দেহৰ গঠন আৰু ৰূপ বৰ্ণনা কৰি ৰামচৰণে লিখিছে—

সিংহ বক্ষ কন্ধ চৰণ সুঠান
গম্ভীৰ নাভি কমল ।
জানু জঙ্ঘা উৰু কটি মনোহৰ
সুদীৰ্ঘ হৃদি কোমল ॥
ৰাতুল কমল মুখ পদ্ম পুষ্প
নাসিকা ৰুচিৰ কান্তি ।
নয়ন ভ্ৰূতয় মহা শুভ নয়
গায়ে শুক্ল লোম পান্তি ॥
দুই খানি হস্ত আঙুলি চম্পক
কৰ্ণ দুই বিৰোপন ।
কপাল সুসম চন্দ্ৰাকাৰ মাথা
কেশ মহা সুশোভন ॥
চতুৰ্ভুজ ৰূপ দেখিলেক কতো
নেদেখিলে কতো জনে ।

বামচৰণে আকৌ স্থানান্তৰত সণ্চৰা দলৈয়ে, বাশি যোগ গণনা কৰা সময়ত, দেখা অন্যান্য পুৰুষ-লক্ষণ সমূহৰ কথা উল্লেখ কৰি লিখিছে—

পুৰুষ লক্ষণ দেখি সণ্চৰায়
গাত্ৰ গোটা শিহৰিলা।
দুই হাতে দুই পদ্ম প্ৰকাশয়
আনন্দে তাক দেখিলা॥
দীৰ্ঘ বাহু দুই আণ্ঠুমান হুই
দেখন্ত পৰিয়া আছে।
সমস্ত গাৱক চাহন্ত নিহালি
মহা চিহ্নসৱ আছে॥

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰূপ বৰ্ণনা কৰি মাধৱদেৱ পুৰুষে আকৌ তেৰাৰ গুৰু-ভক্তিমাত লিখিছে—

দৰশিত সুন্দৰ গৌড় কলেৱৰ
ঝৈচন সুৰ পৰকাশ।
সকল সভাসদ ৰঞ্জন যাকেৰি
দৰশনে পাপ বিনাশ॥
বিনা অঙ্গভূষণ পেখিতে সুশোভন
গহীন গম্ভীৰ ধীৰ মতি।
আয়ত কমল নয়ন বৰ সুন্দৰ
বয়ন চান্দকহো জ্যোতি॥
লীলা গজগতি গমন বিলোকন
বাণী মেঘ গম্ভীৰ।
পাষণ্ড মৰ্দ্দন কলিকো কালে
যাক সম নাহি ধীৰ॥

মহাপুৰুষৰ দেহৰ গঠন আৰু ৰূপৰ এই বৰ্ণনাসমূহ ভাগৱত পুৰাণ আদিত বৰ্ণিত ভগৱান শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনাৰ লগত প্ৰায় মিলি যায়। সেই কাৰণে বহুতে মত প্ৰকাশ কৰে যে শ্ৰীমন্ত

শঙ্কৰদেৱত ঈশ্বৰত্ব আৰোপ কৰিবৰ কাৰণে তেৰাৰ ধৰ্মমতাৱলম্বী লোকসকলে শঙ্কৰদেৱৰ বাল্যলীলাৰ দৰেই ৰূপ বৰ্ণনাতো শ্ৰীকৃষ্ণৰ ৰূপ আৰু বাল্যলীলাৰ সাদৃশ্য ঘটাইছে। কিন্তু তেৰা যে দেৱতা-সকলে (ভূ-দেৱতা) কপট ঢাকোন দি গুপ্ত কৰি থোৱা আদি সত্য যুগৰ শুদ্ধ ধৰ্ম হৰিনাম ব্যক্ত কৰি সমস্ত লোকক উদ্ধাৰৰ উপায় দিওঁতা, কল্পতৰু সদৃশ কৃপালু গুৰু, এই কথা মাধৱদেৱ পুৰুষৰ বাক্যৰেই সকলোৱে স্বীকাৰ কৰিছে। গীতাত ভগৱান শ্ৰীকৃষ্ণই কোৱা, দুষ্কৃতিকাৰী সকলৰ বিনাশ আৰু সাধুসকলৰ পৰিত্ৰাণ সাধনৰ দ্বাৰাই, ধৰ্মৰ পুনঃসংস্থাপনৰ তাৎপৰ্য্যও এয়ে। ভগৱান শ্ৰীকৃষ্ণৰ 'সৃজাম্যহম' তত্বৰ এনে উদ্দেশ্য শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰাই সফল হোৱাৰ কাৰণেই মহাপুৰুষৰ সমসাময়িক পণ্ডিতসকল আৰু চৰিত লেখকসকলে তেৰাক স্বয়ং ঈশ্বৰ বুলি ঘোষণা কৰিছে। মাধৱদেৱ পুৰুষেও "কৃষ্ণসে শঙ্কৰ স্বৰূপ ধৰিয়া জগত উদ্ধাৰ কৰে" বুলি ভগৱানৰ শান্তমূৰ্তি অৱতাৰ শঙ্কৰদেৱক সকলোকে চিনাকি কৰি দিছে।

গতিকে শ্ৰীকৃষ্ণ আৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ ৰূপৰ বৰ্ণনাত থকা এনে সাদৃশ্য অবাস্তৱ আৰু অতিৰঞ্জিত নহয়। মহাপুৰুষসকলৰ সকলোবোৰ কাৰ্য্যকলাপত যেনেকৈ স্বাভাৱিকতে এক সাদৃস্য থাকে, সেইদৰে তেৰাসৱৰ দেহৰ গঠন আৰু ৰূপৰ বৰ্ণনাতো মিল থাকিলে আচৰিত হবৰ কোনো হেতু নাই।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ জীৱন-লীলা

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আবিৰ্ভাৱ কালৰ বিভিন্ন শুভ-লক্ষণৰ কথা উল্লেখ কৰি সেইসমূহ যে তেওঁৰ ঐশ্বৰিক পুৰুষত্ব জ্ঞাপক লক্ষণ-চিহ্নহে, সেই কথা ওপৰত কৈ অহা হৈছে। সেই দৰেই অনাদি ঈশ্বৰৰ ছদ্মৰূপ শঙ্কৰদেৱৰ শিশু-জীৱনৰ প্ৰায়বোৰ ঘটনাতো পূৰ্ণব্ৰহ্ম কৃষ্ণৰ জীৱনৰ দৰেই বিভিন্ন অতিমানৱীয় অথবা দৈৱিক কাৰ্য্য-কলাপৰ সমাবেশ দেখা যায়। অৱশ্যে কোনো কোনো আধুনিক চৰিতকাৰ আৰু প্ৰবন্ধ লেখকে মহাপুৰুষ শঙ্কৰদেৱক সাধাৰণ মানুহ বুলি প্ৰমাণ কৰিবলৈ চেষ্টা কৰে আৰু তেওঁৰ প্ৰৱৰ্ত্তোৱা ধৰ্মমতাৱলম্বী লোকসকলে তেওঁৰ বাল্য-জীৱনৰ ঘটনাত শ্ৰীকৃষ্ণৰ বাল্য-জীৱনৰ ঘটনাৰ সাদৃশ্য উলিয়াই অলৌকিক ঘটনাৰ সমাবেশ কৰিছে বুলিও মত দাঙি ধৰিছে। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱ যে আপুনি ঈশ্বৰ, লোকৰ তাৰণ হেতু ছদ্ম-মায়া নৰদেহা কাৰণ কৈ কুসুম্বৰৰ ঘৰে অৱতাৰ হৈছেহি সেই কথা বিভিন্ন পণ্ডিত আৰু চৰিতকাৰৰ মতৰ সমৰ্থনত ওপৰৰ প্ৰবন্ধত দেখুৱাই অহা হৈছে। দামোদৰদেৱেও "ভক্তি-বৃক্ষ গজিবাৰ তুমি মূল ভূমি" বুলি শঙ্কৰ-দেৱক প্ৰণাম জনাইছে।

প্ৰামাণ্য চৰিত পুথিত বৰ্ণনা কৰা মহাপুৰুষৰ বিভিন্ন ঐশ্বৰিক লক্ষণযুক্ত কাৰ্য্যসমূহ তেওঁৰ পিছৰ জীৱনৰ কোনো কোনো বিশেষ সময়ৰ অতিমানৱীয় কাৰ্য্যৰ ইঙ্গিতসূচক। সেইসমূহ যথা-সম্ভৱ প্ৰসঙ্গক্ৰমে উল্লেখ কৰা হব। গুৰুজনাই কৰ্ম-জীৱনৰ বিভিন্ন সময় প্ৰাচীন অসমৰ বিভিন্ন স্থানত কটাইছিল। সেইবাবে তেওঁৰ জীৱন-চৰিতো মধ্য, উজনি আৰু নামনি অসমত কটোৱা কালৰ পৰিমাণ অনুসাৰে বৰদোৱা, ধুৱাঁহাটা আৰু বাউসী-বেহাৰ এই তিনিটা সুকীয়া অধ্যায়ত আলোচনা কৰা হৈছে।

বৰদোৱা চৰিত

(বাল্য-লীলা আৰু মধ্য অসমত কটোৱা কাল)

পচতি উৎসৱ আৰু ৰাশি যোগ গণনা :

জন্মৰ পিছত এদিন ত্বদিনকৈ গুৰুজনাই পাঁচ দিনত ভৰি দিলে। সেইদিনা পূৰ্ণিমা তিথি। সকলোৱে মহানন্দে পচতি উৎসৱ পাতিলে। পিতৃ কুসুম্বৰে সংচৰা দলৈক মাতি আনি ৰাশি যোগ গণি শুভাশুভ নিৰ্ণয় কৰিবলৈ অনুৰোধ জনালে। দলৈয়ে "বেদ জ্যোতিষত চাই দেখে, পূৰ্ণ শক্তিধৰ ভগৱন্ত অৱতাৰ, তেহে কুসুমক বোলে "তোমাৰ পুত্ৰ ঈশ্বৰ শক্তি। যত্নে শ্ৰদ্ধা কৰা, আত হন্তে বহু জীৱ নিস্তাৰ হব, তোমাৰো কুশল, সাৱধানে পালি ৰাখা।" তাৰ পিছত অঙ্ক কৰি নিৰ্ণয় কৰিলে—

নাহি কোনো ৰিষ্ট শিশু মহা সুলক্ষণ।
জ্ঞানৱন্ত ধৈৰ্য্যৱন্ত হৈব শান্ত' মন ॥
পৰম পণ্ডিত হৈব পৰম মহন্ত।

সাৱশেষত নামকৰণ কৰিলে—লগ্ন মতে কোষ্ঠীত গঙ্গাধৰ, শঙ্কৰক উপাসনা কৰি লাভ কৰা যাবে অপৰ নাম শঙ্কৰবৰ বা শঙ্কৰ।

মাতৃ সত্যসন্ধ্যাৰ পৰলোক :

একাদিক্ৰমে দিন অতিবাহিত হৈ শিশু শঙ্কৰদেৱে পঞ্চদশ দিনত ভৰি দিলেহি আৰু সেইদিনাই তেৰাৰ মাতৃ সত্যসন্ধ্যাই পৰলোক গমন কৰিলে। গুৰু-মাতৃৰ পৰলোক গমন সম্পৰ্কত অৱশ্যে চৰিতকাৰসকল একমত নহয়। সেইদৰে, গুৰুভ্ৰাতা বনগঞাগিৰিৰ জন্ম আৰু পিতৃ কুসুম্বৰৰ পৰলোক গমন সম্পৰ্কতো বিভিন্ন চৰিতকাৰে

বেলেগ বেলেগ মত দিছে। ৰামানন্দ দ্বিজৰ মতে :

পাছে শঙ্কৰৰ সপ্তম বৰিষ
দুই ভৈলা কনিষ্ঠৰ।
বৰ খস্ম আসি শৰীৰ পীড়িলা
প্ৰাণ গৈলা কুসুমৰ ॥
শঙ্কৰৰ মাতৃ লগত গৈলন্ত
ৰাখিয়া সতীৰ ধৰ্ম্ম।

সত্যসন্ধ্যা আইমাতৃ স্বামীৰ অনুগামিনী হোৱা কথাটো দৈত্যাৰি ঠাকুৰ আৰু কথাগুৰু চৰিতেও সমৰ্থন কৰিছে। দৈত্যাৰি ঠাকুৰে অৱশ্যে কোনো কাৰ্য্যাৰে সময় নিৰূপন কৰা নাই। গুৰুজনাৰ পিতৃ-মাতৃৰ পৰলোক গমন বিষয়ত আকৌ আন কেতবোৰ চৰিতত ভিন্ ভিন্ মত পোৱা হয়। বেজৰৰুৱাই "জন্মৰ তিনি দিনৰ অন্তত মাক সত্যসন্ধ্যাৰ মৃত্যু হয়" বুলি মত দিছে। আনহাতে ভূষণ দ্বিজ আৰু বৰদোৱা চৰিতত শঙ্কৰদেৱৰ বিয়াৰ কিছুদিন পিছত কুসুম্বৰৰ আৰু তাৰো কিছুদিনৰ পিছতহে সত্যসন্ধ্যা আইয়ে পৰলোক গমন কৰে বুলি উল্লেখ কৰা হৈছে। জন্মৰ তিনি দিন পিছত গুৰু-মাতৃ বিয়োগ হোৱা মতটো গ্ৰহণীয় নহয় যেন লাগে। এই মতটো ৰবচৰিতত উল্লেখ থকা মাতৃ বিয়োগৰ পিছত "তিনি দিন ভৈল তভো কিছু নখায়য়" কথাষাৰৰপৰা উদ্ভৱ হোৱা বুলি ভাবিবৰ থল আছে। বেজৰৰুৱায়ো কথাষাৰ তেওঁৰ পিতৃদেৱতাৰ পৰা শুনা বুলিহে উল্লেখ কৰিছে। গুৰুজনাৰ সাত বছৰ বয়স অথবা তাৰ পিছতহে মাতৃৰ পৰলোক গমন হোৱা মতটোও কোনো প্ৰকাৰে সমৰ্থনযোগ্য নহয়। কাৰণ গুৰুজনাৰ শৈশৱ-কালৰ লীলা-খেলা অথবা ক্ৰীড়া-কৌতুক কোনো বিষয়তে সত্যসন্ধ্যাৰ উল্লেখ নাই ; বুঢ়ীমাক খেৰসুতী আয়েহে শঙ্কৰ আৰু ৰনগঞাক তুলি-তালি ডাঙৰ-দীঘল কৰে। গুৰুজনাৰ সম্পৰ্কত অৱশ্যে চান্দেৰী আৰু মাধৱী নামে আন দুগৰাকী মহিয়সী নাৰীৰো কথা ৰামচৰণ ঠাকুৰে উল্লেখ

কৰিছে। শুকজনাক কৈঁচুৱা কালত বুঢ়ীমাক খেৰসূতীৰ তত্ত্বাৱধানত এওঁলোকেই ধুৱাই-পখলাই তুলি-তালি ডাঙৰ-দীঘল কৰে।

বুঢ়ী আই চান্দেৰী মাধৰী তিনিজন।
সৰ্ব্বদায় শঙ্কৰক কৰে নিৰীক্ষণ॥

এই গোটেইখিনি কথা জুকিয়াই চালে শুকজনাৰ মাতৃ পৰলোক হোৱা সম্পৰ্কত ৰামচৰণ ঠাকুৰৰ মত গ্ৰহণযোগ্য যেন লাগে। বিশেষতঃ ভকত বৈষ্ণৱসকলেও এই মতকে শুদ্ধ বুলি মানি আহিছে। সত্যসন্ধ্যা আইৰ পৰলোক সম্বন্ধে ৰামচৰণ ঠাকুৰে লিখিছে—

সেহি দিনা শুক্ৰবাৰ পঞ্চদশ দিন।
সেহিবেলা সতীৰ ভৈলেক আয়ু ক্ষীণ॥......
বুঢ়ীআইক মাত্তিলন্ত চৰণত ধৰি।
শঙ্কৰক তুলিবাহা বিষ্ণুবুদ্ধি কৰি॥
তোমাৰ হাতত আই দিলো পুত্ৰখানি।
ইজন্মক লাগি যাওঁ থাকিবা গোসানী॥......
সেহি দিনা বেলা চাৰি দণ্ড ভাটি বেলা।
তেবে সত্যসন্ধ্যা আই বৈকুণ্ঠে চলিলা॥

বনগঞাগিৰিৰ জন্ম :

বনগঞাগিৰিৰ জন্ম সম্পৰ্কত ৰামচৰণে উল্লেখ কৰিছে যে শঙ্কৰৰ বয়স যেতিয়া তেৰমাহ সেই সময়ত কছাৰীয়ে ভূঞাসকলৰ ৰাজ্য আক্ৰমণ কৰে। আত্মৰক্ষাৰ কাৰণে ভূঞাসকল হাবিলৈ পলাই যায় আৰু পিছত ছল চাই কপিলীমুখত আগভেটি ধৰি কছাৰী সকলক কচু-কটা দিয়ে। এই সময়তে কুসুম্বৰৰ দ্বিতীয় পক্ষৰ (অনুবৃত্তি) পৰা হাবিৰ মাজত এটি ল'ৰা জন্ম হয়। হাবিৰ মাজত জন্ম হোৱা কাৰণে তেওঁৰ নাম ৰখা হয় বনগঞা। বনগঞা-গিৰিৰ চিনাকি দি কথাগুৰু চৰিতত উল্লেখ কৰা হৈছে—"জন্মিছে তেৰ বৰ্ষৰ পাচত বৈৰাগত বৈমাতৃৰ পুত্ৰ বনগঞাগিৰি, পত্নী সুচৰিতা।"

ৰামানন্দ দ্বিজৰ মতে শঙ্কৰদেৱৰ পাঁচ বছৰ বয়সত ভাতৃ বনগঞাগিৰিৰ জন্ম হয়। এইজন চৰিতকাৰে কিন্তু বনগঞাগিৰিৰ মাতৃৰ নাম উল্লেখ কৰা নাই, 'শঙ্কৰৰ সহোদৰ' বুলিছে। দৈত্যাৰি ঠাকুৰে চমুকৈ "অনন্তৰে আৰু এক পুত্ৰ উপজিলা" বুলি মাত্ৰ উল্লেখ কৰিছে। বনগঞাগিৰিৰ জন্মৰ সময়ত শঙ্কৰদেৱৰ বয়স সম্বন্ধে ৰামচৰণৰ মত শুদ্ধ বুলি অনুমান হয়। কথাগুৰু চৰিতত ৰামচৰণে উল্লেখ কৰা তেৰমাহ ভুলকৈ তেৰবছৰ হৈছে। কছাৰীৰ খেদাত হাবিলৈ পলাই যোৱা সম্পৰ্কত ৰামচৰণে উল্লেখ কৰা তেৰমাহ, বছৰ লেখৰে দ্বিতীয় বছৰ। মুঠতে জন্মৰপৰা শঙ্কৰদেৱৰ দ্বিতীয় বছৰত ভাতৃ বনগঞাগিৰিৰ জন্ম হয়। এই প্ৰসঙ্গতে উল্লেখযোগ্য আন এটি কথা হ'ল—বনগঞাগিৰিৰ জন্মৰ প্ৰকৃত স্থান হ'ল একালৰ ব্ৰহ্মপুত্ৰৰ চাপৰিৰ হাবিতলীয়া গাওঁ পাতকীবড়ি (বৰ্তমান টিং বজাৰৰ পশ্চিমে, এই স্থানত এতিয়াও থান-নামঘৰ আছে আৰু অলপ দিনৰ আগলৈকে ৰামচৰণৰ চৰিতত উল্লেখ কৰা বনগাওঁ নামে এখন গাওঁ ইয়াৰ কাষতে আছিল)। বহুতে এই পাতকীবড়িকে গুৰুজনাৰ জন্মঠাই আলিপুখুৰী বুলি নিৰ্দেশ কৰিবলৈ বিচাৰে। কুসুম্বৰৰ মৃত্যু বৰ্ণন অধ্যায়ত ৰামচৰণে নদীতীৰৰ এই আলিপুখুৰীত কুসুম্বৰৰ পাম আছিল আৰু তাতে বনগঞাগিৰি আছিল বুলিছে।

পিতৃ বিয়োগ :

যি কি নহওক, বুঢ়ীমাক খেৰসুতীৰ আদৰ-যত্নত বংশৰ সকলোৰে আতোলতোল হৈ শিশু শঙ্কৰ শুক্লপক্ষৰ চন্দ্ৰৰ দৰে বাঢ়ি আহিব ধৰিলে। ইয়াৰ মাজতে শঙ্কৰৰ তৃতীয় বছৰত কৰ্ণ-বেধন আৰু পঞ্চম বছৰত চূড়াকৰণ আদি কাৰ্য্য পিতৃ কুসুম্বৰে নিজে সম্পাদন কৰিলে। শঙ্কৰদেৱৰ সাত বছৰ বয়সত পিতৃ কুসুম্বৰে ইহলীলা সম্বৰণ কৰে। ৰামচৰণ ঠাকুৰ আৰু ৰামানন্দ দ্বিজৰ এয়ে মত।

শৈশৱ কালৰ লীলা-খেলা :

ওপৰত উল্লেখ কৰি অহা হৈছে যে শ্ৰীমন্ত শঙ্কৰদেৱৰ জন্মৰ পৰা পোন্ধৰ দিনৰ ভিতৰতে মাতৃহাৰা হয়। সাত বছৰ বয়সত পিতৃ বিয়োগ হোৱাত তেওঁ ঘাট-মাউৰা হ'ল। ইফালে তেওঁ বিভিন্ন পুৰুষ সুলভ লক্ষণৰে সৰ্বসুলক্ষণ আৰু 'পেখিতে সুশোভন' বালক। গতিকে শিশু শঙ্কৰ জ্ঞাতি-মিত্ৰ, ইষ্ট-কুটুম্ব সকলোৰে অতি আদৰৰ আছিল। সেই বাবেই শৈশৱ কালত তেওঁ খেমালিৰ বাহিৰে আন একো কথা চিন্তা কৰা নাছিল—ৰামৰাম (পিছত ৰামৰাম গুৰু), বনগঞাগিৰি ধৰণ্ডা, উবনা, কেতাই আদি লগ-সমনীয়াৰ লগত উমলি-জামলি, ৰং-ৰহইচ কৰি বৰদোৱাৰ পথাৰ-ঘৰ, বাট-পদূলি আৰু হাবি-বননি সকলোতে ঘূৰি ফুৰিছিল। সেয়েহে এতিয়াও ভকত-বৈষ্ণৱ সকলৰ মানত বৰদোৱা শ্ৰীকৃষ্ণৰ লীলাভূমি বৃন্দাবনৰ দৰে পবিত্ৰ তীৰ্থস্থান। শিশু শঙ্কৰৰ লীলা-খেলাৰ সম্পৰ্কত চৰিত পুথিয়ে লৰা ঢপৰা কৰা, লুকা-ভাকু খেলা, কণাঢোপ খেলা, ঘিলা খেলা, লদি মৰা, গছত উঠা, সাঁতোৰা, নাদোৰা, বুৰমৰা, শিহু ধৰা, বটা চৰাই ধৰা, বালিৰ দৌল সজা, কুঁহিলা কাঠৰ প্ৰতিমা গঢ়া, নচা, চাপৰি বজাই নামগোৱা আদি ৰং-ৰহইচৰ কথা উল্লেখ কৰিছে।

বিদ্যাৰম্ভ :

এইদৰে বালক কেলিত মগ্ন হৈ থাকোঁতেই শঙ্কৰদেৱৰ বাৰ বছৰ বয়স অতিক্ৰম কৰি ত্ৰয়োদশ বছৰত ভৰি দিলে। তথাপিও বিদ্যা-শিক্ষাৰ প্ৰতি শঙ্কৰৰ অলপো ধাউতি নাই,— "হাক-ডাক নুশুনে ক্ৰীড়ন্তে দিন যাই। পণ্ডিতালি গুণ দেখে শঙ্কৰৰ নাই ॥" সকলোৰে চিন্তা হ'ল— বংশত উপৰিপুৰুষ সকলো পণ্ডিত, শঙ্কৰ অপণ্ডিত হলে বংশত কলঙ্ক হব। বুঢ়ীমাকে বঢ়াই-বুজাই ছাত্ৰশালালৈ যাবৰ কাৰণে মান্তি কৰালে। পাছে শুভদিন শুভক্ষণ চাই মহেন্দ্ৰ

কন্দলিৰ ছাত্ৰশালাত নাম লগাই দিয়া হ'ল ; "ভাত্ৰমাহৰ বৃহস্পতিবাৰে শুভলগ্ন দেখি পাঠ্যাৰম্ভ কৰালে" । কিন্তু তেৰ বছৰ বয়সলৈকে খেলি-ধুলি খিতিণ্ডা হোৱা শঙ্কৰৰ প্ৰথম অৱস্থাত পঢ়া-শুনাত মন বহা নাছিল । লগ-সমনীয়াই বাটে-ঘাটে, পথাৰে-সমাৰে মুকলি মনে খেলি ফুৰা দেখি তেওঁৰ মনত অসহ্য হ'ল ; ছাত্ৰশালাত মন নোবোৱা হ'ল । সেইবাবে তেওঁ এদিন ঘৰৰপৰা এযোৰ নতুন কাপোৰ আৰু এটি টকা আঁৰ কৰি নি গুৰুক ভেটি দি খেলিবলৈ যাবৰ অনুমতি বিচাৰিলে । সুদক্ষ গুৰুৱে ল'ৰাৰ মনৰ প্ৰকৃত অৱস্থা বুজি শঙ্কৰক খেলিবলৈ অনুমতি দিলে আৰু ইফালে বুঢ়ীমাকৰ ওচৰত টকা-বস্ত্ৰ শোধাই দি শঙ্কৰৰ সকলো কাণ্ড-কাৰখানা বিবৰি কলে । সন্ধ্যা সময়ত শঙ্কৰ যেতিয়া ঘৰলৈ আহিল বুঢ়ীমাকে সোধাত তেওঁ আসৈ মাতিলে । সেইদিনা ঘৰত যিখিনি ঘটিল সেইখিনি ৰামচৰণ ঠাকুৰৰ ভাষাতে তলত উদ্ধৃত কৰা হ'ল :

বুঢ়ী বোলে বাপু আজি শাস্ত্ৰ পঢ়িছিলা ।
হাসিয়া বুঢ়ীক চাই শঙ্কৰে বুলিলা ॥
পঢ়িছিলো মাৱ মোৰ মুণ্ড কৰে টান ।
চান্দেৰীক বোলে বুঢ়ী ত্ৰাস্তে তৈল আন ॥
শুনি আথে বেথে চান্দেৰীয়ো তৈল আনি ।
আগত দিলন্ত বোলে ঘষিয়ো গোসানী ॥
শুনিয়া গোসানী পাছে হাতে তৈল লই ।
শঙ্কৰৰ হাতত ধৰিলা তেৰে গই ॥
বহু বুলি গোসানী হাতত বাৰি ধৰি ।
দেখিয়া শঙ্কৰে ত্ৰাসে কাম্পে তৰতৰি ॥
বুঢ়ী বোলে উমলি ফুৰস সৰ্ব্বদায় ।
পঢ়ন শুনন তোৰ কিছু কৰ্ম্ম নাই ॥
টকা বস্ত্ৰ কি কাৰ্য্যে গুৰুক নিয়া দিলি ।
মোহোৰ ঘৰৰ বস্ত্ৰ সকলে বিলাইলি ॥

শঙ্কৰে বোলন্ত বুঢ়ী নাহা তোৰ ঘৰ।
টকা টকা কৰি ফুৰ কিসক নমৰ॥
এহি বুলি শঙ্কৰে পাৰক আছাৰিলা।
হাতৰ এৰায়া পাছে লৰৰক দিলা॥

বুঢ়ীমাক নাতিয়েকৰ কাৰ্য্যত মৰ্মাহত হ'ল। পিছত জয়ন্তা আৰু মাধৱ দুয়ো ককাকে শঙ্কৰক মৰম-চেনেহ কৰি ঘৰ চপাই ৰাখিলে আৰু পিছদিনা পুৱা বুজাই-বঢ়াই পুনৰ কন্দলিৰ ছাত্ৰশালাত থৈ আহিলগৈ। শঙ্কৰদেৱৰ ছাত্ৰ-জীৱনৰ প্ৰথম এক-দুই মাহ মান এইদৰেই অতিবাহিত হ'ল আৰু তেওঁ চৈধ্য বছৰ বয়সত ভৰি দিলে।

শ্ৰীমন্ত শঙ্কৰদেৱৰ আদ্য ৰচনা :

ককাক জয়ন্তা আৰু মাধৱে ছাত্ৰশালাত থোৱাৰ পিছৰেপৰা শিশু-শঙ্কৰৰ স্বভাৱ পৰিবৰ্তন হ'ল — খেলা-ধূলা বং-ৰহইচৰপৰা মন আঁতৰাই তেওঁ একান্তমনে পঢ়া-শুনাত মনোনিবেশ কৰিলে আৰু সোনকালে ৰামৰাম, শ্ৰীকণ্ঠ ভূষণ, বিদ্যা পাঠক, ৰাম সৰস্বতী আদি প্ৰথম শাৰীৰ (advanced, মেধাবী) পুৰণি ছাত্ৰসকলৰ লগত ফেৰ মাৰিব পৰা হ'ল। ইয়াৰ উদাহৰণ "কৰতল কমল ......" আদি শাৰীৰে ৰচনা কৰা শঙ্কৰদেৱৰ স্তোত্ৰটি। এদিন শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে প্ৰথম শাৰীৰ ছাত্ৰসকলক নিজৰ নিজৰ উপাস্য দেৱতাৰ বন্দনা কৰি একোটিকৈ শ্লোক কৰি আনিবলৈ কলে। শঙ্কৰদেৱে তেতিয়া বৰ্ণমালা শিকি সাং কৰিছে মাত্ৰ, সন্ধি-সূত্ৰ একো শিকা নাই। কিন্তু আন ছাত্ৰসকলৰ লগত বহি থাকোঁতে গুৰুৰ আজ্ঞা তেওঁ শুনিলে। সেইবাবে ঘৰলৈ আহি পৰমেশ্বৰৰ প্ৰকট ৰূপ কৃষ্ণতত্ব বৰ্ণাই এটি স্তোত্ৰ ৰচনা কৰিলে, "অৰ্থে পৃথিবী, পাতাল, বৈকুণ্ঠ-স্বৰ্গ ভেদি গ'ল" আৰু "শ্ৰীনাথে জানকীনাথে অভেদঃ পৰমাত্মনি" — এই তত্বও তাতে প্ৰকাশিত হ'ল। অধ্যাপকে চাই বোলে "তেল লোণ নাই, শুদা ব্যঞ্জনৰ এনে স্বাদ, বিনা

গুৰু বন্ধন, আৰু শুদা শক্তি মনুষ্য নুহি, কিবা হুবি হৰ ছদ্মে আছেহি”। স্তোত্ৰটি হ'ল—

কৰতল কমল কমলদল নয়ন।
ভবদব দহন গহনবন শয়ন॥
নপৰ নপৰ পৰ সতৰত গময়।
সভয়মভয় ভয় মমহৰ সততয়॥
খৰতৰ বৰশৰ হতদশ বদন।
খগচৰ নগধৰ ফণধৰ শয়ন॥
জগদঘ মপহৰ ভৱভয় তৰণ।
পৰপদ লয়কৰ কমলজ নয়ন॥

ওজা ছাত্ৰ নিয়োগ :

সেইদিনাৰেপৰা কন্দলিৰ ছাত্ৰশালাত শঙ্কৰ ওজাছাত্ৰ হ'ল আৰু তেওঁৰ নামৰ পিছত দেৱ শব্দটো সংযোগ কৰি শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে তেওঁৰ নাম শঙ্কৰদেৱ কৰিলে। বহুতে আকৌ শঙ্কৰদেৱ ওজা ছাত্ৰৰূপে স্বীকৃত হোৱা সম্পৰ্কত শিক্ষাগুৰুৱে শঙ্কৰৰ চতুৰ্ভুজ ৰূপ দেখা আৰু ছাত্ৰশালাত শুই থাকোঁতে অনন্তই ফণা মেলি ছাঁ দি থকা কথা সংযোজন কৰে। কিন্তু আন ছাত্ৰৰ আগত ওজা ছাত্ৰ পাতিবৰ কাৰণে মেধাশক্তি-প্ৰসূত গুণৰহে প্ৰয়োজন; কোনো ছাত্ৰৰ গাত শিক্ষাগুৰুৱে দেখা অলৌকিক লক্ষণ নহয়। এই প্ৰসঙ্গতে অৱশ্যে ৰামচৰণ ঠাকুৰ আৰু কথাগুৰু চৰিতৰ বৰ্ণনামতে জন্মৰ পৰা চৈধ্য দিনত সত্যসন্ধ্যা মাতৃয়ে শঙ্কৰদেৱক স্তন পান কৰাওঁতে দেখা কৃষ্ণৰ ৰূপৰ কথাও উল্লেখযোগ্য।

ছাত্ৰশালাত পঢ়ি থকা কালত শূদ্ৰ শঙ্কৰে শিক্ষাগুৰুৰপৰা এনে বিশেষ স্বীকৃতি পোৱা বাবে প্ৰথম অৱস্থাত অভিজাত ব্ৰাহ্মণ সম্প্ৰদায়ৰ লোকসকল অসন্তুষ্ট হৈ উঠিছিল। অৱশ্যে পিছত তেওঁলোকে শঙ্কৰৰ মেধাশক্তি আৰু পাণ্ডিত্যৰ প্ৰমাণ পাই শঙ্কৰদেৱৰ শ্ৰেষ্ঠতা

স্বীকাৰ কৰি ললে। চৰিত পুথিত থকা বাঘৱাচাৰ্য্যৰ কাহিনী ইয়াৰে উদাহৰণ। কথাগুৰু চৰিতত বৰ্ণনা কৰামতে বাঘবাচাৰ্য্যৰ কাহিনী এনে ধৰণৰ: শঙ্কৰদেৱক শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে ওজা ছাত্ৰ পাতি পাঠশালা মচিবৰ নিবাৰ কৰাত সকলো ছাত্ৰ একগোট হৈ বাঘৱ আচাৰ্য্যত গোচৰ কৰিলেগৈ। আচাৰ্য্যই এই কথা শুনি "মহিন্দ্ৰ কন্দলিক ধৰিলোহি, বোলে শূদ্ৰকহে ওজা কৈ বামুণক পাঠ দিওআ, দেউ বোলোৱা, কিয় ? নকৰাবা। পাচে সেই নিশা ভগৱন্তে ভব্য ৰূপ ধৰি হেটি টোকোন খুণ্ডি দশন সবাই ভিণ্ডাকাৰ কৈলে। ভয় খাই সেই স্বপ্নতে চাৰিবস্তু লভিছে। পুৱা সবে ছাত্ৰ আনি দি সবাতে কৈ, নমি, ঈৰিষা এৰি, একৱাই গলহি বিপ্ৰে"।

অধ্যয়নৰ বিস্তৃতি আৰু শিক্ষা সমাপ্তি :

শঙ্কৰদেৱে গুৰু-গৃহত একাদিক্ৰমে বেদ, শিক্ষা, কল্প, জ্যোতিষ, ব্যাকৰণ, নিৰুক্ত, কাব্য, কোষ, তৰ্ক, শ্ৰুতি, স্মৃতি, মীমাংসা, পুৰাণ, ভাৰত আদি সমস্ত শাস্ত্ৰ অধ্যয়ন কৰি "অপ্ৰমাদি পণ্ডিত ভৈল মহাশয়"। এইদৰে বছৰ লেখেৰে পাঁচ বছৰ অধ্যয়ন কৰি শিক্ষা সাং কৰাৰ পিছত বিধিমতে গুৰুক অৰ্চনা কৰি সোতৰ বছৰ বয়সত তেওঁ গুৰু গৃহৰপৰা বিদায় লয়। এই প্ৰসঙ্গতে উল্লেখযোগ্য আন এটি কথা হ'ল -- কথাগুৰু চৰিতত উল্লেখ থকা সপ্তদশ দিনা খেৰসূতী আৰু আয়ে লওঁতে সূৰ্য্যৰ প্ৰকাশ যেন জ্যোতিৰ্ময় হোৱা লক্ষণ যেন সপ্তদশ বৰ্ষত শঙ্কৰদেৱ অপ্ৰমাদী পণ্ডিত হোৱাৰে পূৰ্বাভাস।

যোগ-চৰ্চ্চা :

বিভিন্ন চৰিত পুথিত শঙ্কৰদেৱে জীৱনৰ আগভাগত যোগাভ্যাস কৰিছিল বুলি উল্লেখ কৰা হৈছে। ৰামানন্দ দ্বিজে গুৰুগৃহৰপৰা উভতি অহাৰ পিছত যোগ অভ্যাস কৰা বুলি মত দিলেও যোগ অভ্যাসৰ বয়স নিৰ্ণয় কৰিছে পোন্ধৰ বছৰ বুলি। দৈত্যাৰি ঠাকুৰৰ মতে

গুৰুগৃহৰপৰা উভতি অহাৰ পিছত "যোগ শাস্ত্ৰ পাইলা যাই, পৰলোক হিত সাধিবাক চিত্ত. ধৰিলা যোগ উপায়" আৰু "ভাগৱত তত্ত্ব, জানিয়া পাছত, এৰিলা যোগ অভ্যাস।" কিন্তু শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিৰ তত্বাৱধানত সকলো শাস্ত্ৰ অধ্যয়ন কৰি অপ্ৰমাদী পণ্ডিত হোৱা শঙ্কৰদেৱে গুৰুগৃহত থকা কালত যোগশাস্ত্ৰ আৰু ভাগৱত শাস্ত্ৰ নোপোৱা কথাটো একোমতে বিশ্বাস কৰিব নোৱাৰি। দৈত্যাৰিৰ চৰিতত্তে আছে যে গুৰুগৃহত থাকোঁতেই শঙ্কৰদেৱে—

অবিৰতে সমস্ত শাস্ত্ৰক বিচাৰন্ত।
শাস্ত্ৰালাপ বিনে আন কৰ্ম্ম নাচৰন্ত॥
শাস্ত্ৰৰ তত্ত্বক জানি মনত হৰিষে।
পৰলোক হিত মাত্ৰ চিন্তে অহৰ্নিশে॥
ধৰ্ম্মত সদায় ৰতি কৃপাময় মন।
শিশুহন্তে ধৰ্ম্ম মাত্ৰ কৰয় মনন॥

দৈত্যাৰিয়ে স্থানান্তৰত কোৱা মতে শঙ্কৰদেৱ গাংমৌত থাকোঁতে জগদীশ মিশ্ৰই তেৰাৰ ওচৰলৈ অনা ভাগৱতেই অসমত প্ৰথম আৰু সেই ভাগৱত বিচাৰ কৰিহে শঙ্কৰদেৱে যোগাভ্যাস ত্যাগ কৰে আৰু ভক্তিপথ প্ৰকাশ কৰে বুলি ধৰিলে সত্যৰ ঘোৰ অপলাপ হব। কাৰণ, শঙ্কৰদেৱৰ তীৰ্থভ্ৰমণ সম্পৰ্কে আলোচনা কৰিলেও দেখা যাব যে তেৰাই প্ৰথমবাৰ তীৰ্থভ্ৰমণ কৰাৰ আগেয়ে তেৰাৰ ওপৰত বাহিৰৰ কোনো প্ৰভাৱ পৰা নাছিল আৰু তেৰাই যি সমূহ তীৰ্থ ভ্ৰমণ কৰিছিল সেইসমূহ বৈষ্ণৱ তীৰ্থহে। আনহাতে, কথাগুৰু চৰিততো জগদীশ মিশ্ৰৰ পৰা ভাগৱত প্ৰাপ্তিৰ পিছত "মূল চাই আঁহি লৈ পদ পয়াৰ কৰিলে" বুলি উল্লেখ কৰিলেও ইয়াৰ আগেয়ে নামঘৰ নিৰ্মাণ কৰাৰ পিছত "সমস্ত শাস্ত্ৰ ক্ষীৰ সাগৰে বিচাৰি মথি অমৃত উদ্ধৃতকৈ প্ৰচাৰিলে" বুলি বৈষ্ণৱ ধৰ্মৰ চাৰিতত্ত্বৰ কথা উল্লেখ কৰিছে। কন্দলিৰ ছাত্ৰশালাত শঙ্কৰদেৱে অধ্যয়ন কৰা শাস্ত্ৰ-সমস্তৰ লেখ দিওঁতে আকৌ এইখন চৰিতত অষ্টাদশ পুৰাণ বুলি কোৱাৰ

উপৰিও ভাগৱত পুৰাণৰ সুকীয়াকৈ লেখ দিয়া হৈছে। মূঠতে শাস্ত্ৰতত্ব লাভৰ প্ৰধান সহায়ক মেধাশক্তি আৰু ধী-শক্তি বঢ়াবৰ কাৰণে যোগাভ্যাসৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি গুৰুগৃহত অধ্যয়নৰ প্ৰথমছোৱা কালত শঙ্কৰদেৱে যোগাভ্যাস কৰিছিল। পিছত ভাগৱত অধ্যয়নৰ দ্বাৰা ভক্তিৰ মূল-তত্ব উপলব্ধি কৰি পৰলোকহিত অৰ্থাৎ আধ্যাত্মিক সাধনৰ বাবে এইসমূহৰ প্ৰয়োজনীয়তা নাই বুলি জ্ঞান হোৱাত তাক ত্যাগ কৰে। মূঠতে ভাগৱতৰ মূল প্ৰতিপাদ্য "কৃষ্ণস্তু ভগৱান স্বয়ং" এই তত্ব শঙ্কৰদেৱে ছাত্ৰাৱস্থাতে উদ্ধাৰ কৰিছিল; ধ্যান, ধাৰণা, যোগ, সমাধিৰ দ্বাৰাই নহয়। ইয়াৰ উপৰিও একমাত্ৰ ভগৱানত আত্ম-নিবেদনৰ দ্বাৰাইহে যে আধ্যাত্মিক সাধন সিদ্ধ হয় সেইকথাও তেৰাই গুৰু গৃহত অধ্যয়ন কৰি থকা কালতে উপলব্ধি কৰিছিল।

সাংসাৰিক দায়িত্বভাৰ গ্ৰহণ :

গুৰুগৃহৰপৰা উভতি অহাৰ পিছত শঙ্কৰদেৱৰ ওপৰত সাংসাৰিক দায়িত্বৰ ভাৰ পৰিল। ককাদেউতাক জয়ন্তা দলৈয়ে পূৰ্বৰ পিতৃৰ দায়িত্ব শঙ্কৰদেৱক শোধাই দিলে আৰু তেৰোঁ পিতৃৰ সমান দক্ষতাৰেই সেই দায়িত্ব পালন কৰিলে— "পিতৃৰ সমান ভূঞা প্ৰসিদ্ধ ভৈলন্ত"। শঙ্কৰদেৱ ভূঞাই অতি কম বয়সতে বংশৰ সকলোবোৰ গধুৰ কাৰ্য্য পৰিচালনাৰ দায়িত্ব পোৱা বাবে আৰু বিশেষকৈ তেওঁৰ পাণ্ডিত্য আৰু পুৰুষ-লক্ষণসমূহত মুগ্ধ হৈ ককাদেউতাককে আদি কৰি ইষ্ট-মিত্ৰ, জ্ঞাতি-গোত্ৰ সকলোৱে তেওঁক নামকাঢ়ি মাতিবলৈ আপচোচ্ কৰি ডেকাগিৰি সম্বোধনেৰে সম্ভাষণ কৰিছিল।

তীৰ্থ-যাত্ৰা :

এইদৰে সকলোৰে শ্ৰদ্ধাৰ পাত্ৰ আৰু খ্যাতিমন্ত হৈ সুখেৰে কাল কটাই তেওঁ ওঠৰ বছৰ বয়স অতিক্ৰম কৰি উনৈশ বছৰত

ভৰি দিলে। এইছোৱা কালত ইষ্ট-মিত্ৰ, জ্ঞাতি-কুটুম্বই তেওঁৰপৰা বৈকুণ্ঠৰ কল্পতৰু ভাগৱত শাস্ত্ৰৰ তত্ত্ব আৰু বৈকুণ্ঠপতি কৃষ্ণৰ গুণ-লীলা সম্বন্ধে যথেষ্ট শুনিছিল। গতিকে বৈকুণ্ঠধাম আৰু বৈকুণ্ঠপতিৰ বিষয়ে সম্যক জ্ঞান লাভ কৰিবৰ হেতু তেওঁসকলৰ মনত এক স্বাভাৱিক আগ্ৰহ জাগি উঠিল। অৱশেষত পিতামহ জয়ন্তা-মাধৱকে আদি কৰি অন্যান্য ভূঞাসকল আৰু নৰোত্তম, কৰ্ণপুৰ, চতুৰ্ভুজ আদি পণ্ডিতসকলে "সমস্ত লোকৰ হৰিষ বিস্তৰ বৈকুণ্ঠক দিয়োক গঢ়ি" বুলি শঙ্কৰদেৱৰ ওচৰত অনুৰোধ জনালে। সেইবাবে, জ্ঞাতি আৰু ইষ্ট-মিত্ৰসকলৰ মনোবাঞ্ছা পূৰণৰ কাৰণে তেওঁ "তোমাসাৰ বাক্যে সত্যে সত্যে সত্যে দেখাইবো বৈকুণ্ঠপুৰ, চিহ্ন নামে যাত্ৰা কৰিবো প্ৰচাৰ হৰিষ পাইবা প্ৰচুৰ" বুলি সকলোকে আশ্বাস দিলে। লগে লগে ঘোষা, ধেমালি, শ্লোক, গীত, নাট, সূত্ৰ, ভটিমা আদিৰে যাত্ৰাৰ আঁচনি কৰি মহা-মহোৎসৱৰ উদ্যোগ কৰিলে।

এই চিহ্ন-যাত্ৰাৰ কাল সম্পৰ্কত চৰিতকাৰ আৰু বৰ্তমান কালৰ মহাপুৰুষৰ জীৱনী লেখকসকলে ভিন্ ভিন্ মত দাঙি ধৰিছে। আন কেতবোৰে আকৌ চিহ্ন-যাত্ৰা নামে এখন নাট বা যাত্ৰা ৰচনা হোৱাই নাছিল বুলি কৰলৈকো প্ৰয়াস পাইছে। এনে অমূলক সন্দেহ আৰু খেলিমেলিৰ মূল কাৰণ হ'ল মহাপুৰুষৰ চিহ্নযাত্ৰা নাটখন বৰ্তমান পাবলৈ নাই, অথবা কিবা ৰূপত ইয়াৰ কিয়দংশ আমাৰ মাজত থাকিলেও তাক গৱেষণাৰ দ্বাৰা উদ্ধাৰ কৰিবলৈ আমি অপাৰগ হৈ আছোঁহঁক। কথাগুৰু চৰিতৰ মতে মহাপুৰুষ শঙ্কৰদেৱে বটদ্ৰৱা পৰিত্যাগ কৰাৰ আগে আগেহে চিহ্নযাত্ৰা সমাপন কৰে। বৰদোৱা চৰিততো কাৰ্য্যৰ ক্ৰম কথাচৰিতৰ অনুক্ৰমেই উল্লেখ কৰা হৈছে। লক্ষ্মীনাথ বেজবৰুৱাই প্ৰথম তীৰ্থযাত্ৰাৰ আগতে চিহ্নযাত্ৰাৰ কথা স্বীকাৰ কৰিলেও নামঘৰ প্ৰতিষ্ঠাৰ কথা চিহ্নযাত্ৰাৰ আগতে উল্লেখ কৰিছে। ডঃ নেওগ

ভাণ্ডৰীয়াই কথাচৰিতৰ মতকে সমৰ্থন কৰি চিহ্নযাত্ৰাৰ কাল প্ৰথম তীৰ্থভ্ৰমণৰ পিছলৈ নিছে আৰু উত্তৰ ভাৰতত প্ৰচলিত যাত্ৰা বা আন নাটকীয় অনুষ্ঠানৰ প্ৰভাৱতে চিহ্নযাত্ৰাৰ সৃষ্টি বুলি কবৰ প্ৰয়াস কৰিছে। তেখেতৰ আন কেতবোৰ মন্তব্য লক্ষ্য কৰিলে এনে অনুমান হয় যেন গুৰুজনাৰ কৃষ্টি-কলা, নৃত্য-গীত, ধৰ্ম-সংস্কৃতি সকলোবোৰ অসমৰ বাহিৰৰপৰা অহা প্ৰভাৱতেহে জীপ লৈ উঠিছে। বেজবৰুৱাইও গুৰুজনাৰ ভাওনা কৰা প্ৰণালী ৰামলীলা আদি অনুষ্ঠানৰপৰা পোৱা বুলি অনুমান কৰিছে। কিন্তু এনে অনুমান যে অমূলক সন্দেহ নাই। কাৰণ ৰামলীলাৰ উদ্ভৱ গুৰুজনাৰ প্ৰথম তীৰ্থযাত্ৰাৰ ভালেমান দিন পিচতহে সম্ভৱ হৈছে। আকৌ কেতবোৰ চৰিতকাৰে কোৱাৰ দৰে জগদীশ মিশ্ৰৰ ভাগৱত আনয়নৰ পিছত চিহ্নযাত্ৰাৰ সৃষ্টি বুলিবলৈকো ভাগৱতৰ লগত চিহ্নযাত্ৰাৰ পোনপটীয়া সম্পৰ্ক নাই আৰু জগদীশ মিশ্ৰৰ ভাগৱতেই যে অসমত প্ৰথম নহয় সেই কথা ওপৰত কৰি অহা আলোচনাৰপৰা দৃঢ়ভাবে প্ৰতীয়মান হৈছে।

চিহ্নযাত্ৰা অথবা অসমত নাট্যকলাৰ উৎপত্তি আৰু সঙ্গীত, চিত্ৰকলা আদিৰ চৰ্চা সম্পৰ্কে আলোচনা কৰিবৰ হলে আমি আন কেতবোৰ কথালৈ মন কৰিব লাগিব। শঙ্কৰদেৱৰ বংশত তেওঁৰ, উপৰি-পুৰুষৰ দিনৰে পৰা যে সঙ্গীতকলা আৰু চিত্ৰকলাৰ চৰ্চা হৈ আহিছিল সেই কথা সন্দেহহীন। ৰুক্মিণীহৰণ কাব্যত আত্ম পৰিচয় দিওঁতে শঙ্কৰদেৱে "বংশতে প্ৰখ্যাত গন্ধৰ্ব্ব সাক্ষাত জগতে বখানে যাক" বুলি পিতাক কুসুম্বৰৰ সঙ্গীত কলা বিষয়ত পাৰদৰ্শিতাৰ কথা উল্লেখ কৰিছে। এই প্ৰসঙ্গতে উল্লেখযোগ্য যে মহাপুৰুষ শঙ্কৰদেৱৰ পূৰ্ববৰ্ত্তী কালছোৱাতো অসমত নৃত্য-গীত আদিৰ চৰ্চা বহুলভাবে হৈছিল। বিশেষকৈ দেৱ-দেৱীৰ মন্দিৰসমূহত বিভিন্ন পূজা-পাৰ্বন উপলক্ষে ওজা-পালি, দেওধনী নাচ, নটীনাচ, বিয়াহৰ গীত আদিৰ প্ৰচলন আছিল আৰু এই নৃত্য-গীতসমূহৰ শিক্ষাকেন্দ্ৰ আছিল

নাটকাচল পৰ্বত। মহাপুৰুষ শঙ্কৰদেৱৰ গুণানুৰক্ত জগদীশ মিশ্ৰই তেৰাৰ ওচৰত ভাগৱত পাঠ (?) কৰিবলৈ আহোঁতেও শাস্ত্ৰজ্ঞ আৰু তত্ত্বজ্ঞ অতিথিৰ সন্মানৰ কাৰণে শঙ্কৰদেৱে যি মহানাটৰ আয়োজন কৰিছিল সেই অনুষ্ঠানত ওজা-পালিয়ে শঙ্কৰদেৱে আগেয়ে ৰচনা কৰা গীত-পদসমূহ কীৰ্ত্তন কৰি অতিথিক অপ্যায়িত কৰিছিল। চিত্ৰকলাৰ চৰ্চাত এই বংশৰ লোকসকল কেনে আগবঢ়া আছিল সেই কথা শঙ্কৰদেৱৰ ধাইমাতৃ স্বৰূপা চান্দেৰী বুঢ়ীয়ে বৈকুণ্ঠৰ পটত কল্পতৰু বৃক্ষজোপা কোন ঠাইত অঙ্কন কৰিব লাগে তাক দেখুৱাই দিয়া কথায়েই প্ৰমাণ কৰে। আনহাতে শঙ্কৰদেৱ গুৰুগৃহত থাকোঁতেই কাব্য, নাট আদি সম্বন্ধে পূৰ্ণজ্ঞান লাভ কৰিছিল আৰু চিত্ৰ, নৃত্য, গীত, বাদ্য আদিতো তেওঁ পাৰদৰ্শী আছিল। গতিকে শঙ্কৰদেৱে উনৈশ বছৰ বয়সত চিহ্নযাত্ৰা অভিনয় কৰা নাই আৰু ই তেওঁৰ তীৰ্থযাত্ৰাৰ পিছৰ কাৰ্য্য বুলি অভিমত দিয়াৰ কোনো সবল যুক্তি নাই। মুঠতে চিহ্নযাত্ৰা শঙ্কৰদেৱৰ গীতি-নৃত্য প্ৰধান যাত্ৰাভিনয় আৰু আগবয়সৰে কাৰ্য্য; ইয়াৰ চিত্ৰাংশ ব্যয়-বহুল, কষ্টসাধ্য আৰু বিশেষতঃ ভাবব্যঞ্জক। সেইবাবে পিছত দৃশ্যপটৰ ব্যৱহাৰ বাদ দি সূত্ৰ, নৃত্য, শ্লোক, ভটিমা, গীত আদিৰ লগত কথা সংযোগ কৰি তেৰাই মুকলি মঞ্চত নাটক অভিনয় কৰাৰ ব্যৱস্থা কৰিলে। চিহ্ন-যাত্ৰাৰ বিলুপ্তিৰ সম্পৰ্কত আৰু এটি কথা মন কৰিবলগীয়া যে এই চিহ্ন বা পটসমূহে সময়ত মূৰ্তি অথবা প্ৰতিমাৰ আকাৰ ধাৰণ কৰি একশৰণ বৈষ্ণৱ ধৰ্মত ব্যভিচাৰ ঘটোৱাৰ আশঙ্কা কৰি মহাপুৰুষে নিজে তেৰাৰ পিছৰ জীৱনত চিহ্নযাত্ৰাৰ অভিনয় পৰিত্যাগ কৰে।

চিহ্নযাত্ৰা অভিনয় কৰিবৰ কাৰণে শঙ্কৰদেৱে আঁচনি অনুসৰি কাৰ্য্য সম্পাদন কৰিলে। কপিলীমুখৰ কুমাৰৰ হতুৱাই মৃদঙ্গৰ আৰ্হিৰে খোল গঢ়ালে বেঞা (বাওঁহাতে) তেৰ আঙুল, দাহিনা (সোঁহাতে) ন আঙুল জোখ দি, ছালেৰে চোৱাই, খুণ দি, ৰৰতিৰে বান্ধি। তেঁহাৰ হতুৱাই মন্দিৰা, খুতিতাল, পাতিতাল, ভোৰতাল

গঢ়ালে। ইফালে হেঙুল-হাইতাল বোলাই তুলাপাতত সাত বৈকুণ্ঠৰ পট আঁকিলে; চোঁ, মুখা সাজি অভিনয়ৰ আৱশ্যকীয় সা-সৰঞ্জাম প্ৰস্তুত কৰিলে। ঘোষা, ধেমালি লিখি অঁতাই শ্লোক, গীত, সূত্ৰ, ভট্টিমাৰে চিহ্ন বা পটসমূহৰ বৰ্ণনা দি অঙ্কৰ ৰচনা শেষ কৰি গায়ন, বায়ন, নটুৱা সূত্ৰধাৰ শিকাই অভিনয়ৰ প্ৰস্তুতি শেষ কৰিলে। তাৰ পিছত বাল্যবন্ধু ৰামৰামকে আদি কৰি ভূঞাসকলৰে সৈতে ৰভাঘৰৰ কাৰণে ঠাই অঁতালে। নিৰ্দিষ্ট সময়ত ৰভা সাজি আঁৰ-কাপোৰ, অগ্নিগড়, আঁৰিয়া, চৌ-তৰা, ভোটা, ম'তাৰে মঞ্চ সজাই গায়ন-বায়নৰ গানিকাৰে জোৰণি জুৰিলে; সভামঞ্চ লোকে লোকাৰণ্য হ'ল। চাহিনী, ধুমুহী, সৰু-ধেমালি, বৰধেমালি, চোকধেমালি, দেৱ-ধেমালি, ঘোষা-ধেমালি বা গুৰুঘাত বজাই মঙ্গল বাদ্যৰে অভিনয়ৰ আৰম্ভণি সূচালে আৰু অভিনয় দৰ্শনৰ প্ৰতি সকলোৰে অন্তৰত আগ্ৰহ জগাই তুলিলে। ধেমালিৰ পিছত শঙ্কৰদেৱে নিজে নান্দী শ্লোক গাই ৰাগ দি সকলোৰে মঙ্গল প্ৰাৰ্থনা কৰিলে। ইয়াৰ পিছতে বলাইৰ তিমিৰ ৰাগ আৰু শঙ্কৰদেৱৰ বায়ুমণ্ডলী ৰাগেৰে পূৰণি সৃষ্টিৰ প্ৰলয় আৰু নতুন সৃষ্টিৰ আৰম্ভণি সূচালে— এয়া যেন সমাজত সেই সময়ত ধৰ্মৰ নামত চলা পাপ-কৰ্ম আৰু কু-সংস্কাৰসমূহ নৱ-বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰেৰে নাশ কৰি সমাজত মৈত্ৰী, শান্তি আদি স্থাপনৰ দ্বাৰা নতুন শৃংখলা স্থাপনৰে ইংগিত। ইয়াৰে চাক্ষুস প্ৰমাণস্বৰূপে শঙ্কৰদেৱে বায়ুমণ্ডলী ৰাগৰ সহায়ত পাতিসোন্দা গছৰ পুৰণি পাতসমূহ সৰাই আকৌ নতুন পাত গজাই লৈ দৰ্শক-সকলৰ সন্মুখত সাত বৈকুণ্ঠৰ পট মেলি ধৰিলে। চিহ্নযাত্ৰাৰ অভিনয় যে সেই সময়ত প্ৰৱৰ্তিত জাতিভেদে সৃষ্টি কৰা সামাজিক বিশৃংখলা আৰু সামাজিক অস্পৃশ্যা তথা সমাজৰ তলখাপৰ লোকৰ প্ৰতি অভিজাত সম্প্ৰদায়ে কৰা অবিচাৰ, ঘৃণা আদিৰ বিপক্ষে এক বিদ্ৰোহ ঘোষণা সেই কথা অভিনয়ত অংশ গ্ৰহণ কৰা লোকসকলৰ কথা বিচাৰ কৰিলেই গুলাই পৰে। শঙ্কৰদেৱে ৰঘুপতি ৰজকৰ

পুত্র চিদাক আনি লক্ষ্মীৰ ভাওত অৱতীৰ্ণ কৰাই অন্যান্য কায়স্থ আৰু ব্ৰাহ্মণসকলৰ সমানে স্থান দি সামাজিক ঐক্য আৰু অস্পৃশ্যতা দূৰীকৰণৰ নিদৰ্শন দেখুৱালে।

যি নহওক, দৰ্শকৰ সন্মুখত বৈকুণ্ঠৰ পট মেলি ধৰাৰ লগে লগে শঙ্কৰদেৱৰ ইংগিতত ৰামৰামে সূত্ৰ চিয়ঁৰালে আৰু লগে লগে অভিনয় আৰম্ভ হ'ল — এজন এজনকৈ বাহন পাৰিষদ লগত লৈ সাত বৈকুণ্ঠৰ সাতজন নাথ আৰু ছয়গৰাকী লক্ষ্মীয়ে মঞ্চত প্ৰবেশ কৰিলে। শঙ্কৰদেৱ নিজে বিকাৰহীন সপ্তম বৈকুণ্ঠৰ ঈশ্বৰৰূপে অভিনয়ত অৱতীৰ্ণ হ'ল। ইয়াৰ পিছত শঙ্কৰদেৱ আৰু ৰামৰামে অভিনয়ত সুবিধা হোৱাকৈ সূত্ৰ, শ্লোক, ভটিমা গাই গায়ন-বায়নৰ গীতৰ সহায়ত বৈকুণ্ঠৰ পটত সপ্ত বৈকুণ্ঠৰ বৰ্ণনা দি গ'ল। চৰিত-পুথিত বৰ্ণনা কৰামতে সাতদিন সাতৰাতি একেৰাহে অভিনয় হ'ল, লোকে এদিন এৰাতি বুলিহে মানিলে; সকলোৱে দেখি আশ্চৰ্য্য অদ্ভুত হ'ল। আগেয়ে যাত্ৰাভিনয়ৰ কথা শুনি যিসকলে নিন্দিছিল, তেৰাৰ ঐশ্বৰিক শক্তিক যিসকলে সন্দেহৰ চকুৰে চাইছিল, সেই সকলোৱেই অৱশেষত তেৰাক সাক্ষাত ঈশ্বৰ বুলি স্বীকাৰ কৰিলে।

গুৰুৰূপে শ্ৰীমন্ত শঙ্কৰ—প্ৰথম শৰণ দান আৰু উদ্ধৱ সংবাদ ৰচনা :

যাত্ৰাৰ অভিনয় শেষ হ'ল; সকলোৱে জয় জয় ধ্বনি কৰি শঙ্কৰদেৱৰ গুণ-গৰিমা বখানিলে, তেৰাৰ প্ৰতি প্ৰগাঢ় ভক্তিত সকলোৰে শিৰ দোঁ খালে। শিক্ষাগুৰু মহেন্দ্ৰ কন্দলিয়ে আশীৰ্বাদ দিয়াৰ পৰিবৰ্তে সভাসদ সকলোৰে আগত— "শুনা সভাসদ বোলো নিশ্চয় বচন। শঙ্কৰদেৱৰ মই পশিলোঁ শৰণ॥" বুলি উচ্চৈস্বৰে ঘোষণা কৰি ঈশ্বৰবোধে শঙ্কৰদেৱক সেৱা কৰিলে আৰু অন্যান্য ব্ৰাহ্মণ পণ্ডিতসকলক সম্বোধন কৰি কলে—

শুনা কৰ্ণপুৰ চতুৰ্ভুজ দ্বয়োজন।
নৰোত্তম বৃদ্ধ তুমি পণ্ডিত গহন॥

উৰ্দ্ধবাহু কৰি মই কৰোঁ অঙ্গীকাৰ ।
শঙ্কৰত পৰে গুৰু নাহিকে আমাৰ ॥
শূদ্ৰ বুলি যিটো পাপী কৰে তিৰস্কাৰ ।
তাহাৰ ব্ৰাহ্মণ জন্ম আচোক ধিকাৰ ॥

কন্দলিৰ এই সিদ্ধান্ত অনুসৰি ৰামৰাম, চতুৰ্ভুজ, কৰ্ণপুৰ, নৰোত্তম, কবিৰত্ন, বিদ্যাৰত্ন, ৰামসৰস্বতী আদি ব্ৰাহ্মণ পণ্ডিতসকলে শঙ্কৰদেৱক গুৰু মানি শৰণ প্ৰাৰ্থনা কৰিলে । কিন্তু শঙ্কৰদেৱে গুৰু আসনত স্থান লবলৈ অস্বীকাৰ কৰি 'সেৱা কৰিবাক প্ৰতি লাগয় দশম' বুলি তেৰাসৱক আশ্বাসি পিছদিনা মাতি পঠালে । উল্লেখযোগ্য যে বেদত "ন তস্য প্ৰতিমা অস্তি হিৰণ্যগৰ্ভ পুৰুষ ইত্যেষঃ" বুলি কোৱাৰ দৰেই শঙ্কৰদেৱৰ মতেও পৰমেশ্বৰ মূৰ্তিশূন্য । সেইবাবে তেওঁ নিজৰ প্ৰকৃত স্বৰূপ লুকুৱাই ৰাখি ৰাতিটোৰ ভিতৰতে দশম-পুৰাণৰ শ্লোকৰ মৰ্ম উদ্ধাৰ কৰি 'উদ্ধৱ-সংবাদ' পুথি ৰচনা কৰিলে । কথামতে পিছদিনা পুৱা শৰণ লবৰ কাৰণে ব্ৰাহ্মণ পণ্ডিতসকল আৰু বুঢ়াখা, সৰ্বজয়, বলোৰাম, শ্ৰীৰাম, জয়ৰাম, হৰিদাস, ৰামদাস, হৰিহৰ আদি ভূঞাসকল আহি উপস্থিত হ'ল । শঙ্কৰদেৱে 'উদ্ধৱ-সংবাদ' পুথি থাপনাত পাতি শৰণ আশ্ৰয়ীসকলৰ দ্বাৰা দণ্ডৱতে প্ৰণিপাত কৰাই নিজে উপদেশদাতা গুৰু হিচাপে সকলোকে নাম, ভক্ত, দেৱ, গুৰু চিনাই দিলে আৰু বেদ, উপনিষদ, গীতা, ভাগৱতৰ পতিপাদ্য কৃষ্ণত শৰণ কৰালে । লগে লগে উবনা, বনৰা (বনবৰা), ধ্বজা, মাধৈ, চান্দেৰী আদিয়েও শঙ্কৰদেৱক দেৱৰ দেৱতা পৰম ঈশ্বৰৰূপে প্ৰণিপাত জনাই একান্ত ভকত হ'ল । এইদৰেই হৰি ভকতিৰ হাত পাতি সকলোৰে মাজত ৰাম, কৃষ্ণ নাম বিলাই ভকতৰ কল্পতৰু আত্মা শ্ৰীমন্ত শঙ্কৰদেৱ কৃপালু গুৰুৰূপে স্বীকৃত হ'ল ।

কিন্তু ইফালেদি আন এচাম ৰক্ষণশীল আৰু কৰ্মকাণ্ডকে শুদ্ধ ধৰ্ম-প্ৰক্ৰিয়া বুলি মানোতা ব্ৰাহ্মণ পণ্ডিত বিদ্ৰোহী হৈ উঠিল ।

বেদত অধিকাৰহীন (?) শূদ্ৰই ব্ৰাহ্মণক কেনেকৈ মন্ত্ৰ দান কৰিব পাৰে— এই প্ৰশ্ন তুলি তেওঁলোকে সমাজত খেলিমেলি লগাই দিবলৈ চেষ্টা কৰিলে। শঙ্কৰদেৱে প্ৰমাণ কৰি দেখুৱালে যে ভগৱৎ সাধনৰ মুখ্য উপায় একশৰণ মাহাত্ম্য প্ৰতিপাদন কৰি দেখুৱাবৰ বাবে সাক্ষ্য-প্ৰমাণস্বৰূপে বেদত যাগ-যজ্ঞ, পূজা-হোম আদি ব্যৱস্থাৰে যি সমূহ অপবৰ্গ সাধন কৰ্মমাৰ্গৰ বিধিমন্ত্ৰ আছে সেইসমূহ মন্ত্ৰ ব্ৰাহ্মণক দান কৰাৰ অধিকাৰ শূদ্ৰৰ নাই সঁচা; সেইবুলি চতুৰ্বৰ্ণৰ লোকক ভগৱন্তৰ শ্ৰেষ্ঠ সাধন নাম মন্ত্ৰ দান কৰাৰ বিষয়ত কোনো বাধা নাই। আনকি শাস্ত্ৰত প্ৰত্যেক শ্ৰেণীৰ লোকৰ কাৰণে স্বকীয়া স্বকীয়া কৰ্মৰ বিধান থাকিলেও ঈশ্বৰৰ উপাসনা আৰু নাম-কীৰ্ত্তন সম্পৰ্কত সকলোকে সম-অধিকাৰ দিয়া হৈছে— "হৰি নাম কীৰ্ত্তনত সমস্ত লোকৰ অধিকাৰ"। সমাজ বুৰঞ্জী অধ্যয়ন কৰিলেও দেখা যায় যে অতীতৰ আৰ্য্যসকলৰ দৃষ্টি-ভঙ্গী আকাশৰ দৰেই মুক্ত আৰু উদাৰ আছিল। সমাজত জাতি বিভাজন আছিল যদিও গুণ অনুসৰিহে সেই বিভাজন কৰা হৈছিল; জ্ঞান-চৰ্চাত সকলোৰে সম-অধিকাৰ আছিল। লাহে লাহে আৰ্য্য সমাজত সামন্তবাদী মনোভাৱৰ সৃষ্টি হোৱাৰ ফলত মনু সংহিতা ৰচনা হোৱা কালৰেপৰা একশ্ৰেণী লোকক (সেই সময়ত সমাজৰ তলখাপত থকা) জ্ঞান-চৰ্চাৰপৰা বঞ্চিত কৰা হ'ল। ইয়াৰ ফলত সামন্তসকল আৰু যাজক সম্প্ৰদায়ৰ লোকসকলৰ নিজ প্ৰতিপত্তি বিস্তাৰ হয়। ভাৰতত মুছলমানসকলৰ শাসনৰ কালত আকৌ মুছলমান ধৰ্মৰ গ্ৰাসৰপৰা ভাৰতীয় লোক তথা হিন্দুধৰ্মৰ অন্তৰ্গত তথাকথিত ব্ৰাহ্মণ্য ধৰ্মক ৰক্ষা কৰাৰ নামত এই সমাজ ব্যৱস্থাৰ স্তৰসমূহ (Greek-Casta = Lair, স্তৰ, Caste) অধিক কট্‌কটীয়া কৰা হ'ল। শঙ্কৰদেৱে সমাজ-ব্যৱস্থাত সোমোৱা সেই কপট ৰক্ষণশীলাৰ ভাব ছিন্ন কৰি সকলো শ্ৰেণীৰ লোকক মানৱোচিত গুণসমূহ অনুশীলন আৰু চৰ্চা কৰিবলৈ সম-অধিকাৰ দান কৰিলে।

কীৰ্ত্তনঘৰ নিৰ্মাণ :

চিহ্নযাত্ৰাৰ অভিনয় আৰু শৰণ দানৰ পিছৰেপৰা শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰতিভা আৰু ঐশ্বৰিক পুৰুষত্বৰ কথা কেউদিশে ব্যাপ্ত হৈ পৰিল। চৰিত পুথিত ইয়াকে ৰামৰাম গুৰু আৰু মহেন্দ্ৰ কন্দলিয়ে সপোনত শ্ৰীমন্ত শঙ্কৰদেৱক ঈশ্বৰৰূপে দৰ্শন কৰা বা জ্ঞান হোৱা কথাৰ মাধ্যমেৰে প্ৰকাশ কৰা হৈছে। গুৰুজনাৰ ওচৰত লোক সমাগম ঘটিল। তেৰ্বায়ো সকলোৰে মনোবাঞ্ছা পূৰণ কৰি ইমানদিনে কপট ঢাকোনৰ আঁৰত থকা হৰিনাম কীৰ্ত্তনৰ মাহাত্ম্য ভকতসকলৰ আগত ব্যাখ্যা কৰিবলৈ ধৰিলে। দিনে দিনে লোকৰ সমাগম বাঢ়ি গ'ল; আগৰ ভূঞাৰ চ'ৰাত ঠাই নোজোৰা হ'ল। সেইবাবে ভূঞাসকলৰ লগত আলচ কৰি গুৰুজনাই হৰিনাম কীৰ্ত্তন আৰু কৃষ্ণকথা চৰ্চ্চাৰ সুবিধাৰ কাৰণে আহল-বহলকৈ এটি কীৰ্ত্তন-গৃহ নিৰ্মাণ কৰাৰ আচনি ললে। বৰদোৱা চৰিতত আছে—"এদিন ৰাম আতাক গুৰুজনে জনালে : আমাক উত্তম দেখি গধুৰ ঠাই দেখি ঘৰ সাজি দিয়া, তাতে বহি শাস্ত্ৰ আলোচনা কৰি নাম গোৱা হব।" গুৰুজনে সকলোকে মাতি নিজে স্থান চাই জোখ-মাখ দি চৌদ্ধ সাক্ষী সমেতকৈ চৌদ্ধটা খুটা পুতি সপ্ত বৈকুণ্ঠৰ আৰ্হিৰে সাত খোটালীকৈ কীৰ্ত্তন ঘৰ নিৰ্মাণ কৰিলে। এই কীৰ্ত্তন ঘৰ নিৰ্মাণ কৰাৰ পিছৰেপৰা শাস্ত্ৰ-তত্ত্ব উদ্ধাৰ কৰি ভকতসকলক ব্যাখ্যা কৰি শুনাবলৈ সুচল হ'ল আৰু গুৰুজনাই তেৰ্বাৰ সত্য শুদ্ধ মত প্ৰচাৰৰ কাৰণে বিভিন্ন গ্ৰন্থ প্ৰণয়ন কৰিবলৈ ধৰিলে।

চতুৰ্ভুজ বিষ্ণুমূৰ্ত্তি প্ৰসঙ্গ :

কীৰ্ত্তন ঘৰ নিৰ্মাণৰ সময়তে আৰু এটি ঘটনা ঘটিল—ভেটি বান্ধিবলৈ মাটি খান্দোঁতে শঙ্কৰদেৱে মাটিৰ তলত এখন চতুৰ্ভুজ বিষ্ণুমূৰ্ত্তি পালে। আনন্দতে মূৰ্ত্তিখন তুলি লৈ শঙ্কৰদেৱে বাল্যবন্ধু ৰামৰামক কলে—

পূজিবা ঈশ্বৰ ঐত পূৰ্ণ হৈব কাম।
দেৱী পূজা এৰি সবে লৈব কৃষ্ণ নাম॥

শঙ্কৰদেৱৰ এই কথাযাৰকে লৈ বহুতো আধুনিক বিৰুদ্ধবাদী পণ্ডিতে মহাপুৰুষৰ ধৰ্মত মূৰ্তিপূজাৰ ব্যৱস্থা প্ৰমাণ কৰিবলৈ চেষ্টা কৰে। কিন্তু প্ৰকৃততে অন্যান্য দেৱ-দেৱীৰ উপাসকসকলক কৃষ্ণ ভকতিৰ জৰিয়তে একশৰণ নাম-ধৰ্মলৈ আনিবৰ বাবেহে যে শঙ্কৰদেৱে এই বিষ্ণুমূৰ্তি প্ৰতিষ্ঠা কৰিছিল সেইকথা ওপৰত উল্লেখ কৰা পদফাঁকিৰ দ্বিতীয় শাৰীটিয়েই স্পষ্ট কৰি দিছে। শঙ্কৰদেৱে উপলব্ধি কৰিছিল যে তেওঁ যেতিয়া কৃষ্ণভক্তি প্ৰচাৰৰ দ্বাৰা সকলোকে নামধৰ্মৰ প্ৰতি আকৰ্ষিত কৰিছিল তেতিয়া একশ্ৰেণী কৰ্মকাণ্ডী বিপ্ৰৰ জীৱিকাৰ উপায় প্ৰায় বন্ধ হবৰ উপক্ৰম হ'ল। এই বিৰুদ্ধবাদীসকলে বাহিৰে জাকৃজমক্ দেৱীপূজাৰ প্ৰাদুৰ্ভাৱ বঢ়াই মানুহৰ মন বিপৰীত মুখে আকৰ্ষণ কৰিবৰ চেষ্টা কৰিছিল। আনকি শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱা কেতবোৰ পণ্ডিতৰ মনৰপৰাও মূৰ্ত্তিপূজাৰ প্ৰতি আগ্ৰহ সমূলি নাইকিয়া হোৱা নাছিল। সেইবাবে শঙ্কৰদেৱে সিদ্ধান্ত কৰিলে—

ব্ৰাহ্মণ সৱক দ্বেষ্য কৰিবাক
আমাৰ সুহি উচিত।
কৃষ্ণৰ ভকতি পন্থক বিপ্ৰৰ
মুখত কৰোঁ বিদিত॥

সেইবাবেই শঙ্কৰদেৱে বিষ্ণুমূৰ্তিখনি আনি দেৱগৃহত প্ৰতিষ্ঠা কৰাই ৰামৰাম গুৰুৰ দ্বাৰা পূজা কৰাব ধৰিলে। শঙ্কৰদেৱে বৰদোৱাত প্ৰতিষ্ঠা কৰা এই বিষ্ণুমূৰ্তি আৰু পিছত ধুৱাহাটাত জগন্নাথ মূৰ্তি প্ৰতিষ্ঠাৰ তাৎপৰ্য্য তেৰাৰ পিছৰ জীৱনৰ গ্ৰন্থ লিখি নৰসিদ্ধ সংবাদত এইদৰে উল্লেখ কৰিছে—

একে প্ৰতিমাত মাত্ৰ আৰাধে হৰিক॥
সেইজন জানিবাহা প্ৰাকৃত ভকত।
আৰূঢ় হৈয়াছে তেহোঁ ভক্তিৰ পথত॥

অনুক্রমে উত্তম হৈবেক সিয়োজন।
একোমতে নোহে জানা নিন্দাৰ ভাজন॥

তেওঁ বুজিছিল যে ভকতই উত্তম অৱস্থা লাভ কৰিলে কৃষ্ণ-মূর্তি পূজাও আপোনা-আপুনি ত্যাগ কৰিব। মুঠতে, মহাপুৰুষৰ ধৰ্মত মূর্তি পূজাৰ স্থান নাই। তেৰাই বিকল্পবাদীসকলক সহনশীলতাৰে নিজ ধৰ্মমতৰ প্ৰতি আকৰ্ষণ কৰিবৰ কাৰণে বিভিন্ন সময়ত বিষ্ণুমূর্তি প্ৰতিষ্ঠা কৰিলেও শেষ বয়সত একমাত্ৰ নাম-কীৰ্তনৰ বাহিৰে অপৰাপৰ ধৰ্ম্ম-প্ৰক্ৰিয়া প্ৰৱৰ্তন কৰাৰ উল্লেখ ক'তো নাই। আনকি জীৱনৰ আগভাগত তেৰাই যিসকল লোকক শৰণ কৰাইছিল তেওঁ-লোকৰ কাকো মূর্তিৰ সন্মুখত সেৱা কৰোৱা নাছিল। উল্লেখযোগ্য যে মহাপুৰুষে ইয়াৰ অলপদিনৰ পিছতে মনুষ্য-বুদ্ধিৰে তীৰ্থ ভ্ৰমণৰ চেষ্টা দেখুৱাই পুৰীৰ জগন্নাথ ক্ষেত্ৰলৈ যাওঁতেও—

অভ্যন্তৰে নপশিলা বাহিৰে আসিলা।
পৰি আছে শালগ্ৰাম বুলি নবন্দিলা॥
বাহিৰত সাতবাৰ কৰি প্ৰদক্ষিণ।
বন্দিলা শঙ্কৰে দেখাই মনুষ্যৰ চিন॥

মহাপুৰুষে নামঘৰ নিৰ্মাণ আৰু ব্ৰাহ্মণৰ দ্বাৰা ভক্তি-পন্থৰ মাহাত্ম্য স্বীকাৰ কৰাবৰ কাৰণে দেৱগৃহত বিষ্ণুমূর্তি স্থাপন কৰা কাৰ্য্য কুৰি বছৰ বয়সতে সম্পাদন কৰে। ৰামচৰণৰ বাহিৰে আন সকলো গুৰুচৰিতকাৰে এই দুই কাৰ্য্যৰ সময় মহাপুৰুষৰ তীৰ্থ ভ্ৰমণৰ পিছত বুলি উল্লেখ কৰিছে। ডঃ মহেশ্বৰ নেওগ ডাঙৰীয়াই এই বিষয়ত ৰামচৰণৰ মতকে সমৰ্থন কৰিলেও প্ৰথম শৰণদানৰ সময় তীৰ্থ ভ্ৰমণৰ পিছলৈ নিছে। কিন্তু এইসমূহ বিষয়ত যে ৰামচৰণ ঠাকুৰৰ মতহে শুদ্ধ সন্দেহ নাই। ওপৰত উল্লেখ কৰি অহা মহাপুৰুষৰ বিভিন্ন কাৰ্যাৰ ক্ৰমেও তাকে সমৰ্থন কৰে।

হৰিশ্চন্দ্ৰ উপাখ্যান ৰচনা :

নামঘৰ নিৰ্মাণ কৰাৰ পিছত হৰিকথা চৰ্চিবলৈ গুৰুজনৰ

সুচল হ'ল। তেৰাই প্ৰায়ভাগ সময় ভকতসকলৰ সৈতে ধৰ্মতত্ত্ব ব্যাখ্যা কৰি কটায় আৰু আজৰি পৰত বিভিন্ন শাস্ত্ৰ মথন কৰি হৰিনাম অমৃত উদ্ধাৰ কৰি শাস্ত্ৰ ৰচনা কৰে। কলিত সংসাৰ তৰণৰ কাৰণে যে একমাত্ৰ হৰিনাম ধৰ্মইহে শ্ৰেষ্ঠ এই সম্পৰ্কে ভকতসকলৰ মনত দৃঢ়তা ওপজাব পৰাকৈ গুৰুজনে এইছোৱা সময়ৰ ভিতৰতে ভকতিৰ চাৰিখুটি মাৰি 'হৰিশ্চন্দ্ৰ উপাখ্যান' ৰচনা কৰে। কথাগুৰু চৰিতৰ ভাষাত "মাৰ্কণ্ডেয় পুৰাণৰ পৰা প্ৰথমে কাপ ধৰি হৰিশ্চন্দ্ৰোপাখ্যান কৰিছে চাৰিখুটা মাৰি সেৱকলৈ।" এইখন চৰিতৰ মতে অৰণ্যে শঙ্কৰদেৱে গুৰুগৃহত থাকোঁতেই হৰিশ্চন্দ্ৰ উপাখ্যান ৰচনা কৰে।

ৰুক্মিণীহৰণ কাব্য ৰচনা :

গুৰুজনাৰ ৰুক্মিণীহৰণ কাব্যও এই সময়ৰে ৰচনা। কাব্য-খনিৰ বিষয়-বস্তু ভাগৱত পুৰাণ আৰু হৰিবংশৰপৰা লোৱা হৈছে। বেজবৰুৱাই পুথিখনিৰ ৰসাল বৰ্ণনাসমূহ লক্ষ্য কৰি পুথিখনি গুৰুজনাৰ ডেকাকালৰে ৰচনা বুলি ঠাৱৰাইছে আৰু লগতে ৰচনাৰ নিভাঁজ অসমীয়া ঠাঁচৰ কথাও লক্ষ্য কৰিছে। ডঃ কাকতীয়ে শঙ্কৰদেৱৰ আগবয়সৰ ৰচনা আৰু পিছবয়সৰ ৰচনাৰ বৈশিষ্ট্য সম্পৰ্কত উল্লেখ কৰিছে : "শঙ্কৰদেৱৰ নামৰ আগত পহিলা জীৱনত ৰচিত পুথিত 'কায়স্থ' শব্দ আৰু শেহৰ কালে ৰচিত পুথিত 'কৃষ্ণৰ কিঙ্কৰ' কথাফাকি থাকে।" ৰুক্মিণীহৰণ কাব্যতো এই 'কায়স্থ' শব্দৰ সঘন উল্লেখ লক্ষ্য কৰা হয়। কথাগুৰু চৰিতে নামঘৰ নিৰ্মাণ কাৰ্য্য প্ৰথম তীৰ্থভ্ৰমণৰ পিছলৈ নিলেও নামঘৰ নিৰ্মাণৰ ঠিক পিছতে গঙ্গা আনয়ন আৰু ৰুক্মিণীহৰণ কাব্যৰ ৰচনাৰ কথা স্বীকাৰ কৰিছে। মুঠতে গুৰুজনে নামঘৰ নিৰ্মাণৰ পিছতে ভাগৱত আদি শাস্ত্ৰ মন্থন কৰোঁতে ৰুক্মিণীহৰণ কাব্যখনি ৰচনা কৰে আৰু এই কাব্যৰ ৰচনা তেৰাই কুৰি বছৰ বয়সতে সম্পাদন কৰে।

ফাকুৱা উৎসৱ :

গুৰুজনে তেৰাৰ একৈশ বছৰ বয়সত দৌল বান্ধি ফাকুৱা উৎসৱ প্ৰবৰ্ত্তন কৰে। ফাকুৱা বং-বহইচৰ উৎসৱ হলেও আধ্যাত্মিক সাধনৰ বাবে সাংসাৰিক বিষয়-বাসনাৰ প্ৰতি অনাসক্তিৰ আৱশ্যকতাৰ কথাহে এই উৎসৱ পালন প্ৰক্ৰিয়াৰ যোগেদি- প্ৰকাশ পাইছে। গুৰুজনাই ফাকুৱাৰ আগদিনা বিষয়-বাসনাৰূপ মেষ দাহ কৰিহে গন্ধ-গীত গাই উৎসৱৰ সূচনা কৰিছিল।

বিবাহ :

ফাকুৱা উৎসৱ সমাপন কৰাৰ পিছতে তেওঁ শাস্ত্ৰ-চৰ্চা আৰু ধৰ্ম প্ৰবৰ্তন কাৰ্য্যত একাণপতীয়াকৈ লাগিব ধৰিলে। পিতামহ জয়ন্তা আৰু মাধৱে দেখিলে যে নাতিয়েকৰ বিবাহযোগ্য বয়স হ'ল, অথচ তেওঁ সাংসাৰিক বিষয়-বাসনাৰ প্ৰতি অনাসক্ত হৈ ধৰ্ম-চৰ্চাতহে আত্মনিয়োগ কৰিছে। সেইবাবে জ্ঞাতি-মিত্ৰ সকলোৰে লগত আলচ কৰি গুৰুজনাৰ বাইশ বছৰ বয়সত হৰিবৰ গিৰিৰ কন্যা সূৰ্য্যৱতীক বিয়া কৰাই দিলে। কথা চৰিতৰ মতে "গুৰুজনৰ একৈশ বৰ্ষ, আইৰ চৈধ্য বৰ্ষত বিবাহ কৰালে। গুৰুজনৰ বাইশ বৎসৰ আইৰ পোন্ধৰ বৰ্ষতু পুষ্পোৎসৱ হ'ল।" ৰামচৰণ ঠাকুৰে এই বিবাহৰ কাৰ্য্যত বুঢ়ীমাক খেৰসূতীৰ কথা উল্লেখ কৰি লিখিছে— "লগ্নগাণ্ঠি বান্ধি পাছে বুঢ়ী ঘৰে নিল"। কথা-চৰিতত উল্লেখ থকা কন্যা শান্তি কৰাই ঘৰলৈ নিয়া কথাষাৰ আন চৰিতত উল্লেখ নাই। ডঃ নেওগদেৱে গুৰুজনাৰ বিবাহ-কাৰ্য্য ১৩৯২ শকৰ খৰালিত সম্পাদন হোৱা বুলিছে। এই গোটেইখিনি কথা মিলাই চালে গুৰুজনাৰ বাইশ বছৰ বয়সত বিবাহ হোৱা কথাটোৱেই সত্য বুলি প্ৰমাণ হয়।

গৃহাশ্ৰম ধৰ্ম পালন :

গুৰুজনে বিয়া কৰালে, কিন্তু বিষয়-বাসনাই তেৰাৰ মন

ধৰ্ম-চৰ্চা আৰু ধৰ্ম প্ৰবৰ্তনৰপৰা সমূলি আঁতৰাব নোৱাৰিলে। গুৰুজনাৰ গৃহাশ্ৰম ধৰ্ম আচৰণ সম্পৰ্কে দৈত্যাৰি ঠাকুৰে লিখিছে—

দুখী দৰিদ্ৰক প্ৰাৰ্থক জনক অন্ন বস্ত্ৰ দেন্ত মাতি।
ইষ্ট বান্ধৱক জ্ঞাতিক মিত্ৰক পোষন্ত পালন্ত আতি॥
দাসী দাস যত সবাকো সতত মাতন্ত মধুৰ বাণী।
হেন নাহিকয় তাহান বাক্যত দুখ পাই কোন প্ৰাণী॥
আনো যত লোক সবাকো বঞ্চন্ত যাক যথোচিত ভাবে।
সদয় হৃদয় যেন জলাশয় কৃপালু গুণ স্বভাৱে॥

আনহাতে ককাক মাধৱৰ পুত্ৰ মাধৱী দলৈৰ (হাথিয়াৰ দলৈ) হতুৱাই সাঁচিপাত গোটাই আনি শাস্ত্ৰ লিখি ধৰ্ম প্ৰচাৰ কাৰ্য্যত ব্ৰতী হ'ল। গুৰুজনাই এতিয়া শাস্ত্ৰমত উদ্ধাৰি বিভিন্ন দেৱ-দেৱীৰ সেৱা-উপাসনা কৰোঁতা বিৰুদ্ধবাদীসকলক আৰু যাগ, যজ্ঞ, পূজা, হোম আদিকেহে প্ৰকৃত ধৰ্ম কাৰ্য্য বুলি মানোতাসকলক দেখুৱাব ধৰিলে যে একশৰণ নহলে জীৱই কদাপি সিদ্ধি লাভ কৰিব নোৱাৰে। মাধৱদেৱ পুৰুষে পিছত নামঘোষাত লিখিছে—

বচনে কেৱলে মাত্ৰ হৰিত শৰণ লয়
চিত্তে আন দেৱক ভজয়।
জানিবাহা কদাচিতো সিদ্ধি সিটো নলভয়
হৰি তাৰ সন্তোষ নহয়॥

শাস্তি জ্ঞান :

একশৰণ নহলে যে ভক্তি সিদ্ধ নহয় আৰু প্ৰকৃত ভক্তিৰ পথত যে জাতি অজাতি নাই (চণ্ডালো হৰিনাম লৱে মাত্ৰ, কৰিবে উচিত যজ্ঞৰ পাত্ৰ) গুৰু চৰিতত তাকে সেই সময়ত অন্ত্যজাতি হিচাপে অৱহেলিত কৈবৰ্তনীৰ দ্বাৰা এপল পানী আৰু এপল মাটি দিয়াই টেম্বুৱানী জানেদি সোমোৱা লুইতৰ পানীৰ সোঁত বাখি ধৰ বন্ধাই প্ৰজাৰ শস্য ৰক্ষা কৰা দৃষ্টান্তৰে প্ৰমাণ কৰি দেখুওৱা হৈছে।

জান বন্ধা হ'লত গুৰুজনাই ঘোষণা কৰিছে—

অন্ত্যজতো দেখা কেন শাস্ত্ৰী বিপৰীত।
ভক্তি নভৈলেসে তেজ হুৰয় কলিত॥
এতেকেসে বোলো শুনা ব্ৰাহ্মণ সকল।
ভক্তি বিনে তপ-জপ সকলো বিফল॥

গুৰু চৰিতৰ কাহিনীটো এনে ধৰণৰ : ব্ৰহ্মপুত্ৰৰ এবাসুঁতি টেম্বুৱানী জানেদি পানী সোমাই প্ৰজাৰ খেতি নষ্ট কৰে। ভূঞা-সকলকে প্ৰমুখ্য কৰি সকলোৱে লগ লাগি গোঁজ পুতি বুন্দা দি চ'তি-শলথা মাৰি বান্ধিলে, কিন্তু পানীৰ সোঁত একোপধ্যে ৰাখিব নোৱাৰিলে। সকলো ভাগৰি পণ্ডিত ব্ৰাহ্মণসকলক নিয়ালে, তেওঁলোকেও জান বান্ধিবৰ কাৰণে কোনো কাৰ্য্যকৰী পৰামৰ্শ দিব নোৱাৰিলে। অৱশেষত সকলোৱে গুৰুজনাক জনালে। গুৰুজনে গৈ বোলে, "এই জান-ধৰ শাস্ত্ৰী হলেহে বান্ধিব পাৰি"। ভূঞা-সকলে চতুৰ্দিশে শাস্ত্ৰী বিচাৰিব ধৰিলে, শাস্ত্ৰী নোলাল; ব্ৰাহ্মণ পত্নীসকলে পলৰে পানী অনাৰ কথা ক'লত পিছ-হোঁহোকা মাৰিলে। আগবাঢ়ি আহিল এগৰাকী সাধ্বী কৈৱৰ্তনী তিৰোতা— ৰাধিকা। ৰাধিকাই প্ৰথমবাৰ পানী আনিলে, চাকতকৈ চাৰি আঙুল কম হৈ আহিল। গুৰুজনে কাৰণ সোধাত ক'লে— দৈৱ-দুৰ্বিপাকত এদিন ভনী-জোঁৱায়েকৰ সন্মুখত তেওঁৰ মূৰৰ ওৰণি খহি পৰিল। গুৰু-জনে সাধ্বীৰ দোষৰ কথা শুনি নিষ্পাপ জানি আশীৰ্বাদ কৰিলে। সাধ্বী সতী ৰাধিকাই পানী আনি জানত বাকি দিলে, জানৰ পানীৰ সোঁত মন্থৰ হ'ল। ভূঞাসকলে পূৰ্বৰ দৰে গোঁজ মাৰি মাটি দি জানৰ মুখ বন্ধ কৰি দিলে; পানীৰ সোঁত অন্যফালে ব'লে, বাইজ ৰক্ষা পৰিল।— দেখাত এইটো এটা অলৌকিক কাহিনী, কিন্তু প্ৰকৃততে কাহিনীটো যে একশৰণ তত্ত্ব আৰু মনুষ্যত্বৰ মৰ্য্যাদা-জ্ঞাপক সেই কথা ওপৰত কৈ অহা হৈছে।

মনুৰ জন্ম আৰু বিবাহ :

টেমুৰানী জ্ঞান বন্ধাৰ কিছুকাল পিছত ১৩৯৬ শকত শঙ্কৰদেৱৰ ভাৰ্য্যা সূৰ্য্যৱতীৰ গৰ্ভত মনু নামে এটি কন্যাৰ জন্ম হয়। চৰিত-পুথিত বিয়াৰ তিনিবছৰ পিছত অৰ্থাৎ গুৰুজনাৰ পঁচিশ বছৰ বয়সত মনুৰ জন্ম হয় বুলি উল্লেখ কৰিছে। মনুৰ জন্মৰ ন-মাহ পিছত সূৰ্য্যৱতী আয়ে পৰলোক গমন কৰে। পত্নী বিয়োগৰ পিছৰেপৰা গুৰুজনাৰ মনত সংসাৰৰ প্ৰতি অনাসক্তিৰ ভাব প্ৰবল হ'ল আৰু তীৰ্থ ভ্ৰমণৰ প্ৰতি আগ্ৰহ উপজিবলৈ ধৰিলে। কিন্তু, পত্নী বিয়োগে তেৰাক সংসাৰ বন্ধনৰপৰা মুক্ত কৰিলেও মাউৰী ছোৱালী মনু তেৰাৰ বন্ধনৰ কাৰণ হৈ থাকিল। সেইবাবে গুৰুজনে তিনিও পিতামহৰ সৈতে আলোচনা কৰি আঘোনমহীয়া ৰামচন্দ্ৰ কায়স্থৰ পুত্ৰ হৰিত মনুক বিয়া দি যথা-সৰ্বস্ব সকলো জেঁাৱায়েকক চমজাই জী-জেঁাৱাই দুয়োকো ঘৰতে ৰাখি তীৰ্থলৈ যাবৰ উদ্যোগ কৰিলে। ৰামচৰণ ঠাকুৰে লিখিছে—

একগুটি জীউ মোৰ পুত্ৰ আন নাই ॥
তুমি যে আমাৰ পুত্ৰ থাকা মোৰ ঘৰে।
যতেক সৰ্ব্বস্ব আছে সবেয়ো তোমাৰে ॥
আমি যাইবো ক্ষেত্ৰে তুমি থাকা ভাতৃ সমে।

বিয়াৰ সময়ত মনুৰ বয়স সাত বছৰ মাত্ৰ আৰু গুৰুজনাৰ বয়স তেতিয়া বত্ৰিশ বছৰ।

আকাশী গঙ্গা :

পত্নী বিয়োগৰ পিছৰেপৰা এইছোৱা সময়ৰ ভিতৰত আৰু এটি ঘটনা ঘটিল : আলি-পুখুৰী অঞ্চলত পানীৰ নাটনি হ'ল। পানীৰ অভাৱৰ হেতুকে মানুহ আৰু অন্যান্য প্ৰাণীসমূহৰ বিলাই-বিপত্তিৰ সীমা নোহোৱা হ'ল। উপায়ান্তৰ হৈ সকলোৱে গৈ গুৰুজনাক গোচৰ দিলেগৈ। গুৰুজনে সকলোকে নাম-কীৰ্ত্তন কৰি ঈশ্বৰক

উপাসনা কৰিবলৈ পৰামৰ্শ দিলে। কীৰ্তন ৰৱত সকলো সমৱেত হৈ প্ৰেমোন্মত্ত হৈ নাম-কীৰ্তন কৰিবলৈ ধৰিলে। নামৰ ধ্বনিয়ে ভূ-লোক, দ্যু-লোক ভেদি গ'ল— আকাশৰপৰা (বৃষ্টিৰূপে) জলধাৰা নামি আহিল, চাৰিওফাল পানীৰে উপচি পৰিল। বাইজৰ আনন্দৰ পাৰ নোহোৱা হ'ল। পিছদিনা সকলোৱে চাই দেখে যে আলি-পুখুৰীত আগৰেপৰা থকা বটগছজোপা নাইকিয়া হ'ল আৰু তাৰ ঠাইত এটি প্ৰকাণ্ড জলাশয় সৃষ্টি হৈ ক্ৰমে পশ্চিমলৈ বৈ গৈছে। আকাশৰপৰা গঙ্গা (পানী) অৱতৰণ হৈ এই জলধাৰাৰ সৃষ্টি হোৱা কাৰণে ইয়াক আকাশীগঙ্গা বোলা হ'ল (জকজনাৰ জন্মস্থান বৰদোৱা বিষয়ক আলোচনাত এই কথা বহলকৈ উল্লেখ কৰা হৈছে)।

বাস্তৱ দৃষ্টিত আকাশীগঙ্গাৰ সৃষ্টিৰ কাহিনীটো অলৌকিক যেন লাগিব পাৰে, কিন্তু অসমৰ সাংস্কৃতিক ইতিহাসত এই কাহিনী বিশেষ তাৎপৰ্য্যপূৰ্ণ। মাধৱদেৱে পুৰুষে অসমৰ সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱনলৈ মহাপুৰুষৰ দানৰ কথা উল্লেখ কৰি নামঘোষাত লিখিছে—

হৰি নাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী।
শ্ৰীমন্ত শঙ্কৰে পাৰ ভাঙ্গি দিলে
বহে ব্ৰহ্মাণ্ডক ভেদী॥

গোবিন্দৰ প্ৰেম অমৃতৰ নদী
বহে বৈকুণ্ঠৰ পৰা।
চাৰি পুৰুষাৰ্থ তাহাৰ নিঝৰা
হৰিনামে মূল ধাৰা॥

হৰি ভক্তি দান দিয়া জগতক
তাৰিলা সংসাৰ সিন্ধু।
হেনয় কৃপালু শঙ্কৰ বিনাই
নাহি নাহি আৰ বন্ধু॥

তীৰ্থ যাত্ৰা (প্ৰথম) :

এইদৰেই মানৱ লীলাৰে বিভিন্ন ঐশ্বৰিক কাৰ্য্য সম্পাদন কৰি গুৰুজনে অসমৰ সমাজ-জীৱন আৰু ধৰ্ম-জীৱনত নতুনকৈ প্ৰাণ সঞ্চাৰ কৰিলে। ইয়াৰ লগে লগে তেৰাই তীৰ্থ ভ্ৰমণ কৰিবৰ কাৰণে আয়োজন কৰিব ধৰিলে। ককাক জয়ন্তা-মাধৱ, ভাতৃ বনগঞাগিৰি আৰু ভোঁৱায়েক হৰিক মতাই আনি ভাগে ভাগে দায়িত্ব অৰ্পণ কৰিলে। বুঢ়ীমাক খেৰসূতী আৰু মাহীমাক অম্বুধৃতিৰ-পৰা শুভাশীষ ল'লে। চান্দেৰী, মাধৈ, ধ্বজা, বনৰা, উবনা আদিকো যথাযোগ্য সন্মান দেখুৱালে। এইদৰে সকলোৰেপৰা বিদায় লৈ অৱশেষত তেত্ৰিশ বছৰ বয়সত (১৪০৩ শক) ৰামৰাম, সৰ্বজয়, পৰমানন্দ, মহেন্দ্ৰ কন্দলি, বলোৰাম, দামোদৰ, শ্ৰীৰাম, হৰিদাস, নাৰায়ণ, গোপাল, গোবিন্দ, মুকুন্দ, মুৰাৰি, ছোট বলোৰাম, বৰশ্ৰীৰাম, বলোভদ্ৰ আৰু হৃষিকেশ এই সোতৰজন সঙ্গী লগত লৈ গুৰুজনে তীৰ্থযাত্ৰা আৰম্ভ কৰিলে।

তীৰ্থ যাত্ৰাৰ লক্ষ্য আৰু উদ্দেশ্য :

গুৰুজনে এই তীৰ্থযাত্ৰাৰ কালত ভাৰতৰ বিভিন্ন তীৰ্থ ভ্ৰমণ কৰি বাৰ বছৰ কাল কটায়। ৰামচৰণ ঠাকুৰৰ মতে গুৰুজনাৰ এই তীৰ্থ ভ্ৰমণৰ উদ্দেশ্য আছিল ভাৰতৰ বিভিন্ন ঠাইৰ ধৰ্ম, সমাজ-ব্যৱস্থা আদিৰ বিষয়ে বুজ লোৱা আৰু একশৰণ নামধৰ্ম প্ৰচাৰ কৰা। বৃন্দাবনত গৈ ৰূপ আৰু সনাতনৰ লগত হোৱা গুৰুজনাৰ আলাপ-আলোচনাৰ বৰ্ণনাত এই কথা প্ৰকাশ পাইছে। গুৰুজনে ৰূপ-সনাতনক তেওঁলোকৰ ধৰ্ম আৰু উপাস্য দেৱতাৰ বিষয়ে সোধাত ৰূপে গুৰুজনক কৈছে—

(ৰূপে বোলে চাই) কি কৈবো গোসাঁই
তুমি জগতৰ নাথ।
ছদ্মৰূপ ধৰি আসিছা শ্ৰীহৰি
নকৰা মোক অনাথ ॥

তুমি নিৰাকাৰ সুহৃদ আমাৰ
আমি তযু অশংচয় ।
নানান দেশক ভকতি কৰিবাক
প্ৰপঞ্চি আছা কৃপাময় ॥

মহাপুৰুষ শঙ্কৰদেৱৰপৰা শুদ্ধ বস্তু লাভ কৰাৰ আগেয়ে তেওঁলোকে নাম-ধৰ্ম পালন কৰিলেও ৰূপ, সনাতন দুয়ো শঙ্কৰদেৱৰ শ্ৰেষ্ঠতা স্বীকাৰ কৰি গুৰু মানি শৰণ লৈছিল ।

এক নাম ধৰ্ম্ম আন নাহি কৰ্ম্ম
কৰিছো এক শৰণ ।
তযু আজ্ঞাচৰ ধৰি কৃপাময়
কহিলো নিজ বচন ॥ ...
তোমাৰ চৰণ এৰি নাৰায়ণ
নাহিকে মোৰ সুহৃদ ।
চৰণৰ ছায়া দিয়া খণ্ডা মায়া
তযু পদ অৰবিন্দ ॥

গুৰুজনা ইয়াৰ আগেয়ে জগন্নাথ ক্ষেত্ৰলৈ যাওঁতেও জগন্নাথৰ পাণ্ডাসকলে তেৰাৰ শ্ৰেষ্ঠত্ব একেদৰেই স্বীকাৰ কৰিছে—

শঙ্কৰ বুলিয়া এহি জনক কৈলেক ॥
হাজাৰ দশেক লোক ক্ষেত্ৰ বুলি আসে ।
সবাতো কৰিয়া তান শৰীৰ প্ৰকাশে ॥
জানিলো মনুষ্য নোহে সাক্ষাত ঈশ্বৰ ।
জগত কাৰণ প্ৰভু দেৱ মহেশ্বৰ ॥

সেইদৰে গুৰুচৰিতত উল্লেখ কৰা জগন্নাথ, বলভদ্ৰ আৰু সুভদ্ৰাই মাৰ্জাৰীৰ ৰূপ ধৰি শঙ্কৰদেৱৰ উচ্ছিষ্ট ভোজন কৰা, মহেন্দ্ৰ কন্দলিয়ে সপোনত গঙ্গাদেৱীয়ে গুৰুজনাক স্তুতি কৰি থকা অৱস্থাত দেখা আৰু গোকুলবাসীয়ে শ্ৰীমন্ত শঙ্কৰদেৱক কৃষ্ণবোধে নমস্কাৰ জনোৱা বুলি কৰা বৰ্ণনাইও গুৰুজনাৰ শুদ্ধ একশৰণ নাম-ধৰ্মৰ প্ৰাচীনত্ব

আৰু শ্ৰেষ্ঠত্বৰ কথাহে প্ৰকাশ কৰে।

বিভিন্ন স্থানত ধৰ্ম-প্ৰচাৰ আৰু শৰণ দান :

ইয়াৰ পিছৰ কালতো পশ্চিম দেশৰ মহন্ত শ্ৰীচৈতন্যদেৱে পূৰ্বদেশৰ মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ পাণ্ডিত্য আৰু প্ৰতিভাৰ কথা শুনি আৰু তীৰ্থ-ভ্ৰমণৰ চলেৰে ভাৰতৰ বিভিন্ন ঠাইত তেৰাই প্ৰচাৰ কৰা একশৰণ ধৰ্মৰ প্ৰমাণ পাই শ্ৰীচৈতন্যদেৱে শঙ্কৰদেৱৰ প্ৰাধান্য স্বীকাৰ কৰে। কেতবোৰ গুৰু-চৰিতত ইয়াকে শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীচৈতন্যদেৱৰ দেখা-সাক্ষাৎ বুলি বৰ্ণনা কৰিছে। কিন্তু শ্ৰীমন্ত শঙ্কৰদেৱৰ প্ৰথম তীৰ্থ-ভ্ৰমণৰ কালত শ্ৰীচৈতন্যদেৱ চালুকীয়া লৰা (জন্ম ১৪০৭ শক)। গুৰু চৰিতসমূহত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীচৈতন্যদেৱৰ সাক্ষাত হোৱা বুলিলেও এই সাক্ষাতৰ স্থান আৰু কাল সম্পৰ্কে এখন চৰিতৰ মতো আনখন চৰিতৰ লগত নিমিলে। ৰামানন্দ দ্বিজৰ মতে মহাপুৰুষৰ প্ৰথমবাৰৰ তীৰ্থ-ভ্ৰমণৰ কালত জগন্নাথ ক্ষেত্ৰত, ৰামচৰণ ঠাকুৰ আৰু ভূষণ দ্বিজৰ মতে দ্বিতীয়বাৰৰ তীৰ্থ ভ্ৰমণৰ কালত জগন্নাথ ক্ষেত্ৰত, দৈত্যাৰি ঠাকুৰৰ মতে দ্বিতীয়বাৰৰ তীৰ্থ যাত্ৰা-কালত শান্তিপুৰ মঠত, কথা গুৰু চৰিতৰ মতে দ্বিতীয়বাৰৰ তীৰ্থ ভ্ৰমণৰ কালত নদিয়াৰ গোপীনাথত, বৰদোৱা চৰিতৰ মতে শ্ৰীক্ষেত্ৰৰ নাট মন্দিৰত শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীচৈতন্যদেৱৰ দেখা-সাক্ষাৎ ঘটে। কিন্তু শ্ৰীচৈতন্যদেৱৰ লগত যে গুৰুজনাৰ ধৰ্ম-মতৰ কোনো মিল নাই সেই কথা সকলো চৰিত পুথিয়ে স্বীকাৰ কৰিছে। আনহাতে শ্ৰীচৈতন্যদেৱৰ জন্ম হয় ১৪০৭ শকত আৰু মৃত্যু হয় ১৪৫৫ শকত। গুৰুজনাৰ দুয়োবাৰৰ তীৰ্থযাত্ৰাৰ কাল একাদিক্ৰমে ১৪০৩ শক আৰু ১৪৬৮ শক; অৰ্থাৎ গুৰুজনাৰ প্ৰথমবাৰৰ তীৰ্থ প্ৰত্যাবৰ্তনৰ কালত শ্ৰীচৈতন্যদেৱ আঠ-ন বছৰীয়া বালক আৰু দ্বিতীয়বাৰৰ তীৰ্থ-ভ্ৰমণৰ কালত শ্ৰীচৈতন্যদেৱ জীৱিত নাই। গতিকে দুয়োজন পুৰুষৰ এই সাক্ষাৎ যে নিতান্তই কাল্পনিক, সন্দেহ নাই।

সম্ভৱতঃ ১৪৩৫ শকত ৰূপ-সনাতনৰ লগত হোৱা শ্ৰীচৈতন্যৰ সাক্ষাৎ আৰু তেওঁলোকৰপৰা গুৰুজনাৰ বিষয়ে শ্ৰীচৈতন্যই বুজলোৱা কথাকে কোনো কোনো চৰিতকাৰে উল্লিখিত ধৰণে ব্যাখ্যা কৰিছে। গুৰুজনাৰ তীৰ্থ-ভ্ৰমণ কালত যিসকল সন্ত-মহন্তই তেৰাক ঈশ্বৰ জ্ঞানে সেৱা কৰি শৰণ লৈছিল সাৰ্বভৌম ভট্টাচাৰ্য্যই সেই সকলৰ লেখ এইদৰে দিছে—

বৃন্দাবন নামে এক মহন্ত আছিল।
শঙ্কৰক লাগ পাই তেহন্তে ভজিল ॥
ৰমাকান্ত নামে শিষ্য মথুৰাপুৰত।
শঙ্কৰক গুৰু মানি শৰণ লৈলন্ত ॥
ৰাধা নামে এক সন্ত আছিল গোকুলে।
শঙ্কৰক গুৰু মানি সিও ভক্ত ভৈলে ॥
সন্ন্যাসী ত্ৰিজটা নামে ব্ৰজত আছিল।
শঙ্কৰক গুৰু মানি হৰিক ভজিল ॥
গোপীনাথ নামে সন্ত পুষ্কৰ তীৰ্থত।
সিজনেও শঙ্কৰক গুৰু মানিলন্ত ॥
জগন্নাথ পাণ্ডাসুত বিষ্ণুদত্ত নাম।
ৰমানন্দ হৰিদাস জৈমিনি শ্ৰীৰাম ॥
কৃষ্ণ যদুনাথ কাম এহি দশজন।
শঙ্কৰক গুৰু মানি লৈলন্ত শৰণ ॥

তীৰ্থৰপৰা প্ৰত্যাবৰ্তন :

গুৰু-চৰিতসমূহত মহাপুৰুষৰ তীৰ্থ-ভ্ৰমণৰ বিষয়ে বেলেগ বেলেগ বৰ্ণনা দিয়া হৈছে। ৰামচৰণ ঠাকুৰে উল্লেখ কৰা ক্ৰম অনুসৰি গুৰুজনে ভ্ৰমণ কৰা তীৰ্থসমূহ হ'ল— গঙ্গা, গয়া, জগন্নাথ ক্ষেত্ৰ, বৃন্দাবন, সীতাকুণ্ড, উত্তৰবাহিনী গঙ্গা, বৰাহ ক্ষেত্ৰ, প্ৰয়াগ, পুষ্কৰিণী, মথুৰা, দ্বাৰকা, যমুনা আৰু গোকুল। তীৰ্থযাত্ৰা আৰম্ভ

কৰোঁতে গুৰুজনাৰ লগত সোতৰজন সঙ্গী আছিল যদিও এওঁলোক সকলোৱে আটাইবোৰ তীৰ্থ ভ্ৰমণ কৰা নাছিল; জগন্নাথ ক্ষেত্ৰৰ-পৰা গুৰুজনে নিজে সৰ্বজয়, বলৰাম আৰু সৰ্বানন্দক নিজৰ লগত ৰাখি ৰামৰাম, মহেন্দ্ৰ কন্দলিকে আদি কৰি আন সকলো সঙ্গীক ঘৰলৈ উভতিবলৈ অনুৰোধ জনাই বিদায় দিয়ে। মহেন্দ্ৰ কন্দলিয়ে অৱশ্যে ইয়াৰ আগেয়ে তীৰ্থাদি ভ্ৰমণৰ অপ্ৰয়োজনীয়তা আৰু তীৰ্থ-ভ্ৰমণ কাৰ্য্য যে গুৰুজনাৰ মনুষ্য চেষ্টাহে, সেই কথা উপলব্ধি কৰিছিল।

মহেন্দ্ৰ কন্দলি বোলে কিনো মোৰ শঙ্কৰ।
জগন্নাথ সমে দেখোঁ তুল্য কলেৱৰ॥
জগন্নাথ প্ৰভু পাশে যাওঁ কিক লাগি।
নিচিনিলোঁ শঙ্কৰক আমি মন্দভাগী॥

তথাপিও জগন্নাথ ক্ষেত্ৰ পোৱালৈকে সকলো সঙ্গী গুৰুজনাৰ লগতে আছিল আৰু তেওঁৰ অনুৰোধক্ৰমে ক্ষেত্ৰৰপৰাই বলৰাম, সৰ্বজয় আৰু সৰ্বানন্দৰ বাহিৰে বাকীসকল ঘৰলৈ উভতি আহিল। কথা-চৰিতৰ মতে গুৰুজনা ওপৰত উল্লেখ কৰা তীৰ্থস্থানসমূহৰ উপৰিও হস্তিনাপুৰ, কুৰুক্ষেত্ৰ আৰু বদৰিকাশ্ৰমলৈও গৈছিল। বদৰিকাশ্ৰমত গুৰুজনে ব্ৰজবুলি ভাষাত "মন মেৰি ৰাম চৰণেহি লাগু" আদি শাৰীৰে আৰম্ভ হোৱা গীতটি ৰচনা কৰে আৰু এইটিয়েই তেওঁৰ প্ৰথম বৰগীত। গুৰুজনাই এইদৰে পবিত্ৰ তীৰ্থস্থানসমূহ ভ্ৰমণ কৰি পুনৰ বৃন্দাবন আৰু জগন্নাথ-পুৰী হৈ বাৰ বছৰ তীৰ্থৰ অন্তত ১৪১৫ শকত ঘৰলৈ ঘূৰি আহে। এই সময়ত গুৰুজনাৰ বয়স পঞ্চল্লিশ বছৰ।

তীৰ্থৰপৰা ঘূৰি অহাৰ বতৰা পাই ভাতৃ ৰামৰায়ে গজলা-সুঁতিলৈকে আগবাঢ়ি গৈ গুৰুজনাক আগবঢ়াই আনেগৈ। সুদীৰ্ঘ বাৰ বছৰৰ অন্তত নাতিয়েক ঘৰলৈ ঘূৰি অহাৰ বাতৰি পাই বুঢ়ীমাক খেৰসূতীৰ অন্তৰ আনন্দত অধীৰ হ'ল। দৈত্যাৰিৰ চৰিত আৰু

কথাগুৰু চৰিতত বুঢ়ীমাকৰ আনন্দ আৰু নাতিয়েকক পাই কুশল বাৰ্তা লোৱাৰ বৰ্ণনাত লিখিছে যে বুঢ়ীয়ে আৰ্ত হৈ আছি কছাৰী-ঘাটৰ খুটাত উজুতি মাৰি আঁঠুত ববকৈ আঘাত পাই লুটি খাই পৰিল। বংশৰ আন আন লোকসকলবো আনন্দত হিয়া নধৰা হ'ল। বেজবৰুৱাই ইয়াৰ কিছুদিন পিছতে বুঢ়ীমাকৰ মৃত্যু হয় বুলি উল্লেখ কৰিছে। কোনো কোনো চৰিতকাৰে অৱশ্যে গুৰুজনাৰ দ্বিতীয় বিবাহৰ সময়ত খেৰসূতী বুঢ়ী আই জীৱিত আছিল আৰু বুঢ়ীমাকৰ অনুৰোধতহে দ্বিতীয় বিবাহ হৈছিল বুলি মত দিছে। ৰামচৰণ ঠাকুৰে কিন্তু গুৰুজনা তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত খেৰসূতীৰ কোনো কথা উল্লেখ কৰা নাই। এইদৰে আটাইবোৰ চৰিত মিলাই চালে খেৰসূতীৰ মৃত্যু সম্পৰ্কত বেজবৰুৱাৰ মত গ্ৰহণযোগ্য যেন অনুমান হয়। যি নহওক, তীৰ্থৰপৰা ঘূৰি অহাৰ পিছতে ককাক জয়ন্তা-মাধৱ, জোঁৱায়েক হৰি আদি আন সকলোৱে গুৰুজনাক তেওঁৰ আগৰ সকলো দায়িত্বভাৰ গ্ৰহণ কৰিবলৈ অনুৰোধ জনালে। কিন্তু ৰামৰায়ে গুৰুজনাৰ তীৰ্থ ভ্ৰমণৰ সফলতা আৰু বাৰ বছৰ তীৰ্থ ভ্ৰমণ কালত তেওঁই লাভ কৰা বিভিন্ন অভিজ্ঞতাৰ বুজ লৈ গুৰুজনাক আধ্যাত্মিক উপদেশদাতা গুৰু হিচাপে ধৰ্ম-চৰ্চা আৰু ধৰ্ম প্ৰবৰ্তন কৰিবৰ বাবে খাটনি ধৰিলে। গুৰুজনো সাংসাৰিক দায়িত্বভাৰ পুনৰ গ্ৰহণ কৰিবলৈ অমান্তি হ'ল। তেওঁই ইষ্ট-কুটুম্ব সকলোকে স্পষ্টভাৱে জনাই দিলে—

নালাগে পিতৃৰ লোক
প্ৰয়োজন নাহিকে আমাৰ।
পঢ়িলোঁ মাহো শাস্ত্ৰ দুখে গৃহত থাকিয়া সুখে
কৰিবোহোঁ অৰ্থক বিচাৰ॥

কীৰ্তন ৰচনা : উৰেষা, অজামিল উপাখ্যান, প্ৰহ্লাদ চৰিত্ৰ :

এইদৰে সাংসাৰিক বিষয়-বাব প্ৰত্যাখ্যান কৰি ৰামৰায়ৰ

সহায়ত বাস-গৃহৰপৰা একাষৰীয়াকৈ নামঘৰ সজাই ৰামৰাম আদিৰ সৈতে তেৰা একাণপতীয়াকৈ ধৰ্ম-চৰ্চাত লাগিল। কথা-চৰিতৰ মতে এয়ে নামঘৰৰ প্ৰথম সূচনা আৰু এই নামঘৰ সজা ঠাই আগেয়ে কুসুম্বৰৰ সৰিয়হতলি আছিল। যি নহওক, নামঘৰ সাজি উলিওৱাৰ পিছত গুৰুজনে গীতা, ভাগৱত আদি শাস্ত্ৰ মথন কৰি লোকৰ কুশল হেতু কৃষ্ণনাম সমে শ্ৰৱণ-কীৰ্তন ধৰ্ম উদ্ধাৰ কৰি প্ৰচাৰ কৰিব ধৰিলে। লগে লগে হৰি-ভক্তি প্ৰচাৰ কৰিবৰ কাৰণে গুৰুজনে কীৰ্তনৰ বিভিন্ন অধ্যায়ৰ পদ ৰচনাৰ কাম আৰম্ভ কৰিলে। কীৰ্তনৰ উৰেষা, অজামিল উপাখ্যান আৰু প্ৰহ্লাদ চৰিত্ৰ এই সময়ৰে ৰচনা। কথাগুৰু চৰিতত উড়েষা কীৰ্তন ৰচনাৰ কাল জগদীশ মিশ্ৰৰ প্ৰসঙ্গৰ পিছলৈ নি "পাছে গুৰুজনে জগন্নাথ কৃপা মানি গুণ বৰ্ণালে উড়েষাৰ একৈশটা কীৰ্তন" বুলি ক'লেও উড়েষাৰ বৰ্ণনাত থকা বিভিন্ন অন্তৰঙ্গ প্ৰমাণৰপৰা অনুমান হয় যে ব্ৰহ্মপুৰাণৰ-পৰা মূল লৈ ৰচনা কৰা উড়েষা কীৰ্তন গুৰুজনাৰ আদি কীৰ্তন ৰচনা। বিশেষতঃ এই খণ্ড কীৰ্তনত ক্ষেত্ৰ মাহাত্ম্য বাহুল্যকৈ প্ৰকাশ পাইছে আৰু তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত গুৰুজনাৰ মনত জগন্নাথ ক্ষেত্ৰৰ স্মৃতি অধিক ফট্‌ফটীয়া হৈ আছিল। জগন্নাথ ক্ষেত্ৰত থাকোঁতেও গুৰুজনে, ৰামচৰণ ঠাকুৰৰ মতে, পাণ্ডাসকলৰ আগত শালগ্ৰামৰ উৎপত্তি সম্বন্ধে আৰু, বৰদোৱা চৰিত আৰু কথাগুৰু চৰিতৰ মত অনুসৰি, ব্ৰহ্মপুৰাণৰপৰা ক্ষেত্ৰ মাহাত্ম্য বৰ্ণনা কৰিছিল। জগদীশ মিশ্ৰৰপৰা গুৰুজনে ক্ষেত্ৰৰ মাহাত্ম্য যদি কিবা শুনিছিল তেনেহলে জগন্নাথৰদ্বাৰা গুৰুজনাৰ শ্ৰেষ্ঠত্ব স্বীকাৰৰ কথাহে শুনিছিল। মিশ্ৰয়ো গুৰুজনাক লগ পোৱাৰ পিছত. ক্ষেত্ৰস্থান নালাগে নিজ ঘৰলৈও ঘূৰি নগৈ, তেৰাৰ অভয় পদতে আশ্ৰয় লৈ জীৱনৰ শেষছোৱা কাল কটায়।

এই প্ৰসঙ্গতে কীৰ্তনৰ প্ৰথম ৰচনা আৰু গুৰুজনা তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত তেৰাৰ বিভিন্ন কাৰ্য্য সম্বন্ধে বেলেগ বেলেগ

চৰিতৰ মত সমূহ মিলাই চালে প্ৰথম কীৰ্ত্তন ৰচনাৰ কাল নিৰ্ণয় কৰিব পৰা হয়। ৰামচৰণ ঠাকুৰৰ মতে তীৰ্থৰপৰা ঘূৰি অহাৰ পিছতে গুৰুজনাৰ দ্বিতীয় বিবাহ সম্পাদন হয় আৰু বিয়াৰ ঠিক পিছতে তেৰাই ভাগৱত আদি বিভিন্ন শাস্ত্ৰ মথন কৰি গীত-পদ ৰচনাৰ কাম আৰম্ভ কৰে আৰু নাম ধৰ্ম্ম প্ৰচাৰ কৰে। ৰামচৰণৰ লেখাৰপৰা অনুমান হয় যে কীৰ্ত্তনৰ কেইটিমান খণ্ড ৰচনা কৰাৰ পিছত জগদীশ মিশ্ৰ জগন্নাথৰ আজ্ঞাত গুৰুজনাৰ ওচৰত ভাগৱত পাঠ কৰিবলৈ আহে। কথাগুৰু চৰিতৰ মতে তীৰ্থৰপৰা ঘূৰি অহাৰ কিছুদিন পিছত গুৰুজনে বুঢ়ীমাক আৰু বংশৰ ভূঞাসকলৰ অনুৰোধত দ্বিতীয় বিবাহ কৰে আৰু ইয়াৰ পিছতে কীৰ্ত্তন-গৃহ সজাই হৰি-কীৰ্ত্তন চৰ্চা কৰিবলৈ ধৰিলে। এইখন চৰিতৰ মতে "উদ্ধৱ সংবাদ মূল নাইকাতে কৰা" হলেও কীৰ্ত্তনৰ পদ ৰচনাৰ কাম আৰম্ভ হয় জগদীশ মিশ্ৰৰপৰা ভাগৱতপ্ৰাপ্তিৰ পিছতহে। দৈত্যাৰি ঠাকুৰেও কীৰ্ত্তনৰ ৰচনাৰ কাল জগদীশ মিশ্ৰৰপৰা ভাগৱতপ্ৰাপ্তিৰ পিছলৈ নিছে। বেজবৰুৱাৰ মতে শঙ্কৰদেৱ গাংমৌত থকা কালত জগদীশ মিশ্ৰই ভাগৱত গ্ৰন্থ আনি তেৰাৰ ওচৰত পাঠ কৰি শুনায় আৰু ইয়াৰ পিছতে তেৰাই প্ৰথম কীৰ্ত্তন ৰচনা কৰে; পাষণ্ড মৰ্দন তেৰাৰ প্ৰথম কীৰ্ত্তন ৰচনা। বেজবৰুৱাৰ এই মত কোনোপ্ৰকাৰে গ্ৰহণযোগ্য নহয়। কীৰ্ত্তনৰ পাষণ্ড-মৰ্দন অধ্যায় যে গুৰুজনা ধুঁৱাহাটাত থাকোঁতেহে লিখা সেই কথা নিঃসন্দেহ (পাষণ্ড-মৰ্দন ৰচনাৰ প্ৰসঙ্গ ধুঁৱাহাটা প্ৰসঙ্গত আলোচনা কৰা হব) আৰু জগদীশ মিশ্ৰই তেৰাক গাংমৌত দৰ্শন কৰিবলৈ অহা কথাও কোনোপধ্যে মানি লব নোৱাৰি। কাৰণ জগদীশ মিশ্ৰই জগন্নাথ ক্ষেত্ৰত গুৰুজনাৰ প্ৰতিভাৰ কথা শুনি তেৰাৰ গুণমুগ্ধ হৈ তেৰাৰ দৰ্শনাৰ্থে বৰদোৱালৈ অহাটোহে সম্ভৱ; কিয়নো ক্ষেত্ৰস্থানত সন্ত-মহন্তসকলে গুৰুজনাৰ প্ৰসঙ্গত বৰদোৱাৰ কথাহে শুনিছিল, তেৰা গাংমৌত গৈ থিতাপি লোৱাৰ কথা সিসকলৰ অবিদিত আছিল।

ডঃ মহেশ্বৰ নেওগে কার্য্যৰ ক্ৰম দিছে: ৫৪ বছৰত দ্বিতীয় বিবাহ, ৬০ বছৰ বয়সত জগদীশ মিশ্ৰৰপৰা ভাগৱত প্ৰাপ্তি আৰু ইয়াৰ পিছৰ ৭ বছৰৰ ভিতৰত কীৰ্ত্তন ৰচনাৰ কাম আৰম্ভ কৰি সৰহভাগ ৰচনা সম্পূৰ্ণ কৰে। উল্লেখযোগ্য যে কার্য্যৰ ক্ৰম লৰচৰ হলেও গুৰুজনাৰ দ্বিতীয় বিবাহৰ কাল সম্পৰ্কত সকলো চৰিতকাৰে সেই সময়ত তেৰাৰ বয়স ৫৪/৫৫ বছৰ বুলি নিৰ্ণয় কৰিছে। ডঃ মহেশ্বৰ নেওগে উল্লেখ কৰা ৬০ বছৰ বয়সৰ কথা বাদ দিও বিবাহৰ পিছত শাস্ত্ৰ চৰ্চা কৰা বুলি ধৰিলেও তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত দহবছৰ কাল গুৰুজনাই ভূঞাগিৰি চলোৱা কথাহে পৰোক্ষে প্ৰমাণ হয়। কিন্তু চৰিত-পুথিসমূহে তেনে কোনো কথাৰ ইঙ্গিত দিয়া নাই। আনহাতে, গুৰুজনা তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত ককাক জয়ন্তা-মাধৱে অধিক কাল পলম নকৰি তেৰাৰ পূৰ্বৰ বিষয়-বাব শোধাই দিয়াৰ যত্ন কৰাটোৱেই অধিক সম্ভৱ। ইফালে তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত গুৰুজনে শাস্ত্ৰ আৰু ধৰ্ম-চৰ্চা নকৰি দহবছৰকৈ কাল এনেয়ে কটোৱা কথাও কোনোমতে মানি লব নোৱাৰি। আকৌ কোনো কোনো চৰিত-লেখকে কোৱাৰ দৰে তীৰ্থ প্ৰত্যাবৰ্তনৰ পিছত গুৰুজনা প্ৰথমে আলিপুখুৰীত আৰু পিছত গজলাসুঁতিত বাস কৰা আৰু তাৰ পিছতহে বৰদোৱালৈ অহা বুলি কৰলৈকো আলিপুখুৰী আৰু বৰদোৱা একেখন ঠাই আৰু গজলাসুঁতিলৈ গুৰুজনা কেতিয়া কি পৰিস্থিতিত গৈছিল তাৰ কোনো বৰ্ণনা চৰিত-পুথিত পাবলৈ নাই। গতিকে এইকথা ঠাৱৰকৈ কব পাৰি যে জগতানন্দ ওৰফে ৰামৰায়ে তীৰ্থৰপৰা ঘূৰি আহোঁতে গুৰুজনাক গজলাসুঁতিৰপৰা আগবঢ়াই অনা কথাকে উল্লিখিত ধৰণে ব্যাখ্যা কৰা হৈছে আৰু আদি চৰিতলেখকৰ বৰ্ণনাৰ আগ-পাছ কথাকে পিছৰ চৰিত ৰচকসকলে উনৈশ-বিশ কৰি উল্লেখ কৰিছে। দ্বিজ ৰামানন্দই আকৌ গুৰুজনে তীৰ্থৰপৰা ঘূৰি অহাৰ পিছতে জয়ন্তাৰ পত্নী বুঢ়ীমাক আৰু সম্বন্ধীয়া খুৰাক হৰিৰামক শৰণ দিয়াৰ কথা কৈছে। মুঠতে তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত ছয়চল্লিশ

বছৰ বয়সৰপৰা চৌৱাল্লি বছৰ বয়সৰ ভিতৰতে গুৰুজনে ধৰ্ম-প্ৰচাৰ কাৰ্য্যত একাগ্ৰতাৰে লাগে আৰু এই সময়তে কীৰ্ত্তন ৰচনাৰ কামো আৰম্ভ কৰে।

দ্বিতীয় বিবাহ :

ইয়াৰ আগেয়ে পত্নী-বিয়োগত গুৰুজনে মনুষ্য ভাব দেখাই খেদ কৰোতে আৰু তেওঁ তীৰ্থলৈ যোৱাৰ সময়ত ইষ্ট-মিত্ৰ, জ্ঞাতি-কুটুম্বই হয়তো ভাবিছিল যে পত্নী-বিয়োগৰ শোকত শঙ্কৰদেৱ বিহ্বল হৈ পৰিছে আৰু গৃহ-সংসাৰৰ প্ৰতি আসক্তিহীন হৈ উঠিছে। সেইবাবে তেওঁৰ মনত বিষয়ৰ প্ৰতি বিৰাগ ভাব দেখিও মনুৰ বিয়ালৈকে এই সাত বছৰ কাল পুনৰ বিবাহৰ বাবে কোনোৱে একো কবলৈ সাহ কৰা নাছিল। তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত জ্ঞাতি-গোত্ৰই আশা কৰিছিল যে ইমানদিনে নিশ্চয় শঙ্কৰদেৱৰ মনৰ কিছু পৰিবৰ্তন ঘটিছে। কিন্তু এবছৰ-দুবছৰকৈ প্ৰায় দহ বছৰ কাল অতিক্ৰম হ'ল; তেওঁৰ মনত বিষয়ৰ প্ৰতি আসক্তি জন্মাৰ পৰিবৰ্তে বিৰাগৰ ভাব অধিক প্ৰকট হৈ ধৰ্মৰ প্ৰতিহে আসক্তি প্ৰবল হৈ উঠিল। সৰ্বশেষত ককাক জয়ন্তা আৰু মাধৱে পুনৰ বিবাহৰ প্ৰস্তাৱ আগবঢ়ালে। এই বিয়াৰ বাবে পোনতে তেওঁ অসম্মত হোৱাত দুয়ো ককাকে "গোত্ৰবৃদ্ধি হোক বাপু আমাৰ বংশৰ" বুলি নাতিয়েকক বুজাব ধৰিলে আৰু বংশৰ বুঢ়া ৰামথা, ৰূপথা, গাভুৰথা, কেতাইথা, বুঢ়াখা, হৰিথা আদি ভূঞাসকলৰ হতুৱাইও একোআষাৰ কোৱালে। অৱশেষত গুৰুজনে বিয়াত সম্মতি দিবলৈ বাধ্য হ'ল আৰু সৱেও মিলি তেওঁৰ ৫৫ বছৰ বয়সত (১৪২৫ শঁক) ৰাম ভূঞাৰ কন্যা কালিন্দীক বিয়া কৰাই দিলে।

ভক্তি-প্ৰদীপ ৰচনা :

গুৰুজনা পুনৰ সংসাৰ বান্ধোনত বান্ধ খালে, কিন্তু বিষয়াসক্তিয়ে

তেৰাৰ মন বান্ধ খুৱাব নোৱাৰিলে। তেৰাই "মনে খেদ কৰিলন্ত মায়াময় অনিত্য সংসাৰ।" সেইবাবে তেৰাই গাৰ্হস্থ্য-ধৰ্ম আৰু ভাগৱত-ধৰ্ম উভয়কে সমানে পালন কৰি "শাস্ত্ৰ ৰস তত্ত্ব লৈ হৰি কীৰ্তন কৰি কৃষ্ণনাম চৰ্চিবলৈ ধৰিলে।" গুৰুজনাৰ গড়ুৰ পুৰাণৰ বিষয়বস্তুৰে ৰচিত 'ভক্তি-প্ৰদীপ' গ্ৰন্থ সম্ভৱ এই সময়ৰে ৰচনা (৫৫ বছৰৰ পৰা ৬০ বছৰ বয়সৰ ভিতৰত ৰচিত)। ডঃ নেওগদেৱৰ ভাষাত "যুক্তিৰ ধাৰ, ৰচনা প্ৰণালী আদি অন্তৰঙ্গ প্ৰমাণৰপৰা এই পুথিখনি গুৰুজনৰ আদি কালৰ সৃষ্টি যেনহে অনুমান হয়।" ইয়াৰ লগতে নেওগদেৱে লক্ষ্য কৰিছে— "গুৰুজনাই প্ৰথম তীৰ্থ-যাত্ৰাত যিবিলাক তীৰ্থ পাই গৈছিল বুলি কথা-চৰিতত আছে, সিবিলাকৰ উল্লেখ ভক্তি-প্ৰদীপত পোৱা হয়।"

ভাগৱতৰ অসমীয়া পদ :

ইয়াৰ পিছতে গুৰুজনে তেৰাৰ প্ৰৱৰ্তিত ধৰ্মৰ আধাৰ গ্ৰন্থ বৈকুণ্ঠৰ কল্পতৰু শাস্ত্ৰ ভাগৱত পুৰাণৰ অসমীয়া পদ কৰিবলৈ আৰম্ভ কৰে। এই সময়ত তেৰাৰ বয়স তিনিকুৰি বছৰ পূৰ হৈছে। সম্ভৱ বৰদোৱাত থকা সময়ছোৱাৰ ভিতৰত গুৰুজনে ভাগৱতৰ ষষ্ঠ স্কন্ধৰ অজামিল উপাখ্যান, অষ্টম স্কন্ধৰ অমৃত-মথন আৰু বলিচলন খণ্ড, আদ্য দশম স্কন্ধ আৰু একাদশ স্কন্ধৰ শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ খণ্ড ৰচনা কৰে। কোনো কোনো আলোচকে, গোপালচৰণ দ্বিজে অষ্টম স্কন্ধৰ আদি অংশ কামৰূপ ৰাজ্যত অনুবাদ কৰা কথাৰ ওপৰত ভিৰ দি, গুৰুজনে অষ্টম স্কন্ধ ভাগৱতৰ অনুবাদ কোঁচ ৰাজ্যত থকা সময়ত কৰা বুলি কলেও অষ্টম স্কন্ধৰ কথাৰে গজেন্দ্ৰোপাখ্যান আৰু বলিচলনৰ কীৰ্তন বৰদোৱাতে ৰচনা কৰে বুলি মত দাঙি ধৰিছে। ভাগৱতৰ এই কেউটা স্কন্ধৰ ৰচনাৰ কাম যে বৰদোৱাত থাকোঁতেই আৰম্ভ কৰিছিল সেই কথা বৰ্ণনাৰ বিষয়বস্তুসমূহ চালি-জাৰি চাই গুৰুজনাৰ বিভিন্ন কাৰ্য্যৰ ক্ৰম আৰু প্ৰসঙ্গ লক্ষ্য

কৰিলে সহজতে উপলব্ধি কৰিব পাৰি। ৰামচৰণ ঠাকুৰৰ চৰিতত কোনো প্ৰসঙ্গ উল্লেখ নকৰাকৈ একাদশ স্কন্ধ পাটবাউসীত ৰচিত বুলি নিৰূপিত কৰি কলেও ভগৱানৰ নাম-মাহাত্ম্য ভলপৰি যাগ-যজ্ঞ, পূজা-হোম, বলি-বিধানৰ প্ৰাদুৰ্ভাৱ বঢ়াত অধৰ্মই আবৰা সমাজক "কৃষ্ণে এৰিলাতে পৃথিৱী মণ্ডল অধৰ্ম্মে জুৰিয়া বৈল"— এই কথা প্ৰমাণ সহকাৰে দেখুৱাবৰ কাৰণে একাদশ স্কন্ধৰ শ্ৰীকৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ খণ্ড নাম-ধৰ্ম প্ৰচাৰৰ লগে লগে ৰচিত বুলি ভাবিবৰ থল আছে। অৱশ্যে একাদশৰ কৃষ্ণ-উদ্ধৱ সংবাদ আৰু অন্যান্য কেতবোৰ খণ্ড বেলগুৰিত ৰচনা কৰা যেন লাগে। ভাগৱতৰ দশম স্কন্ধৰ ৰচনা কাল চিহ্নযাত্ৰাৰ পিছতে ব্ৰাহ্মণ সকলক শৰণ কৰোৱাৰ প্ৰসঙ্গত "সেৱা কৰাইবাক প্ৰতি লাগয় দশম" বুলি কোৱা কথাষাৰেই ইঙ্গিত কৰে। বিশেষতঃ ভাগৱত অমৃত সাগৰৰ মাজত হৰি-ভক্তি ৰত্নৰ আঁকৰ দশম স্কন্ধয়েইহে গুৰুজনাৰ অন্তদৃষ্টি মুকলি কৰি তেওঁক ধৰ্ম প্ৰচাৰৰ প্ৰেৰণা দিয়ে বুলি ভাবিব পাৰি। অৱশ্যে দশমৰ শিশুলীলা অংশও একাদশৰ দৰেই বেলগুৰিতে ৰচনা কৰা। এই কেউটা স্কন্ধ সম্পৰ্কে আৰু এটা লেখত লবলগীয়া কথা হ'ল যে এই কেইটা স্কন্ধত গুৰুজনে আত্ম-পৰিচয় দি নিজৰ জন্মস্থান আৰু পূৰ্ব-পুৰুষসকলৰ চিনাকি দিছে। নিজৰ জন্মস্থান বা পূৰ্ব-পুৰুষৰ যশস্যা গৌৰৱৰ প্ৰতি এনে আসক্তি তেওঁৰ শাস্ত্ৰ ৰচনাৰ প্ৰথমছোৱা কালত হোৱাই সম্ভৱ। আনহাতে, এই কেইটা স্কন্ধ পাটবাউসীতহে ৰচনা কৰা হলে আত্ম-পৰিচয়ত গুৰুজনে বেলগুৰি বা পাটবাউসীৰ নাম সমূলি উল্লেখ নকৰি পূৰ্বে ত্যাগ কৰি অহা আৰু ছোট আতা মাধৱদেৱৰ পুৰুষে অনুনয় বিনয় কৰিও নিব নোৱাৰা বৰদোৱাৰহে মাত্ৰ উল্লেখ কৰা কথাটো ভাবিবলগীয়া। আনহাতে আলোচ্য খণ্ডকেইটাৰ ভণিতাত গুৰুজনে নিজৰ নাম আনকি অষ্টম স্কন্ধত নামৰ আগত কায়স্থ, কবি আদি বিশেষণ ব্যৱহাৰ কৰাৰ উপৰিও কাব্যৰ ছন্দৰ কথাও উল্লেখ কৰিছে। কিন্তু গুৰুজনাৰ শেষ ৰচনা

প্ৰথম স্কন্ধ আৰু দ্বাদশ স্কন্ধৰ ভণিতাত ক'তো তেওঁৰ নামোল্লেখ নাই, প্ৰথম স্কন্ধত ঠাই বিশেষে 'কৃষ্ণৰ কিঙ্কৰ' আৰু দ্বাদশ স্কন্ধত গ্ৰন্থ আৰম্ভনিত মাত্ৰ এবাৰ 'কৃষ্ণৰ কিঙ্কৰে বিৰচিলা' বুলি উল্লেখ কৰি 'ৰাম ৰাম' শব্দৰে ভণিতা পেলাইছে (প্ৰথম স্কন্ধৰ গ্ৰন্থ আৰম্ভনিত থকা 'শঙ্কৰে ৰচিলা কৃষ্ণ চৰিত্ৰ পয়াৰ' বাক্যটো লক্ষ্য কৰিব লগীয়া ; ইয়াত 'শঙ্কৰ' শব্দটো প্ৰক্ষিপ্ত হব পাৰে)। এইদৰে থাতি গুৰি মাৰি সকলোবোৰ কথা ফঁহিয়াই চালে দেখা যায় যে, ওপৰত উল্লেখ কৰা কেউটা স্কন্ধৰ অনুবাদৰ কাম তেওঁৰাই বৰদোৱাতে আৰম্ভ কৰে।

গুৰুজনাই ভাগৱতৰ অসমীয়া পদ কৰা সম্পৰ্কত গুৰু চৰিতত এটি চকুতলগা কথা উল্লেখ কৰা হৈছে। ত্ৰিহুতৰ জগদীশ মিশ্ৰ নামে ব্ৰাহ্মণ পণ্ডিত এজনে এবাৰ জগন্নাথ ক্ষেত্ৰত ভাগৱত পাঠ কৰিবলৈ গৈছিল। পিছে মহাপ্ৰভু জগন্নাথে ব্ৰাহ্মণক সপোনত কলে বোলে উদয় ৰাজ্যত বৰদোৱা গ্ৰামত শঙ্কৰধৰ নামে তেওঁৰ (জগন্নাথৰ) অভেদ পুৰুষ এজন আছে, তেওঁৰ ওচৰত ভাগৱত পাঠ কৰিলেহে মিশ্ৰই ভাগৱত পাঠৰ পূৰ্ণফল লাভ কৰিব। কথাচৰিতৰ ভাষাত জগন্নাথে বোলে, "মই অন্তৰে চৈতন, লোক দেখাই জৰ (জড়) ভাবে আছোঁ। দোষণ সিদ্ধান্ত কেনেকৈ দিম? মই অ'ত কলাহে, পূৰ্ণে শঙ্কৰ ত'তহে। ত'ত ক'লেহে আমিও পাঞ শঙ্কৰেও পাই।" কথামতে মিশ্ৰ আহি বৰদোৱা পালেহি আৰু তাতে শঙ্কৰদেৱৰ অনুমতি লৈ ব্যাখ্যা সমন্বিতে ভাগৱত পাঠ কৰিলে। ইয়াৰ লগতে দৈত্যাৰি ঠাকুৰ আৰু কথাচৰিতে যোগ দিছে যে এবছৰৰ মূৰত ভাগৱত পাঠ শেষ হ'ল আৰু মিশ্ৰইও প্ৰাণত্যাগ কৰিলে। যি নহওক এইখিনি কথাৰ বৰ্ণনাত চৰিতকাৰসকলৰ মতৰ মিল আছে। কিন্তু ওপৰত দেখুৱাই অহাৰ দৰেই চৰিতকাৰসকলৰ আন কেতবোৰ মন্তব্যৰ বাবে গুৰুজনাৰ প্ৰায়বোৰ কাৰ্য্যৰ ক্ৰম আৰু সময় সম্পৰ্কে খেলি-মেলিৰ সৃষ্টি হৈছে। উদাহৰণস্বৰূপে ৰামচৰণৰ

বাহিৰে আন চৰিত লেখকসকলে জগদীশ মিশ্ৰৰপৰা ভাগৱত পোৱাৰ পিছতহে গুৰুজনে কীৰ্তন ৰচনা আৰু ভাগৱত অনুবাদৰ কাম হাতত লয় বুলি মত দিছে। চৰিতসমূহৰ এনে খেলি-মেলি বৰ্ণনাই সৃষ্টি কৰা ভ্ৰমৰ কাৰণেই বহুতে বিষ্ণুপুৰী সন্ন্যাসীক (জগদীশ মিশ্ৰৰ গুৰু ব্ৰহ্মানন্দৰ গুৰু) শঙ্কৰদেৱৰ গুৰু হিচাপে প্ৰমাণ কৰিবলৈ চেষ্টা কৰাৰ বৃথা প্ৰয়াস পাইছে। অৱশ্যে কথাগুৰু চৰিতে হৰিশ্চন্দ্ৰ উপাখ্যান ৰচনা কৰোঁতেই গুৰুজনে ভকতিৰ চাৰিখুটি মাৰে বুলি স্পষ্টকৈ মত দিছে আৰু তীৰ্থলৈ যাওঁতে বিভিন্ন স্থানত বিভিন্নজন মহন্তক শৰণ দিয়াৰ কথা উল্লেখ কৰি মূল বিষয়ৰ বৰ্ণনাত ৰামচৰণ ঠাকুৰৰ মত সমৰ্থন কৰিছে। ইয়াৰ উপৰিও তীৰ্থৰপৰা ঘূৰি আহি নামঘৰ প্ৰতিষ্ঠা কৰি ধৰ্ম প্ৰচাৰ কৰা বিষয়ত কথাচৰিতে স্পষ্টকৈ কৈছে—"সমস্তে শাস্ত্ৰ ক্ষীৰ সাগৰে বিচাৰি মথি অমৃত উদ্ধৃতকৈ প্ৰচাৰিলে। ভাগৱতৰ সৎসঙ্গ, সহস্ৰনামৰ নাম, গীতাৰ একশৰ্ণ (এক শৰণ) এই তিনিটা বস্তু ব্যক্ত কৈলে।" ক্ষেত্ৰ-স্থানসমূহত শৰণ দানৰ বাহিৰে কথাচৰিতৰ বাকীখিনি কথা বৰদোৱা চৰিতেও সমৰ্থন কৰিছে। বিভিন্ন চৰিতৰ মত উদ্ধৃত কৰি আমি ওপৰৰ আলোচনাতো দেখুৱাই আহিছোঁ যে গুৰুজনে মহেন্দ্ৰ কন্দলিৰ ছাত্ৰশালাত থাকোঁতেই ভাগৱত অধ্যয়ণ কৰি পাণ্ডিত্য লাভ কৰিছিল। গতিকে দৈত্যাৰি, ৰামানন্দ আদি চৰিত-লেখকে কোৱামতে জগদীশ মিশ্ৰৰপৰা ভাগৱত পোৱাৰ পিছতহে গুৰুজনে কীৰ্তনৰ পদ কৰা আৰু ভাগৱত মত প্ৰচাৰ কৰা কথা সঁচা নহয়। ৰামচৰণ ঠাকুৰে স্পষ্টকৈ উল্লেখ কৰিছে যে জগদীশ মিশ্ৰক গুৰুজনে প্ৰথম পৰিচয়তে 'পৰম ভাগৱত' বুলি বুজি পাই তেওঁৰ ভাগৱত ব্যাখ্যা শুনিবলৈ আগ্ৰহ প্ৰকাশ কৰে। অনুক্ৰমে—

প্ৰথম স্কন্ধৰ পৰা দ্বাদশ পৰ্য্যন্ত।
পঢ়িলেক বিপ্ৰে ব্যাখ্যা কৰি ভাগৱত ॥
পৰম হৰিষ মনে পঢ়ে বিপ্ৰবৰ।
শুৱণ সিদ্ধান্ত লেন্ত আপুনি শঙ্কৰ ॥

ইয়াৰ উপৰিও পৰম ভাগৱত পণ্ডিত ব্ৰাহ্মণ গৰাকীক সন্মান জনাবৰ কাৰণে দেৱগৃহত যি মহানাটৰ আয়োজন কৰা হৈছিল তাতো "যিসব অৰ্থক কহে গীতা ভাগৱতে, সবে অৰ্থ ব্যক্ত হুয়া আছয় গীতাতে।"

মূঠতে শঙ্কৰদেৱৰ ভাগৱত অনুবাদৰ লগত যে গুৰুচৰিতে বৰ্ণনা কৰা জগদীশ মিশ্ৰৰ ভাগৱত পাঠৰ কোনো সম্পৰ্ক নাই সেই কথা নিঃসন্দেহ। বিশেষতঃ গুৰুজনে নিজে ক'তো এনে কথাৰ সম্ভেদ দিয়া নাই। সম্ভৱ তেখেতৰ ভাগৱত অনুবাদ যে মূলানুগ সেই সম্পৰ্কে গুৰুজনাই টীকা-ভাষ্য চাই প্ৰমাণ লবলৈ সকলোৰে প্ৰতি আহ্বান জনাই– "যেবে টীকা-ভাষ্য চাই দেখা ইটো কথা নাই নিন্দা তেবে কৰিবা আমাক" বুলি লিখা কথাৰ পৰাই বহুতে এনে অমূলক মত দাঙি ধৰাৰ প্ৰয়াস পাইছে। কীৰ্তনৰ নামাপৰাধ অধ্যায়ত "আসিল শাস্ত্ৰ বাৰাণসী হস্তে" বুলি যি শাস্ত্ৰৰ কথা ইঙ্গিত কৰিছে সেই শাস্ত্ৰ যে পদ্মপুৰাণৰ স্বৰ্গখণ্ডহে সেই কথা গুৰুজনে সেইখণ্ড কীৰ্তনৰ আৰম্ভনিতে উল্লেখ কৰিছে।

জগদীশ মিশ্ৰৰ শৰণ লাভ:

গুৰুজনাৰ ওচৰত জগদীশ মিশ্ৰৰ ভাগৱত পাঠৰ সম্পূৰ্ণ কাহিনীটো সূক্ষ্মভাবে আলোচনা কৰিলে গুৰুজনাৰ প্ৰতিভা আৰু মাহাত্ম্যৰ আন কেতবোৰ কথাহে স্পষ্ট হৈ উঠে। ভাগৱত পুৰাণত পাণ্ডিত্য লাভ কৰাৰ পিছত জগদীশ মিশ্ৰই জগন্নাথ মহাপ্ৰভুৰ ওচৰত ভাগৱত পাঠ কৰিবলৈ অহা কথাটো তেওঁ তীৰ্থ কৰিবৰ অভিপ্ৰায়ে বৈষ্ণৱ তীৰ্থ জগন্নাথ ক্ষেত্ৰলৈ আহিছিল বুলি ধৰিলে ভুল নহব যেন লাগে। জগন্নাথ ক্ষেত্ৰত মিশ্ৰই আহি শঙ্কৰদেৱৰ শ্ৰেষ্ঠতাৰ কথা শুনি মনে মনে জড় জগন্নাথক এৰি (চাৰিও বেদত যিটো বিপ্ৰ প্ৰৱৰ্ত্তন্ত। সেহিসে পূজিবে পাৰে জানা শালগ্ৰাম) চৈতন্য জগন্নাথ শঙ্কৰদেৱৰ ওচৰত শৰণ লবলৈ ঠাৱৰ কৰি ক্ষেত্ৰ

এৰি পূণ্যভূমি বৰদোৱাত উপস্থিত হ'লহি। সপোনত জগন্নাথ প্ৰভুৱে জগদীশ মিশ্ৰক দিয়া উপদেশৰ তাৎপৰ্য্যও এয়ে। কাৰণ ইতিমধ্যে ভাৰতৰ অন্যান্য ভালেমান ঠাইৰ সন্ত-মহন্তৰ উপৰিও জগন্নাথ ক্ষেত্ৰতো দহজনকৈ লোকে গুৰুজনাৰ প্ৰৱৰ্তিত ধৰ্মৰ শুদ্ধতাৰ কথা উপলব্ধি কৰি জড়মূৰ্তি উপাসনাৰ পৰিবৰ্তে হৰিনাম শ্ৰৱণ কীৰ্তন ধৰ্ম গ্ৰহণ কৰিছিল। গুৰুজনা নিজে জগন্নাথ ক্ষেত্ৰলৈ গৈছিল যদিও তেৰা জগন্নাথৰ মন্দিৰত প্ৰৱেশ কৰা নাছিল, বৰং লোকক দেখুৱাই জড়ভাৱে থকা জগন্নাথেহে ৰূপ ধৰি দুৱাৰৰ বাহিৰত আহি শঙ্কৰদেৱক দেখা কৰিছিল আৰু মাৰ্জ্জাৰীৰ ৰূপ ধৰি তেৰাৰ উচ্ছিষ্ট ভোজন কৰিছিল। দৈত্যাৰি ঠাকুৰৰ চৰিত অনুসৰিও জগন্নাথে মিশ্ৰ বাপুক উত্তৰ দিছে— "তান আগে ভাগৱত পঢ়িয়ো সকল। শাস্ত্ৰ পঢ়িবাৰো হোৱে তেবেসে সাফল॥" ৰামচৰণৰ চৰিতত আছে যে জগন্নাথৰ কৃপাত শঙ্কৰদেৱক দৰ্শন কৰিবলৈ পাই মিশ্ৰদেৱে 'মহাভাগ্যোদয়' হোৱা বুলিহে গণ্য কৰিছে—

মহাভাগ্য মোৰ মিলিল তোমাক
দেখিলোঁ আসি নয়নে॥
তযু দৰশনে পাপ দূৰ গৈল
আনন্দ কৰে হৃদয়।
এতেক বোলন্তে প্ৰেম উপজিল
নয়নে নীৰ ঝৰয়॥

সাৰ্বভৌম ভট্টাচাৰ্য্যই জগদীশে শঙ্কৰদেৱৰ ওচৰত শৰণ লোৱাৰ কথা স্পষ্টকৈ উল্লেখ কৰিছে—

বাৰানসী হন্তে আইল মহাভাগৱত।
প্ৰকাশিবে আপোনাৰ যশ ধৰ্ম্ম যত॥.........
জগদীশে স্বপ্ন দেখি পাণ্ডাত কহিল।
ভাগৱত লৈয়া পূৰ্ব্ব দিশক লৰিল॥
কতো দিনে আসি শঙ্কৰক লাগ পাই।
জগন্নাথ স্বপ্ন কৈলা শঙ্কৰৰ ঠাই॥

যতেক কহিলা ৰূপ সবে দেখিলন্ত ।
ভাগৱত দিয়া তাত শৰণ লৈলন্ত ॥

ইয়াৰ পিছত মিশ্ৰদেৱে এবছৰকৈ গুৰুজনাৰ লগত থাকি শাস্ত্ৰ-চৰ্চা কৰে আৰু অন্তত তাতে তেৰাই (জগদীশ মিশ্ৰই) মহাপ্ৰয়াণ কৰে । বেজবৰুৱাই সাত দিনৰ ভিতৰতে ভাগৱত পাঠ আৰু ব্যাখ্যা শেষ হোৱা বুলি ক'লেও জগদীশে ইয়াৰ পিছত কিছুদিন শঙ্কৰদেৱৰ ওচৰত নাম-প্ৰসঙ্গ শ্ৰৱণ-কীৰ্তন কৰি থাকি প্ৰাণ-ত্যাগ কৰে বুলি মন্তব্য কৰিছে । এই প্ৰসঙ্গতে তেওঁ আৰু উল্লেখ কৰিছে যে জগদীশ মিশ্ৰক শঙ্কৰদেৱে নিজ দেশলৈ উলটি যাবৰ মন আছেনে নাই বুলি সোধাত মিশ্ৰই উত্তৰ দিছিল— "মোৰ আৰু আপোনাক এৰি যাবৰ মন নাই ; মোৰ পক্ষে আপুনিয়েই জগন্নাথ । কিন্তু শাস্ত্ৰ-পাঠৰ অন্তত মোৰ এবাৰ জগন্নাথক দক্ষিণা দি পূজা কৰিবৰ মন গৈছিল ; এতিয়া আৰু সেইটো নহ'লেও হব, কাৰণ আপোনাৰ দৰ্শনত মোৰ সকলো সিদ্ধি হ'ল ।" মুঠতে ত্ৰিহুতৰ ব্ৰাহ্মণ জগদীশ মিশ্ৰই মহাভাগ্যবলে গুৰুজনাক লগ পাই তেৰাক ঈশ্বৰবোধে সেৱা কৰিলে আৰু শেষত তেৰাৰ ধৰ্মকে ধৰি মহানন্দে প্ৰাণ-ত্যাগ কৰিলে ।

ইয়াৰ পিছত গুৰুজনাই কীৰ্তনৰ পদ, গীত ৰচনা, ভাগৱত অনুবাদ আৰু ধৰ্ম-প্ৰচাৰ আদি কাৰ্য্য সাধন কৰি ৬৭ বছৰ বয়সলৈকে বৰদোৱাতে আছিল আৰু পিছত কছাৰীৰ আক্ৰমণ হোৱাত বৰদোৱাত অসুবিধা পাই উত্তৰপাৰ হৈ ধুঁৱাহাটালৈ উঠি যায় । ৰামানন্দ দ্বিজৰ মতে গুৰুজনা ধুঁৱাহাটালৈ যোৱাৰ আগতে গঙ্গাকুল নিবাসী-সকলক শৰণ কৰায় আৰু লগে লগে গাৱঁৰ পিছত গাওঁ গুৰুজনাৰ ওচৰলৈ আহি শৰণ লৈ হৰি সমুখীয়া হৈছিল—

আজি একখান গ্ৰাম কৰি আসে এক ।
কিছু কিছু কৰি ভক্ত হুইবে লাগিলেক ॥

কিন্তু এয়া প্ৰকৃততে গুৰুজনা গাঙ্গমুখ বা গাংমৌত থকা কালৰ

কথাহে। ৰামানন্দ দ্বিজৰ চৰিতত গুৰুজনা কি পৰিস্থিতিত গাংমৌলৈ গৈছিল সেই কথা বৰ্ণনা কৰা নাই।

অনন্ত কন্দলি :

সম্ভৱতঃ গুৰুজনা বৰদোৱাত থকাৰ এই সময়ছোৱাৰ ভিতৰতে অনন্ত কন্দলি আৰু সাৰ্বভৌম ভট্টাচাৰ্য্যই তেৰাৰ ওচৰত শৰণ লৈছিলহি। আন আন চৰিতত অনন্ত কন্দলিৰ কথা পাটবাউসী প্ৰসঙ্গতহে উল্লেখ কৰিলেও বৰদোৱাতে তেওঁ গুৰুজনাত শৰণ লয় বুলি কথাগুৰু চৰিতে স্পষ্টকৈ কৈছে। কথাচৰিতৰ মতে কন্দলিয়ে গুৰুজনাৰ অৱশেষ প্ৰাৰ্থনা কৰি মধ্য আৰু শেষ দশমৰ পদ কৰাৰ অনুমতি বৰদোৱাতে লৈছিল। অন্যান্য চৰিত সমূহতো পাটবাউসীত গুৰুজনাক দশমৰ পদ দেখুওৱা প্ৰসঙ্গত অনন্ত কন্দলি উপনিৰপৰা অহা বুলিহে কোৱা হৈছে। বিভিন্ন চৰিতত উল্লেখ কৰা এনে ধৰণৰ কথাসমূহ মিলাই চাই সিদ্ধান্ত কৰিব পাৰি যে কন্দলিৰ শৰণ সম্পৰ্কত কথাগুৰু চৰিতৰ মতেই প্ৰামাণ্য আৰু সম্ভৱ এইছোৱা সময়ত গুৰুজনে আদ্য দশমৰ পদ ৰচনা কৰি আছিল। শৰণ লোৱাৰ পিছৰেপৰা প্ৰায়ে গুৰুজনাৰ স্থানলৈ আহি শাস্ত্ৰ-তত্ত্ব ব্যাখ্যা শুনাৰ পিছত প্ৰথম অৱস্থাৰ এই শাক্ত পণ্ডিতজন গুৰুজনাৰ প্ৰতি ইমান অনুৰক্ত হৈ উঠিল যে তেওঁ একশৰণ ভক্তি-ধৰ্মৰ কথা জনসমাজত প্ৰচাৰ কৰিবৰ কাৰণে গুৰুজনাত প্ৰাৰ্থি শাস্ত্ৰ ৰচনাৰ অনুমতি লৈছিল। গুৰুজনেও কন্দলিৰ ভাগৱত পাণ্ডিত্য আৰু তেৰাৰ দ্বাৰা প্ৰচাৰিত ধৰ্মৰ প্ৰতি অনুৰাগ জানি দশমৰ মধ্য আৰু শেষ খণ্ড ৰচনা কৰিবৰ বাবে অনুমতি দিলে। পিছত গুৰুজনা পাটবাউসীত থকা কালত কন্দলিয়ে গৈ তেওঁ কৰা ভাগৱতৰ অনুবাদ গুৰুজনাক দেখুৱায়।

সাৰ্বভৌম ভট্টাচাৰ্য্য :

সাৰ্বভৌম ভট্টাচাৰ্য্যও এজন পণ্ডিত ব্ৰাহ্মণ। তেওঁ মহাপুৰুষ

শঙ্কৰদেৱৰ লগত বাদ কৰি ঘটুৱাবৰ উদ্দেশ্যে কাশী, বাৰানসী আদি ঠাইত শিক্ষা লাভ কৰি বিভিন্ন স্থানত শাস্ত্ৰ বিচাৰি ঘূৰি ফুৰিছিল। পিছে, এইদৰে ফুৰোঁতে, মহাপুৰুষ শঙ্কৰদেৱ তীৰ্থ ভ্ৰমণৰ কালত যিবোৰ স্থানলৈ গৈছিল সেই সেই স্থানত মহাপুৰুষৰ মাহাত্ম্যৰ কথা শুনি আৰু তেৰাৰ মত খণ্ডন কৰিবৰ কাৰণে যে শাস্ত্ৰত কোনো যুক্তি নাই সেই কথাৰ বুজ পাই স্বদেশলৈ উভতি আহি গুৰুজনাত শৰণ লয়। কথা চৰিতত সাৰ্বভৌম ভট্টাচাৰ্য্যৰ শৰণ গ্ৰহণৰ বিষয়টো এনেদৰে উল্লেখ কৰা হৈছে— "সাৰ্বভৌম ভট্টাচাৰ্য্যে কাশী বাৰনসীতে পঢ়ি পণ্ডিত হৈ গুৰুজনাক বাদে ভঙ্গাবৰ চিত্তে ফুৰে শাস্ত্ৰ বিচাৰি। একনিশা স্বপ্নত বৰ তাম্ৰৰ জ্ঁকাত তৈল বসাই ভাজিছে জীৱক। দ্বিজে অত্ৰাহি হৈ সুধিলে, এই প্ৰাণী কি পাপ দোষ কৈলে? বোলে শঙ্কৰক গুৰু নামানি শাস্ত্ৰ গৰ্ব্বে বাদ কৰা পাপী। শুনি কম্পমানে বিশ্ৰুতি হৈ সাৰ পাই শঙ্কৰগুৰু সুমৰণ কৰি আহি ঈশ্বৰবোধে মানি শৰণাপন হ'লহি।"

কীৰ্তনৰ নামাপৰাধ, ধ্যান বৰ্ণন আৰু কংস বধ খণ্ড ৰচনা :

অনন্ত কন্দলি আৰু সাৰ্বভৌম ভট্টাচাৰ্য্যৰ শৰণ গ্ৰহণৰ সমসাময়িক ভাবেই কীৰ্তনৰ নামাপৰাধ, ধ্যানবৰ্ণন আৰু কংসবধ খণ্ড ৰচনা হয় বুলি অনুমান কৰিবৰ থল আছে। অৱশ্যে ইয়াৰ আগেয়ে গুৰুজনে অষ্টম স্কন্ধ ভাগৱত অনুবাদ কৰাৰ সময়তে অষ্টম স্কন্ধ ভাগৱতৰ কথাৰে গজেন্দ্ৰোপাখ্যান আৰু বলিছলনৰ কীৰ্ত্তন ৰচনা কৰে। কংসবধৰ ৰচনা সম্পৰ্কত চৰিত পুথিত থকা এটি ঘটনা বিশেষভাবে লক্ষ্য কৰিবলগীয়া। আটাই কেইখন গুৰু চৰিততে শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰাই ষাণ্ড মৰ্দন হোৱা কথা বৰ্ণনা কৰিছে। ৰামচৰণ ঠাকুৰে গুৰুজনৰ ষাণ্ড-মৰ্দনৰ বৰ্ণনা প্ৰসঙ্গত ভগৱানৰ পৰশুৰাম অৱতাৰৰ মাতৃহত্যা আৰু কৃষ্ণ অৱতাৰৰ কংস কুবলয় বধৰ আখ্যান সংযোজনা কৰিছে। ষাণ্ড মৰ্দনৰ পিছত ঘৰলৈ উভতি

যাওঁতে কমলিধৰা পৰমানন্দই এই কাৰ্য্যৰ তাৎপৰ্য্য সোধাত গুৰুজনে কৈছে যে যি গৰাকী তিৰোতাই তেওঁক ষাণ্ড-মৰ্দনৰ সময়ত দৰ্শন কৰিছিল তেওঁ হৈছে ভগৱানৰ অংশ অৱতাৰ পৰশুৰামৰ মাতৃ আৰু কংসৰ কুবলয় হস্তীয়েই গুৰুজনে দৰ্পচূৰ্ণ কৰা যাড় ৰূপে জন্ম গ্ৰহণ কৰিছেহি। ৰামচৰণ ঠাকুৰে ষাণ্ড-মৰ্দন গুৰুজনাৰ ওঠৰ বছৰ বয়সৰ ঘটনা বুলি উল্লেখ কৰিছে। দৈত্যাৰি ঠাকুৰৰ চৰিত আৰু বৰদোৱা চৰিতমতে এই কাৰ্য্য গুৰুজনা গুৰু-গৃহৰপৰা উভতি অহাৰ পিছতে সম্পাদন হয়। কথাচৰিতত গুৰুজনে বৰদোৱা এৰাৰ পূৰ্ব্বে অনন্ত কন্দলি আৰু সাৰ্বভৌম ভট্টাচাৰ্য্যই শৰণ লোৱা কথা বৰ্ণনা কৰাৰ আগতে ষাণ্ড-মৰ্দনৰ আখ্যান বৰ্ণিত হৈছে। ৰামানন্দ দ্বিজে কিন্তু গুৰুজনা গাংমৌত থকা কালতহে ষাণ্ড মৰ্দন হয় বুলি উল্লেখ কৰিছে। এই কাৰণেই সম্ভৱ কোনো কোনোৱে কীৰ্ত্তনৰ কংসবধ অধ্যায় গুৰুজনে বেলগুৰিতহে ৰচনা কৰে বুলি মত পোষণ কৰিছে। কিন্তু আটাইকেইখন চৰিত মিলাই চাই আৰু গুৰুজনা প্ৰথমবাৰ তীৰ্থ-ভ্ৰমণ কৰি ঘূৰি অহাৰ পিছতহে প্ৰথম কীৰ্ত্তন ৰচনা কৰা কথালৈ লক্ষ্য ৰাখি অনুমান কৰিব পাৰি যে গুৰুজনাৰ ষাণ্ড-মৰ্দনৰ তাৎপৰ্য্য আৰু সময় যিয়েই নহওক, তেৰা বৰদোৱাত থকাৰ শেষ ভাগ সময়তে কীৰ্ত্তনৰ কংসবধ খণ্ড ৰচনা হয়।

ভূঞা কছাৰীৰ বিবাদ আৰু গুৰুজনাৰ বৰদোৱা ত্যাগ ঃ

গুৰুজনা বৰদোৱাত থকাৰ শেষ সময়ছোৱাত পাৰ্শ্ববৰ্ত্তী কছাৰীসকলৰ লগত ভূঞাসকলৰ বিবাদ আৰম্ভ হয়। বৰদোৱা চৰিতত এই বিবাদৰ কাৰণ বৰ্ণনা কৰি লিখিছে— "ভূঞাসকলৰ গৰু কছাৰী ৰজাৰ প্ৰজাৰ গৰু একেলগে পথাৰত চৰোৱাত এদিন উভয় দলৰ মাজত কাজিয়া হয়। পিছত ভূঞাসকলে বুদ্ধি কৰি ম'হ আৰু ছাগলী কাটি এটি ভোজৰ আয়োজন কৰি কছাৰীহঁতক নিমন্ত্ৰণ কৰে, সিহঁতে চাল, বাৰু পেলাই খাবলৈ ধৰাত ভূঞাসকলে

অনেক কছাৰী লোকক কাটে, কেতবোৰ প্ৰাণ লৈ কোনোমতে পলাই যায়।” কোনোবা হাবিত সোমাই সাৰিল, কোনোবা লৰমাৰি কছাৰী ৰজাৰ ওচৰ পালেগৈ। পিছত কছাৰীসকলে ঢাল-বাৰু লৈ ভূঞাসকলক আক্ৰমণ কৰিবৰ কাৰণে সাজু হ'ল। এই বাতৰি পাই গুৰুজনে ভূঞাসকলৰে দোষ বুলি বুজি সকলোকে সেই স্থান এৰি আঁতৰ হবলৈ উপদেশ দিলে। তেৰাই দেখিলে যে সবল প্ৰকৃতিৰ এই লোকসকলৰ লগত কাজিয়া কৰি ভূঞাসকলে ভাল কাম নকৰিলে, আৰু ফলত তাত থাকিলে শান্তিৰে তেৰাৰ ধৰ্ম-চৰ্চা কৰিবলৈ অসুবিধা হব। সেইবাবে গুৰুজনা সমন্বিতে সকলো ভূঞাই আলচ কৰি নাৱেৰে ব্ৰহ্মপুত্ৰ পাৰ হৈ উত্তৰ পাৰলৈ গ'ল। দৈত্যাৰি ঠাকুৰৰ চৰিতত ভূঞা-কছাৰীৰ এই বিবাদক 'আসামৰ টেম্বুৱানী মাৰণ' বুলি উল্লেখ কৰা হৈছে; কিন্তু ব্ৰহ্মপুত্ৰ পাৰ হৈ যোৱালৈকে বাকী বৰ্ণনাখিনিত আন আন চৰিতৰ লগত মিল আছে। সম্ভৱতঃ দৈত্যাৰিয়ে এই শব্দটো 'অহম' বুলিয়ে উল্লেখ কৰিছিল আৰু ইয়াৰ দ্বাৰা অহম্মক বা সহজতে সৈমান কৰাব নোৱাৰা অৰ্থ প্ৰকাশ কৰি কছাৰীসকলকে বুজাইছিল।

যি নহওক, ভূঞাসকলৰ লগত গুৰুজনায়ো বৰদোৱা ত্যাগ কৰি উত্তৰপাৰলৈ গমন কৰিলে। কিন্তু লৰালৰিকৈ যাওঁতে তেৰাই সেই সময়লৈকে ৰচিত কীৰ্তনৰ বিভিন্ন খণ্ডৰ পদখিনি ঘৰতে এৰি থৈ গ'ল। বাটত মনত পৰি তেৰা পুনৰ ঘৰলৈ ঘূৰি আহি সেইখিনি সামৰি-সুঁতৰি লওঁতেই কছাৰীয়ে আহি ঘৰবেৰা দি ধৰিলেহি। গুৰুজনাই দুৱাৰত থকা কছাৰী দুটাক হেঁচুকি বগৰাই পেলাই থৈ সাৰিল; দা, যাঠি লৈ আনবোৰ কছাৰীয়ে তেৰাক পিছে পিছে খেদি গ'ল। ব্ৰহ্মপুত্ৰৰ পাৰ পাই গুৰুজনাই দেখিলে যে পাৰত নাও নাই, আগৰ ভূঞাসকলে সকলো নাও লৈ পলাল। উপায় নাপাই তেৰা পানীত নামিয়ে গ'ল। ইতিমধ্যে কছাৰীহঁতেও দা-যাঠি দাঙি গুৰুজনাক মাৰিবলৈ সাজু হ'ল। চৰিতৰ মতে গুৰুজনাই লুইতৰ জাঁপিত উটি অহা এখনি এধানমান গীতা-শাস্ত্ৰ পাই তাকে লৈ দেখুৱাইহে কছাৰীসকলৰ হাতৰপৰা ৰক্ষা পায়।

এইদৰে গুৰুজনাই তেৰাৰ ৬৭ বছৰ বয়স পূৰ হোৱাত (১৪৩৮ শক) জন্মস্থান আৰু আদি-কৰ্মস্থান বৰদোৱা ত্যাগ কৰি উত্তৰপাৰ হৈ আহোম ৰাজ্যৰ ভিতৰ সোমালগৈ।

ধুঁৱাহাটা চৰিত

(আহোম ৰাজ্য আৰু উজনি অসমত কটোৱা কাল)

ৰ'তাত গুৰুজনা আৰু ৰ'তা এৰাৰ কাৰণ ঃ

১৪৩৮ শঁকত কছাৰীৰ খেদাত ব্ৰহ্মপুত্ৰ পাৰ হৈ গুৰুজনা শিঙৰিত এৰাতি থাকি পিছদিনা ৰ'তা পালেগৈ। এই ৰ'তাত গুৰুজনা ছমাহ আছিল আৰু পিছত কোঁচ-মাৰণৰ কথা শুনি ৰ'তা এৰি বুঢ়ী গঙ্গাৰ পৰা উজাই গৈ গাঙমুখ বা গাংমৌত থিতাপি ললেগৈ। বৰদোৱা-চৰিতৰ মতে গুৰুজনা গাংমৌ পোৱাৰ আগতে শিঙৰিত এৰাতি আৰু ঘিলাধাৰিত এৰাতি থাকি যায়। বেজবৰুৱাৰ মতে গুৰুজনাই ব্ৰহ্মপুত্ৰ পাৰ হৈ ভলুকাগুৰিত 'তিনিপথ' আৰু কোমোৰাকুটাত কিছুদিন থাকি 'বুঢ়ীগঙ্গাইদি উজাই গৈ গাংমৌ পালেগৈ।' কথাগুৰু চৰিতত লিখিছে ঃ ''পাছে ৰ'তাতে ৰহি জ্ঞাতি মিত্ৰে এটা খেতি কৰি খাই সুস্থই ছমাহ আছে। পাছে কোঁচ মাৰণৰ লাগি দেশ ভাঙিছে, নিশা আকাশীবাণী শুনি পুৱা উজাল। আহি গাঙমৌত থিত লৈ কৃষি গৃহ কৰি ৰ'ল বাৰেও ভূঞা''। চৰিত-পুথি আৰু বুৰঞ্জীত গুৰুজনাৰ বিভিন্ন কাৰ্য্য আৰু বিভিন্ন স্থানত ভেৰাই কটোৱা কাল সম্পৰ্কে যিসমূহ মন্তব্য কৰা হৈছে সেইবোৰ মিলাই চালে ৰ'তাত গুৰুজনা ছমাহ কাল থকাটো প্ৰমাণ হয়। কিন্তু চৰিতত উল্লেখ থকা কোঁচ-মাৰণ কথাটোৰ ব্যাখ্যা দি কোনো কোনোৱে ক'বলৈ বিচৰাৰ দৰে গুৰুজনাৰ পৰিয়ালৰ ওপৰত কোঁচৰ আক্ৰমণ সঁচা নহয়। ওপৰৰ আলোচনাত দেখুৱাই অহা

হৈছে যে সমুদ্ৰৰ নাতি সামন্তৰপৰা বঢ়া ভূঞাসকলে লুইতৰ উত্তৰ-পাৰে ৰাজত্ব কৰি আছিল ; সম্ভৱতঃ এওঁলোক নাৰায়ণপুৰ অঞ্চলৈকে বিয়পি আছিল। ৰ'তা অঞ্চলৰ এই প্ৰতাপী ভূঞাসকলৰ লগত গুৰুজনাৰ কোনো সম্পৰ্ক নাছিল। বিশেষতঃ গুৰুজনাৰ পৰিয়ালে সেই সময়ত ৰাজনৈতিক উপপ্লাৱৰ হাত এৰাই শান্তি কামনাৰেহে উত্তৰপাৰলৈ ভাগি আহিছিল আৰু তেৰাসৱ এই নতুন অঞ্চলত প্ৰতিপত্তিশালী ৰাজ-পৰিয়ালো নহয়। আনহাতে, কোঁচ ৰজা বিশ্বসিংহৰ আগৰেপৰা বিভিন্ন সৰু সৰু ৰাজ্যৰ অভ্যুদয়ৰ ফল-স্বৰূপে ৰাজনৈতিক স্থিৰতা হেৰুওৱা অসম ৰাজ্যত নতুনকৈ গজি উঠা বিভিন্ন ৰাজ-পৰিয়ালে মূৰ দাঙি উঠে। গুৰু-চৰিততো আছে— "দেখিলেক লোক যেবে ভৈলেক অৰাজ। গাৱেঁ গাৱেঁ ভৈল তেবে সৱে ভূঞা ৰাজ।"

বিশ্বসিংহ ৰজাই ৰাজ্যত শান্তি স্থাপন কৰিবৰ কাৰণে ডিমৰুৱা, বেলতলা, ৰাণী, বকো, বনগাওঁ, ভোলাগাওঁ, ছয়গাওঁ, বৰনগৰ, দৰং, কৰইবাৰী, আটীয়াবাৰী আদি অঞ্চলৰ এনে স্বয়ম্ভু মুখিয়াল লোকসকলক বশ কৰি কৰতলীয়া কৰাৰ কথা বুৰঞ্জীয়ে উল্লেখ কৰিছে। ইয়াৰ লগতে বুৰঞ্জীয়ে বিশ্বসিংহই বশকৰা ভূঞা-সকলৰ লেখ দিছে— ঔগুৰিৰ ব্ৰাহ্মণ ভূঞা, দৈৱজ্ঞ চুটিভূঞা, কুসুম, দীঘলা, কলিয়া, চাৰু, বেজিনীয়া আদি ভূঞাসকল। ৰ'তা অঞ্চলত ঢৌ উঠা কোঁচ-মাৰণো এনে এক আক্ৰমণ হোৱাই সম্ভৱ। কোনো কোনো চৰিত লেখকে অৱশ্যে এই কোঁচ-মাৰণ গুৰুজনা গাংমৌ অঞ্চলত থকা কালতহে হয় আৰু গুৰুজনাই বাৰ-ভূঞাৰে লগলাগি আহোমৰ ফলীয়া হৈ মন্ত্ৰণা কৰি কোঁচক ভঙোৱাৰ কথা উল্লেখ কৰিছে। কিন্তু ধুঁৱাহাটাত থকাৰ আগলৈকে আহোম ৰজাঘৰৰ লগত গুৰুজনাৰ কোনো প্ৰকাৰৰ সম্পৰ্ক স্থাপন হোৱাৰ উল্লেখ চৰিত-পুথি আৰু বুৰঞ্জীত নাই। আনহাতে, আহোম ৰাজ্যৰ অন্তৰ্গত গাংমৌ কোঁচ-আহোম ৰাজ্যৰ সীমান্তৰপৰা ভালেখিনি ভিতৰত

অৱস্থিত ; আৰু বিশ্বসিংহৰ দিনত আহোমক পৰাভৱ ঘটাই আহোম ৰাজ্যৰ ভিতৰুৱা অঞ্চলত কোঁচ সৈন্যই উৎপীড়ন কৰাৰ প্ৰমাণো বুৰঞ্জীয়ে নিদিয়ে। গতিকে গুৰুজনা গাংমৌত থাকোঁতেহে কোঁচ-মাৰণ হোৱা আৰু তেৰাৰ মন্ত্ৰণাত কোঁচ সেনাক ভগোৱা কথা কিমান নিৰ্ভৰযোগ্য ভাবি চাবলগীয়া। গুৰুজনাৰ মন্ত্ৰণাত কোঁচ-সেনা ভগোৱাৰ যি প্ৰবাদ আছে সেয়া নৰনাৰায়ণ ৰজাৰ সময়ৰ কথাহে (চিলাৰায়ৰ অসম আক্ৰমণ ১৪৮৪ শক ; এই সময়ত গুৰুজনা কোঁচ ৰাজ্যৰ অন্তৰ্গত পাটবাউসীতহে আছিল)। গতিকে ৰ'তা অঞ্চলত ঢৌ উঠা কোঁচ-মাৰণ বিশ্বসিংহ ৰজাৰ ভূঞা দমন অভিযানহে, যি সকল ভূঞাৰ লগত, গেইট চাহাবে অনুমান কৰাৰ দৰে, গুৰু-চৰিতৰ ভূঞাসকলৰ কোনো সম্পৰ্ক নাই। কোঁচ ৰাজবংশাৱলীয়ে অৱশ্যে ইয়াৰ এক বেলেগ সম্ভেদ দিছে। সেইমতে বিশ্বসিংহই অসম জয় কৰি কোঁচ আধিপত্য বিস্তাৰৰ কাৰণে গড়গাওঁ অভিমুখে ৰণ-যাত্ৰা কৰি আহিছিল। কিন্তু দুৰ্গম পথ অতিক্ৰম কৰি আগ-বাঢ়োঁতে বাটতে তেওঁলোকৰ ভালেমান দিন অতিবাহিত হ'ল। ইতিমধ্যে বচৰ-পাতিও ঢুকুৱাত বিজয় অভিযানৰ আশা ত্যাগ কৰি তেওঁ নিজ ৰাজ্যলৈ ঘূৰি যাবলৈ বাধ্য হ'ল।

গুৰুজনাই দেখিলে যে কোঁচ-অধ্যুষিত এই সীমান্তৱৰ্তী অঞ্চলত থাকিলে সততে তেৰাসৱে ৰাজনৈতিক বিপ্লৱৰ আহুকাল ভোগ কৰি থাকিব লাগিব। সেইবাবে ৰ'তা পৰিত্যাগ কৰি বুঢ়ীগঙ্গাৰপৰা উজাই গৈ গুৰুজনা গাংমৌ পালেগৈ।

গাংমৌত গুৰুজনা :

গাংমৌত গুৰুজনা পাঁচ বছৰ কাল আছিল। বেজবৰুৱাই গুৰুজনা গাংমৌত সাত বছৰ ছমাহ থাকে বুলি মত দিছে। অৱশ্যে বেজবৰুৱাই গুৰুজনা ৰ'তাত থকা কাল আৰু ধুঁৱাহাটাৰ পথত কোৰোবাকুটা আৰু ম'লয়া আশ্ৰিত থকা কালৰ হিচাপ দিয়া নাই।

ইয়াৰ উপৰিও বেজবৰুৱাই গুৰুজনাৰ লগত মাধৱদেৱ পুৰুষৰ মিলনৰ কালত তেওঁসৱৰ বয়সৰ কোনো উল্লেখ কৰা নাই। তুজনা গুৰুৰ মিলনৰ সময়ত অন্যান্য গুৰুচৰিত আৰু আলোচকসকলে গ্ৰহণ কৰা মত অনুসৰি গুৰুজনাৰ বয়স তেসত্তৰ বছৰ ধৰিলে বেজবৰুৱাৰ হিচাপ যে শুদ্ধ নহয় সেই কথা ওলাই পৰে। গুৰুজনা গাংমৌত থিতাপি লোৱাৰ লগে লগে তেৰাই তাত নামঘৰ মনিকূট আদি সজাই নাম-প্ৰসঙ্গাদি কৰি ধৰ্ম-চৰ্চা কৰিবলৈ ধৰিলে। ক্ৰমান্বয়ে গুৰুজনাৰ গুণ-যশস্যা প্ৰচাৰিত হোৱাত প্ৰথমতে গাংকূল নিবাসীসকল আহি তেৰাৰ ওচৰত শৰণ পশি হৰি সমুখীয়া হ'লহি। ইয়াৰ পিছত লাহে লাহে তেৰাৰ ওচৰত লোক চাপিবলৈ ধৰিলে। এইদৰে কিছুদিন অতিবাহিত হোৱাৰ পিছত আন এটি ঘটনা ঘটিল; সময়ে সময়ে উত্তৰ সীমান্তবৰ্ত্তী ডফলাবিলাকে আহি সেই অঞ্চলটোত উপদ্ৰৱ কৰি লোকৰ গৰু, ম'হ আদি ধৰি লৈ যায় আৰু কোনোবাই সিহঁতৰ কাৰ্য্যত বাধা দিলে ডফলাই বান্তি ঘৰ বেৰা দি তাৰ পোতক তোলে। ডফলাৰ অত্যাচাৰ যেতিয়া দিনক দিনে বাঢ়ি আহিল আৰু বৰদোৱাৰপৰা উঠি যোৱা এই ভূঞাসকলো যেতিয়া ডফলাৰ এনে অত্যাচাৰৰ কবলত পৰিল তেতিয়া তেওঁলোকে তাৰপৰা উঠি গৈ অন্য কোনো নিৰাপদ স্থানত আশ্ৰয় লোৱাৰ কথা চিন্তা কৰি গাংমৌ পৰিত্যাগ কৰে। ৰামচৰণ ঠাকুৰকে আদি কৰি বহুতে অৱশ্যে গুৰুজনাৰ গাংমৌ ত্যাগৰ কাৰণ কোঁচৰ আক্ৰমণ বুলি ঠাৱৰ কৰিছে। কিন্তু ওপৰৰ আলোচনাত দেখুৱাই অহা হৈছে যে গাংমৌৰ ভৌগোলিক অৱস্থানে বিশ্বসিংহ ৰজাৰ দিনত সেই অঞ্চলত কোঁচ আক্ৰমণ হোৱা কথাটো প্ৰমাণ নকৰে। একেই কাৰণত বেজবৰুৱাই উল্লেখ কৰা ভোটৰ ভয়ত গুৰুজনাই গাংমৌ ত্যাগ কৰা কথাও মানি ল'ব নোৱাৰি।

কোমোৰাকুটাত চাৰি-মাহ, ম'লবা আটিত তুমাহ; আৰু ৰমানন্দৰ জন্ম:

এইদৰে গাংমৌতো নিৰাপদে ধৰ্ম-চৰ্চা কৰাত অসুবিধা

পাই গুৰুজনাই ১৪৯৩ শ'কৰ শেষভাগত অথবা ১৪৪৪ শ'কৰ আৰম্ভনিতে গাংমৌ পৰিত্যাগ কৰে। লগৰ ভূঞাসকলে "কোমোৰাকুটা স্থান অতি সুশোভন" বুলি কোৱাত প্ৰথমতে সেই স্থানলৈ গৈ ঘৰ-বাৰী সাজি বসতি স্থাপন কৰিলে। কিন্তু গুৰুজনাই সেই স্থানত অসুচল পোৱাত আৰু ইতিমধ্যে পানী বাঢ়ি আহি গোটেই অঞ্চলটো বুৰাই পেলোৱাত চাৰিমাহৰ অন্তত তাৰপৰা ঘৰ-বাৰী তুলি নি ম'লৱাআটিত উঠিলগৈ। ইফালে সেই সময়ত কালিন্দী আই-মাতৃৰ গা ভৰা অৱস্থা। ম'লৱা আটিত উঠাৰ লগে লগে আইৰ গা অসুখ হ'ল। উপায় নাপাই গুৰুজনা পৰিয়ালবৰ্গৰে সৈতে তাতে ৰ'ল আৰু লগে লগে বৰঠাকুৰ ৰমানন্দৰ জন্ম হ'ল। কথাগুৰু চৰিতৰ মতে এনে বিপদ-বিঘিনি আৰু বিপত্তিৰ মাজতে ৰমানন্দৰ জন্ম হোৱাত গুৰুজনাই সকলোকে বিষয়ৰ দুখ দেখাই "পাৱে পৰি হৰি" আৰু "গোপালে কি গতি কৈলে" আদি শাৰীৰে আৰম্ভ হোৱা গীত দুটি ৰচনা কৰিছে। যি নহওক, এই ম'লৱা আটিত দুমাহ কাল থকাৰ পিছত গুৰুজনাই ৰামৰাম, বুঢ়াখা, কেতাইখা আদিৰ লগত আলচ কৰি ১৪৪৪ শ'কত লুইতৰ সুঁতি পাৰ হৈ ধুঁৱাহাটাত উঠিলগৈ। সেই সময়ত গুৰুজনে ৭৩ বছৰ বয়সত ভৰি দিছে।

গুৰুজনা ধুঁৱাহাটাত থকা কাল :

গুৰুজনা ধুঁৱাহাটা বা বেলগুৰিত থকাৰ কাল সম্পৰ্কে বেলেগ বেলেগ চৰিতকাৰে বেলেগ বেলেগ মত দিছে। এই কাল কথাগুৰু চৰিতে ১৫ বছৰ ৬ মাহ (আদ পোদ্ধৰ বৰ্ষ) আৰু বেজবৰুৱাই ১৮ বছৰ বুলি খাটাং মত দাঙি ধৰিছে। ৰামচৰণ ঠাকুৰৰ মতে গুৰুজনাই বেলগুৰিত ১৪ বছৰ কাল অতিবাহিত কৰাৰ পিছত ব্ৰাহ্মণ পণ্ডিতসকলে তেৰাৰ বিপক্ষে আহোম ৰজাৰ ওচৰত খল দিয়ে আৰু ইয়াৰ কিছুদিন পিছতে কোঁচ ৰজা নৰনাৰায়ণে অসম

আক্ৰমণ কৰে। কোঁচ ৰজাৰ এই আক্ৰমণৰ সময়তে গুৰুজনাই ধুঁৱাহাটা ত্যাগ কৰি কামৰূপ অভিমুখে যাত্ৰা কৰে। ৰায়বাহাদুৰ কনকলাল বৰুৱাই তেওঁৰ কামৰূপৰ প্ৰাচীন বুৰঞ্জীত (Early History of Kamrup) গুৰুজনা ধুঁৱাহাটাত থকাৰ কাল সুকীয়াকৈ উল্লেখ নকৰিলেও (১৪৫৯ শঁকত) ১৫৩৭ খৃঃ ত তেৰা কোঁচ ৰাজ্যত প্ৰবেশ কৰে বুলি উল্লেখ কৰিছে। এই হিচাপ মতে গুৰুজনা ধুঁৱাহাটাত থকা কাল ১৫ বছৰ ওলায়। ডঃ নেওগে বেলেগ বেলেগ চৰিতৰ মত উদ্ধৃত কৰি গুৰুজনা ধুঁৱাহাটাত ১৭ বছৰৰ অধিক কাল আছিল বুলি মন্তব্য কৰিছে। চৰিতপুথি সমূহৰ এনে ভিন্ন মত মিলাই চাই এক নিভুৰ্ল সিদ্ধান্তত উপনীত হ'বৰ হলে আমি আন কেতবোৰ কথাও চালি জাৰি চাব লাগিব। গুৰুজনাৰ জীৱন-লীলাৰ ক্ৰম সম্পৰ্কত চৰিত-পুথিসমূহত আগ পাছ বৰ্ণনা থকাৰ দ্‌বেই তেৰাই ধুঁৱাহাটাত কটোৱা শেষছোৱা কালৰ কাৰ্য্যৰ ক্ৰম সম্পৰ্কতো বৰ্ণনাৰ আগ-পাছ ঘটিছে। উদাহৰণস্বৰূপে আটাইতকৈ প্ৰাচীন আৰু নিৰ্ভৰযোগ্য ৰামচৰণ ঠাকুৰৰ চৰিতমতেই মাধৱদেৱ পুৰুষৰ লগত গুৰুজনাৰ মিলনৰ পিছত ঘটা কাৰ্য্যৰ ক্ৰম এনে ধৰণৰ— ব্ৰাহ্মণৰ দ্বাৰা ভকতৰ নিন্দা, গুৰুজনাৰ দ্বাৰা জগন্নাথ মূৰ্তি প্ৰতিষ্ঠা, আহোম ৰজাৰ হাতীধৰা, হৰি জোঁৱাইক কটা আৰু মাধৱদেৱক বন্দী কৰি ৰখা আৰু পিছত এৰি দিয়া, আহোম ৰজাত শঙ্কৰদেৱৰ বিপক্ষে ব্ৰাহ্মণৰ খল দিয়া, নৰনাৰায়ণৰ অসম আক্ৰমণ আৰু ইয়াৰ লগে লগে গুৰুজনাৰ ধুঁৱাহাটা ত্যাগ। এই কাৰ্য্যসমূহৰ ক্ৰম যুক্তিৰে কঁহিয়াই চালে আহোম ৰজাৰ হাতীধৰা আৰু হৰি জোঁৱাইক কটা কাৰ্য্য ৰজাৰ ওচৰত শঙ্কৰদেৱৰ বিপক্ষে ব্ৰাহ্মণ পণ্ডিতসকলে খল দিয়া কাৰ্য্যৰ পিছৰ বুলি অনুমান হয়। বিশেষতঃ প্ৰথম অৱস্থাতে শঙ্কৰদেৱৰ প্ৰচাৰিত ধৰ্মৰ বিপক্ষে তেৰাৰ লগত শাস্ত্ৰীয় তৰ্কত অৱতীৰ্ণ হৈ পৰাজিত হোৱাৰ পিছত ছলে-বলে কৌশলে তেৰাৰ অনিষ্ট সাধনৰ কাৰণে ব্ৰাহ্মণ পণ্ডিতসকলে

আহোম ৰজাত খল দিয়াটোহে অধিক সম্ভৱ। কিয়নো আহোম ৰজাৰ হাতীধৰা জগৰ আগ হোৱা হলে ব্ৰাহ্মণে খল দিওঁতে অবিবেকী আহোম ৰজাৰ বিচাৰত ভূঞাসকলে নিস্তাৰ নাপালেহেঁতেন। ৰামানন্দ দ্বিজে অন্যান্য কাৰ্য্যৰ ক্ৰম আগ-পাছুকৈ উল্লেখ কৰিলেও আহোম ৰজাৰ হাতীধৰা জগৰৰ পিছতে সঠিকভাৱে গুৰুজনাৰ কামৰূপ যাত্ৰাৰ উদ্যোগ আৰু ৰজাঘৰৰপৰা মাধৱদেৱ ঘূৰি অহাৰ পিছতে তেৰাসৱৰ কামৰূপ যাত্ৰাৰ কথা উল্লেখ কৰিছে। ৰামানন্দ দ্বিজে আকৌ হৰি জোঁৱাইক কটাৰ পিছত মাধৱদেৱক প্ৰায় আঠ-ন মাহ কাল নিজৰ তত্ত্বাৱধানত ৰাখি সন্দিকায়ে তেওঁৰপৰা হিন্দুশাস্ত্ৰ শুনাৰ কথাও উল্লেখ কৰিছে। গুনাভিৰাম বৰুৱাৰ অসম বুৰঞ্জী মতে মাধৱদেৱ ছমাহ কাল বন্দী হৈ আহোম ৰাজ্যত আছিল। আনহাতে আকৌ গুৰুজনা চৈধ্য বছৰ কাল ধুঁৱাহাটাত কটোৱাৰ পিছত ব্ৰাহ্মণসকলে তেৰাৰ বিপক্ষে আহোম ৰজাত খল দিয়া কাৰ্য্য, হাতীধৰাৰ অপৰাধত ভূঞাসকলৰ ওপৰত ৰাজৰোষ হোৱা আৰু তাৰ পিছত নৰনাৰায়ণৰ দ্বাৰা অসম আক্ৰমণ হোৱা এইসমূহ কাৰ্য্যৰ কালৰ মাজত বুৰঞ্জীৰ যুক্তিতে নিশ্চয় কিছুকাল অতিবাহিত হৈছিল। এই আটাইবোৰ কথা কঁহিয়াই চালে দেখা যায় যে গুৰুজনা ধুঁৱাহাটাত থকা কাল সম্পৰ্কত বেজবৰুৱাৰ মতেই সম্ভৱ সঠিক। অন্যান্য ক্ষেত্ৰত দেখুৱাই অহাৰ দৰে গুৰুজনাই ৰিভিন্ন স্থানত কটোৱা কালৰ সময়-সূচী নিৰূপন কৰিলেও তেৰাই ধুঁৱাহাটাত বা বেলগুৰিত ১৮ বছৰ কাল কটোৱাটো প্ৰমাণ হয়।

ধুঁৱাহাটাত বসতি স্থাপন আৰু বংশবৃদ্ধি :

ধুঁৱাহাটাত উপস্থিত হোৱাৰ পিছত গুৰুজনাই দেখিলে যে এই নতুন ঠাইখন বিভিন্ন কাৰণত এখন অতি উত্তম ঠাই। প্ৰথম কথা, ঠাইখনৰ ভৌগোলিক অৱস্থানৰ হেতু ইয়াত ব'ৰা বা গাংমৌৰ দৰে সীমান্তবৰ্তী জাতিসমূহৰ উপদ্ৰৱৰ আশঙ্কা নাই।

দ্বিতীয়তে, বাৰিষা ব্ৰহ্মপুত্ৰৰ বানে পথাৰ-সমাৰ চোঁৱাই যোৱা এই অঞ্চলটো খেতি-বাতিৰ অধিক উপযোগী আৰু মাছ-পুঠিৰো বিশেষ সুবিধা ইয়াত আছে। এই সকলো কাৰণতে গুৰুজনাই হয়তো ঠাৱৰ কৰিছিল যে ধুঁৱাহাটা ধৰ্ম আৰু শাস্ত্ৰ চৰ্চা কৰিবৰ কাৰণে উপযুক্ত ঠাই হব। সেইবাবে ধুঁৱাহাটাত গুৰুজনাই স্থায়ীভাৱে বসতি স্থাপন কৰি নামঘৰ, মনিকূট সজাই লগৰ ভূঞা, ব্ৰাহ্মণ আৰু পৰিয়ালবৰ্গৰে সৈতে মহাসুখে কাল কটাব ধৰিলে। ঠাইখনৰ আন নাম বেলগুৰি; চৰিত-পুথিত আছে যে গুৰুজনে ইয়াত বেলগছ কইছিল বাবে পিছত ঠাইখনৰ এই নাম হয়। ইয়াতে কালিন্দী আই-মাতৃৰ যোগেদি গুৰুজনাৰ দ্বিতীয় আৰু তৃতীয় পুত্ৰ কমললোচন আৰু হৰিচৰণ আৰু দুহিত্ৰী ৰুক্মিণী বা বিষ্ণুপ্ৰিয়াৰ জন্ম হয়।

অসমৰ সাংস্কৃতিক ইতিহাসত ধুঁৱাহাটাৰ স্থান:

অসমৰ সাংস্কৃতিক ইতিহাসত এই ধুঁৱাহাটাৰ স্থান বৰদোৱা আৰু পাটবাউসী তথা বৰপেটা আদিৰ দৰেই উল্লেখযোগ্য। গুৰুজনা ধুঁৱাহাটাত থকা কালছোৱাৰ ভিতৰতে অসমীয়া ভাষাত ভালেখিনি গীত, পদ, শ্লোক, ভটিমা আৰু পূৰ্ণাঙ্গ নাট আদি ৰচনা হোৱাৰ উপৰিও এইছোৱা সময়ৰ ভিতৰতে অন্যান্য ধৰ্ম-সংস্কৃতিক তল পেলাই বৈষ্ণৱ ধৰ্মই শ্ৰেষ্ঠতা লাভ কৰে। অসমৰ বৈষ্ণৱ ইতিহাসত এই সময়তে হোৱা (১৪৪৪ শক) মাধৱদেৱৰ অভ্যুদয় তথা গুৰুজনাৰ লগত মাধৱদেৱ পুৰুষৰ মিলন এক লেখত লবলগীয়া ঘটনা। দুজনা গুৰুৰ এই মিলনৰ ৰহস্য চৰিতকাৰে এইদৰে নিয়মিছে—

শঙ্কৰ স্বৰূপে হৰি নিজ অংশে অৱতৰি
ভকতি প্ৰদীপ লগাই থৈলা।
মাধৱ স্বৰূপে আসি তাতে তৈল ৰাখি দিয়া
অজ্ঞান আন্ধাৰ দূৰ কৈলা॥

গয়াপাণিৰ শৰণ :

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ এই মিলন সম্পৰ্কত অসমৰ সাংস্কৃতিক বুৰঞ্জীত আন এগৰাকী পুণ্যশ্লোক মহান পুৰুষৰ নাম চিৰদিন জিলিকি থাকিব— তেওঁ হ'ল সৰস্বতী ভূঞাৰ বংশৰ গয়াপাণি কায়স্থ, ঘৰ ধুঁৱাহাটাৰ দক্ষিণত ভাগুৰী ডুবি বা ভৰাৰী ডুবিত। এবাৰ দেৱীপূজাৰ সময়ত জেঠৈৰীয়েক মাধৱদেৱৰ কাৰণে বলিৰ পাঠা কিনিবলৈ বিচাৰি যাওঁতে তেওঁ গৈ শঙ্কৰদেৱৰ স্থানত উপস্থিত হ'ল। গুৰুজনে সেই সময়ত ভক্ত বৈষ্ণৱসকলৰ লগত বহি শাস্ত্ৰ চৰ্চা কৰি আছিল। গয়াপাণিয়ে তেৰাসৱৰ কথা-বতৰা একাণপতীয়াকৈ শুনি তথালাগি চাই থকা দেখি গুৰুজনে আগন্তুকৰ পৰিচয় লৈ তেওঁৰ আগমনৰ উদ্দেশ্য সবিশেষ জানি হিতোপদেশৰে তেওঁক দেৱীপূজাৰ অসাৰত্বৰ কথা বুজাই দিলে। গয়াপাণিয়ে গুৰুজনাৰ শান্ত, সৌম্য মূৰ্তি দেখি প্ৰথমৰপৰাই তেৰাৰ প্ৰতি আকৃষ্ট হৈছিল। অৱশেষত তেৰাৰ মুখে কৃষ্ণ-ভক্তি মাহাত্ম্য শ্ৰৱণ কৰি তেওঁ (গয়াপাণিয়ে) গুৰুজনাক সেৱা জনাই কৃষ্ণৰ অভয় পদত শৰণ সাৰোগত কৰি বলিৰ পাঠা কিনাৰ উদ্দেশ্য জলাঞ্জলি দি ঘৰলৈ ঘূৰি আহিল। দৈত্যাৰি ঠাকুৰৰ চৰিত, কথাগুৰু-চৰিত আৰু বেজবৰুৱাৰ চৰিতত গয়াপাণিৰ প্ৰসঙ্গটো অলপ পৃথককৈ উল্লেখ কৰা হৈছে। এইসমূহ চৰিতৰ বৰ্ণনামতে গয়াপাণিয়ে আন আন সঙ্গীৰ লগত তীৰ্থ কৰিবলৈ গৈ জগন্নাথ ক্ষেত্ৰত স্বপ্নাদেশ পাই গুৰুজনাক বিচাৰি ধুঁৱাহাটাত উপস্থিত হ'লহি। বেজবৰুৱাই আকৌ ইয়াৰ লগতে যোগ দিছে যে নবদ্বীপত সংস্কৃত শাস্ত্ৰ অধ্যয়ন কৰি পণ্ডিত হোৱা গয়াপাণিয়ে শঙ্কৰদেৱক তৰ্কত পৰাস্ত কৰি নিজৰ যশস্যা বৃদ্ধিৰ উদ্দেশ্যেহে ধুঁৱা-হাটালৈ আহিছিল। এইসমূহ কথা কিমান বিশ্বাসযোগ্য কোৱা টান। কাৰণ, গয়াপানিক বলিৰ পাঠা বিচাৰিবলৈ জেঠৈৰীয়েক মাধৱদেৱে দায়িত্ব দিয়াৰ কথা সকলো চৰিতেই স্বীকাৰ কৰিছে। যদি সেয়ে হয় অনেহলে শঙ্কৰদেৱৰ গুৰুত্ব পৰাভৱ মানি শৰণ লোৱাৰ পিছত

জেঠৈৰীয়েকৰ আজ্ঞাৱে দেৱীপূজাৰ উপকৰণ বিচাৰি যোৱা কথা বিশ্বাস কৰিব নোৱাৰি; আনহাতে, শঙ্কৰদেৱক তৰ্কত পৰাস্ত কৰিবৰ মানস কৰা পণ্ডিতজনে জেঠৈৰীয়েক মাধৱদেৱৰ আগত শঙ্কৰদেৱৰ পাণ্ডিত্য আৰু তেৰাৰ ধৰ্মৰ শ্ৰেষ্ঠতাৰ কথা ইয়াৰ আগতে এবাৰো প্ৰকাশ নকৰি ফাকি দি থকা কথাও মানি লবলৈ টান। মুঠতে, গয়াপাণিৰ শ্ৰীমন্ত শঙ্কৰক সাক্ষাৎ লাভ যে নিতান্তই আকস্মিক আৰু "কতবা জন্মৰ ভাগ্য" সন্দেহ নাই। গুৰুজনাৰ ওচৰত শৰণ লোৱাৰ পিছত এওঁকে গুৰুজনাই ৰামদাস নাম দিয়ে।

মাধৱদেৱৰ বাণ্ডুকাত পূৰ্বপুৰুষসকল:

গুৰুজনাক লগ পোৱাৰ সময়ত মাধৱদেৱ জেঠৈৰীয়েক গয়াপাণিৰ লগত আছিল। এওঁৰ পিতৃৰ নাম গোবিন্দগিৰি। চৰিতপুথিত গোবিন্দগিৰিৰ বিভিন্ন নাম পোৱা হয়— বৰকণাগিৰি, লামকণাগিৰি, দীঘলকণাগিৰি আৰু মহোদৰ ভূঞা। গোবিন্দগিৰিৰ উপৰিপুৰুষসকল হ'ল একাদিক্ৰমে— কৃষ্ণভূঞা, বিষ্ণুভূঞা, গোপালভূঞা আৰু জনাৰ্দন ভূঞা। ৰামানন্দ দ্বিজৰ মতে মাধৱদেৱৰ এজন পূৰ্বপুৰুষ চণ্ডীবৰৰ দিনতে কামৰূপলৈ আহি বাণ্ডুকাত ৰৈছিলহি; কিন্তু চণ্ডীবৰৰ লগত অহা ভূঞাসকলৰ নামৰ তালিকাত ইয়াৰ এজনৰ নামো নাই। অৱশ্যে মাধৱদেৱৰ পূৰ্বপুৰুষসকল বাণ্ডুকাৰ লোক আছিল বুলি সকলোৱে স্বীকাৰ কৰিছে (কোঁচবেহাৰৰ পশ্চিম সীমাত বৰ্ত্তমান ৰংপুৰৰ অন্তৰ্গত)। মাধৱদেৱৰ পিতৃ গোবিন্দগিৰিয়ে বাণ্ডুকাত মজিন্দাৰী কাম কৰিছিল। তাতে তেওঁৰ প্ৰথমা পত্নী অনুচিতাৰ মৃত্যু হোৱাৰ কিছুদিন পিছত পুত্ৰেক দামোদৰলৈ বিয়া বাৰু কৰাই দি ৰজাঘৰীয়া বিষয় মজিন্দাৰ বাবো তেওঁকে সোধাই বাণ্ডুকা এৰি বৰদোৱা পালেহি। শঙ্কৰদেৱ তেওঁিয়া পিতৃ কুসুম্বৰ ভূঞাৰ দৰেই প্ৰসিদ্ধ ভূঞা। গোবিন্দগিৰিৰ আঁতিগুৰি সুধি-পুছি লৈ শঙ্কৰদেৱে তেওঁক জীয়াৰী পৰিয়ালৰ লোক

বুলি চিনি পাই খুৰাকৰ জীয়েক মনোৰমা বা মন্থক বিয়া দি টেঁথুৱানি জানৰ কাষতে মাটি বাৰী দি পাতিলে। পিছত তেওঁ নাৰায়ণপুৰ অঞ্চললৈ উঠি যায় আৰু তাতে মাধৱদেৱৰ জন্ম হয়। গোবিন্দগিৰি কি পৰিস্থিতিত কেতিয়া নাৰায়ণপুৰলৈ উঠি গৈছিল সেই সম্পৰ্কত চৰিত-পুথিসমূহে আমাক থেলিমেলিৰ মাজলৈহে টানি নিয়ে। লক্ষ্মীনাথ বেজবৰুৱাৰ মতে কছাৰীৰ উপদ্ৰৱৰ সময়ত ভূঞাসকলে বৰদোৱা এৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰলৈ যাওঁতে গোবিন্দ-গিৰিয়েও পত্নীৰ সৈতে দোলাত উঠি বৰদোৱা ত্যাগ কৰে আৰু দৈব-দুৰ্বিপাকত নিশা দুলিয়াৰ হাতত সৰ্বস্ব হেৰুৱাই হৰিশিঙা বৰাৰ সহায়ত নাৰায়ণপুৰ পায়গৈ।

মাধৱদেৱৰ জন্মস্থান : নাৰায়ণপুৰৰ লেতেকুপুখুৰী :

কথা গুৰুচৰিতৰ মতে গোবিন্দগিৰিক কুসুম্বৰে (?) ৰ'তাত পাতিলে আৰু পিছত ভোট-মাৰণৰ সময়ত হাবিত পলাই থাকোঁতে হৰসিংহ বৰাৰ কৃপাত উদ্ধাৰ হৈ নাৰায়ণপুৰ পায়গৈ। মনোৰমা আইমাতৃ সেই সময়ত সগৰ্ভা, পাঁচ মাহ। ডঃ নেওগ ডাঙৰীয়াই মাধৱদেৱৰ প্ৰসঙ্গত ৰ'তা-টেমনি একেঠাই বুলি উল্লেখ কৰিছে আৰু ১৪১১-১২ শকত আহোম-কছাৰীৰ যুদ্ধৰ কাৰণে হোৱা—"আউলৰ আপাহতে নাম্রং-নাবস্রং হৈ গোবিন্দগিৰি সগৰ্ভা পত্নীৰে বৰ্তমানৰ নাৰায়ণপুৰৰ ৰজাঘৰীয়া উজিৰ বা বৰা হৰিশিঙাৰ ঘৰৰ ওচৰলৈ উঠি গৈ তাতে বহা বান্ধে" বুলি মত দিছে। ইয়াৰ উপৰি এই সময়ত দৈত্যাৰিৰ মতে অসমৰ আৰু ৰামানন্দৰ মতে কছাৰীৰ উপদ্ৰৱ আৰম্ভ হয়। এইসমূহ মত চালি-জাৰি চাই অনুমান কৰিব পাৰি যে গুৰুজনা তীৰ্থক্ষেত্ৰত থাকোঁতে ১৪১০ শকৰ শেষভাগ মানত বৰদোৱা অঞ্চলত কছাৰীৰ উপদ্ৰৱ হৈছিল আৰু গোবিন্দগিৰিয়ে তেওঁৰ পত্নী সগৰ্ভা কাৰণে পত্নীৰ সৈতে হাবিত পলাই আছিল। দুইত্ৰৰ পাৰত হঠাৎ হৰিশিঙা বৰাক

লগ পাই সগোত্র বুলি জানি তেওঁৰ লগতে নাৰায়ণপুৰলৈ গৈ লেতেকুপুখুৰীত বাস কৰিবলৈ ধৰে। তাতে কালৰ প্ৰমাণে— "কাৰণ গুৰু" মাধৱদেৱ পুৰুষৰ জন্ম হয় ১৪১১ শকৰ জেঠ মাহৰ কৃষ্ণপক্ষৰ প্ৰতিপদ তিথিত। চৰিত পুথিসমূহত মাধৱদেৱৰ জন্মৰ তাৰিখ লৈ মতভেদ থাকিলেও উল্লিখিত তাৰিখটো সকলো ভকত-বৈষ্ণৱে মানি লৈছে কাৰণে এইটোকে প্ৰামাণ্য তাৰিখ বুলি গণ্য কৰা হৈছে। বেজবৰুৱা আৰু ডঃ নেওগৰ মতে মাধৱ-দেৱৰ জন্মৰ সময়ত শুকৰজনা বৃন্দাবনত আছিল। কথাগুৰু চৰিতত এই সময়ত শুকৰজনা বদৰিকাশ্ৰমত আছিল বুলি কৈ উল্লেখ কৰিছে— "গৈ বদৰিকাশ্ৰমে উঠি উদ্ধৱক দৰশন হৈছেগৈ। তাত দক্ষিণ বাহুত বাটিছে মাংস। সৰ্বজ্ঞয় আতৈ বোলে কিবা হৱহে। গুৰু বোলে, আমাৰে সখা ইষ্ট এজন পুৰুষ মাধৱ নামে জন্মিছে।"

নাৰায়ণপুৰত মাধৱদেৱৰ শিক্ষাৰম্ভ :

মাধৱদেৱৰ ল'ৰা-কালছোৱা নাৰায়ণপুৰৰ হৰিশিঙা বৰাৰ ঘৰতে অতিবাহিত হয়। চৰিত পুথিয়ে এই কাল ১৪ বছৰ বুলি লেখ দিছে, বৰাৰ ঘৰত ন-বছৰ আৰু পুখুৰীৰ পাৰত ছবছৰ। বেজবৰুৱাৰ মতে, এইছোৱা সময়ৰ ভিতৰতে "উজিৰে মাধৱক লেখা-পঢ়া শিকোৱাৰ দিহা কৰি দিলে।"

কথাগুৰু চৰিততো এনে আভাস পোৱা হয়—"বৰাৰ টোলৰ সমনীয়া ছাত্ৰ উমলা হৰি, হৰিবৰ, হৰাই, নিমাই, নিৰঞ্জন, নিৰাময়, নৰহৰি, নাৰায়ণ, নৰোত্তম এই ন-কে মুখ্যকৈ ডুগ-ঢোপ, চোইৰ, বাঘ, পক্ষি, পাহ, ঘিলা, সোৰটাঙ্গ অনেক খেলা কৰে সবাতে জয়।" ইফালে মাধৱদেৱ পুৰুষৰ জন্মৰ পিছৰেপৰা হৰিশিঙা বৰাৰ আয়-শ্ৰী ক্ৰমে বৃদ্ধি হবলৈ ধৰিলে। সেইবাবে বৰাই তেওঁলোকৰ পৰিয়ালটিক বৰ শ্ৰদ্ধা যত্ন কৰি ৰাখিছিল। কথা চৰিতত বৰাৰ মুখে এই কথা দি উল্লেখ কৰিছে—"আতা মোৰ,

মাও বাপ, মাধৱ মোৰ জীৱৰ ঈশ্বৰ।"

উৰ্বশীৰ জন্ম আৰু বিবাহ :

পিছে কিছুকালৰ পিছত হৰিশিঙা বৰা উজিৰৰ মৃত্যু হ'ল। এবাৰ কাতিমহীয়া দেশত দুৰ্ভিক্ষ আৰু আকালে দেখা দিলে; গোবিন্দগিৰিৰ হাতত যি ধন-বিত আছিল সেয়াও ঢুকাল। উপায়ান্তৰ হৈ গোবিন্দগিৰিয়ে পুত্ৰ আৰু ভাৰ্য্যাক লৈ তেওঁৰ সমন্ধীয়া লোকৰ ওচৰত আশ্ৰয় বিচাৰি উপস্থিত হ'লগৈ। পিছে ক'তো আদৰ-যত্ন নাপাই ঘূৰি ফুৰি ঘাঘৰ নদীৰ পাৰত পূৰ্বৰ মিত্ৰ এক মাজীৰ ঘৰত উপস্থিত হ'লগৈ। তাতো তেওঁলোকে, কথা-চৰিতৰ মতে ১৪ বছৰ কাল-কটালে। ঘাঘৰী মাজীৰ ঘৰত থকা সময়তে আই মনোৰমাৰ উৰ্বশী নামে এটি কন্যাৰ জন্ম হয়। উৰ্বশী কন্যাক 'ধৰম বিয়া' দিবৰ সময় (দহ বছৰ) উপস্থিত হ'লত আতাই খা-খবৰ কৰি ওচৰে-পাজৰে কোনো সজ কায়স্থ লোক নাপাই, আৰু সেই সময়ত শ্ৰীশঙ্কৰদেৱেও আহোম ৰাজ্যত আহি থিতাপি লৈছে বুলি জানি তেওঁলোকে ব'তা অভিমুখে যাত্ৰা কৰিলে। বাটতে "ধঁৱাবোল সুঁতিয়েদি কলাকটালৈ গৈ ভাণ্ডাৰী ভুবি পাই তাতে তেওঁলোকে নাও বান্ধি ৰ'ল।" জ্ঞাতিগোত্ৰৰ খা-খবৰ কৰি গয়াপাণিক পাই উপযুক্ত পাত্ৰ বুলি জানি তেওঁলোকে উৰ্বশীক বিয়া দিলে। সম্ভৱতঃ গোবিন্দগিৰিয়ে ইয়াৰ লগে লগে কনিষ্ঠ পুত্ৰ মাধৱলৈকো কন্যা থোজা বঢা কৰি জোৰণ পিন্ধাই-ছিল আৰু বিয়াৰ আগতে পুতেকক "নিজ ৰাজ্য ভাতৃ দেখাবলৈ মনোৰমা আইক জী-জোঁৱাইৰ ঘৰতে থৈ, বাণ্ডুকালৈ যাত্ৰা কৰিলে।

বাণ্ডুকাত মাধৱদেৱৰ অধ্যয়ন : শাস্ত্ৰ জ্ঞানৰ বিস্তৃতি :

বাণ্ডুকাতে মাধৱদেৱে প্ৰয়োজনীয় সকলো শাস্ত্ৰ অধ্যয়ন কৰি লাং কৰে। কথাগুৰু চৰিতত এই সম্পৰ্কে উল্লেখ কৰা হৈছে—

"পাছে তৈতে আতা গুৰুজনক ৰাজেন্দ্ৰ অধ্যাপকৰ ছাত্ৰশালে পঢ়াবলৈ দিলে। একবৰ্ষে সাত ব্যাকৰণ, ভাৰত, পুৰাণ, ভাগৱতবো শিক্ষিত হ'ল, একবাৰ ক'লে পুনু ক'ব নালাগে। আছি কায়থালি পঢ়িলে। পঢ়ি পিতা-পুত্ৰ উদ্ধাৰ খুজিলে। কালৰ প্ৰমাণে আতা চলিল।" বাণ্ডুকাত মাধৱদেৱ এবছৰৰ বেছিদিন আছিল আৰু তাতে পিতৃ গোবিন্দগিৰিৰ পৰলোকপ্ৰাপ্তি ঘটে। দুয়ো ককাই-ভায়ে পিতৃৰ শ্ৰাদ্ধাদি কৰ্ম বিধিমতে সম্পাদন কৰাৰ পিছত মাধৱদেৱ মাতৃৰ ওচৰলৈ ঘূৰি আহি পুনৰ ভৰাৰী ভুৱিৰ বৈনায়েকৰ ঘৰতে ৰ'লহি। মাধৱদেৱে, বাণ্ডুকাত থাকোঁতেই সম্ভৱ কোনোবা তীৰ্থযাত্ৰীৰ মুখে, গম পাইছিল যে তেৰাৰ মাতৃ মনোৰমা টান নৰিয়াত পৰিছে। সেইবাবে মাতৃৰ আৰোগ্যৰ কাৰণে তেওঁ গোসাঁনীলৈ এহাল পাঠা আগবঢ়ালে আৰু মাকৰ ওচৰলৈ উভতিবলৈ খৰধৰ লগালে। জ্যেষ্ঠ ভাতৃ দামোদৰে মাধৱক কিছুদিন বাণ্ডুকাত ৰাখিবৰ কাৰণে চেষ্টা কৰিছিল আৰু মাটি-বাৰীৰ ভাগ চমজাই দি আজি এক কালি এক কৈ নিজৰ মজিন্দাৰী কামো শিকাইছিল। কিন্তু পিতৃ বিয়োগৰ শোকত জৰ্জৰিত মাধৱদেৱে যেতিয়া মাকৰ টান নৰিয়া বুলি শুনিলে তেতিয়া তেওঁ "ইসব দ্ৰব্যত কোন সাৰ নাহিকন্ত" বুলি পিতৃ-সম্পত্তি আৰু, ৰজাঘৰীয়া বিষয়-বাব সকলোৰে মোহ ত্যাগ কৰি ভৰাৰী ভুৱিলৈ ঘূৰি আহিল। অৱশ্যে বেলেগ বেলেগ চৰিত-পুথিত এইখিনি কথা অলপ খেলি-মেলিকৈ বৰ্ণোৱা হৈছে। কোনো কোনো চৰিতে বৰ্ণনা কৰা পিতৃ শ্ৰাদ্ধ সম্পাদনৰ পিছত মাধৱদেৱ কিছুদিন বাণ্ডুকাত থাকি মাকৰ ওচৰলৈ উভতি আহি পুনৰ বাণ্ডুকালৈ ঘূৰি গৈ মজিন্দাৰ কাম চলোৱা, মাধৱদেৱে পিতৃ সম্পত্তিৰ বাবে ককায়েকৰ লগত কাজিয়া কৰি সম্পত্তিৰ ভাগ লোৱা আৰু পিছত সেই সম্পত্তি ককায়েকক ঘূৰাই দিয়া, ইয়াৰ পিছত ভৰাৰী ভুৱিলৈ বুলি কিছুদূৰ আগবাঢ়ি আহি বাটতে খৰ-গ্ৰহণী ৰোগ হৈ পুনৰ বাণ্ডুকালৈ ঘূৰি গৈ আৰোগ্য হোৱাতহে কিছুদিনৰ মূৰত একেবাৰে মাকৰ ওচৰলৈ

অহা কথাখিনি বিশ্বাসযোগ্য নহয় যেন লাগে। আনহাতে, এই গোটেইখিনি বৰ্ণনা সঁচা বুলি ধৰিলে সময়ৰ হিচাপতো আউল লাগে। কাৰণ, বাণুকালৈ প্ৰথম যোৱাৰ আগেয়ে মাধৱদেৱে আহোম ৰাজ্যত জন্মৰে পৰা ২৮/২৯ বছৰ কাল কটোৱা আৰু ৩৩ বছৰ বয়সত গুৰুজনাৰ সঙ্গ লাভ কৰি শৰণ লোৱা কথা সকলো চৰিতেই স্বীকাৰ কৰিছে।

মাধৱদেৱৰ বলিৰ ছাগ :

ভৱানী ডুবি পাই মাধৱদেৱে নাও বাখি নৰাজৰিকৈ মাকৰ ওচৰলৈ গৈ দেখে যে মাকৰ নবীয়া ইতিমধ্যে ভাল হৈছে। কথাগুৰু চৰিতৰ বৰ্ণনাৰপৰা এই সময় ভাদ মাহ বুলি অনুমান হয়। সময় যি নহওক, ঘোৰ দেৱী উপাসক মাধৱদেৱে এই সকলো দেৱীৰ মহিমা বুলি বুজি উছৰ্গা কৰা পাঠাহাল সেই বছৰেই শৰৎকালীন দুৰ্গাপূজাত কটাবলৈ ঠাৱৰ কৰিলে। তেওঁ গয়াপাণিক ক'লে— "ৰোলে বৈনাই, আই নাপৰা শুনি পাঠা এহাল মানিলোঁ গোসাঁনীক, আনি দিয়া, পূজাতে কতাঞ, পালেহি দিন।" এইবুলি গয়াপাণিক টকা-পইচা দি নিজে অন্যান্য উপকৰণ সংগ্ৰহ কৰিবৰ কাৰণে গ'ল। যথাসময়ত মাধৱদেৱে বেহানি কৰি প্ৰয়োজনীয় উপকৰণো সংগ্ৰহ কৰি ঘৰলৈ ঘূৰি আহিল। ঘৰ পাই পৰম উৎসাহৰে তেওঁ বৈনায়েকক পাঠাৰ কথা সুধিলে। গয়াপাণিয়ে ভয়ে ভয়ে ছাগলী বিচাৰি যাওঁতে কেনেকৈ গৈ শঙ্কৰদেৱক লগ পালেগৈ আৰু কি কাৰণত তেওঁ ছাগলী নিকিনি উভতি আহিল আদ্যোপান্ত সকলো বিৱৰি ক'লে। ৰামদাসৰ মুখত শঙ্কৰদেৱৰ গুণানুকীৰ্তন আৰু দেৱী-পূজাৰ বৃথা দুখৰ যুক্তি-কথা শুনি মাধৱদেৱ খঙত জ্বলি-পকি উঠিল। তেওঁ বৈনায়েকক ভৎ'সনা কৰি "মূৰ্খৰ আগত যেন কথা কহ তই। ধৰ্ম্ম বুজাবস কিছু নজানোহে মই।" বুলি কৈ নিজৰ জ্ঞানৰ গৌৰৱ কৰিলে আৰু পিছদিনাই গৈ শঙ্কৰদেৱৰ ওচৰত

দেৱী-পূজাৰ মাহাত্ম্য প্ৰতিপন্ন কৰিবলৈ ঠাৱৰ কৰিলে।

গুৰুজনাৰ লগত মাধৱদেৱৰ মিলন :

কথামতে পিছদিনা পুৱাই ভেণ্ড বৈনায়েক ৰামদাসক লগত লৈ গুৱা-পাণ এটি আগ কৈ শঙ্কৰদেৱৰ ওচৰত উপস্থিত হ'লগৈ। শঙ্কৰদেৱৰ ওচৰলৈ যাওঁতে মাধৱদেৱে "মনত বোলন্ত নকৰিবো নমস্কাৰ। প্ৰথমে কৰিবো শাস্ত্ৰ তত্ত্বক বিচাৰ"। পিছে গুৰুজনাৰ ওচৰত উপস্থিত হ'লত— "শৰীৰৰ কান্তি দেখি শিহৰিল গাৱ। মনত বোলন্ত কিনো তেজৰ প্ৰভাৱ॥ সঙ্কোচিত ভৈল কায় পদ দৰশনে। কৰিলা প্ৰণাম পৰি শঙ্কৰ চৰণে।" তথাপিও মন ডাঠ কৰি মাধৱদেৱে কথা আৰম্ভ কৰিলে প্ৰবৃত্তি মাৰ্গৰ শ্লোক উদ্ধৃত কৰি। একে লেঠাৰিয়ে তিনি প্ৰহৰ বেলা জুৰি দুয়োজন পুৰুষৰ মাজত শাস্ত্ৰ-তত্ত্ব আলোচনা হ'ল। শ্ৰীমাধৱদেৱে প্ৰবৃত্তি মাৰ্গৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবৰ কাৰণে শ্লোক তোলে আৰু শ্ৰীমন্ত শঙ্কৰদেৱে নিবৃত্তি মাৰ্গৰ শ্লোক তুলি তাক খণ্ডন কৰে। অৱশেষত গুৰুজনে ভাগৱতৰ "যথা তৰোমূৰ্ল নিষেচনেন" আদি শাৰীৰে আৰম্ভ হোৱা শ্লোক তুলি মাধৱদেৱক হাৰ মনালে। শ্লোকটিৰ অৰ্থ হ'ল—

বৃক্ষৰ মূলত যেন দিলে আনি জল।
হোৱয় তৃপিতি তাৰ পত্ৰ পুষ্প ফল॥
ডালে পাতে সিঞ্চে যদি মূলত নেদয়।
কদাচিতো ডালে পাতে তৃপিতি নহয়॥
ক্ষুধাতুৰ নৰে যদি অন্নক ভুঞ্জয়।
তৃপিতি হোৱয় তাৰ ইন্দ্ৰি আতিশয়॥
ভোজন বিহীনে পিন্ধে বস্ত্ৰ অলঙ্কাৰ।
ইন্দ্ৰিয়ৰ কিছু প্ৰীতি নহয় তাহাৰ॥
কৃষ্ণক পূজিলে পূজা সমস্তৰে হুৱ।
পৃথকে পূজিলে পূজা কেহো নলৱয়॥

গুৰুজনাই বেদৰ প্ৰবৃত্তি মাৰ্গৰ অসাৰৰ বা অল্পসাৰৰ প্ৰতিপাদন কৰি যিখিনি যুক্তি দাঙি ধৰিছিল ৰামচৰণ ঠাকুৰৰ চৰিতত সেইখিনি এনেদৰে উল্লেখ কৰা হৈছে—

ঋষিগণে কৰে ইটো বেদক ব্যাখ্যান ।
নিজ অৰ্থ ভকতিক ত্যজি কৰে আন ॥
তপ জপ যজ্ঞ কৰি ব্ৰহ্মালোকে চৰে ।
পুণ্যক্ষীণ ভৈলে ছুনাই নৰকত পৰে ॥

গুৰুজনাই সৰ্বশেষত ব্যাসৰ ভাগৱত ৰচনাৰ কাৰণ উল্লেখ কৰি মাধৱদেৱৰ মনৰ সংশয় দূৰ কৰিলে ।

ভাৰত পুৰাণ ব্যাস ঋষি কৰিলন্ত ।
যাৰ যেন জাতি ধৰ্ম্ম সবে বিহিলন্ত ॥
চাৰিও বেদৰ কৰিলেক শাখা ভেদ ।
তথাপিতো মুগুচে মনৰ মহা খেদ ॥
পশু হিংসা ধৰ্ম্ম বিহিলন্ত জগতত ।
সিকাৰণে সুস্থ নাহি ব্যাসৰ মনত ॥
বৈকুণ্ঠৰ শাস্ত্ৰ ইটো মহাভাগৱত ।
নাৰায়ণে কহিলন্ত ব্ৰহ্মাৰ আগত ॥
ব্ৰহ্মা নাৰদত কৈলা নাৰদে ব্যাসত ।
ব্যাসে কৰিলন্ত পাছে মহাভাগৱত ॥
শুকক পঢ়াইলা ব্যাসে ইটো শাস্ত্ৰ-সাৰ ।
শুকে পৰিক্ষিত আগে কৰিলা প্ৰচাৰ ॥
সাধু সঙ্গে কৃষ্ণ ভক্তি যিটো নলয়য় ।
কাৰ্য্য কৰ্ম্ম কৰি ঘোৰ নৰকে পৰয় ॥

মাধৱদেৱৰ শৰণ :

এইদৰে গুৰুজনাৰ মুখে শাস্ত্ৰৰ প্ৰকৃত তত্ত্ব লাভ হোৱাত মাধৱদেৱে তেৰাক গুৰু মানি সেৱা কৰিলে । পিছদিনা গুৱা-পাণ,

নৈবেদ্য আগবঢ়াই বিধিমতে শৰণ লৈ শুদ্ধ-বস্ত্ৰ গ্ৰহণ কৰিলে। গুৰুজনেও গহীন, গম্ভীৰ, ধীৰ, ধৈৰ্য্যশীল আৰু বিশেষতঃ শাস্ত্ৰত পণ্ডিত মাধৱদেৱক শিষ্যৰূপে পাই সন্তোষ লভিলে।

অসমৰ সাংস্কৃতিক ইতিহাসত মাধৱদেৱ ত্যাগৰ প্ৰতিমূৰ্ত্তি। তেৰাই বাণ্ডুকাত থকা নিজ পিতৃ সম্পত্তিৰ আশা পৰিত্যাগ কৰাৰ কথা আমি আগতে পাই আহিছোঁ। চৰিত পুথিত মাধৱদেৱৰ এই ত্যাগ বিভীষণ, প্ৰহ্লাদ, বিপ্ৰপত্নী আদিৰ ত্যাগৰ লগতহে তুলনা কৰা হৈছে—

গুৰুত্যাগ কৰিলে বিৰচনৰ নন্দন।
ভাই ত্যাগ কৰিলে ভকত বিভীষণ ॥
প্ৰহ্লাদে কৰিলে ত্যাগ আপোন পিতা।
ভগৱান ভৰতে তেজিলে নিজ মাতা ॥
বিপ্ৰপত্নী স্বামী ত্যাগ ভাগৱতে শুনি।
সৰ্ব্বদেৱ ত্যাগ কৈলে ভৃগু আদি মুনি ॥
বিদুৰে কৰিলে ত্যাগ আপোনাৰ বংশ।
মাধৱে এৰিলে পিতৃ সম্পত্তিৰ অংশ ॥

ইয়াৰ উপৰিও মাধৱদেৱৰ বিবাহৰ কাৰণে কন্যা জোৰোণ পিন্ধোৱাৰ কথা ওপৰত উল্লেখ কৰি অহা হৈছে। কিন্তু গুৰুজনাৰ ওচৰত শৰণ লোৱাৰ পিছত ভক্তি ৰহস্য উপলব্ধি কৰি পৰম বিৰক্ত হোৱা মাধৱদেৱে অৱশেষত ছলবুদ্ধি কৰি সেই কন্যাকো পৰিত্যাগ কৰে। এইদৰে বংশ-গৌৰৱ, ধন-দৌলত, ঐশ্চৰ্য্য-প্ৰাচুৰ্য্য, ভোগ-বাসনা আদিৰ মোহ সম্পূৰ্ণে পৰিত্যাগ কৰি গুৰুসেৱাকে জীৱনৰ মূলমন্ত্ৰ হিচাপে লৈ তেৰাই মহাপুৰুষীয়া ধৰ্মৰ ত্যাগ আৰু আধ্যাত্মিক নিষ্ঠাৰ আদৰ্শ দাঙি ধৰিলে।

মাধৱ বান্ধৱ:

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱৰ গুৰু-শিষ্যৰ

সম্পৰ্ক ঘটাবৰপৰা ছুয়োজন পুৰুষ অভেদ আত্মা ; মহাপুৰুষীয়া ধৰ্মৰ দুজনা গুৰু। কথাগুৰু চৰিতে এই দুইজনা গুৰুক একাদিক্ৰমে "মহাপুৰুষ" (পূৰ্বে শক্তিধৰ ভগৱন্ত অৱতাৰ) আৰু "কাৰণ গুৰু" বুলি চিনাকি দিছে। পৰস্পৰৰ মাজত গুৰুজনা হ'ল মাধৱৰ 'বাপ' আৰু মাধৱ হ'ল গুৰুজনাৰ 'মাধৱ-বান্ধৱ'। প্ৰাণ-মাধৱ নহলে গুৰুজনাৰ শ্ৰৱণ-কীৰ্তন ; শাস্ত্ৰ-চৰ্চা ; ভক্তি-ৰহস্য ব্যাখ্যা ; সকলো অসাৰ্থক হোৱা হ'ল। বাস্তৱিকতে সকলো সংস্কাৰৰ প্ৰতি উদাৰ আৰু সহানুভূতিশীল শঙ্কৰদেৱৰ ধৰ্মীয় আদৰ্শক মাধৱদেৱ পুৰুষৰ দৃঢ়তা আৰু নৈষ্ঠিকতাই অধিক মহীয়ান কৰি তুলিলে। ৰামৰাম গুৰুৰ শৰণ সংস্কাৰ আৰু গুৰু-পত্নী কালিন্দী আইৰ মোহ-ভঙ্গ মাধৱদেৱৰ দৃঢ়তা আৰু নৈষ্ঠিকতাৰে একো একোটা উজ্জ্বল দৃষ্টান্ত। চৰিত পুথিত গুৰু-গৃহত হোৱা এই সংস্কাৰ কাৰ্য্যৰ কথা স্পষ্টকৈ বৰ্ণোৱা আছে। গুৰুজনাৰ ওচৰত শৰণ লোৱাৰ পিছৰেপৰা মাধৱদেৱে নিতে ছুয়োবেলা ভৰাৰী ডুবিৰপৰা অহা-যোৱা কৰি গুৰু-সেৱা কৰে আৰু গুৰুজনাৰ মুখে কৃষ্ণ-কথা শ্ৰৱণ কৰি শাস্ত্ৰ-চৰ্চা কৰে ; পলম হলে কেতিয়াবা লঘোনে কটায়। কালিন্দী আয়ে কথাটো লক্ষ্য কৰি এদিন গুৰুজনাৰ হতুৱাই তেৰাসৱৰ গৃহতে চাউল সিজোৱা লবলৈ কোৱালে। গুৰুৰ কথাত মাধৱদেৱে সম্মতি জনালে, কিন্তু আই-মাতৃৰ "কাৰ্য্য-ব্যৱহাৰত" তেৰাৰ আগৰেপৰা সন্দেহ আছিল ; সেইবাবে ভিতৰখন চাই লব খুজিলে। "গৈ দেখে একালে পতিলা, এচুকে ভিটি বান্ধি ঘট পাতি আম ডালি আৰু সুতা থৈছে। বোলে মাতৃ, এই কি ? বোলে বাপু, তোমাৰ সুধিব নালাগে ; চাইটি ছাৱা চিতা আছে, আৰে কিবা পাৰতেহি কাৰণে থৈছোঁ। বোলে ঘৰতে পৰম ব্ৰহ্ম, তাৰা যি বিঘ্নি দূৰ কৰিব নপাৰে, এই ভোৰে দূৰ কৰিব ?" এইবুলি কৈ মৰিয়াই ভাঙি নৈত উঁতালেহি। তেহে আয়ে পাগ-পাত্ৰ ধুই নিকাকৈ উপবাসে থাকি পিছদিনা চাউল দালি সিজাইছে, ছুয়োজনা গুৰুৱে পৰম আনন্দে ভোজন

কৰিছে। এইদৰেই গুৰুজনে যি এক শৰণ ভক্তি-ধৰ্ম উদ্ধাৰ কৰি লোকৰ কুশল হেতু প্ৰচাৰিলে সেই ধৰ্মই মাধৱদেৱৰ নৈষ্ঠিকতাৰ গুণে পৰিশুদ্ধতা আৰু পৰিপূৰ্ণতা লাভ কৰিলে। অসমৰ বৈষ্ণৱ ধৰ্মাৱলম্বী ভকতসকলৰ মানত সোমাইছে "শঙ্কৰ-মাধৱ অভেদ ঈশ্বৰ, গুৰু নাহি দুইতো পৰ।"

গুৰু পত্নীৰ নিগুণত গুণ দিব খোজা : হৰমোহন ৰচনা :

ইয়াৰ পিছত মাধৱদেৱ পুৰুষে নিজেও উপলব্ধি কৰিলে যে সদায় ভৰাৰী ডুবিৰপৰা গুৰুজনাৰ স্থান বেলগুৰিলৈ অহা-যোৱা কৰোঁতে অনেক সময় অনাহকত যায় আৰু এইদৰে হলে কেতিয়াবা গুৰু-সেৱাত ন্যূনাধিক হব পাৰে। সেইবাবে মাধৱদেৱে অৱশেষত মনোৰমা আইক জোঁৱায়েক ৰামদাসৰ হাতত গতাই নিজে বেল-গুৰিতে থিতাপি ললে। ইফালে গুৰু-গৃহত মাধৱৰ ঘনিষ্ঠতা বঢ়াৰ পৰা গুৰু-পত্নী কালিন্দী আয়ে মনে-চিত্তে মাধৱলৈকে ৰূপে-গুণে অনিন্দিতা জীয়েক বিষ্ণুপ্ৰিয়াক বিয়া দিবলৈ ভাবি আছিল। বিষ্ণুপ্ৰিয়াৰ বিবাহযোগ্যা বয়স হ'লত এদিন আয়ে গুৰুজনাৰ হতুৱাই মাধৱৰ আগত তেওঁৰ অভিলাষ ব্যক্ত কৰিলে। পিছে গুৰুৰ দুই অভয় চৰণক সাক্ষী কৰি স্বৰ্গ-মোক্ষকো নৰক তুল্য জ্ঞান কৰোঁতা মাধৱদেৱে "মায়াময় বিষয় পশু-পক্ষী শৰীৰতো পায়; আৰু লাগি আশা-ভৰষা কৰা নাই" বুলি বিষয় বিষ-বহ্নিত নেপেলাবলৈ গুৰুজনাক কাতৰ প্ৰাৰ্থনা জনালে। মাধৱদেৱে গুৰু-পত্নীৰ বিবাহৰ প্ৰস্তাৱ প্ৰত্যাখ্যান কৰিলেও আই গৰাকীয়ে কিন্তু আশা ত্যাগ কৰা নাছিল। সেইবাবে তেওঁ মাধৱৰ মন কোমলাবলৈ কন্যা বিষ্ণুপ্ৰিয়াৰ হতুৱাই মাধৱৰ কঠ পৰাই, গুৱাদি, বহালৈ মাছ-গাখীৰ-শাক-লোণ-তেল দি পঠাই শয্যাদিও পৰাই পৰিচৰ্য্যা কৰাবলৈ ধৰিলে। বিষ্ণুপ্ৰিয়াইও পিতৃৰ সুহৃদ-সখা মাধৱক 'মাধৱ-বান্ধৱ' বুলি উপলব্ধি কৰি পিতৃ-জ্ঞানে পৰিচৰ্য্যা কৰিছিল। মাধৱদেৱে আনহাতে কালিন্দী আইমাতৃৰ

মনৰ আশয় বুজি আশা ভঙ্গ কৰাৰৰ বাবে এদিন বিষ্ণুপ্ৰিয়াক বাটতে লগ পাই কান্ধত তুলি নি গুৰুজনাৰ আগতে থলেগৈ। "মহাপুৰুষ গুৰু বোলে; ৰামানন্দৰ মাক চোৱাহি। মই কওঁ নপতিৱা, নিৰ্গুণত গুণ দিব খোজা?" আই-মাতৃয়েও সেইদিনাৰপৰা মনৰ সকলো আশা পৰিত্যাগ কৰি ছোট ভাতা মাধৱক পুত্ৰ-জ্ঞানে ব্যৱহাৰ কৰিবলৈ ধৰিলে।

মাধৱে বিবাহৰ প্ৰস্তাৱ প্ৰত্যাখান কৰোঁতেই গুৰুজনাই মাধৱৰ ভক্তিৰ দৃঢ়তা আৰু নৈষ্ঠিকতা দেখি সন্তোষ লভি নিজৰ বাবে খেদ কৰি কৈছিল; "আৰু দিনা চাৰি আগে লাগ পালোহেঁতেন তোমাক, এ আমিও ৰমানন্দৰ মাকক বিবাহ নকৰিলোহেঁতে। তেওঁ কৰাইচোঁ বুলি গৃহ অন্ধ কূপত প্ৰাণত্যাগ কৰা নাযায়।" এইদৰে ভক্তিৰ দৃঢ়তাত নিজতকৈ শ্ৰেষ্ঠ মানি গুৰুজনে মাধৱৰ অপৰ নাম দিয়ে'— 'বঢ়াৰ পো'। কথা-গুৰুচৰিতত ইয়াৰ পিছতে লিখিছে— "হৰমোহনৰ কীৰ্তন কৰিছিল, সেইখিতে ঘোষাত দিছে মাধৱ-বান্ধৱ দেৱ হৰি কৰা কৃপা দাসে ক্ষেমা কৰি।" কোনো কোনোৱে কীৰ্তনৰ এই হৰমোহন অধ্যায় বৰদোৱাত থাকোঁতে ৰচনা কৰে আৰু বিষ্ণুপ্ৰিয়াৰ বিবাহ আয়োজন পাটবাউসীতহে কৰা বুলি মত দিছে। কিন্তু গুৰুজনাৰ প্ৰত্যেকটি কাৰ্য্যৰে একোটি স্বকীয়া প্ৰসঙ্গ থকালৈ চাই আৰু প্ৰামাণ্য চৰিতৰ মত অনুসৰি, গুৰুজনা পাটবাউসী পোৱাৰ আগেয়ে কুমাৰকুছিত বিষ্ণুপ্ৰিয়াৰ মৃত্যু হোৱা কথাৰ যুক্তিত এই দুয়োটা কথাৰ বৰ্ণনা প্ৰসঙ্গত কথা-চৰিতৰ মত শুদ্ধ বুলি অনুমান হয়।

মাধৱদেৱক লগ পোৱাৰ পিছৰেপৰা শঙ্কৰদেৱৰ জীৱনৰো এক ডাঙৰ পৰিবৰ্তন ঘটিল; প্ৰাণ-মাধৱৰ প্ৰেম-ভকতিত মুগ্ধ হৈ তেৰায়ো গৃহ-সংসাৰৰ সকলো মোহ ত্যাগ কৰি দিনে ৰাতিয়ে ধৰ্ম চৰ্চাত মনোনিবেশ কৰিলে। ৰামচৰণ ঠাকুৰে লিখিছে—

মাধৱদেৱক লাগ যেহি দিন হন্তে পাইল
শঙ্কৰে এৰিলা আন কৰ্ম্ম।

আন নাহি ৰাত্রি দিনে কৃষ্ণৰ কথাত বিনে
মাধৱৰ চৰি যায় মৰ্ম্ম ॥

বেলগুৰিত নামৰ অমিয়া :

এইদৰে বিভিন্ন লীলাৰে দুজনা গুৰুৱে অন্যান্য ভকত বৈষ্ণৱসকলক লগত লৈ শাস্ত্ৰ-চৰ্চা কৰি তত্ত্ব উদ্ধাৰি অসমৰ সামাজিক, সাংস্কৃতিক আৰু আধ্যাত্মিক জীৱন মহীয়ান কৰি তুলিলে। নাম-কীৰ্তনৰ ধ্বনিয়ে বেলগুৰিৰ আকাশ বতাহ কঁপাই তুলিলে। বেলগুৰি দ্বিতীয় বৈকুণ্ঠত পৰিণত হ'ল। দৈতাৰি ঠাকুৰে বেলগুৰিত হোৱা এই নাম কীৰ্তনৰ বৰ্ণনা দি লিখিছে—

ৰাম ৰাম গুৰু ৰামদাস ওজা দুই।
মাধৱে কীৰ্তন কৰে ডাইনা পালী হুই ॥
গগন মণ্ডল ছোৱে কীৰ্ত্তনৰ ধ্বনি।
আনন্দ সাগৰে লোক মজে তাক শুনি ॥

কীৰ্তনৰ ধ্বনিয়ে জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে সকলোকে মোহিত কৰিলে। লগে লগে শ্ৰীকৃষ্ণৰ মোহন বাঁহীৰ সুৰ শুনি গোপীসকলে লাজ, ভয়, মান আৰু নিজৰ পতি-পুত্ৰ, ঐশ্চৰ্য্য-সম্পত্তিৰ আশা পৰিত্যাগ কৰি ৰাস-ভূমিলৈ ঢাপলি মেলাৰ তুলনাৰে গুৰুজনাৰ কীৰ্তনৰ অমিয়ায়ো সকলোকে একশৰণ ভক্তি ধৰ্মলৈ আকৰ্ষণ কৰিলে— 'অসম ৰাজ্যৰ লোক হৰি-ভক্তি ধৰিলেক অহম ৰাজাৰ লোক যত।' এইদৰে সকলো লোককে নিজ ধৰ্মলৈ আকৰ্ষণ কৰি গুৰুজনে প্ৰচলিত সমাজ ব্যৱস্থাৰ ৰক্ষণশীলতাৰ আহঁফলা নীতি ছিন্ন কৰি সৰ্বজন সমস্বত্বাধিকাৰ মতৰ ভেঁটিত নতুন সমাজ ৰচনা কৰিলে। তেৰাই প্ৰচাৰ কৰিলে—

পূজা নমস্কাৰ ধ্যান সমস্তে দুষ্কৰ।
হৰিগুণ নামধৰ্ম্ম মহা সুখকৰ ॥
স্ত্ৰী বাল্য বৃদ্ধ সমস্তৰে অধিকাৰ।
চণ্ডালকো কৰে নামে তেখনে উদ্ধাৰ ॥

ব্ৰাহ্মণৰ অসূয়া :

গুৰুজনাৰ এই নতুন সমাজ ব্যৱস্থাই আনহাতে সুবিধাবাদী আৰু ৰক্ষণশীল দলটোৰ স্বাৰ্থক আঘাত কৰিলে। সমাজত আগৰে-পৰা প্ৰচলন থকা যাগ-যজ্ঞ, পূজা-হোম আৰু শ্ৰাদ্ধাদি তথাকথিত বিধিৰ কৰ্মসমূহ ত্যাগ কৰি যেতিয়া সৰ্বসাধাৰণ লোক গুৰুজনাৰ প্ৰচাৰিত নাম ধৰ্মলৈ ঢাল খালে, কৰ্মকাণ্ডী বিপ্ৰসকল স্বাভাৱিকতে অসন্তুষ্ট হৈ উঠিল। কাৰণ, সমাজৰ এই পৰিবৰ্তনৰ ফলস্বৰূপে প্ৰধানতঃ তেওঁলোকৰ জীৱিকাৰ পথ বন্ধ হবৰ উপক্ৰম হ'ল। দ্বিতীয়ত, শাস্ত্ৰত পাৰ্গত ৰক্ষণশীল ব্ৰাহ্মণ সম্প্ৰদায়ে দেখিলে যে ইমানদিনে বেদ, বেদান্ত, পুৰাণ, ভাৰত আদি শাস্ত্ৰসমূহ তেওঁলোকৰ হাতৰ মুঠিত আছিল; কিন্তু শঙ্কৰদেৱে সেই সমূহৰ তত্ত্ব উদ্ধাৰি সৰ্বসাধাৰণৰ বোধগম্য হোৱাকৈ 'চণ্ডাল পৰ্য্যন্ত কৰি' সকলোৰে মাজত বিলাই দি সমাজত ব্ৰাহ্মণসকলৰ প্ৰাধান্য নিৰ্মূল কৰিবৰ উপক্ৰম কৰিছে। তৃতীয়তে, শঙ্কৰদেৱ শূদ্ৰ হৈয়ো সকলো শাস্ত্ৰত পাণ্ডিত্য লভি ব্ৰাহ্মণকে আদি কৰি চতুৰ্বৰ্ণৰ লোকৰ গুৰু হোৱাটো তেওঁলোকে সহ্য কৰিব পৰা নাছিল। সেইবাবে শ্ৰীৰাম ভট্টাচাৰ্য্য, কবিৰাজ মিশ্ৰ, ৰামনাচাৰ্য্য, ৰত্নাকৰ কন্দলি, ডৰিয়া আচাৰ্য্য, ব্ৰহ্মানন্দ ভট্টাচাৰ্য্য, শ্ৰীধৰ ভট্টাচাৰ্য্যকে আদি কৰি তৰ্ক মীমাংসাত পণ্ডিত ব্ৰাহ্মণসকলে শঙ্কৰদেৱৰ লগত শাস্ত্ৰ-বাদ কৰি তেওঁৰ মত অশুদ্ধ আৰু সৰ্বসাধাৰণৰ দ্বাৰা সেই ধৰ্ম পালনীয় নহয় বুলি প্ৰমাণ কৰিবলৈ সচেষ্ট হৈ উঠিল। তেওঁলোকৰ মাজৰে ভাগৱত আদি নিবৃত্তি-মাৰ্গৰ শাস্ত্ৰ অধ্যয়ন কৰোঁতা আন এচাম পণ্ডিতে আকৌ ব্ৰাহ্মণ সমাজক সতৰ্ক কৰি দিলে যে আচলতে শঙ্কৰদেৱে প্ৰচাৰ কৰা মত শুদ্ধ আৰু শঙ্কৰদেৱৰ পাণ্ডিত্যক পৰাভৱ কৰিব পৰাটো সহজ কথা নহব। সেইবাবে তেওঁলোকে শঙ্কৰদেৱৰ লগত বাদ কৰাৰ আশা পৰিত্যাগ কৰিলে আৰু কুট-কৌশল উদ্ভাৱন কৰি নাম-ধৰ্ম গ্ৰহণ কৰা ভকতসকলক বাটে-পথে নিন্দা-কদৰ্থনা কৰিবলৈ ধৰিলে।

ভকতৰ দুখ দেখি ভকত-বৎসল মহাপুৰুষৰ মনত খেদ হ'ল ; সেইবাবে তেৰাই ব্ৰাহ্মণসকলৰ লগত শাস্ত্ৰৰ সন্মত ধৰ্ম সম্পৰ্কে আলোচনা কৰিবলৈ ঠাৱৰ কৰিলে। বুঢ়াখাৰ দোপদৰতে সেই সভা আহ্বান কৰা হ'ল। ব্ৰাহ্মণ পণ্ডিতসকলে সভাৰ আয়োজন শুনি প্ৰথমে ইতস্ততঃ বোধ কৰিলেও সভা বৰ্জন তেওঁলোকৰ কাৰণে অপমানজনক কথা হব ভাবি আৰু "আমি বহু বিপ্ৰ সবেয়ো বুলিবোঁ একলা মাত্ৰ শঙ্কৰ"— এই ভাবি মনত বল বান্ধি যথাসময়ত বুঢ়াখাৰ ঘৰত উপস্থিত হ'ল। গুৰুজনেও তেৰাৰ প্ৰৱৰ্তিত ধৰ্মৰ আধাৰ গ্ৰন্থ গীতা, ভাগৱত আৰু পদ্ম পুৰাণৰ সহস্ৰ নাম খণ্ড লগত লৈ মাধৱদেৱ, ৰাম ৰাম আদিৰে সভা-মণ্ডপত উপস্থিত হলগৈ।

ব্ৰাহ্মণৰ মুখে নাম-ধৰ্মৰ মাহাত্ম্য প্ৰকাশ ঃ

ইকালে এই সভাৰ আয়োজন বাৰ্তা শুনি বেলগুৰিৰ চতুৰ্পাশৰ লোক আহি বুঢ়াখাৰ দোপদৰ লোকাৰণ্য কৰি তুলিলে। গুৰুজনে সভা-মণ্ডপত উপস্থিত হৈ মনতে গুণিলে যে পুৰাণ-সূৰ্য্য ভাগৱতৰ মত খণ্ডন কৰিবলৈ ব্ৰাহ্মণ পণ্ডিতসকলৰ যুক্তিৰ নাটনি হব আৰু তেতিয়া এই লোক সমুদ্ৰৰ আগত তেওঁলোকৰ অপমান হব। সেইবাবে গুৰুজনে তৰ্কবাদ পৰিহাৰ কৰি আলোচনাৰ মাধ্যমেৰে এনে প্ৰশ্নৰ অৱতাৰণা কৰিলে যিবোৰ প্ৰশ্নৰ উত্তৰ দিবলৈ যাওঁতে ব্ৰাহ্মণসকলৰ মুখেদিয়েই আপোনা-আপুনি একশৰণ নাম-মহিমা আৰু কৰ্ম-কাণ্ডতকৈ নাম-ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰকাশ হ'ল। এইদৰে বিৰুদ্ধবাদী পণ্ডিতসকলক তেওঁলোকৰ মূল উদ্দেশ্যত পৰাজয় বৰণ কৰালেও গুৰুজনে কৌশলৰে তেওঁলোকৰ মান ৰক্ষা কৰি নিজৰ মহানতাৰ পৰিচয় দিলে। ইয়াৰ ফলস্বৰূপে সভা চাবলৈ অহা সপক্ষ-বিপক্ষ সকলো লোকৰ মন গুৰুজনাৰ প্ৰতি শ্ৰদ্ধা আৰু ভক্তিত গদ্ গদ্ হৈ উঠিল। তেওঁলোকে আহি গুৰুজনাত শৰণ লৈ নাম-ধৰ্ম ধৰিলেহি।

জগন্নাথ মূৰ্তি প্ৰতিষ্ঠা প্ৰসঙ্গ :

গুৰুজনাৰ ওচৰত এইদৰে নাম-মাহাত্ম্য স্বীকাৰ কৰিলেও আচাৰ্য্য, কন্দলি, মিশ্ৰ, ভাৰতী, উপাধ্যায় আদি উপাধিধাৰী বিপ্ৰ-সকলে নিত্য-নৈমিত্তিক কৰ্মৰ বিশ্বাস ত্যাগ কৰিব পৰা নাছিল। সেইবাবে নিজৰ পক্ষলৈ লোক সংগ্ৰহ কৰিবৰ কাৰণে তেওঁলোকে প্ৰচাৰ কৰিবলৈ ধৰিলে যে অন্য দেৱ-দেৱী সকলো ঈশ্বৰে অংশ, গতিকে সেইসকল দেৱ-দেৱীৰ পূজা-উপাসনাও ভক্তি অবিৰোধি কাৰ্য্য। ইয়াৰ উপৰি সৰ্বসাধাৰণৰ অজ্ঞতাৰ সুযোগ লৈ তেওঁলোকে ধন, জন, ৰূপ, স্বাস্থ্য আনকি স্বৰ্গসুখ আদিৰ লোভ দেখুৱাই সমাজক সকাম কৰ্মত প্ৰৱৰ্ত্তাবৰ চেষ্টা কৰিলে। ব্ৰাহ্মণ পণ্ডিতসকলে সমাজত ভুলকৈ প্ৰচাৰ কৰা এনে ভক্তি বিৰোধী ভাৱ আৰু কাৰ্য্য নিৰ্মূল কৰি সমাজ ৰক্ষা কৰিবৰ কাৰণে গুৰুজনা পুনৰ সষ্টম হব লগা হ'ল। তেৰাই উপলব্ধি কৰিছিল যে শ্ৰৱণ-কীৰ্তনত লোকৰ শ্ৰদ্ধা নোপজা পৰ্য্যন্ত তেওঁলোকে সৰ্বভূতত ঈশ্বৰৰ অস্তিত্বও স্বীকাৰ কৰিব নোৱাৰে। সেইবাবে "শ্ৰৱণে কীৰ্ত্তনে আসক্তি নোহে যাৰে, মন্ত্ৰ-মূৰ্ত্তি ঈশ্বৰক পূজিবেক তাৰে–" এই ভাৱ লৈ তেৰাই কৰলা বাঢ়ৈৰ হতুৱাই মদনগোপাল নামে জগন্নাথ মূৰ্তি গঢ়াই ব্ৰাহ্মণ পণ্ডিতসকলৰ দ্বাৰা সেই মূৰ্ত্তি প্ৰতিষ্ঠা কৰালে। গুৰুজনাৰ মূৰ্তি প্ৰতিষ্ঠাৰ উদ্যম শুনি ব্ৰাহ্মণসকলে পেটে পেটে ভাল পালেও, শূদ্ৰে গঢ়া প্ৰতিমা বন্দনা কৰিলে তেওঁলোক সকলোৰে হাঁহিয়াতৰ পাত্ৰ হব আৰু এই প্ৰতিমাক দেৱতা জ্ঞান কৰিলে শূদ্ৰ শঙ্কৰৰ মহত্ব বাঢ়িব বুলি প্ৰথমে তেওঁলোকে প্ৰতিষ্ঠা উৎসৱত যোগ নিদিবলৈ যুগুতি কৰিছিল। পিছে ৰামৰায়ে গুৰুজনাৰ সম্মতি লৈ আৰ-তাৰ মুখে প্ৰচাৰ কৰি দিলে যে ব্ৰাহ্মণ পণ্ডিতসকলক মান অনুসৰি উচিত দান-দক্ষিণা কৰা হব আৰু তেওঁ (ৰামৰায়ে) নিজে গৈ সকলোকে সাদৰ-সম্মান জনাই নিমন্ত্ৰণ কৰিলেগৈ। অৱশেষত ব্ৰাহ্মণসকল মূৰ্তি প্ৰতিষ্ঠা কৰিবলৈ আগবাঢ়ি আহিল। মূৰ্ত্তি প্ৰতিষ্ঠাৰ অন্তত গুৰুজনে ব্ৰাহ্মণ পণ্ডিত-

সকলৰদ্বাৰা সেই মূৰ্তি ঈশ্বৰৰ প্ৰতিমা বুলি স্বীকাৰ কৰাই লৈ পুনৰ তেওঁলোকৰ মুখেই "দেৱতো তীৰ্থতো হন্তে শুদ্ধ হোৱে নৰ। সাধুৱেৰে দেৱে তীৰ্থে অনেক অন্তৰ।" বুলি ভকতৰ মাহাত্ম্য স্বীকাৰ কৰাই উপস্থিত ব্ৰাহ্মণ সমন্বিতে সকলোকে মূৰ্তিৰ সন্মুখত সেৱা কৰালে। এই মূৰ্তি প্ৰতিষ্ঠাৰ ভিতৰুৱা ভাব যে "আজি হন্তে অন্য দেৱ পূজা এৰিয়োক"হে সেই কথা আটাইকেইখন চৰিতে উল্লেখ কৰিছে। অন্য দেৱ-দেৱীৰ সেৱা-উপাসনা আৰু মূৰ্তি-পূজা যে ভক্তি বিৰোধী কাৰ্য্যহে এইকথা মহাপুৰুষীয়া ধৰ্মৰ শৰণৰ চাৰিবেৰত স্পষ্টৰূপে প্ৰকাশ পাইছে—

অন্য দেৱী দেৱ নকৰিবা সেৱ
গৃহো নপশিবা তাৰ।
মূৰ্ত্তিকো নচাইবা প্ৰসাদো নখাইবা
ভক্তি হৈবে ব্যভিচাৰ॥

ব্ৰাহ্মণসকলৰ দ্বাৰা আহোম ৰজাত খল:

গুৰুজনে এইদৰে পাণ্ডিত্যাভিমানী কৰ্মকাণ্ডী বিপ্ৰসকলৰ ৰক্ষণশীলতাৰ ভেটা ভাঙি চূৰমাৰ কৰি দিলে। প্ৰকৃত ধৰ্মক ঢাকি ৰখা এই ৰক্ষণশীলতাৰ কপট ঢাকোন উদঙাই দিয়াত সকলোৱে সমাজৰ শোষণকাৰী দলটোৰ স্বৰূপ উপলব্ধি কৰি তথাকথিত বেদ বিধিৰ সন্মত ধৰ্ম পৰিত্যাগ কৰি গুৰুজনাৰ শুদ্ধ ধৰ্ম গ্ৰহণ কৰিবলৈ ধৰিলে। সেইবাবে গুৰুজনাৰ প্ৰতি ব্ৰাহ্মণসকলৰ ঈৰ্ষা দুগুণে চৰিল আৰু ছলে-বলে-কৌশলে তেৰাৰ অনিষ্ট সাধন কৰিবৰ কাৰণে ব্ৰাহ্মণসকল উঠি-পৰি লাগিল। পাণ্ডিত্য আৰু শাস্ত্ৰতত্ত্বত গুৰুজনাক পৰাভৱ কৰাব নোৱাৰি তেওঁলোক এইবাৰ আহোম ৰজাৰ ওচৰ চাপিল। ব্ৰাহ্মণসকলে চুহুমুঙ স্বৰ্গদেৱৰ ওচৰত গোচৰ কৰিলেগৈ যে শঙ্কৰ নামে শূদ্ৰ এজনে বৈদিক আচাৰ ৰহিত কৰি সমাজত পাষণ্ড আচাৰ প্ৰৱৰ্ত্তন কৰিছে। তেওঁ নিজেও শ্ৰাদ্ধাদি বিধিৰ

কর্ম নকৰে আৰু আনকো সেই কর্ম কৰিবলৈ মানা কৰি সাধাৰণ শ্ৰেণীৰ লোকক স্বধৰ্মৰপৰা আঁতৰাই সমাজত খেলি-মেলি লগাইছে। ব্ৰাহ্মণসকলক পণ্ডিত বুলি মানি ৰজাই তেওঁলোকৰ কথামতে শঙ্কৰদেৱক ধৰাই নি বিচাৰ সভাত থিয় কৰালেগৈ। কিন্তু বিচাৰত শঙ্কৰদেৱক নিৰ্দোষ বুলি প্ৰমাণ পাই আৰু তেওঁ সমাজত প্ৰৱৰ্ত্তোৱা মত শুদ্ধ বুলি জানি ৰজাই তেওঁক প্ৰশংসা কৰি এৰি দিলে। আনহাতে, ব্ৰাহ্মণসকলৰ গোচৰ নিজ স্বাৰ্থ-প্ৰণোদিত বুলি প্ৰমাণ হোৱাত ৰজাই তেওঁলোকক বিকৰ্ষনা কৰিলে। এইদৰেই এইবাৰো "অন্যায় চিন্তিয়া দ্বিজে মানক বঢ়ালা।" ইয়াৰ পিছত গুৰুজনা বেলগুৰিত থকা সময়ছোৱাত আৰু ব্ৰাহ্মণসকলে তেৰাৰ বিপক্ষ আচৰণ কৰিবলৈ সাহস কৰা নাছিল।

বেলগুৰিত শাস্ত্ৰ ৰচনা :

অসমৰ সাংস্কৃতিক ইতিহাসত বেলগুৰিৰ প্ৰাধান্য সম্পৰ্কে ওপৰৰ আলোচনাত উল্লেখ কৰি অহা হৈছে। গয়াপাণি আৰু মাধৱদেৱৰ শৰণৰেপৰা আৰম্ভ কৰি ব্ৰাহ্মণ পণ্ডিতসকলৰ বিভিন্ন অসূয়া আৰু বিৰোধৰ মাজত নাম-ধৰ্মৰ মাহাত্ম্য প্ৰতিষ্ঠা কৰিবলৈ যাওঁতে গুৰুজনাই এই সময়ছোৱাৰ ভিতৰত বিভিন্ন শাস্ত্ৰ আলোচনা আৰু ৰচনা কৰিব লগা হৈছিল। ওপৰত প্ৰসঙ্গক্ৰমে কীৰ্ত্তনৰ হৰমোহন খণ্ড ৰচনাৰ কথা উল্লেখ কৰা হৈছে। অৱশ্যে তেৰাৰ আটাইবোৰ শাস্ত্ৰৰ ৰচনাৰ প্ৰসঙ্গ উল্লেখ কৰাতো সহজ সাধ্য নহয়। কেতিয়াবা আকৌ এনেকুৱাও হৈছে যে কীৰ্ত্তন পুথিৰ বিভিন্ন খণ্ড বিভিন্ন স্থানত ৰচনা কৰাৰ দৰে ভাগৱত শাস্ত্ৰৰো বিভিন্ন অংশ প্ৰয়োজন বিশেষে বিভিন্ন স্থানত ৰচনা কৰিব লগা হৈছিল। উদাহৰণস্বৰূপে বৰদোৱাত ব্ৰাহ্মণসকলক শৰণ কৰাবৰ সময়ত ভাগৱতৰ দশম স্কন্ধৰ অন্তৰ্গত গোপী উদ্ধৱ সংবাদৰ পদ অনুবাদ কৰি 'উদ্ধৱ সংবাদ' পুথি ৰচনা কৰাৰ কথা আমি পাই আছিছোঁ। গুৰুজনে

ভাগৱতৰ দ্বিতীয় স্কন্ধ, শিশুলীলা খণ্ডৰে আছু দশমৰ সমাপ্তি আৰু একাদশ স্কন্ধৰ শ্রীকৃষ্ণৰ বৈকুণ্ঠ প্রয়াণ খণ্ড (বৰদোৱাত ৰচনা) ভিন্ন অন্য খণ্ডসমূহৰ ৰচনা বেলগুৰিতে সমাপ্ত কৰে। বহুতে আকৌ চৰিত-পুথিৰ উল্লেখ কৰি ভাগৱতৰ এই তিনিওটা সম্পূর্ণ স্কন্ধ পাটবাউসীত থকা অৱস্থাত আৰু দ্বিতীয় তীর্থযাত্রাৰ আগতে ৰচনা কৰে বুলি মত দিছে। কিন্তু মনকৰিবলগা কথা যে পাটবাউসীত বসতি লোৱাৰেপৰা বছৰ লেখেৰে মাত্র তিনিটা বছৰৰ পিছতে গুৰুজনে দ্বিতীয়বাৰ তীর্থযাত্রা কৰে। আনহাতে, পাটবাউসী প্রসঙ্গৰ আলোচনাত দেখা যাব যে গুৰুজনে আহোম ৰাজ্য ত্যাগ কৰি যোৱাৰ পিছত কপলা, চুণপৰা, কমাৰকুছি, গণককুছি আদি স্থানত স্থায়ী বসতি স্থাপন কৰিবলৈ অসুবিধা পাই পাটবাউসীত নামঘৰ, মনিকূট, থকাঘৰ আদি সাজি উলিয়াই থান-থিত লওঁতে তেৰাক নিশ্চয় যথেষ্ট সময় লাগিছিল। এই সময়ৰ প্রশ্নটোৰ লগতে অন্যান্য প্রাসঙ্গিক কথাসমূহ লক্ষ্য কৰিলে ভাগৱতৰ এইখিনি ৰচনা যে বেলগুৰিতে কৰা, সন্দেহ নাই।

একাদশ আৰু দ্বিতীয় স্কন্ধ ভাগৱত ঃ

কীর্তনৰ শিশুলীলা, ৰাসক্রীড়া আৰু পাষণ্ড-মর্দন খণ্ড বেলগুৰিত ৰচনা কৰা বুলি সকলোৱে স্বীকাৰ কৰিছে। পাষণ্ড-মর্দন খণ্ড ৰচনা কৰোঁতে গুৰুজনে পদ্ম-পুৰাণ, স্মৃত-সংহিতা, বিষ্ণুধর্মোত্তৰ, বৃহন্নাৰদীয় পুৰাণ আৰু ভাগৱতৰ অন্যান্য স্কন্ধৰপৰা বিষয়-বস্তু গ্রহণ কৰিলেও একাদশ স্কন্ধ ভাগৱতৰ ওপৰত যে খাইকৈ ভিৰ দিছে সন্দেহ নাই। আনহাতে বেলগুৰিতে গুৰুজনে ব্রাহ্মণ পণ্ডিত আৰু অন্যান্য বিৰুদ্ধবাদীসকলৰপৰা ভক্তি-ধর্ম প্রচাৰ কার্য্যত বিশেষভাৱে বাধা পাব লগা হৈছিল। সেইবাবে একাদশৰ কৃষ্ণ-উদ্ধৱ সংবাদ খণ্ড আৰু বিশেষকৈ তত্ত্ব জিজ্ঞাসাৰ প্রশ্নোত্তৰ প্রসঙ্গত উল্লেখ কৰা বিষয়সমূহ যে এই সময়তে ভাঙনি কৰা হৈছিল, সন্দেহ নাই।

এই একাদশ স্কন্ধৰ ৰচনা পাটবাউসীতহে হোৱা বুলি প্ৰমাণ কৰিবলৈ কোনো কোনো সমালোচকে উদাৰ গোবিন্দ আতৈ আৰু কৰলা বাঢ়েয়ে একাদশীত থাবৰ কাৰণে মাছ অনা প্ৰসঙ্গ উল্লেখ কৰিছে। কিন্তু এইসমূহ চৰিতৰ আৰু বিশেষতঃ নৈষ্ঠিকতাৰ প্ৰসঙ্গহে, শাস্ত্ৰ ৰচনাৰ প্ৰসঙ্গ নহয়। ইয়াৰ পিছতে সম্ভৱ বেলগুৰিত জগন্নাথ মূৰ্তি স্থাপনৰ সময়ত গুৰুজনে দ্বিতীয় স্কন্ধৰ মত উদ্ধাৰি সংসাৰ তৰণৰ অন্য পথসমূহ যে তুচ্ছৰ আৰু যি সকলে 'শ্ৰৱণ-কীৰ্ত্তন কৰি হৰিক আৰাধে মহামোক্ষ সাধে একো বিঘিনি নবাধে'— এই কথা ব্ৰহ্মাৰ বেদ-বিচাৰৰ যুক্তিৰে প্ৰমাণ কৰি দেখুৱাইছে। ইয়াৰ লগতে জগন্নাথ মূৰ্তি প্ৰতিষ্ঠাৰ সম্পূৰ্ণ প্ৰসঙ্গটো আলোচনা কৰি চালে দ্বিতীয় স্কন্ধ ভাগৱতো যে বেলগুৰিতে ৰচিত সেই কথা উপলব্ধি হয়।

দশম স্কন্ধ ভাগবত :

গুৰুজনাৰ দশম স্কন্ধ ভাগৱত ৰচনাৰ আৰম্ভনিৰ ঘাই প্ৰসঙ্গটো ওপৰত বৰদোৱাত শাস্ত্ৰ ৰচনা প্ৰসঙ্গতে উল্লেখ কৰি অহা হৈছে। ইয়াৰ লগতে অন্যান্য প্ৰাসঙ্গিক বিষয় আৰু সম্বন্ধিত অন্যান্য খণ্ড কাব্য ৰচনাৰ কাল সম্পৰ্কে বিভিন্ন চৰিতকাৰ আৰু আলোচকে কৰা মন্তব্যৰ আঁত ধৰি আদ্য দশমৰ ৰচনাও গুৰুজনাই বেলগুৰিতে সমাপ্ত কৰে বুলি ঠাৱৰাব পাৰি। ৰামচৰণ ঠাকুৰৰ চৰিতত গুৰুজনে পাটবাউসীত থিতাপি লোৱাৰ পিছত হোৱা নাম-কীৰ্তনৰ প্ৰসঙ্গত লিখিছে— "নামৰ কীৰ্ত্তন কৰি সমৰ্পিয়া থৈল। দশম পয়াৰ মেলি পঢ়িবে লাগিল॥ জুলিবান্টি কৃষ্ণে যিটো ক্ৰীড়া কৰিলন্ত। বলোৰাম আতৈ সেই পদ পঢ়িলন্ত॥" ইয়াৰে 'দশম পয়াৰ মেলি পঢ়িবে লাগিল'— এই কথাষাৰৰপৰা বহুতে দশম ভাগৱত গুৰুজনা পাটবাউসীত থাকোঁতে ৰচনা কৰা বুলি মত দিয়ে। পিছে, এই শাৰীটিৰ আগৰ আৰু পাছৰ শাৰীকেইটালৈ চকু দিলে দেখা যায় যে ইয়াত ভাগৱত ৰচনাৰ কথা কোৱা হোৱা নাই; নাম কীৰ্তনৰ পিছত বলোৰাম

আতৈয়ে পাঠ পঢ়াৰ কথাহে কোৱা হৈছে। গতিকে ঠাৱৰ কৰিব পাৰি যে ভাগৱতৰ দশম স্কন্ধ ইয়াৰ আগেয়ে ৰচিত হৈছিল আৰু নাম-কীৰ্তনৰ পিছত পাঠ পঢ়াৰ ব্যৱস্থাও ইতিমধ্যে প্ৰবৰ্তিত হৈছিল। নাম-কীৰ্তনৰ পিছত এই পাঠ পঢ়া প্ৰথা গুৰুজনাৰ দিনতে আৰম্ভ হৈ আজিও চলি আহিছে। কথাগুৰু চৰিতত গুৰুজনা ধুঁৱাহাটাত থকা সময়ৰ বৰ্ণনাতে সৰ্বজয় আতৈৰ ভক্তিপ্ৰেমৰ নিদৰ্শন প্ৰসঙ্গত উল্লেখ কৰিছে— "আৰু এক দিনামান কীৰ্ত্তন কৰিছে মহাৰাসৰ দশমৰ পদ গাই। বৃদ্ধ সৰ্বজয় আতৈ প্ৰেমৰসে মজি দেহ পাসৰি মৌনে ভক্তিযোগৰ খেলাত আছে, ক্ষুদ্ৰ শৌচ গ'ল শ্ৰেষ্ঠা নাপালে।" এইজন সৰ্বজয় আতৈ পিছত গুৰুজনা কোঁচ ৰাজ্যলৈ যাওঁতে বাটতে কপলাবৰিত পৰলোক প্ৰাপ্ত হয়। কথা চৰিতৰ এই উল্লেখে গুৰুজনা ধুঁৱাহাটাত থাকোঁতেই দশম ভাগৱতৰ ৰাসক্ৰীড়া খণ্ড ৰচনাৰ কথা স্পষ্টভাৱে প্ৰমাণ কৰে। মুঠতে গুৰুজনে ধুঁৱাহাটা এৰাৰ আগেয়ে কীৰ্ত্তনৰ শিশুলীলা আৰু ৰাসক্ৰীড়া খণ্ড ৰচনাৰ সমসাময়িকভাৱে আদ্য দশমৰ ৰচনাও সম্পূৰ্ণ কৰে।

কীৰ্ত্তনৰ চতুৰ্বিংশতি অৱতাৰ খণ্ড :

কথাগুৰুচৰিতত ধুঁৱাহাটাত পাষণ্ড-মৰ্দন ৰচনাৰ প্ৰসঙ্গত লিখিছে—"সেই গ্ৰামে দুটা বৌধমতীয়া টাটকীয়া আছিল। এটা হয় ব্যাধি, এটা হয় বৈদ্য। হৈ জাৰে ফুকে সজ হয়। বস্ত্ৰ, টকা, ধান, উপাধি দিএ যায়। এইমতে প্ৰবৰ্ত্তি আছে। গুৰু শুনি পাষণ্ড-মৰ্দনৰ কীৰ্ত্তন কৰি দিলে। ভকতে গাই ফুৰে। ৰব নপাৰি গ'ল গুছি দাঁতিলৈ—"। এনেবোৰ উল্লেখৰপৰা অনুমান হয় যে সেই সময়ত অসমত ঠাই বিশেষে বৌদ্ধ ধৰ্মৰ প্ৰভাৱ আছিল আৰু বৌদ্ধ ধৰ্মীসকলৰ প্ৰতি অন্যান্য লোকসকলৰ সম্ভাৱ আছিল। ব্ৰাহ্মণ পণ্ডিতসকলে আনকি এই একেই ভাৱে গুৰু-[illegible] ব্যৱহাৰ কৰিছিল। সেইবাবেই ধুঁৱাহাটা অঞ্চলৰ লোকে

গুৰুজনাৰ একশৰণ ধৰ্ম গ্ৰহণ কৰাত তেওঁলোকে প্ৰচাৰ কৰি দিলে— "বৌদ্ধ মত লৈল, সবে ভ্ৰষ্ট ভৈল যত লোক নিৰন্তৰ।" গুৰুজনে ইফালে বৌদ্ধ ধৰ্মৰ বিষয়ে অধ্যয়ন কৰি দেখিলে যে বুদ্ধদেৱে আচলতে বেদৰ মূল সত্যক উপলব্ধা কৰা নাই; তেৰাৰ দৰেই বুদ্ধদেৱেও যাগ যজ্ঞ, পূজা-হোম আৰু বলি-বিধান আদি কৰ্ম-সমূহহে নিন্দা কৰিছে। গুৰুজনে আৰু উপলব্ধি কৰিলে যে বুদ্ধদেৱে বেদ নিন্দা কৰাৰ মূল কাৰণ হ'ল প্ৰকৃততে যাগ-যজ্ঞাদিৰ অসাৰত্ব বা অল্পসাৰত্ব প্ৰতিপাদন কৰিবলৈকে প্ৰমাণস্বৰূপে বেদত এনে অপবৰ্গ তথা বামাচাৰী কাৰ্য্যসমূহৰ কথা উল্লেখ কৰিলেও এই বিধানসমূহেই শেষত সমাজক ভুল পথে পৰিচালিত কৰি অধৰ্ম কাৰ্য্যত লিপ্ত কৰাইছিল। সেই কথা গুৰুজনে কীৰ্তনৰ চতুৰ্বিংশতি অৱতাৰ খণ্ডত এইদৰে উল্লেখ কৰিছে—

বোধ অৱতাৰে বেদ পন্থ কৰি ছন্ন।
বামানয় শাস্ত্ৰে মুহি আছে সৰ্ব্বজন॥
নিচিন্তে চৰণ নাম নলয়ে তোমাৰ।
সদায় প্ৰমত্ত লোক পাষণ্ড আচাৰ॥

এয়া বস্তুতে অৰ্থ কৰাৰ দৰে বৌদ্ধ ধৰ্মৰ প্ৰতি গুৰুজনাৰ নিন্দাবাদ নহয়,– ভগৱানৰ বুদ্ধ অৱতাৰৰ (কৰুণাৱতাৰ) কাৰণ নিৰ্ণয়হে। উল্লেখযোগ্য যে গুৰুজনে বুদ্ধদেৱক ভগৱানৰ চতুৰ্বিংশতি অৱতাৰৰ ভিতৰুৱা কৰি লৈ প্ৰধান দহটা অৱতাৰৰ ভিতৰত স্থান দিছে।

নাট ৰচনা :

ইয়াৰ লগে লগে গুৰুজনে দেখিলে যে সেই সময়ত ব্ৰাহ্মণৰ বাহিৰে অন্যান্য সম্প্ৰদায়ৰ সৰ্বসাধাৰণ লোকসকলৰ অধ্যয়নৰ অধিকাৰ নথকাৰ কাৰণে অবিদ্যাবশতঃ তেওঁলোকৰ ধৰ্ম্মজ্ঞান সমূলি নোহোৱা হৈছিল। সাধাৰণ শ্ৰেণী লোকৰ আধ্যাত্মিক সাধনৰ দায়িত্বত থকা পণ্ডিত শ্ৰেণীয়ে নিজ স্বাৰ্থ সিদ্ধি কৰিবৰ হেতু

ৰচনা কৰি লোৱা ৰামানয় শাস্ত্ৰসমূহকে এই লোকসকলে বেদবিহিত আচল ধৰ্মশাস্ত্ৰ বুলি জ্ঞান কৰিছিল। আনহাতে, অশিক্ষা আৰু অবিদ্যাৰ ফলত, গুৰুজনে লোকৰ তাৰণ হেতু নাম-ধৰ্ম প্ৰচাৰ কৰিবৰ কাৰণে যিসমূহ শাস্ত্ৰ ৰচনা কৰিছিল সেইসমূহ শাস্ত্ৰ, সৰ্ব-সাধাৰণ লোকে অধ্যয়ন কৰিব নোৱাৰিছিল আৰু তাৰ তত্ত্বও তেওঁ-লোকে উপলব্ধি কৰিব পৰা নাছিল। সেইবাবে তেৰাই কাৰ্য্য আৰু দৃষ্টান্তৰ যোগে জনসাধাৰণক ধৰ্মজ্ঞান দিবৰ কাৰণে পূৰ্বে বৰদোৱাত চিহ্নযাত্ৰাৰ অভিনয়ত প্ৰয়োগ কৰা ভাওনাৰ আঙ্গিকসমূহৰ (চিত্ৰ-পট ভিন্ন)' লগতে ভাৱৰীয়াৰ মুখত কথা সংযোগ কৰি পূৰ্ণাঙ্গ নাটকৰ সৃষ্টি কৰে। গুৰুজনে নাটৰ বিষয় বস্তু আৰু তত্ত্বসমূহ জনসাধাৰণৰ সহজবোধ্য কৰিবৰ কাৰণে আৰু বৰ্ণনাৰ গাম্ভীৰ্য্য বঢ়াই সকলোশ্ৰেণীৰ দৰ্শকক আকৰ্ষণ কৰিবৰ কাৰণে নাটকীয় বিষয়বস্তু শ্লোক, গীত, নাচ, কথোপকথন আৰু সূত্ৰধাৰৰ বৰ্ণনাৰ যোগে ব্যক্ত কৰিছিল। নাটকসমূহৰ আন এটি উল্লেখনীয় বৈশিষ্ট্য হ'ল— এইসমূহ ব্ৰজবুলি নামে এটি কৃত্ৰিম ভাষাত ৰচিত; নাটত আৰু গুৰুজনাৰ গীতত (বৰগীত) ব্যৱহাৰ কৰা এই ব্ৰজবুলি ভাষাই সেইসমূহক এক পবিত্ৰ গাম্ভীৰ্য্য দান কৰিছে।

গুৰুজনাৰ দ্বাৰা ৰচিত বুলি সকলোৰে দ্বাৰা স্বীকৃত এনে ছখন নাট পোৱা হৈছে; সেই কেইখন হ'ল— পত্নী-প্ৰসাদ, কালিয়-দমন, কেলি-গোপাল, ৰুক্মিণীহৰণ, পাৰিজাত হৰণ আৰু ৰামবিজয়। লক্ষ্মীনাথ বেজবৰুৱাই এই কেউখন নাট পাটবাউসীতহে ৰচিত বুলি ধৰিছে। আনহাতে কালিৰাম মেধি আৰু বিৰিঞ্চিকুমাৰ বৰুৱা ডাঙৰীয়াৰ মতে গুৰুজনে বৰদোৱাত থাকোঁতে কালিয়-দমন আৰু ধুঁৱাহাটাত থাকোঁতে পত্নী-প্ৰসাদ নাট ৰচনা কৰে; তেৰাৰ বাকী কেইখন নাট পাটবাউসীত থকা কালত ৰচনা কৰা। তেখেত-সকলে কালিয়-দমন বৰদোৱাত ৰচিত বুলি ক'লেও ৰচনাৰ সময় ১৫১৮ খ্ৰীষ্টাব্দ (১৪৪০ শক) ধৰিছে। কিন্তু এই সময়ত গুৰু-

জনা গাংমৌতহে আছিল আৰু গাংমৌত থকা কালত নাটক ৰচনা কৰাৰ কোনো উল্লেখ চৰিতসমূহে কৰা নাই। আনহাতে চৰিত পুথিসমূহে গুৰুজনাৰ পূৰ্ণাঙ্গ নাটকৰ লেখ দিওঁতে পত্নী-প্ৰসাদৰ নামটোহে পোনতে উল্লেখ কৰিছে। নাটৰ ৰচনা প্ৰণালী সম্পৰ্কীয় প্ৰমাণৰ পৰাও পত্নীপ্ৰসাদ গুৰুজনাৰ প্ৰথম পূৰ্ণাঙ্গ নাট বুলি বুজিব পাৰি। অঙ্কীয়া নাটৰ এটি মূল বৈশিষ্ট্য হৈছে নাটকীয় কথাবস্তু শ্লোক, গীত, সূত্ৰধাৰৰ কথা আৰু ভাৱৰীয়াৰ বচন এই চাৰিও প্ৰকাৰে দৰ্শকৰ আগত ব্যক্ত কৰা হয়। কিন্তু পত্নী-প্ৰসাদ নাটত কাহিনীৰ শ্লোক নাই, আন কেইখনত আছে। গুৰুজনাৰ বিভিন্ন নাটৰ শ্লোকৰ সংখ্যা এনে ধৰণৰ— পত্নী-প্ৰসাদত দুটা (এটা নান্দী শ্লোক আৰু আনটো নাটৰ মাজত শ্ৰীকৃষ্ণৰ ৰূপৰ বৰ্ণনা প্ৰকাশক) ; কালিয় দমনত ২৪ টা, কেলি গোপালত ২৫ টা ; ৰুক্মিণীহৰণত ৪২ টা ; পাৰিজাত হৰণত ৪৫ টা আৰু ৰামবিজয়ত ৪১ টা। দ্বিতীয়ত, পত্নী-প্ৰসাদৰ বাহিৰে আন কেইখন নাটত দুটিকৈ নান্দী শ্লোক আছে (ইয়াৰে এটি মঙ্গলাচৰণ আৰু আনটি সূচনাৰ শ্লোক) আৰু প্ৰত্যেকখন নাটৰ নাম একোটি সংস্কৃত শ্লোকৰ সহায়ত ঘোষণা কৰা হয়। পত্নী-প্ৰসাদত সূচনাৰ আৰু ঘোষণাৰ শ্লোক নাই। তৃতীয়তে পত্নী-প্ৰসাদৰ বাহিৰে বাকী কেউখন নাটতে মুক্তি-মঙ্গল-ভটিমা আছে, পত্নী-প্ৰসাদ নাটত নান্দী গীতো নাই। লগতে উল্লেখ কৰিব লগা যে বিৰিঞ্চিকুমাৰ বৰুৱাদেৱৰ দ্বাৰা সঙ্কলিত 'অঙ্কীয়া নাট'ৰ পত্নী-প্ৰসাদত আৰম্ভনিৰ যিটি ভটিমা পোৱা হৈছে সেইটিয়েই সম্ভৱ গুৰুজনাৰ প্ৰথম ভটিমা। এই সমূহ প্ৰমাণৰপৰা ক'ব পাৰি যে পত্নী-প্ৰসাদেই গুৰুজনাৰ প্ৰথম পূৰ্ণাঙ্গ নাট। ৰাম-চৰণ ঠাকুৰ আৰু কথা-গুৰুচৰিতে আকৌ গুৰুজনাই অসম ৰাজ্য ত্যাগ কৰি চূণপৰাত থকা কালতে মাধৱদেৱৰ মাতৃ-শ্ৰাদ্ধত পত্নী প্ৰসাদ নাট অভিনয় কৰাৰ কথা কৈছে। এই দুইখন চৰিতৰ এনে বৰ্ণনাৰপৰা গুৰুজনে বেলগুৰিত থকা কালতে পত্নী-প্ৰসাদ

নাট ৰচনা কৰে বুলি অনুমান হয়। নাটখনৰ বিষয়বস্তুৰ লগত গুৰুজনা বেলগুৰিত থকা কালত বাৰে বাৰে তেৰাৰ ওচৰত পৰাজিত আৰু লাঞ্ছিত হৈও ব্ৰাহ্মণসকলে তেৰাৰ বিৰুদ্ধাচৰণ কৰি থকা প্ৰসঙ্গটো মিলাই চালেও নাটখন বেলগুৰিত ৰচনা কৰাটো প্ৰমাণ হয়। নাটখনত ক্ষুধাতুৰ গৰখীয়া কৃষ্ণক অন্নদান দিবলৈ অস্বীকাৰ কৰা স্বৰ্গ-ভোগাকাঙ্ক্ষী, মিশ্ৰ, কন্দলী, আচাৰ্য্য, ভাৰতী আদি ভু-দেৱতা বিপ্ৰসকলৰ কৰ্ম-গৰ্ব দুৰ কৰিবৰ কাৰণে বেদৰো উত্তৰ ভূমি যজ্ঞ-মূৰ্ত্তি কৃষ্ণই হৰি ভক্তি ৰস আকুলা ব্ৰাহ্মণীসকলক, অন্ন-ব্যঞ্জন গ্ৰহণৰ ছলেৰে, পৰম-প্ৰসাদ একশৰণ হৰিভক্তি দান কৰাৰ দৃষ্টান্ত দেখুওৱা হৈছে। নাটকীয় ঘটনানুসৰি ব্ৰাহ্মণসকলে, অৱশেষত, কংস ৰজাৰ ভয়ত ব্ৰজত গৈ কৃষ্ণত একান্ত শৰণ পশি আপোন কৰ্মৰ বাবে ক্ষমা প্ৰাৰ্থনা নকৰিলেও "কৃষ্ণৰ চৰণে শৰণ লৈয়া কৰ্মগৰ্ব সব চাৰি শ্ৰৱণ কীৰ্তন কৰিয়ে গৃহে-ৰহল।" বেলগুৰিতো একেদৰেই গুৰুজনাৰ ওচৰত শাস্ত্ৰতৰ্কত পৰাজিত হৈ ব্ৰাহ্মণসকলে একশৰণ ভক্তি-মাহাত্ম্য স্বীকাৰ কৰিছিল।

ইয়াৰ পিছতে গুৰুজনে শ্ৰীকৃষ্ণৰ শিশুলীলাৰ কীৰ্তন ৰচনাৰ সমসাময়িকভাৱে কালিয় দমন নাটো বেলগুৰিতে ৰচনা কৰে বুলি অনুমান হয়। অঙ্কীয়া নাটৰ অন্যান্য সকলোখিনি বৈশিষ্ট্যৰে পুষ্ট হৈ পত্নী-প্ৰসাদ নাটতকৈ সম্পূৰ্ণাঙ্গ হলেও এই নাটখনিতো নান্দীৰ গীত নাই। নাটখন নৃত্য-গীত প্ৰধান হোৱা বাবেই সম্ভৱ বহুতে কালিয় দমন গুৰুজনাৰ প্ৰথম নাট আৰু এইখন নাট ৰৰদোৱাতে ৰচনা কৰে বুলি মত দিছে।

আন একশ্ৰেণী পণ্ডিতে আকৌ কালিয় দমন পাটবাউসীতহে ৰচনা কৰা বুলি কবলৈ বিচাৰে। কিন্তু নাটখনৰ প্ৰতিপাদ্য বিষয় লক্ষ্য কৰিলে দেখা যায় যে পত্নী-প্ৰসাদ নাট ৰচনাৰ যি উদ্দেশ্য কালিয় দমন ৰচনাৰ উদ্দেশ্যও সেই একেই। সম্ভৱতঃ গুৰুজনাই বেলগুৰিত হৰি নামৰ অমিয়া বিলাই থকা কালত বিভিন্ন

সম্প্ৰদায়ৰ লোকে হৰি-ভক্তি গ্ৰহণ কৰাৰ পিছতো আৰু গুৰুজনাৰ ওচৰত বাৰে বাৰে শাস্ত্ৰ তৰ্কত পৰাজিত হৈ হৰি-ভক্তি মাহাত্ম্য স্বীকাৰ কৰিও আপোন জ্ঞানৰ গৰ্ব আৰু জাত্যাভিমান ত্যাগ কৰিবলৈ ইচ্ছা নকৰা বিপ্ৰসকলক নাগপত্নীসকলৰ কৃষ্ণ-স্তুতিৰ জৰিয়তে কটাক্ষপাত কৰা হৈছে। আনহাতে শ্ৰীকৃষ্ণৰ পদ-মৰ্দ্দিত হৈ কালি-নাগৰ সৰ্প-দৰ্প দূৰ হোৱাৰ তুলনাৰে আপোন জ্ঞানৰ অহঙ্কাৰ, কৰ্ম-গৰ্ব, দম্ভ, দৰ্প আদি কলিৰ স্বাভাৱিক ধৰ্মসমূহ দূৰ কৰিবৰ কাৰণে 'পৰম আপদ ঔষধ' হৰি কীৰ্তনৰ আৱশ্যকতাৰ কথা নাটখনত প্ৰকাশ কৰা হৈছে। ইয়াৰ উপৰিও নাটখনত শ্ৰীকৃষ্ণৰ বণাগ্নি পান কাৰ্য্যৰ জৰিয়তে ভগৱান-স্বয়ং কৃষ্ণৰ প্ৰেম-ভকতিৰ দ্বাৰা যে সংসাৰ দুঃখানল দূৰ কৰিব পাৰি তাকো দেখুওৱা হৈছে। উল্লেখযোগ্য যে গুৰুজনাই কীৰ্তনৰ কালিয় দমন অধ্যায়ৰ ভনিতাতো লিখিছে—

কলিসৰ্পে দংশিলেক হৰিল চেতন।
ৰাম নাম অমৃতক কৰিও যতন ॥
তেবেসে এৰাইবা কলি ভূজঙ্গৰ হাত।
নাহিকে উপায় আন দেখিও সাক্ষাত ॥

ভূঞাসকলৰ ওপৰত ৰাজৰোষ ঃ

এইদৰে অলেখ বাধা-বিঘিনিৰ মাজতো বিভিন্ন ৰসে শাস্ত্ৰ ৰচনা আৰু ধৰ্ম প্ৰচাৰ আদি কাৰ্য্য সাধন কৰি গুৰুজনাই বেল-গুৰিত ওঠৰ বছৰ কাল আছিল। পিছে, ইয়াত থকাৰ শেষভাগ সময়ত ব্ৰাহ্মণসকলৰ উৎপীড়ন আৰু বিৰুদ্ধাচৰণ কিছুদূৰ শাম কাটি-লেও গুৰুজনাৰ সমুখত এক নতুন বিপদে দেখা দিলে ; ইষ্ট-কুটুম্ব জ্ঞাতি বন্ধুসকলৰ সতে তেওঁ ৰাজ ৰোষত পৰিল। এই ৰাজ-ৰোষৰ কথা চৰিত-পুথিসমূহত বিভিন্নধৰণে ব্যাখ্যা কৰা হৈছে। উদাহৰণ স্বৰূপে দৈত্যাৰি ঠাকুৰে কোনো পূৰ্বকথা উল্লেখ নকৰাকৈ আহোম ৰজাৰ ভূঞা ধৰা বুলি মাথোন উল্লেখ কৰিছে ; আনহাতে ৰামচৰণ ঠাকুৰ আৰু ৰামানন্দ দ্বিজৰ চৰিতত আহোম ৰজাৰ হাতী-

ধৰা কাৰ্য্যত পালি ৰাখিব নোৱাৰা অপৰাধত ৰাজ-নিগ্ৰহ হোৱা বুলি বৰ্ণনা কৰিছে। চৰিতপুথিসমূহ মিলাই চালে অনুমান হয় যে গুৰুজনা বেলগুৰিত থকা কালত ভূঞাসকলৰ পৰিয়াল পৰিচালনাৰ দায়িত্বত থকা হৰি জেঁৱাইৰ ৰজাঘৰৰ লগত সম্পৰ্ক আছিল— আনকি তেওঁ আহোম ৰজাৰপৰা শইকীয়া বিষয়-বাব চলোৱাৰো দায়িত্ব লাভ কৰিছিল। ইতিমধ্যে আহোম ৰজাই হাতী ধৰাৰৰ কাৰণে আয়োজন কৰি গড় মৰাই সন্দিকৈ, শইকীয়া, বৰা আদি বিষয়াসকলক নিয়োগ কৰিলে। পশ্চিমৰ দিশত শইকীয়া হৰি জেঁৱাইৰ দায়িত্বত পালি-দিয়াৰ ভাৰ পৰিল ভূঞাসকলৰ ওপৰত। পিছে, এনে কাৰ্য্যত পূৰ্বৰ কোনো অভিজ্ঞতা নোহোৱা বাবে ভূঞা-সকলে পালি ৰাখিব নোৱাৰিলে; হাতী পলাল। এই অপৰাধৰ বাবে ৰজাই ভূঞাসকলক ধৰি নিবৰ কাৰণে এজন সন্দিকৈক দায়িত্ব দিলে। সন্দিকৈয়ে চাওদাঙৰ হতুৱাই ভূঞাসকলৰ ঘৰবেৰা দিয়াই হৰি জেঁৱাই আৰু মাধৱদেৱক পাই বান্ধি ৰংপুৰ পোৱালেগৈ। তেওঁলোকক ৰাজ-চৰাত নি উপস্থিত কৰোৱাৰ পিছত ৰজাই কোনো বিচাৰ নকৰাকৈ তেওঁলোকক দোষী সাব্যস্ত কৰিলে। কাক কি শাস্তি দিব এই কথা নিৰাকৰণ কৰিবলৈ তেওঁলোকৰ পৰিচয় লৈ ৰজাই যেতিয়া জানিলে যে মাধৱদেৱ উদাসীন পুৰুষ তেতিয়া তেওঁৰ হকে কান্দোঁতা কোনো নাই বুলি ৰজাই তেওঁক এৰি দিলে আৰু হৰি ভূঞাৰ ভাই, ভাৰ্য্যা, নফৰ, চাকৰ, হাল, গৰু-গাই, খেত-ভূঁই, বাৰী-ঘৰ সকলো আছে বুলি জানি, তেওঁৰ মৃত্যুত সকলোৱে শোক কৰিব — এই ভাবি তেওঁক কাটিবলৈ নিৰ্দেশ দিলে। মৃত্যুৰ সময়ত মিত্ৰজনক নাম সোঁৱৰাবৰ কাৰণে মাধৱদেৱো বধ্য ভূমিলৈ যাব খুজিছিল, কিন্তু কটোৱালে তেওঁক লগত যাবলৈ নিদিলে। সেইবাবে মাধৱদেৱে লৰালৰিকৈ মুখে মুখে এটি গীত ৰচি চিএৰি চিএৰি গাব ধৰিলে:

ভয়ো ভাই সাৱধান যাৱে নাহি ছুটে প্ৰাণ।
গোবিন্দৰ ফৰমান নিকটে মিলব জান— ॥······

কথিত আছে, এই গীত শুনাৰ পিছত হৃৰি জেঁৱাইৰ কটা মূৰে ভিনিবাৰ ৰামনাম উচ্চাৰণ কৰি গতি লাভ কৰিলে। ইয়াৰ পিছতো নিজ ঘৰলৈ ঘূৰি আহিবলৈ অনুমতি নোপোৱাৰ কাৰণে মাধৱদেৱ প্ৰায় ন-মাহ কাল আহোম ৰাজধানীত আছিল। ন-মাহৰ মূৰত্ গুৰুজনাৰ লগত মাধৱদেৱৰ পুনৰ্মিলন হ'ল। মাধৱদেৱৰ মুখে জেঁৱায়েকৰ মৃত্যু বাতৰি পাই গুৰুজনা খন্তেকলৈ বিষাদত ম্ৰিয়মান হলেও প্ৰাণ-মাধৱক ঘূৰাই পোৱাৰ আনন্দই সেই শোক পাতলাই দিলে। কিন্তু গুৰুজনাই দেখিলে যে এহাতে ব্ৰাহ্মণ পণ্ডিতসকলে এটাৰ পিছত আন এটাকৈ চেলু উলিয়াই তেৰাসৱৰ বিৰুদ্ধাচৰণ কৰিব লাগিছে, আনহাতে আহোম ৰজাও অৱশেষত ভূঞাসকলৰ ওপৰত বিতুষ্ট হৈ উঠিছে। গতিকে আহোম ৰাজ্যত থাকি শান্তিৰে শাস্ত্ৰ-চৰ্চা কৰা আৰু ধৰ্ম প্ৰচাৰ কৰা দূৰৰ কথা, আহোম ৰজাৰ তলত শান্তিৰে জীৱন-যাপন কৰাও তেৰাসৱৰ পক্ষে ক্ৰমান্বয়ে অসম্ভৱ হৈ আহিছে। সেইবাবে তেৰাই যথাসম্ভৱ সোনকালে আহোম ৰাজ্য ত্যাগ কৰি অন্য ফালে স্থানান্তৰিত হোৱাৰ আয়োজন কৰিব ধৰিলে।

কোঁচ আহোমৰ ৰণ সজ্জা আৰু গুৰুজনাৰ ধুৱাঁহাটা ত্যাগ :

আহোম ৰাজ্যত সেই সময়ত দেখা দিয়া ৰাজনৈতিক সমস্যাই গুৰুজনাৰ এই আয়োজন অধিক খৰতকীয়া কৰি তুলিলে। কাৰণ সেই সময়তে কোঁচ আহোমৰ পুৰণি বিবাদে পুনৰ মূৰ তুলি উঠিবৰ উপক্ৰম কৰিছিল। কোঁচ ৰাজবংশাৱলীয়ে বৰ্ণনা দিয়া বিশ্বসিংহৰ অসম অভিযানৰ কথা গুৰুজনে ব'তাত কটোৱা কালছোৱাৰ বৰ্ণনা প্ৰসঙ্গত উল্লেখ কৰি অহা হৈছে। এতিয়া ১৪৫৬ শ'কত কোঁচ ৰজা বিশ্বসিংহৰ মৃত্যু হোৱাত পুতেক মল্লদেৱে নৰনাৰায়ণ নামলৈ বেহাৰৰ ৰাজপাটত বহিল। (গেইট চাহাবে তেওঁৰ অসম বুৰঞ্জীত বিশ্বসিংহৰ, মৃত্যুৰ কাল ১৫৪০ খ্ৰীষ্টাব্দ ধৰিলেও 'কামৰূপৰ কোঁচ ৰজাসকল'

নামৰ পুথিত এই সময় ১৫৩৪ খ্রীষ্টাব্দ বুলিয়েই উল্লেখ কৰিছে ।) ৰজা হোৱাৰ পিছতে নৰনাৰায়ণে পিতৃৰ কোঁচ আধিপত্য বিস্তাৰৰ অপূৰণ হেঁপাহ পূৰ্ণ কৰিবৰ অভিপ্ৰায়ে আহোমৰ বিপক্ষে যুদ্ধৰ আয়োজন কৰিব ধৰিলে । এই উদ্দেশ্যে তেওঁ ভায়েক কমল-নাৰায়ণৰ হতুৱাই কোঁচ-বেহাৰৰপৰা নাৰায়ণপুৰলৈকে প্ৰায় ৩৫০ মাইল দীঘল এটা আলি বন্ধালে । আলি বন্ধা কাম থৰতকীয়াকৈ আগ-বঢ়াৰ লগে লগে আহোমৰ ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ গালৈ চুচ্ আহিল । আসন্ন কোঁচ আক্ৰমণ প্ৰতিহত কৰিবৰ কাৰণে আহোমসকলেও তলে তলে সৈন্য আৰু যুদ্ধৰ অন্যান্য উপকৰণ সংগ্ৰহ কৰি সাজু হ'ল । লগে লগে আহোমে গড় বান্ধি নাৰায়ণপুৰ অঞ্চলত যুদ্ধৰ ঘাটি নিৰ্মাণ কৰিলে । অৱশ্যে কোঁচ-আহোমৰ এই ৰণখন ১৪৬৮—৬৯ শকতহে হয় । যি নহওক, কোঁচ-আহোমৰ এই ৰণ আয়োজন দেখি গুৰুজনাই লৰালৰিকৈ সকলো জ্ঞাতি আৰু ভকত-সমন্বিতে ১৪৬২ শকত নাৱেৰে ব্ৰহ্মপুত্ৰইদি পশ্চিমলৈ ৰাওনা কৰিলে । এই সময়ত গুৰুজনাৰ বয়স ৯১ বছৰ । ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ মতে গুৰুজনাৰ আহোম ৰাজ্য ত্যাগৰ কাল হ'ল ১৫৩৭ খ্ৰীষ্টাব্দ (১৪৫৯ শক) আৰু ডঃ নেওগৰ মতে ১৪৬৫ শক । কিন্তু, আমি ওপৰত উল্লেখ কৰি অহাৰ দৰে গুৰুজনাই বিভিন্ন স্থানত কটোৱা কালৰ হিচাব উলিয়ালে এই সময় ১৪৬২ শক বুলিয়েই অনুমান হয় ।

বাউসী-বেহাৰ চৰিত

(নামনি অসম তথা কোঁচ ৰাজ্যত কটোৱা কাল)

গুৰুজনাই আহোম ৰাজ্য ত্যাগ কৰি কোঁচ ৰাজ্যত প্ৰবেশ কৰা সম্পৰ্কত বিভিন্ন চৰিতকাৰে বিভিন্ন মত দাঙি ধৰিছে। কোনো কোনো চৰিতকাৰে আকৌ, অধিক কল্পনা-প্ৰৱণ হৈ, অনুমান কৰিছে যে গুৰুজনাই আহোম ৰাজ্যত ৰজাঘৰ আৰু পণ্ডিতশ্ৰেণীৰ-পৰা সঘনে আহুকাল পাই পণ্ডিতৰ গুণগ্ৰাহী আৰু নিজেও পণ্ডিত ৰজা নৰনাৰায়ণৰ পৃষ্ঠপোষকতা লাভৰ আশাতহে কোঁচ ৰাজ্যলৈ উঠি যায়। ৰামানন্দ দ্বিজৰ মতে গুৰুজনাই কোঁচ ৰাজ্যলৈ যাবৰ কাৰণে গাভৰুথাৰ যোগেদি মহাৰাজ নৰনাৰায়ণৰপৰা উৎসাহ পাইছিল। এইখন চৰিতত বৰ্ণনা কৰামতে আনকি গুৰুজনাক স্থানান্তৰ হবৰ কাৰণে গাভৰুথাই নাও আদিৰো যোগান ধৰিছিল। কিন্তু এই সকলো কথা নিতান্তই কল্পনাপ্ৰসূত আৰু বুৰঞ্জী সমৰ্থিত নহয়। কিন্তু গুৰুজনাই ১৪৬২ শকতে আহোম ৰাজ্য ত্যাগ কৰি কামৰূপ ৰাজ্যৰ অ'ত ত'ত তিনি বছৰ কাল কটাই ক'তো স্থায়ী বসতিৰ সুচল নোপোৱাত অৱশেষত ১৪৬৫ শকত গৈ পাটবাউসীত উঠেগৈ আৰু সকলোফালৰপৰা সেই স্থান উপযুক্ত বুলি জানি তাতে স্থায়ী-ভাৱে থাকিবলৈ লয়। ইয়াতে তিনিবছৰ কাল ধৰ্ম প্ৰচাৰ কৰি থকাৰ পিছত গুৰুজনাই ১৪৬৮ শকত দ্বিতীয়বাৰ তীৰ্থ-যাত্ৰা কৰে। আনহাতে, আহোম ৰজাৰ লগত মহাৰাজ নৰনাৰায়ণৰ প্ৰথম ৰণখনৰ সময় হ'ল ১৪৬৮—৬৯ শক। সেই সময়ত আহোম ৰাজপাটত আছিল চুক্লেনমুং গড়গঞা ৰজা। ১৪৬৮ শকত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে,

উত্তৰপাৰে নাৰায়ণপুৰ অঞ্চলত আৰু দক্ষিণপাৰে কলিয়াবৰত, কোঁচ-আহোমৰ থৈয়া-নথৈয়া ৰণ লাগে। এইবছৰ দুয়ো স্থানতে কোঁচ-সেনাই জয় লাভ কৰে। প্ৰথমখন ৰণত হাৰি আহোম সেনাই লৰালৰিকৈ উত্তৰপাৰে পিছলা নদীৰ পাৰত আৰু দক্ষিণপাৰে কলিয়াবৰৰ সলাত গড় বান্ধি কোঁচক ভেটিবৰ চেষ্টা কৰিলে। ১৪৬৯ শকৰ পিছলা-গড়ৰ ৰণত কোঁচৰ শোচনীয় পৰাজয় হ'ল। গতিকে দেখা যায় যে শুকজনাৰ ধুঁৱাহাটা ত্যাগৰ সময়ত কোঁচ-আহোমৰ ৰণ-আয়োজনৰ কুকং-কাবাং চলিলেও প্ৰকৃততে ৰণ লগা নাছিল আৰু সেয়েহে কোঁচৰ অন্যতম সেনাপতি গাভৰুখাৰ লগত শুকজনাৰ কোনোপ্ৰকাৰ সম্পৰ্ক স্থাপন হোৱা কথা কল্পনাপ্ৰসূত। দ্বিতীয়তে মহাৰাজ নৰনাৰায়ণৰ ইচ্ছাত শুকজনা কোঁচ-ৰাজ্যলৈ যোৱা হলে তেৰাই আদিৰেপৰা ৰাজকীয় পৃষ্ঠপোষকতা লাভ কৰিলেহেঁতেন। কিন্তু চৰিত আৰু বুৰঞ্জী ক'তো এনে কথা পাবলৈ নাই। দৰং ৰাজবংশাৱলীয়ে অৱশ্যে শুকজনাই ভাগৱত অনুবাদ কৰিবলৈ নৰনাৰায়ণৰ আজ্ঞা পোৱা বুলি এটা নাশ্ৰুত-নাভূত কথা উল্লেখ কৰিছে। ইফালে প্ৰধানতে শৈৱ মহাৰাজ নৰনাৰায়ণক ১৪৮৭ শকৰ আগভাগলৈকে শক্তি উপাসক বুলিয়েই বুৰঞ্জীয়ে চিনাকি দিছে। আনহাতে আকৌ শুকজনাই কোঁচ ৰাজ্যত বসতিৰ স্থান বিচাৰি যাওঁতেও চৰ্পটেশ্বৰ গাঁৱৰপৰা নৰনাৰায়ণৰ ৰাজধানী বেহাৰলৈকে শৈৱ-ধৰ্মৰ প্ৰাধান্যৰ বুজ পাই উভতি আহি চুণপৰাত কিছুকাল কটোৱাৰ কথা সকলো চৰিতে উল্লেখ কৰিছে। গতিকে অনুমান হয় অন্ততঃ ১৪৮৭ শকৰ কিছুকাল আগলৈকে নৰনাৰায়ণৰ লগত শুকজনাৰ পৰিচয় ঘটা নাছিল। তৃতীয়তে, গাভৰুখাৰ যোগে শুকজনে আহোম ৰাজ্য ত্যাগ কৰা হোৱা হলে এনে হিতকাৰী লোকজনৰ কথা তেৰাই নিশ্চয় চিলাবায়, ৰামৰায়ৰ নামোল্লেখৰ দৰেই লেখনিৰ কোনো ঠাইত উল্লেখ কৰিলে-হেঁতেন। চতুৰ্থতে, শুকজনে কোঁচ ৰজাৰ পৃষ্ঠপোষকতা লাভৰ আশাত আহোম ৰাজ্য ত্যাগ কৰা বুলি দুই-এখন চৰিতে উল্লেখ কৰিলেও

তেৰাই ৰজাৰ গুনত তেনে পৃষ্ঠপোষকতা বিচৰা বা পোৱাৰ সাক্ষ্য কোনো চৰিত আৰু বুৰঞ্জীয়ে নিদিয়ে। ইয়াৰ বিপৰীতে গুৰুজনা অপৰাধী হিচাপেহে নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হোৱাৰ কথা সকলো চৰিত আৰু বুৰঞ্জীয়ে স্বীকাৰ কৰিছে। মন কৰিবলগীয়া যে যিসকল লেখকে গুৰুজনাই কোঁচৰজা নৰনাৰায়ণৰ চেষ্টা আৰু আগ্ৰহৰ ফলস্বৰূপে কোঁচ-ৰাজ্যত প্ৰবেশ কৰা বুলি মন্তব্য দিছে সেইসকলেও অন্ততঃ ১৪৮০ শকৰ আগত নৰনাৰায়ণৰ লগত গুৰুজনাৰ দেখা-সাক্ষাত হোৱা বুলি প্ৰমাণ দিব পৰা নাই।

গুৰুজনাৰ আহোম ৰাজ্য ত্যাগ :

ইফালে বেহাৰ নালাগে পাটবাউসীত থিতাপি লোৱাৰ আগেয়ে তেৰাই অন্যস্থানত সুচল ঠাই বিচাৰি তিনি বছৰকৈ কাল কটোৱাৰ কথা ওপৰত উল্লেখ কৰি অহা হৈছে। গতিকে গুৰুজনাই আহোম ৰাজ্যত ভোগ কৰা আতিশয্যৰ হাত এৰাবলৈ আপোন ইচ্ছাতে আহোম ৰাজ্য ত্যাগ কৰি কোঁচ ৰাজ্যত প্ৰবেশ কৰে বুলি ঠাৱৰাব পাৰি। অৱশ্যে এই কথা ঠিক যে নিজেও পণ্ডিত আৰু পণ্ডিতৰ গুণগ্ৰাহী ৰজা নৰনাৰায়ণৰ বিষয়ে সবিশেষ শুনি গুৰুজনাই তেওঁৰ ৰাজ্যত আহোম ৰাজ্যত ভোগ কৰা অশান্তি আৰু বিৰুদ্ধাচৰণ ভোগ কৰিব লগা নহব বুলি মনতে ভাবিছিল। ৰামচৰণ ঠাকুৰৰ চৰিতত আছে—

নৰনাৰায়ণ নামে আছে এক ৰাজা।
পৰম পণ্ডিত ধৰ্ম্ম পথে পালে প্ৰজা॥
শুক্লধ্বজ নামে তান ভাই গুণানয়।
ধুঞাহাটা হন্তে শুনে লোক সমস্তয়॥
গীত কবিত্ব গুণ শুনিয়া ৰাজাৰ।
তান ৰাজ্যে যাইবে মন ভৈল শঙ্কৰৰ॥

দৈত্যাৰি ঠাকুৰে আকৌ লিখিছে—

সেহি সময়ত নৰনাৰায়ণ ৰজা।
মাৰিবে আসাম ৰাজ্য সাজি গৈলা প্ৰজা॥
আগহুয়া লোক পাছে কৰি বাৰ্ত্তা দিলা।
আপোন ইচ্ছায়ে লোক সমস্তে আসিলা॥

ইয়াৰ লগতে কামৰূপ ৰাজ্যত ভক্তি-ধৰ্ম প্ৰচাৰ কৰাটোও গুৰুজনাৰ কোঁচ ৰাজ্যলৈ যোৱাৰ অন্যতম কাৰণ। ৰামচৰণ ঠাকুৰে স্পষ্টকৈ উল্লেখ কৰিছে— "ভক্তি প্ৰকাশিতে কামৰূপে আছে মন।"

যি নহওক, গুৰুজনাই জ্ঞাতি-গোত্ৰ, ইষ্ট-কুটুম্ব আৰু ভক্ত সমন্বিতে ১৪৬২ শকত আহোম ৰাজ্য ত্যাগ কৰি কোঁচ ৰাজ্য অভিমুখে নাৱেৰে ভটিয়াই আহিল। চৰিতত বৰ্ণনা কৰামতে গুৰুজনা এইদৰে ভটিয়াই অহাৰ সময়ত লগৰ মানুহ আৰু বয়-বস্তু অনুপাতে নাও কম হোৱাত কলগছ কাটি নাৱৰ দুয়োফালে বান্ধি দিয়া হৈছিল। সেইবাবে গুৰুজনাই প্ৰথমে যাত্ৰা আৰম্ভ কৰা ব্ৰহ্মপুত্ৰৰ সেই সুঁতিৰ নাম পিছত কলকাটী বা কলাকটা হয়। নাৱৰ বোজা পাতলাবৰ বাবে এইদৰে কলগছ বান্ধি লোৱা কথাৰ পৰা বহুতে ভাসমান ভকতে ডুবৰান্ধি গুৰুজনাৰ লগত যোৱা বুলি বৰ্ণনা কৰিছে। গুৰুজনাই ধুঁৱাহাটা এৰি পাটবাউসীত থিত লোৱালৈকে পথত যি যি সমূহ ঠাই পাই গৈছিল আৰু যি সমূহ স্থানত ক'তো ৰাতিটো বা ক'তো ছমাহ-বছৰেক থাকি গৈছিল সেই সমূহ ঠাইৰ উল্লেখ চৰিতত এই অনুক্ৰমে কৰিছে— সাধনাৰ ঘাট, খাগৰিকটা, কলিয়াবৰ, সিঙ্গৰী (শিঙৰী), দৰঙ্গ, কুৱাৰগাওঁ, বনভাগ, বৰভাগ, খেত্ৰ (ক্ষেত্ৰী) কপলা, সুন্দৰী, বাৰাদি, চৰ্পটেশ্বৰ, গয়াজান, চুণপৰা বা পালেংদিবৰি, কুমাৰকুছি, গণককুছি আৰু তাৰ পিছত পাটবাউসী। পথত যাওঁতে যিসমূহ ঘটনা ঘটিছিল তথা দুইজনা গুৰুৰ যিসমূহ লীলা প্ৰকাশ পাইছিল সেইসমূহ অসমৰ একশৰণ বৈষ্ণৱ ধৰ্মৰ ভক্তি-তত্ত্বৰ অপূৰ্ব নিদৰ্শন।

মাধৱদেৱৰ ভকত সৰ্ব্বস্ব :

শুকৰজনা কলাকটা নৈয়েদি গৈ মাধৱনাৰ ঘাট পাওঁতেই গুৰুৰ পদ সেৱা-আকাঙ্ক্ষী দুজন ভকত আছি তেওঁলোককো লগতে আনিবলৈ গুৰুজনাক প্ৰাৰ্থনা জনালে। কিন্তু গুৰুজনাৰ নাৱত ঠাই নোহোৱাত তেওঁলোকক পিছৰ নাৱত আহিবলৈ কৈ গুৰুজনা ভটিয়াই গ'ল। শেষত আছিল ধৰ্মৰ কাণ্ডাৰী ছোট আতা মাধৱ-দেৱৰ নাও, লগত বৈনায়েক ৰামদাস, মাতৃ মনোৰমা আৰু আন আন ভকতসকল। পাৰত অপেক্ষা কৰি থকা ভকত দুজনে তেওঁলোককো লগত আনিবলৈ প্ৰাৰ্থনা জনোৱাত ৰামদাস আৰু লগৰ অন্যান্য ভকতসকলে বয়বস্তু আৰু যাত্ৰীৰে ভৰপূৰ হৈ থকা নাওখনত আৰু লোক বহুৱাবলৈ ঠাই নুজুৰিব বুলি তেওঁলোকক এৰি থৈ আহিব খুজিলে। কিন্তু ভগৱন্তৰ প্ৰকৃত নিবাস ভকতৰ প্ৰতি লগৰ ভকতসকলৰ এনে অভাৱনীয় ব্যৱহাৰত মাধৱদেৱৰ অন্তৰে কান্দি উঠিল। তেওঁ বিনীত ভাৱে সকলোকে ক'লে—

> "(বোলন্ত মাধৱ) তোৰা বাধা নকৰিবা ॥
> মোহোৰ ভাগৰ দুই জাপাক পেলাইবো।
> তথাপিতো ভকত সৰ্ব্বস্ব লৈয়া যাবো ॥

এইবুলি নিজৰ বয়-বস্তুৰ জপা দুটা পানীত পেলাই দি তাতে ভকত দুজনক বহুৱাই লৈ মাধৱদেৱ আগবাঢ়িল।

কলিয়াবৰত এৰাতি : মাধৱৰ গুৰুসেৱাৰ কাষ্ঠা :

এইদৰে তেওঁলোক ভটিয়াই যাওঁতে য'তে ৰাতি হয় ত'তে ৰাতিটো কটাই পিছদিনা পুৱাই পুনৰ নাও মেলি কামৰূপ ৰাজ্যৰ ফালে আগবাঢ়ে। মাধৱদেৱে সদায় সকলোৰে পিছত নাও মেলিলেও তেৰাৰ গুৰু সেৱাৰ কাষ্ঠা ইমান প্ৰবল আছিল যে তেৰাই খৰকৈ নাও বাই সকলোৰে আগ হৈ গুৰুজনাৰ কাৰণে ঠাই অঁতাই বহা পাৰ্হি সকলো সাজ-সৰঞ্জাম যতনাই ৰাখে। এইদৰে গৈ তেওঁলোকে

খাগৰিকটা এৰি কলিয়াবৰ পালেহি। ইতিমধ্যে সন্ধ্যা হৈ অহাত মাধৱদেৱে নাও বান্ধি ভাল ঠাই চাই ৰন্ধা সাজি প্ৰয়োজনীয় সকলো যোগাৰ কৰিলে। গুৰুজনা আহি সেই স্থানত উপস্থিত হলহি। মাধৱদেৱে নাও বান্ধিবৰ কাৰণে গুৰুজনাক অনুৰোধ জনালে। গুৰুজনাই কিন্তু সেই স্থানত নাও নাবান্ধি নৈৰ এটি কেঁকুৰি পাৰ হৈহে নাও বান্ধিলেগৈ। চৰিতৰ বৰ্ণনা অনুসৰি মাধৱক পৰীক্ষা কৰাৰ মানসেহে গুৰুজনে এইদৰে কূট কৰি আগবাঢ়িছিল। ইয়াৰ আগেয়ে সাধনাৰ ঘাটত গুৰুজনে ভকতৰ প্ৰতি থকা মাধৱদেৱৰ ঐকান্তিক আগ্ৰহ আৰু শ্ৰদ্ধাৰ প্ৰমাণ পাই আছিছে। এতিয়া গুৰুৰ প্ৰতি মাধৱৰ কাণ্ঠা পৰীক্ষা কৰিবৰ কাৰণে গুৰুজনে এই কৌশল গ্ৰহণ কৰিলে। মাধৱদেৱ পৰীক্ষাত উত্তীৰ্ণ হ'ল— তেৰাই গুৰুজনাৰ সেৱাৰ কাৰণে, উতলা ভাতো এৰি থৈ, পুনৰ নাও মেলি গুৰুজনা থিবোৱা স্থানত উঠিলগৈ। মাধৱদেৱৰ এই গুৰুভক্তিৰ প্ৰমাণ পাই গুৰুজনাই কৰা খেদৰ কথা ৰামচৰণ ঠাকুৰে এনেদৰে বৰ্ণনা কৰিছে—

শঙ্কৰে বোলন্ত তেবে অকাৰ্য্য কৰিলোঁ।
কূটবুদ্ধি কৰি মই ভাঠিয়ে আছিলোঁ॥
মই বোলোঁ মাধৱে ভোজন কৰিবন্ত।
পাছতেসে আমাৰ পাশক আসিবন্ত॥
এক্ষ কৰি ভাত এৰি আসিবাহা যেবে।
আমিতো তহিতে বঞ্চিলোঁাহো হুন্তে তেবে॥

গুৰু-শিষ্যৰ অপূৰ্ব প্ৰেমৰ সাধাৰণ ঘটনাটি ঘটা কলিয়াবৰৰ এই স্থানডোখৰ কোনখিনিত সেই কথা চৰিত তথা বুৰঞ্জীয়ে নিৰ্দেশ কৰা নাই। কিন্তু ঠাই-নামবপৰা অনুমান হয় যে কলিয়াবৰৰ পশ্চিম অঞ্চলত অৱস্থিত ব্ৰহ্মপুত্ৰৰ বালি-চাপৰিৰ ভুৰবন্ধাতে গুৰুজনে এই অপূৰ্ব নিশা অতিবাহিত কৰে। ৰামানন্দ দ্বিজে বৰ্ণনা কৰা, ধুঁৱাহাটা এৰা সময়ত ভালেমান ভকতে কলগছৰ ভুৰ সাজি গুৰুজনাৰ

লগত জড়িয়াই আছে। কথাবাৰেও এনে অনুমানৰ ইন্ধন যোগায়। যি নহওক, এই অপূৰ্ব নিশা তুজনা গুৰু আৰু ভকত বৈষ্ণৱসকলৰ পদৰেণু পৰি আৰু পৰম অমৃত কৃষ্ণ-কথা চৰ্চাত পবিত্ৰ হোৱা (কৃষ্ণৰ কথাতে সিটো ৰজনী পোহাইলা) কলিয়াবৰ আজিও মহাপুৰুষীয়া ধৰ্ম, সাহিত্য, কৃষ্টি, সংস্কৃতি চৰ্চাৰ এক উল্লেখযোগ্য স্থান।

বৰদোৱালৈ যাবৰ বাবে গুৰুজনাৰ অস্বীকাৰ :

কলিয়াবৰত ৰাতিটো কটোৱাৰ পিছত পিছদিনা পুনৰ নাও মেলি গৈ তেবাসৰ শিঙ্গাৰীৰ ঘাট পালেগৈ। এই শিঙ্গৰিঘাটৰ পৰাই গুৰুজনে ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰলৈ আঙুলিয়াই মাধৱক পূৰ্ব-জন্মভিঠা বৰদোৱা দেখুৱায়। গুৰুজনাৰ বাল্য লীলাভূমি আৰু তাত থকা বিভিন্ন পবিত্ৰ চিহ্নসমূহ দৰ্শন কৰিবৰ কাৰণে মাধৱদেৱৰ প্ৰবল আগ্ৰহ উপজিল। কিন্তু গুৰুজনাই পুনৰ বৰদোৱালৈ যাবলৈ অস্বীকাৰ কৰি মাধৱৰ সকলো অনুৰোধ প্ৰত্যাখ্যান কৰিলে। শেষত যিটি যুক্তি দি বৰদোৱালৈ নাযাবৰ বাবে গুৰুজনাই মাধৱ-দেৱক সৈমান কৰালে ৰামচৰণ ঠাকুৰে সেই কথা উল্লেখ কৰি লিখিছে—

> ইটো থানে উঠিলে নপাৰে যাইবাক।
> সেহিসে কাৰণে মাধৱক দেই হাক॥
> ভক্তি প্ৰকাশিতে কামৰূপে আছে মন।
> সেহি হেতু মুঠিলন্ত বৰদোৱা থান॥

কপলাবৰিত ছমাহ :

এইদৰে গৈ গুৰুজনা কামৰূপ ৰাজ্যত প্ৰবেশ কৰিলেগৈ। কামৰূপ ৰাজ্যত একাদিক্ৰমে দৰঙ্গ, কুৱাবগাওঁ, বনভাগ, বৰভাগ এৰি খেহদেশ (ক্ষেত্ৰী) পালেগৈ। ইয়াৰেপৰা ব্ৰহ্মপুত্ৰৰ সুঁতি ৰুদ্ৰী-লৌহিত্যে সোমাই কপলা বিলৰ পাৰত এটি ৰবি (নৈয়ে চৌউৱা

অঞ্চলৰ ওখ ঠাই) পাই তাতে ঘৰ-বাৰী সজাই ছমাহ ব'ল। ইতিমধ্যে কাতিমাহ পৰিল; ব্ৰহ্মপুত্ৰৰ এবাস্তুঁতিত মাছ উভৈনদী। ভকতসকলে অধিক পৰিমাণে মাছ খোৱাৰ ফলত থাৰ-জ্বৰে (কলেৰা) ধৰি তাতে ল'ৰাই-ছোৱালীয়ে প্ৰায় ছকুৰি ভকতৰ হানি হ'ল; সৰ্বজয় আতৈ আৰু ছোট আতাৰ মাতৃ মনোৰমাৰো পৰলোক প্ৰাপ্তি ঘটিল। অনেক ভকত হানি হোৱাত গুৰুজনাৰ মনত ৰৰকৈ খেদ উপজিল। তেৰাই ঠাইখন অন্যান্য কাৰণতো সুবিধাজনক যেন নেদেখি (কৰাকুছি কপলা নাহিকে ইটো ভাল) মনোৰমা আই-মাতৃৰ দশা-কৰ্ম সমাপন কৰাৰ পিছত সকলো ভকতক লৈ পুনৰ বুঢ়ীগঙ্গাইদি গৈ সুন্দৰী পালেগৈ। গুৰুজনে সুন্দৰীত বোৱাটোও উচিত নহব ভাবি ভটিয়াই গৈ চিৰলীয়ামুখৰ বাৰাদি পালেগৈ। ইতিমধ্যে মনোৰমা আইৰ মাহেকীয়া শ্ৰাদ্ধৰ সময় পালেহি। ঠাইখনৰ বিষয়ে সবিশেষ বুজ লৈ মিছা, বেশ্যা আদি সেই স্থানত একো নাই জানি আৰু বিশেষতঃ, চকিয়ামাজি নামে এজন সজলোক পাই মাধৱৰ সকলো বিপৰ্য্যয়ৰ কথা বিবৰি কৈ ৰামদাসৰে সৈতে মাধৱক তেওঁৰ ঘৰতে থলে। মাজিয়েও মাধৱৰ দৰে গহীন, গম্ভীৰ, ধীৰ আৰু দেখাতেই প্ৰশান্ত পৰম পণ্ডিত মাধৱক পাই "ইমত পুৰুষ আমি কত ভাগ্যে পাইবো" বুলি নবীন গৃহ সজাই ছোট আতাক থাকিবৰ ঠাই দি নিতে সেৱা-শুশ্ৰূষা কৰি নিজৰ ভাগ্যক ধন্য মানিলে।

ধৰ্মীয় বিৰোধৰ প্ৰতি গুৰুজনাৰ সাৱধানতা :

গুৰুজনে বাৰাদি এৰি নিগাজীকৈ বসতি স্থাপন কৰিবৰ কাৰণে আহল-বহল আৰু সকলোপ্ৰকাৰ সুবিধাযুক্ত এডোখৰ ঠাইৰ সন্ধানত আগবাঢ়িল। গুৰুজনা গৈ চৰ্পটেশ্বৰ (চপৰা) গাওঁ পাইছিলগৈ। কিন্তু চৰ্পটেশ্বৰ গাওঁ আৰু সেই গাৱঁৰপৰা পশ্চিম অঞ্চলটোত শৈৱ-ধৰ্মৰ প্ৰাধান্যৰ কথা জানি গুৰুজনা আৰু আগ

নাবাটিল। তেওঁৰ লগৰ ভকতজনকলক ক'লে—

পৰম লুভীয়া শিৱ দিনে লাগে পূজা।
আমাসাক পাইয়া নধাইবেক একো প্ৰজা ॥
নপাইবেক পূজা একো ছুহিবে মৰ্য্যদা।
শিৱ সমে দন্দ লাগি থাকিবে সৰ্ব্বদা ॥

গতিকে বৈষ্ণৱ বাবে এই অঞ্চলটো "থাকিবৰ নোহে থান" বুলি কৈ গুৰুজনা তাৰেপৰা পুনৰ উজাই আহিল।

পালেংদিবৰি বা চুণপৰাত গুৰুজনাঃ

চৰ্পটেশ্বৰ গাৱঁৰ পৰা উজাই আহি গুৰুজনা গয়াজানেদি সোমাই বৰপেটা বিলৰ পাৰৰ পালেংদিবৰিত উঠিলগৈ। বিলৰ পাৰতে এজোপা বৰ ডাঙৰ পাবলি গছত চৰায়ে লাদি বগাকৈ থৈছিল। সেই কাৰণে এই ঠাইখনক তেৰাসৱে চুণপৰা বুলিছিল; ইয়াৰ ভাটিকালে চমাৰ আৰু হীৰাসকলৰ ঘৰ। পালেংদিবৰিৰ চুণপৰা নাম সম্পৰ্কত কথাগুৰু-চৰিতে আন এটি আখ্যান সংযোগ কৰিছে: "প্ৰথমে কোৰ চাৰ মাৰি বিৰিণা জোপ উভাৰি এচক চুণ ওলাল, পোৰা শামুক। আৰু কৃষ্ণদেউ ৰুক্মিণী সৈতে অজ্ঞাত কুণ্ডিলাতে গুৱা ভোজন কৰাত টেমিৰ চুণ পৰিছে, এতেকে চুণপৰা।" গুৰুজনাই ঠাইডোখৰ সকলোপ্ৰকাৰে স্থচল যেন দেখি হাবি-বন কাটি ঘৰ সাজি তাতে বাস কৰিবলৈ ল'লে। চৰিতে উল্লেখ কৰা সময় অনুসৰি ধুঁৱাহাটা এৰাৰপৰা ইতিমধ্যে সাতমাহ কাল পাৰ হয়, অৰ্থাৎ ১৪৬৩ শকৰ মাজভাগত গুৰুজনাই চুণপৰাত বসতি স্থাপন কৰে। ইয়াৰ আগলৈকে কামৰূপ ৰাজ্যত গুৰুজনাৰ ধৰ্মৰ কথা প্ৰচাৰ হোৱা নাছিল— "সেই দেশত সকলো গুৰু পতিকা শিখা লয় সোহল নদীয়া চৈতন্যৰ।" গুৰুজনাই চুণপৰাত বসতি স্থাপন কৰাৰ পিছৰপৰাহে ভকতসকলৰ মুখে তেৰাৰ পবিত্ৰ ধৰ্মৰ কথা চতুৰ্দিশে প্ৰচাৰ হোৱাত বিভিন্ন স্থানৰপৰা লোক আহি গুৰুজনাৰ প্ৰচাৰিত

নাম-ধৰ্ম গ্ৰহণ কৰিছিল। চুণপৰাত গুৰুজনা এবছৰ কাল আছিল।

ভবানন্দ সাউদ :

চুণপৰাতে গুৰুজনাই আন এজন মহান শিষ্যৰ লগ পায়— তেৱেঁই হ'ল নাৰায়ণ দাস ঠাকুৰ আতা। আতাৰ পূৰ্বৰ নাম ভবানন্দ সাউদ। কথাগুৰু চৰিতে ভবানন্দক বৰাহৰূপী বিষ্ণু আৰু বসুমতীৰ পুত্ৰ নৰকৰ বংশধৰ বুলি চিনাকি কৰিছে। ভবানন্দৰ পিতৃৰ নাম্‌ ধৰ্ম; জন্মস্থান 'গুৱাহাটীৰ উত্তৰপাৰে দুই পৰ্বতৰ মাজে, মালৌ বোলে'। সৰুৰেপৰা তেওঁ গহীন, গম্ভীৰ, ধীৰ আৰু শান্ত স্বভাৱৰ। কথাগুৰু চৰিতত ভবানন্দৰ বাল্যকালৰ কথা প্ৰসঙ্গত লিখিছে— "পাঁচ বৰ্ষৰেপৰা সমনীয়া শিশুসৱেৰে বালিয়ে-ধূলিয়ে গৰু চৰাওঁতে প্ৰীতিকৈ ফুলে-জলে হৰিকেসে পূজে। উমলাওঁতে বৃন্দাবনৰ খেলাহে কৰে।" পিছে যোল্ল বছৰ বয়সত ভবানন্দই পিতৃক হেৰুৱাই খুৰাকৰ লগত গৈ 'কামৰূপ আৰু গোৱালপাৰা জিলাৰ সীমনাত' বৰনগৰৰ নামে মানাহ আৰু চাউলখোৱা নদীৰ মিলন স্থলৰ হালধা বা হালধীয়া পাৰত ৰ'লগৈ। কথাচৰিত মতে এই 'হালধা গ্ৰাম' জিলা নগৰৰ উত্তৰে অৱস্থিত।

গুৰুজনাৰ ধৰ্মৰ বিষয়ে শুনাৰ আগতে ভবানন্দই শ্ৰীচৈতন্য-দেৱৰ যোল্ল নাম গ্ৰহণ কৰিবৰ আয়োজন কৰিছিল। ইতিমধ্যে বেহালৈ আহোঁতে ভবানন্দই সোণকোষ নৈৰ পাৰৰ সণ্ডৰাগ্ৰামত গুৰুজনাৰ ধৰ্ম গ্ৰহণ কৰা ভাস্কৰ বিপ্ৰক (গুৰুজনা ধুঁৱাহাটাত থাকোঁতেই ভাস্কৰ বিপ্ৰই তেওঁৰ ধৰ্ম গ্ৰহণ কৰিছিল) লগ পায়। পৰস্পৰ পৰিচয় হৈ কথা-বতৰা হওঁতে বিপ্ৰই গম পালে যে ভবানন্দই শ্ৰীচৈতন্যদেৱৰ ধৰ্ম গ্ৰহণ কৰিবৰ আয়োজন কৰিছে। তেতিয়া তেওঁ ভবানন্দক গুৰুজনা যে ভগৱানৰে অৱতাৰ আৰু তেওঁৰ প্ৰচাৰিত একশৰণ নাম-ধৰ্মইহে যে কলিকালৰ একমাত্ৰ শ্ৰেষ্ঠ ধৰ্ম এই বিষয়ে সবিশেষ কৈ সেই ধৰ্ম গ্ৰহণ কৰিবলৈ পৰামৰ্শ দিলে।

আচন্ত শঙ্কৰ কৃষ্ণ অংশ অৱতাৰ।
পদবন্ধে ভাগৱত কৰিলা প্ৰচাৰ ॥
কৃষ্ণৰ ভকতি পন্থ কৰিছা বেকত।
নামৰ কীৰ্ত্তন কৰি তৰয় জগত ॥

কথামতে, গুৰুজনাৰ সন্ধানত উজনিলৈ নাও মেলি ভবানন্দ সদাগৰ বাৰাদি পালেগৈ। তাতে তেওঁ ভকতৰ মুখত গুৰুজনাৰ ভণিতাযুক্ত গীত শুনি নাও ৰাখিলে আৰু খবৰ লৈ জানিব পাৰিলে যে গুৰুজনাই কামৰূপ ৰাজ্যত ধৰ্ম প্ৰচাৰ কৰিবৰ উদ্দেশ্যে উজানৰপৰা আহি চুণপৰাত উপস্থিত হৈছেহি। ভবানন্দই পলম নকৰি একজন ভকতক লগত লৈ চুণপৰাত উপস্থিত হ'লগৈ। চৰিতৰমতে ভবানন্দ গুৰুজনাৰ ওচৰত উপস্থিত হোৱাৰ সময়ত গুৰুজনাই পশ্চিমলৈ মুখ কৰি হাবি কটাই আছিল। হঠাৎ একজন লোকৰ ছাঁ তেৰাৰ পদত পৰাত তেৰাই 'নাৰায়ণ' নাম উচ্চাৰণ কৰি উভতি চাই ভবানন্দক দেখা পালে। পৰিচয় লৈ আগমনৰ কাৰণ জানি গুৰুজনাই বোলে, "তোমাক দেখি চাৰিবেদৰ সাৰ চাৰি-বস্তুৰে পৰম মঙ্গল নাৰায়ণ নাম উচ্চাৰণ হ'ল এতেকে তিনি পূৰ্ণত্তম ভৱকৈ সম্পূৰ্ণ নাৰায়ণ নাম থাকক।" সেইদিনাৰপৰা ভবানন্দৰ আন নাম হ'ল নাৰায়ণ দাস। এওঁকে ঠাকুৰ আতা বা নাৰায়ণ দাস ঠাকুৰ আতাও বোলা হয়। যথাসময়ত ঠাকুৰ আতাই মাহ-চাউল, গুৱা-পাণ আগবঢ়াই গুৰুজনাত শৰণ ললেহি। ইয়াৰ পিছতে তেওঁ গুৰুজনাৰপৰা 'ভক্তি-প্ৰদীপ' পুথিখনি খুজি নি তাকে থাপনাত পাতি ঘৰৰ সকলোকে শৰণ কৰালে আৰু নিতে সেই থাপনাতে গুৰু সেৱা কৰিবলৈ ধৰিলে। ক্ৰমান্বয়ে তেওঁ গুৰুজনাৰ প্ৰতি ইমান অনুৰক্ত হৈ উঠিল যে হাজধা গ্ৰামৰপৰা সদায় গুৰুজনাৰ স্থানলৈ অহা-যোৱা কৰাত অসুবিধা হোৱা বাবে তেওঁ অৱশেষত সেই ঠাই এৰি ভনিয়াত ঘৰ-বাৰী সাজি স্থায়ীভাবে থাকিবলৈ ললে আৰু তাৰেপৰা নিতে আহি গুৰুজনাৰ ওচৰত শাস্ত্ৰ-চৰ্চ্চা শুনেহি। ঠাকুৰ আতাও ছোট আতা 'বাকুৰ-

মাধৱ'ৰ দৰেই গুৰুজনাৰ এজন প্ৰিয় শিষ্য। গুৰুজনাৰ ধৰ্মৰ প্ৰতি ঠাকুৰ আতাৰ নিষ্ঠা আৰু আধ্যাত্মিক বিষয়ত তেওঁৰ পাণ্ডিত্যৰ কথা অসমীয়া বৈষ্ণৱ সাহিত্যৰ আপুৰুগীয়া সম্পদ চৰিতৰাসমূহত প্ৰকাশ পাইছে। গুৰুজনা চুণপৰাত থকা সময়ছোৱাৰ ভিতৰত আন আন যিসকল লোকে তেখাৰ ওচৰত শৰণ লৈছিলহি তেওঁলোকৰ ভিতৰত মুখ্যসকল হ'ল জয়ন্তীৰ মাধৱ, গোবিন্দ গৰমলি আৰু বুঢ়া গোপাল।

ঠাকুৰ আতাৰ শৰণৰ পিছতে গুৰুজনাৰ কৃপাত তেওঁৰ লগত ছোট আতা মাধৱদেৱৰ পৰিচয় ঘটে আৰু দুয়োৰে মাজত গভীৰ সৌহাৰ্দ্য গঢ়ি উঠে। ইতিমধ্যে মাধৱদেৱৰ মাতৃৰ আদ্য-শ্ৰাদ্ধৰ সময় উপস্থিত হ'ল। চৰিত অনুসৰি এই শ্ৰাদ্ধত ঠাকুৰ আতাই সখি মাধৱক বিশেষভাবে সহায় কৰিছিল। সকলো সম্ভাৰ গোটাই লৈ মাধৱদেৱে উৎসৱৰ আয়োজন কৰিলে। যথাসময়ত নাম-কীৰ্তন কৰি শ্ৰাদ্ধৰ কাৰ্য্য সমাপন কৰিলে আৰু শেষত 'পত্নী-প্ৰসাদ নাচ' অভিনয় কৰিলে। বিভিন্ন স্থানৰপৰা লোক আহি অভিনয় দৰ্শন কৰিলেহি আৰু কৃষ্ণ-ভক্তি প্ৰেম-ৰসত আকুল হৈ ক্ৰমান্বয়ে তাঁতীকুচি, বামুণা আদি বিভিন্ন স্থানৰপৰা লোক আহি গুৰুজনাৰ পবিত্ৰ ধৰ্ম ধৰিলেহি।

গণককুছিত গুৰুজনা :

এইদৰে চুণপৰাত এবছৰ কাল কটোৱাৰ পিছত গুৰুজনা গণকপাৰা বা গণককুছিলৈ যায়। কিন্তু গণকপাৰাতো গুৰুজনে অসুবিধা পোৱাত তাত মাত্ৰ তিনিমাহ কাল থাকি তাৰপৰা কুমাৰকুছিলৈ উঠি যায়। গুৰুজনা গণকপাৰাত থকা কালত ছোট আতা মাধৱ-দেৱ নিতৌ বৰোদিৰপৰা গুৰুজনাৰ থানলৈ অহা-যোৱা কৰাত অসুবিধা হোৱা বাবে ঠাকুৰ আতাই মাধৱক আনি দীঘলা কাথৰ (কায়স্থ) ঘৰৰ ওচৰৰ এজন গণকৰ বাৰীত ঘৰ-দুৱাৰ সজাই তাতে থাপিলে। এইছোৱা সময়ত মাধৱদেৱৰ লগত ৰামদাসৰ উপস্থিত মহাকালীৰাম

নামে আন এজন ভকতো আছিল। মহাকালীৰাম আগেয়ে ভবানন্দ সাউদৰ নাৱৰ গুৰিয়াল আছিল আৰু পিছত ভবানন্দ বা ঠাকুৰ আতাৰ শৰণৰ পিছত তেওঁ আহি গুৰুজনাত শৰণ লৈ ভকত হ'লগৈ।

কুমাৰকুছিত গুৰুজনা :

কুমাৰকুছি বা কুমাৰপাৰা কটকতলী বিলৰ পাৰত। গণক-কুছিৰপৰা আহি গুৰুজনা এইস্থানত এবছৰ কাল আছিল। ইয়াতে, ৰামচৰণ ঠাকুৰৰ মতে বসতি লোৱাৰ তিনিদিনৰ অন্তত, গুৰুজনাৰ স্নেহলীয়া কন্যা বিষ্ণুপ্ৰিয়াৰ পৰলোক ঘটে। সেইবাবে গুৰুজনাই কুমাৰকুছিত থকা কালছোৱা মনত সদাই অসুখ কৰি আছিল। ভকতসকলেও ইয়াত অন্যান্য কিছুমান অসুবিধা ভোগ কৰিছিল। ঐকান্তিক ভক্ত ছোট আতা মাধৱদেৱৰ ভাষত, প্ৰাণোপম কন্যা বিষ্ণুপ্ৰিয়াৰ মৃত্যুত বিষাদ কৰি গুৰুজনে যেন বিষয়াসক্ত লোকক সংসাৰ-দুখ নিৰ্য্যাতনৰপৰা ত্ৰাণ পাবৰ হেতু বিষয়াসক্তি ছেদন কৰাৰ শিক্ষাহে দান কৰিলে—

গৃহাশ্ৰম কৰিলে দেখিয়ো হেন হয় ॥
যদ্যপিতো অগনি মহা তেজস্বী হোৱয়।
তথাপিতো কতো বেলা ধূম্ৰে ঢাকি থয় ॥
চক্ৰবৰ্ত্তী ৰাজা যেন মৰে হাল বাই।
সেহিমত গৃহাশ্ৰমে কিছু সুখ নাই ॥
মহাজ্ঞানীগণে আঁক নকৰয় ইচ্ছা।
পুত্ৰ-ভাৰ্য্যা মহাভাৰ দেখে সৱে মিছা ॥

যি নহওক, গুৰুজনে কুমাৰকুছিত অনেক প্ৰকাৰ অশান্তি পাই তলে তলে সুবিধাজনক ঠাই চাই পাটবাউসীলৈ উঠি যোৱাৰ ব্যৱস্থা কৰিছিল। গুৰুজনে কুমাৰকুছিত পোৱা অন্যান্য অসুবিধাৰ ভিতৰত পানীৰ অসুবিধাই প্ৰধান আছিল। কাৰণ কটকতলী বিলত বাইজে সঘনে 'মাছ মাৰি' থকাৰ কাৰণে বিলৰ পানী ঘোলা

পৰিছিল। ফলত, গুৰুজনে কেন্দ্ৰিয়াবা লখোনে কটাৰলগীয়াও হৈছিল; অৱশ্যে পিছত নাৰায়ণ ঠাকুৰে গুৰুপত্নীবপৰা এই কথা জানি ভবানীপুৰৰ গোপাল আতাৰ হতুৱাই, তেৰাই পানী খাবৰ নিমিত্তে, এটা পাট-কুঁৱা কৰাই দিছিল।

ৰামচৰণ ঠাকুৰৰ চৰিতত গুৰুজনাই গণককুছি আৰু কুমাৰকুছি ত্যাগ কৰা সংক্ৰান্তত লিখিছে—

দেখিয়োক ইহাৰ কুমাৰ পাৰা নাম।
কুকামত বিনে আত নাহিকে সুকাম॥
গণকৰ নামে সিয়ো ঠাই নহে ভাল।
ইয়াত থাকিলে মিলিবেক গ্ৰহকাল॥

অনাদি পাতন ৰচনা :

ইয়াৰ লগতে কথাচৰিতত উল্লেখ কৰা 'অনাদি পাতন' ৰচনাৰ প্ৰসঙ্গটো মিলাই চালে গুৰুজনাই কুমাৰকুছিত থাকোঁতেই 'অনাদি পাতন' ৰচনা কৰে বুলি অনুমান হয়। কথাচৰিতত অৱশ্যে গুৰুজনাই কুমাৰকুছিত বসতি কৰাৰ বৰ্ণনা তেৰাই চুণপৰাত কটোৱা কালৰ বৰ্ণনাৰ পিছতে উল্লেখ কৰিছে আৰু তাৰ পিছত গণককুছি প্ৰসঙ্গতহে 'অনাদি-পাতন' ৰচনাৰ কথা কৈছে। কি, অন্যান্য সকলো চৰিতে গুৰুজনা গণককুছিৰপৰাহে কুমাৰকুছিলৈ যোৱা বুলি ধৰিছে। অনাদি পাতন ৰচনাৰ উল্লিখিত প্ৰসঙ্গ অনুসৰি বুঢ়া দৈৱজ্ঞ আতৈৰ জ্যোতিষত 'ৰৱ আস্তিক'। গুৰুজনাৰ কথাত তেওঁলোকক দেখুৱাই জ্যোতিষ ত্যাগ কৰিলে, ইফালে ঘৰৰ পাছফালে পিৰালি কাঠিত মনে মনে জ্যোতিষ পঢ়ি থাকে। এইদৰে একোপধো আতৈক জ্যোতিষ এৰুৱাব নোৱাৰি গুৰুজনাই অৱশেষত জ্যোতিষ মিশ্ৰ দি তৃতীয় স্কন্ধ ভাগৱতৰ কথাৰে 'অনাদি পাতন' গ্ৰন্থ ৰচনা কৰে। অনাদি পাতনত বামন পুৰাণৰো কথা মিশ্ৰ দিয়া হৈছে—

মহাভাগৱত পদ অমৃত সাক্ষাত ।
বামণ পুৰাণ কিছু মিশ্র দিলো তাত ॥
শুনা সাৱধান মতে যত সভাসদ ।
তৃতীয় স্কন্ধৰ মহাভাগৱত পদ ॥

পাটবাউসীত গুৰুজনা :

গুৰুজনা পাটবাউসীলৈ উঠি যোৱাৰ ইচ্ছাৰ কথা সেই অঞ্চলৰ লোকে গম পাই সকলোৱে মিলি পৰম আনন্দে ধেনুখন্দা বিলৰ ওচৰতে গুৰুজনাৰ কাৰণে ঘৰ-বাৰী আৰু কীৰ্তন ঘৰ সজাই দিলে । ঠাইখনৰ নামৰ সম্পৰ্কত বেজবৰুৱাই লিখিছে— "আগেয়ে তাত ৰজাৰ পাটনগৰ আছিল দেখি তাক পাটবাউসী বোলে" । ৰামচৰণ ঠাকুৰে আনহাতে বাউসী নামৰ অন্বয় দিছে—

"………আত সাধু আছে লোকজন ॥
সত্য ব্যতিৰেকে মিছা নুবুলে বচন ।
নাহি মিছা বেশ্যা চোৰ টেণ্টন টামন ॥
এতেকে সেহিটো দেশ বাউসী বোলয় ।

যথাসময়ত ৰামৰায়কে আদি কৰি অন্যান্য ভকতসকলক লগত লৈ গুৰুজনা পাটবাউসীত উপস্থিত হ'লগৈ ; ঠাকুৰ আতা আৰু ছোট আতা মাধৱদেৱে তেৰাক গৃহলৈকে আগবঢ়াই থলেগৈ আৰু তেওঁলোকে দুদিনে চাৰিদিনে গুৰুজনাৰ স্থানলৈ আহি গুৰু-শুশ্রূষা আৰু শাস্ত্র-চৰ্চা কৰিবলৈ ধৰিলে । ৰামচৰণ ঠাকুৰে গুৰুজনাৰ লগত পাটবাউসীত বসতি লোৱা ভকতসকলৰ লেখ দিছে— ৰামৰাম গুৰু, সৰ্বজয়, পৰ্বানন্দ (পৰমানন্দ), উদাৰ গোবিন্দ, বলভদ্র, বলোৰাম, বৰ গোবিন্দ, হৰিগুৰু, ভোবোৰা দামোদৰ, বলাই, হৰিধন, বুঢ়া দৈৱজ্ঞ, হৰিদাস বনিয়া, কেতাই, ৰামৰায়, ৰতিকান্তকে মুখ্যকৈ অন্যান্য ভকতসকল । সময়ৰ হিচাব কৰিলে দেখা যায় যে গুৰুজনাই ১৪৬৫ শকত (১৫৪৩ খৃঃ) পাটবাউসীত

থিত লয়গৈ আৰু এই সময়ত তেওঁৰ বয়স ৯৪ বছৰ। ডঃ নেওগে শ্ৰীশ্ৰীশঙ্কৰদেৱৰ প্ৰকৃত এই সময় ১৪৬৮ শকহে অনুমান কৰিছে। আনহাতে, কোনো কোনো লেখকে ১৪৬৮ শকতহে গুৰুজনে ধুঁৱাহাটা ত্যাগ কৰে বুলি মন্তব্য কৰিছে। এই সমূহ মত এইবাবেই গ্ৰহণযোগ্য নহয় যে গুৰুজনে ১৪৬৮ শক বা তেওঁৰ ৯৭ বছৰ বয়সত দ্বিতীয়বাৰ তীৰ্থ-যাত্ৰা কৰা বুলি সকলোৱে স্বীকাৰ কৰিছে আৰু পাটবাউসীত বিভিন্ন কাৰ্য্য সম্পাদন কৰাৰ পিছতহে এই তীৰ্থযাত্ৰা সম্পাদন হয়। বিশেষকৈ দামোদৰদেৱৰ শৰণ, কছাৰী ৰজাৰ, ধৰ্ম, গ্ৰহণ আদি গুৰুজনাৰ দ্বিতীয় তীৰ্থ-ভ্ৰমণৰ আগৰ কাৰ্য্য। চৰিত লেখক নীলকণ্ঠ দাসৰমতে তীৰ্থলৈ যাবৰ সময়ত গুৰুজনে "গঙ্গা স্নান কৰি আমি নাসিবো যাৱত। প্ৰসঙ্গ প্ৰৱৰ্ত্তি তুমি পঢ়া ভাগৱত॥" বুলি কৈ দামোদৰদেৱক পাটবাউসীৰ প্ৰসঙ্গ পৰিচালনাৰ দায়িত্ব দিহে গৈছিল। মুঠতে পাটবাউসীত থিত দিয়াৰ পিছতেই তীৰ্থ-যাত্ৰা কৰা কথাটো চৰিত সমৰ্থিত নহয়। এতিয়া, চৰিতত উল্লেখ কৰা অনুসৰি গুৰুজনে পাটবাউসীত প্ৰথমছোৱা কালত সম্পাদন কৰা বিভিন্ন কাৰ্য্য আৰু ঘটনাৰ প্ৰমাণ লৈ; আৰু আমি ওপৰত স্থানবিশেষে উল্লেখ কৰি অহা সময় সূচীৰ হিচাপ অনুসৰি বৰদোৱাত ৬৭ বছৰ, ব'তাত ছমাহ, গাংমৌত ৫ বছৰ, কোমোৰাত ৪ মাহ, মলৱাআটীত ছমাহ, ধুঁৱাহাটাত ১৮ বছৰ, কপলাত ছমাহ; চুণপৰাত এবছৰ, গণককুছিত তিনি মাহ, কুমাৰকুছিত এবছৰ আৰু ধুঁৱাহাটা এৰাৰপৰা পাটবাউসীত বসতি লোৱালৈকে পথত মুঠ তিনিমাহ ধৰিলে গুৰুজনা পাটবাউসীত বসতি স্থাপন কৰাৰ সময় ১৪৬৫ শকহে ওলায়।

পাটবাউসীত গুৰুজনা ২১ বছৰ কাল নিগাজীকৈ থাকে। অৱশ্যে ইয়াৰ মাজতে এবাৰ ১৪৮০ শকত চিলাৰায়ৰ শৰণ উপলক্ষে গুৰুজনা কোঁচ ৰাজধানীত কিছুদিন আছিল বুলি অনুমান কৰিব পাৰি। সম্ভৱতঃ এই হিচাপ অনুসৰিয়েই কথাগুৰু চৰিতত গুৰুজনা

পাটবাউসীত ১৪ বছৰ কাল থকাৰ কথাহে ধৰা হৈছে । বৰজোৱা চৰিতত গুৰুজনাই পাটবাউসীত কটোৱা কাল ১৮ বছৰ ধৰা হৈছে । বৰ্ত্তমান সময়ৰ লেখকসকলেও এই কাল ১৫ বছৰৰ অধিক ধৰা নাই । এনে ধৰণৰ মতান্তৰসমূহৰ ঘাই কাৰণ হ'ল এই যে, প্ৰাচীন আৰু পদ-চৰিতসমূহত গুৰুজনে পাটবাউসীত কটোৱা কাল সম্পৰ্কে সুকীয়াকৈ কোনো কথা উল্লেখ কৰা নাই । সম্ভৱতঃ, গুৰুজনা পাটবাউসীত উপস্থিত হোৱাৰপৰা প্ৰয়াণৰ সময়লৈকে প্ৰধানতঃ পাটবাউসীতে আৰু সময়ে সময়ে কিছুদিনৰ বাবে চিলাৰায়ৰ ফুলবাৰী, ভেলা আদিত কটোৱা বাবে এইসকল চৰিতকাৰে সুকীয়াকৈ কোনো কথা উল্লেখ কৰা নাই । কিন্তু, বুৰঞ্জীৰ বিচাৰৰ সহায়ত ঠাৱৰ কৰিব পাৰি যে গুৰুজনাই ১৪৮৬ শকৰপৰা পাটবাউসীতে নিগাজীকৈ কটায় আৰু ইয়াৰ পিছৰ ছোৱা কালত চিলাৰায়ৰ ফুলবাৰীত ছমাহ ; নৰনাৰায়ণৰ ৰাজসভালৈ অহা-যোৱা কৰাত ছমাহ ; ৰজা নৰনাৰায়ণৰ অনুৰোধত বৃন্দাবনী বস্ত্ৰ বোওৱাৰ সময়ত পাটবাউসী আৰু তাঁতী-কুছিৰ মাজত এবছৰ ; পুনৰ বৃন্দাবনী বস্ত্ৰ সোধোৱাৰ সময়ত চিলা-ৰায়ৰ ফুলবাৰীত প্ৰায় এমাহ থাকি ভেলাডোঙাত (মধুপুৰ) ভেৰ বছৰমান থাকে ; আৰু ৰজাৰ শৰণ ভিক্ষাৰ সময়ত পাটবাউসীলৈ প্ৰত্যাবৰ্ত্তন কৰি এমাহমানৰ ভিতৰতে ছোট আতা মাধৱদেৱ পুৰুষৰ ওচৰত ধৰ্মৰাজ্য গোটাই দি বেহাৰত প্ৰায় এমাহমান কটাই প্ৰাণ ত্যাগ কৰে ।

এই প্ৰসঙ্গতে উল্লেখযোগ্য যে গুৰুজনা ৰাজ-ৰোষত পৰি অপৰাধী হিচাবেহে পাটবাউসীৰ পৰা গৈ নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হোৱাৰ কথা সকলো চৰিতত স্বীকাৰ কৰা হৈছে । আনহাতে, আহোমৰ লগত হোৱা নৰনাৰায়ণৰ শেষৰখন ৰণৰ আগত ভেৰা নৰনাৰায়ণ ৰজাৰ ৰোষত পৰা কথাও চৰিত আৰু বুৰঞ্জীত উল্লেখ নাই । সেইবাবে গুৰুজনা পাটবাউসীত নিগাজীকৈ থকা কাল 'নিৰ্ণয়' সম্পৰ্কত তলত উল্লেখ কৰা বুৰঞ্জীৰ কথাখিনিও

বিশেষভাৱে বিচাৰ কৰি চোৱা নিতান্তই উচিত হব।

কোঁচ-আহোমৰ সংঘৰ্ষ :

১৪৬৯ শকত পিছলা আৰু কলিয়াবৰৰ স'লাত হোৱা যুদ্ধত আহোমৰ হাতত পৰাজিত হোৱাৰ পিছত কোঁচ ৰজাই আহোম ৰাজ্য জয় কৰাৰ আকাঙ্ক্ষা সাময়িকভাবে স্থগিত ৰাখে। মহাৰাজ নৰনাৰায়ণৰ দিনত হোৱা দ্বিতীয়বাৰ আহোম ৰাজ্য আক্ৰমণ হয় ১৪৮৪ শকত। এই দুয়ো আক্ৰমণৰ মাজৰছোৱা কালত অৱশ্যে কোঁচ ৰজাই কছাৰী, জয়ন্তীয়া, ত্ৰিপুৰা, শ্ৰীহট্ট ৰাজ্য আক্ৰমণ কৰি কৰতলীয়া কৰে আৰু মণিপুৰ, খৈৰাম আৰু ডিমৰীয়া আদি ক্ষুদ্ৰ ৰাজ্যসমূহৰ আনুগত্য লাভ কৰে। সম্ভৱতঃ, প্ৰবল পৰাক্ৰমী আহোমক জয় কৰিবৰ কাৰণে কোঁচ ৰাজ্যৰ চতুৰ্পাশৰ এই শক্তিসমূহক নিজৰ হাতত ৰাখিবৰ, তথা মিত্ৰ-শক্তিস্বৰূপে ৰাখি কোঁচৰ সৈন্যবল বঢ়োৱাৰ উদ্দেশ্যেই এইসমূহ অভিযান কৰিব লগা হৈছিল। ১৪৮৫ শকত হোৱা কোঁচ আহোমৰ ৰণত কোঁচ সেনাদলত কেতবোৰ কছাৰী সৈন্যও আছিল। ইয়াৰ মাজতে ১৪৭৫ শকত গৌড়ৰ সেনাপতি কালাপাহাৰে কোঁচ ৰাজ্যৰ মাজেদি 'ধুমুহাৰ দৰে আহি' কামাখ্যা, হাজো আদি স্থানৰ মঠ-মন্দিৰসমূহ ধ্বংস কৰি পুনৰ উলটি যায়। কালাপাহাৰৰ প্ৰত্যাবৰ্ত্তনৰ পিছত নৰনাৰায়ণ আৰু যুৱৰাজ চিলাৰায়ে ধ্বংস-কাৰ্য্যসমূহ পৰিদৰ্শন কৰে আৰু কামাখ্যা মন্দিৰ পুনৰ-নিৰ্মাণৰ প্ৰয়োজন উপলব্ধি কৰে। কিন্তু সেই সময়ত মহাৰাজ নৰনাৰায়ণৰ শনিৰ দশা উপস্থিত হোৱা কাৰণে নিৰ্মাণ কাৰ্য্য স্থগিত থাকে। কামাখ্যা মন্দিৰৰ এই পুনৰ-নিৰ্মাণ কাৰ্য্য ১৪৮৭ শকত সম্পাদন হয় বুলি বুৰঞ্জীয়ে উল্লেখ কৰিছে। গুৰুচৰিতে ইয়াৰ লগতে যোগ দিছে যে, দৈৱজ্ঞ ব্ৰাহ্মণৰ গণনা অনুসৰি, মহাৰাজ নৰনাৰায়ণৰ শনিৰ দশা উপস্থিত হোৱা কাৰণে, কালাপাহাৰৰ আক্ৰমণৰ পিছত, তেওঁ ৰৰনগৰলৈ আহি ঘৰ-দুৱাৰ সজাই পূজা, হোম, দান, দক্ষিণা

আদি কাৰ্য্য সাধি ব'লহি। গেইট, কনকলাল বৰুৱা আদি বুৰঞ্জী লেখকসকলে তেখেতসকলৰ অসম বুৰঞ্জীত কৰা অনুমান আৰু চৰিতৰ বৰ্ণনাৰপৰা ঠাৱৰাব পাৰি যে নৰনাৰায়ণ ৰজাই শনিৰ দশা এবাৰৰ কাৰণে এইদৰে দান-দক্ষিণা কৰি ৰাজধানীৰ বাহিৰত কটোৱা সময়ছোৱাত কোঁচ ৰাজ্যৰ শাসন ভাৰ ভায়েক চিলাৰায় দেৱানক গতাইছিল। গুৰুচৰিতত চিলাৰায়ক দেৱান বুলি চিনাকি কৰাৰ উপৰি ৰজাও বোলা হৈছে। যি নহওক,, নৰনাৰায়ণে বৰনগৰত আঢ়ৈবছৰ কাল কটোৱাৰ পিছত আন আঢ়ৈবছৰ কাল ডিঙ্গা নগৰত আৰু তাৰ পিছত কিছুকাল অনাই-বনাই ফুৰাৰ উল্লেখ পোৱা হয়। গুণাভিৰাম বৰুৱাৰ মতে নৰনাৰায়ণে এবছৰকাল ছদ্মবেশে ঘূৰি ফুৰিছিল। সম্ভৱ, ডিঙ্গা নগৰৰপৰা ওলাই নৰনাৰায়ণে আহোম সৈন্য চাউনীৰ বল-বিক্ৰম আৰু ৰাজধানীলৈ সোমাব পৰা বাট-পদূলিৰ বুজ লোৱাৰ উদ্দেশ্যেহে ছদ্মবেশে আহোম ৰাজ্যত ঘূৰি ফুৰিছিল। কাৰণ, নৰনাৰায়ণৰ আহোমক এসেকা দিবৰ হেঁপাহ তেতিয়াও অপূৰণ হৈ আছিল আৰু ৰাজ্যলৈ ঘূৰি আহি ১৪৮৫ শকত তেওঁ আহোম ৰাজ্য আক্ৰমণ কৰি জয় কৰে। ইফালে এইছোৱা কালত যুৱৰাজ চিলাৰায়ে পিতাক আৰু ককায়েকৰ আশা সম্পূৰ্ণ কৰিবৰ মানসে আহোম ৰাজ্য পুনৰ আক্ৰমণ কৰাৰ বাবে আৱশ্যকীয় প্ৰস্তুতি চলাইছিল। গুণাভিৰাম বৰুৱাই স্পষ্টকৈ উল্লেখ কৰিছে যে ১৪৮৪ শকত চিলাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰে। আহোমবিলাকে এইবাৰ কেতবোৰ মানুহক লগুণ পিন্ধাই গৰুৰ পিঠিত তুলি দি যুদ্ধক্ষেত্ৰলৈ পঠিয়ায়। যুদ্ধ কৰিলে ব্ৰাহ্মণ বধ হ'ব এই আশংকা কৰি চিলাৰায়ে সৈন্যবাহিনী ঘূৰাই নিজ ৰাজ্যলৈ লৈ আহে। বেহাৰ পাইহে চিলাৰায়ে আহোমৰ কৌশল উপলব্ধি কৰিলে। এই যুদ্ধত কিন্তু নৰনাৰায়ণৰ উল্লেখ ক'তো নাই। ইতিমধ্যে, সম্ভৱ ১৪৮৪ শকৰ শেষভাগত নৰনাৰায়ণ আহি ৰাজধানীত উপস্থিত হ'লহি আৰু ইয়াৰ ঠিক পিছতে অৰ্থাৎ ১৪৮৫ শকত ছুখাম্‌ফা খোৰা

ৰজাৰ দিনত মহাৰাজ নৰনাৰায়ণ আৰু দেৱান চিলাৰায়ে আহোম ৰাজ্য আক্ৰমণ কৰি জয় কৰে। যুদ্ধত হাৰি আহোম ৰজা চুখাম্ফাই গড়গাওঁ পৰিত্যাগ কৰি নগাপৰ্বতৰ চৰাই-খোৰোঙত আশ্ৰয় লয়েগৈ। এই ঘটনাৰ কিছুদিন পিছতে গুৰুজনা নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হ'ব লগা হয় বুলি অনুমান হয়। চৰিতসমূহে এই কথা স্বীকাৰ কৰিছে যে ৰাজসভাত উপস্থিত হোৱাৰ পিছৰেপৰা গুৰুজনা জীয়াই থকা কালত নৰনাৰায়ণ ৰজাই তেওঁক এৰি দিবৰ ইচ্ছা কৰা নাছিল আৰু গুৰুজনাৰ ধৰ্মৰ প্ৰতি ৰজা একান্ত ভাৱে আগ্ৰহশীল হৈ অৱশেষত শৰণ প্ৰাৰ্থনা কৰিছিল। মুঠতে, ৰাজসভাত প্ৰথমবাৰ উপস্থিত হোৱাৰ পিছৰেপৰা গুৰুজনে পাটবাউসী আৰু কোঁচ বেহাৰৰ মাজত কিছুদিনৰ মূৰে মূৰে অহা-যোৱা কৰি থাকিব লগা হৈছিল। সেইবাবে ঠাৱৰাব পাৰি যে মহাৰাজ নৰনাৰায়ণে কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণৰ কাম ১৪৮৭ শ'কৰ আৰম্ভনিতে সমাপন কৰে আৰু ইয়াৰ সমসাময়িকভাৱেই গুৰুজনা ৰাজ-অপৰাধী হিচাপে গৈ ৰাজসভাত উপস্থিত হয়গৈ। এইসমূহ বুৰঞ্জীৰ তথ্যই গুৰুজনা পাটবাউসীত ১৪৮৬ শ'কৰ শেষভাগলৈকে নিগাজীকৈ থকা কথাকে প্ৰমাণ কৰে। গুৰুজনাই বেহাৰৰ বিভিন্ন স্থানত কটোৱা দিনবোৰৰ হিচাপ উলিয়ালেও এই মত শুদ্ধ বুলি প্ৰমাণ পোৱা হয়।

পাটবাউসীত কীৰ্তনৰ অমিয়া :

গুৰুজনা পাটবাউসীত উপস্থিত হোৱাৰ পিছৰেপৰা হৰি-নামৰ ধ্বনিৰে পাটবাউসী মুখৰিত কৰিব ধৰিলে; 'পৰম প্ৰসিদ্ধ পাটবাউসী নগৰ' হৰি-নাম প্ৰেম-অমৃতৰ ৰসে বৈকুণ্ঠত পৰিণত কৰিলে। গুৰুজনাই পাটবাউসীত বাস কৰাৰ প্ৰাৰম্ভণিৰ কালত হোৱা এই নাম-কীৰ্তনৰ কথা প্ৰসংগক্ৰমে ধুঁৱাহাটাত সত্ৰ-আসনৰ ৰচনা কৰা সম্পৰ্কত উল্লেখ কৰি অহা হৈছে। নাৰায়ণ ঠাকুৰে আৰু উপস্থিত ভকতসকলে গুৰুজনাৰ মুখে ভাগৱত কথা শুনি প্ৰোৎসাহিত হোৱাৰ

কথা বর্ণিয়া কৰিছে—

কৃষ্ণগৃহ মন্দিৰে সৱে বসি থাকে তথা ।
সমূহে আনন্দ মনে কৰে কৃষ্ণ কথা ॥
পৰম প্ৰেমত আনন্দৰ সীমা নাই ।
কথা অমৃতৰ যেন নদী বহি যাই ॥
এক চিত্ত কৰি সবে শুনিয়া থাকন্ত ।
কৰ্ণজুৰি ভৰি যেন অমৃত পিয়ন্ত ॥

দৈত্যাৰি ঠাকুৰে আকৌ পাটবাউসীত অকল ভকতসকল কিয় চণ্ডাল আৰু গৰখীয়া শিশুৱেও নামত মত্ত হৈ কৃষ্ণনাম গোৱাৰ কথা উল্লেখ কৰিছে। ৰামানন্দ দ্বিজে কামৰূপী লোকৰ এনে সৌভাগ্যৰ কথা বৰ্ণাই লিখিছে—

মিলিলা সৌভাগ্য শঙ্কৰৰ প্ৰসাদত ।
কামৰূপ নিবাসী আছয় লোক যত ॥
অন্তদেৱ তেজিয়া সি হোৱয় ভকত ।
কি কহিবো শঙ্কৰৰ কৃপাৰ মহত্ব ॥
শঙ্কৰৰ শুদ্ধ কীৰ্ত্তি লোকত ভ্ৰমিলা ।
এক দুই কৰি ভক্ত হুইবাক লাগিলা ॥

পাটবাউসীত শৰণ লান :

বিভিন্ন চৰিতে পাটবাউসীত ভকত হোৱা এই লোকসকলৰ নাম দিছে— দামোদৰদেৱ, হৰিদেৱ, শ্ৰীৰাম, ৰামপুৰীয়াৰ পুত্ৰ পৰমানন্দ, বিয়াহুৰ পালি ছোট বলৰাম, খিৰা মণ্ডলৰ পুত্ৰ মাধৱ, গোপাল, মুকুন্দ আৰু জটিৰাম, গোকুলচান্দ, চক্ৰপাণি দ্বিজ, কণ্ঠভূষণ, চান্দখা আদি । ইয়াৰ উপৰিও চিলাৰায় দেৱান আৰু দেৱানৰ এক পত্নীয়েও গুৰুজনাত শৰণ লোৱাৰ কথা চৰিতত উল্লেখ আছে ।

দামোদৰদেৱ :

দামোদৰদেৱৰ শৰণ সম্পৰ্কে ভিন্ ভিন্ চৰিতে ভিন্ ভিন্

মত দিছে। কিন্তু সকলোবোৰ চৰিতৰ বৰ্ণনাৰপৰা উপলব্ধি হয় যে যেনেকৈ 'শঙ্কৰ মাধৱ দুয়ো অভেদ ঈশ্বৰ' সেইদৰে 'দামোদৰ শঙ্কৰ দুইবো আত্মাভাৱ তৈলা'। ৰামচৰণ ঠাকুৰে স্পষ্টকৈ কৈছে— "গুৰু বোলে আত নকিছু নকৰা সন্দেশ। মোৰে দামোদৰে ভিন্ন নাই মাত্র লেশ ॥" ৰামানন্দ দ্বিজ আৰু কথাচৰিতৰ মতে দামোদৰদেৱক গুৰুজনাই ৰামৰাম গোসাঁইৰ দ্বাৰা শৰণ কৰায়। কিন্তু দৈত্যাৰি ঠাকুৰ আৰু নীলকণ্ঠ দাসৰ মতে দামোদৰদেৱে গুৰুজনাৰ ওচৰতহে শৰণ লয়। অৱশ্যে দৈত্যাৰিৰ চৰিত মতে দামোদৰদেৱক শৰণ কৰাবৰ কাৰণে গুৰুজনাই প্ৰথমে ৰামৰামকে আজ্ঞা কৰিছিল। দামোদৰদেৱে কিন্তু সেই কথাত অমান্তি হৈ বোলে— "আসি আছোঁ আত্মা মই তোমাঠৈক মন ॥ আনৰ থানক মোক ঠেলি নপঠাবা। আপুনি তোমৰা মোক উপদেশ দিবা ॥" নীলকণ্ঠ দাসৰ মতেও দামোদৰে বোলে— "ভক্তি-বৃক্ষ গজিবাৰ তুমি মূলভূমি।" অৱশেষত শৰণ-প্ৰাৰ্থীৰ ইচ্ছানুসৰি গুৰুজনাই দামোদৰদেৱক শৰণ কৰায়। দামোদৰদেৱৰ শৰণ সম্পৰ্কে ৰামচৰণ ঠাকুৰৰো এয়ে মত। শৰণ লাভৰ বাবে দামোদৰদেৱ আগ্ৰহশীল হৈ উঠাত গুৰুজনাই তেওঁক দিয়া উপদেশখিনি ৰামচৰণ ঠাকুৰে এইদৰে বৰ্ণাইছে—

জ্ঞান কৰ্ম্ম আদি যত কৰ্ম্মফল পত্তানত
নকৰিবা তুমি আত ৰত।
শ্ৰৱণ কীৰ্ত্তন কৰি সুদৃঢ় বিশ্বাস কৰি
আচৰিবা সদা মোৰ মত ॥
যত দেখা কৰ্ম্মফল সবে ভকতিৰ তল
সাধুসঙ্গ সবাতো অধিক।
কৰা আত দৃঢ় ৰতি নাম বিনে নাই গতি
আন ধৰ্ম্ম কৰ্ম্ম তেজিয়োক ॥
জানিয়া যতন কৰি দেৱবো দেৱতা হৰি
তাৰু ভজা এৰি আন কাম।

দৈৱকী নন্দন বিনে নাই নাই গতি ভিনে
ভাণ্টে কবি ধৰা তান নাম ॥

বিভিন্ন চৰিতৰ বৰ্ণনাৰপৰা জনা যায় যে দামোদৰদেৱৰ পিতৃ সদানন্দই বৰদোৱাৰ ওচৰৰ নলচা গাঁৱত বাস কৰিছিল। এই নলচাতে গুৰুজনা প্ৰথমবাৰ তীৰ্থক্ষেত্ৰত থকা সময়ত (১৪১০ শকৰ ফাগুন মাহৰ শুক্লা একাদশী তিথি) দামোদৰদেৱৰ জন্ম হয়। পিছত, গুৰুজনা ধুঁৱাহাটাত থকা কালত এওঁলোকৰ পৰিয়াল কামৰূপলৈ উঠি আহি ধেনুখন্দা বিলৰ পাৰৰ বৰলচোং নামে ঠাইত বসতি লয়হি। ইয়াতে দামোদৰদেৱে সকলোকে হেৰুৱাই মাক, বৌৱেক আৰু বায়েক এই তিনিগৰাকী বিধৱাক লৈ বসবাস কৰি আছিল। তেওঁ নিজে কোৰমাৰি খেতি-বাতি কৰি যেনে-তেনে ছমাহ খাই পেট প্ৰবৰ্ত্তাই আছিল। ইতিমধ্যে গুৰুজনে পাটবাউসীত নিগাজীকৈ বসতি স্থাপন কৰি ভকতসকলৰ লগত নাম-কীৰ্ত্তন আৰু শাস্ত্ৰ-চৰ্চা কৰি আছিলহি। দামোদৰে পথাৰলৈ আহোঁতে-যাওঁতে পথত নামৰ অমিয়াত মুগ্ধ হৈ ‘কতো ভোকে, কতো বেলা কোৰখানি থুতৰিত দি এফেৰি শুনি যায়’। কথাগুৰু চৰিতত লিখিছে যে দামোদৰ-দেৱৰ এই ব্যৱহাৰৰ মৰ্মবেই ছোট আতা মাধৱদেৱ পুৰুষে পিছত সুন্দৰীত ঘোষা কৰিছে—

যিটোজনে কৃষ্ণ কথা বিচাৰ সময় মনে
ধৈৰ্য্য ধৰি ক্ষণেক থাকয়।
যত তীৰ্থ স্নান দান দেৱ পিতৃ যজ্ঞ যাগ
যোগাদিবো ফলক পাৱয় ॥

যি নহওক, নামৰ প্ৰতি দামোদৰদেৱৰ আগ্ৰহ দেখা পাই গুৰুজনাই তেওঁক আদৰি নিয়ালে আৰু নাম-কথা দি সঙ্গৰ ভকত কৰি ললে। দামোদৰদেৱৰ শৰণৰ কাল সম্পৰ্কে চৰিতকাৰসকলৰ মাজত মতভেদ দেখা যায়। কোনো কোনো চৰিতকাৰে গুৰুজনা বেহাৰৰ ৰাজসভাত উপস্থিত হোৱাৰ পিছতহে দামোদৰদেৱৰ শৰণৰ

প্ৰসঙ্গ উল্লেখ কৰিছে। কিন্তু ৰামচৰণ ঠাকুৰৰ মতে গুৰুজনা পাটবাউসীত উপস্থিত হোৱাৰ কিছুকাল পিছতহে দামোদৰদেৱৰ শৰণ কাৰ্য্য সম্পাদন হয়। দামোদৰদেৱৰ চৰিত লেখক নীলকণ্ঠ দাসৰ মতেও যে গুৰুজনাৰ দ্বিতীয় তীৰ্থ-ভ্ৰমণৰ আগেয়ে দামোদৰদেৱে তেওঁৰ ওচৰত শৰণ লয়হি এই কথা ওপৰত উনুকিয়াই অহা হৈছে। গতিকে দেখা যায় যে ১৪৬৮ শকৰ আগতে দামোদৰদেৱে গুৰুজনাৰ ওচৰত শৰণ লয়।

ভট্টদেৱ :

এই প্ৰসঙ্গতে উল্লেখযোগ্য যে দামোদৰদেৱে গুৰুজনাত শৰণ লোৱাৰ কথা চাৰিওফালে প্ৰচাৰ হোৱাত পণ্ডিত ব্ৰাহ্মণসকল দামোদৰদেৱৰ ওপৰত অসন্তুষ্ট হৈ উঠিল। বৈকুণ্ঠনাথ ভট্টাচাৰ্য্য নামে বঙ্গালী অঞ্চলৰ এজন তান্ত্ৰিক ব্ৰাহ্মণে দামোদৰদেৱৰ লগত বাদ কৰি তেওঁক গুৰুজনাৰ ধৰ্মৰ পৰা আঁতৰাই নিবৰ উদ্দেশ্যে পাটবাউসীত উপস্থিত হ'লহি। পিছে, তৰ্কত হাৰি তেওঁ শেষত দামোদৰদেৱৰ শৰণ লৈ বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিলে। এওঁৰ আচল নাম ভট্টদেৱ, কিন্তু ভাগৱত পাণ্ডিত্যৰ কাৰণে তেওঁৰ আন নাম হ'ল ভাগৱত ভট্টাচাৰ্য্য; সম্পূৰ্ণ নাম কবিৰত্ন সৰস্বতী বৈকুণ্ঠনাথ ভাগৱত ভট্টাচাৰ্য্য। এৱেঁই কথা-গীতা, কথা-ভাগৱত, কথা-সাত্বততন্ত্ৰ আৰু সংস্কৃত ভক্তি-বিবেক গ্ৰন্থৰ ৰচক। এইছোৱা সময়ৰ ভিতৰতে চক্ৰপাণি দ্বিজ, হৰিদেৱ আদি ব্ৰাহ্মণ পণ্ডিতসকলেও গুৰুজনাৰ ওচৰত শৰণ গ্ৰহণ কৰেহি।

এইদৰে বিজ্ঞ ব্ৰাহ্মণ পণ্ডিতসকলেও বেদ, বেদান্ত, শ্ৰুতি, স্মৃতি, পুৰাণ, ভাৰত, গীতা, ভাগৱত আদি শাস্ত্ৰ বিচাৰি চাই গুৰুজনাৰ প্ৰচাৰিত ধৰ্মহে যে একমাত্ৰ সনাতন ধৰ্ম আৰু সকলো শাস্ত্ৰৰ মত উদ্ধাৰি গুৰুজনাই দেখুওৱাৰ দৰে 'কলিত হৰিৰ নামৰ বিনাই আৰু নাহিকে ছন্দা' বুলি উপলব্ধি কৰি তেওঁৰ ধৰ্ম গ্ৰহণ কৰাত

একশৰণ নাম-ধৰ্মই অসম, কামৰূপ উভয় ৰাজ্যতে বিস্তৃতি লাভ কৰিলে। কিন্তু শাস্ত্ৰৰ তত্ব আয়ত্ত কৰিব নোৱাৰা মদগৰ্বী এচাম লোকে তেতিয়াও গুৰুজনাৰ বিৰুদ্ধাচৰণ কৰি থাকিল। আনকি মোহপাশাছন্ন আন এচাম লোকে গুৰুজনাৰ শুদ্ধ ধৰ্ম ধৰিও ভিতৰি পূৰ্ব্বৰ আচাৰ-নীতি সম্পূৰ্ণে ত্যাগ কৰিব পৰা নাছিল। এনে ব্যভিচাৰী লোকসকলৰ প্ৰতি গুৰুজনা কেনে কঠোৰ আছিল সেই কথা চৰিতত ব্যাস-কলাইৰ নিদৰ্শনৰে দেখুওৱা হৈছে। ব্যাস-কলাইৰ দুটি পুত্ৰ বসন্ত গলাই মৰিল, অৱশেষত হৃদয়ানন্দ নামে কনিষ্ঠ পুত্ৰ৲ো বসন্তই দেখা দিলে। ৰোগ টান দেখি মাকে, ব্যাসকলাইক কথাটো জনাই চৰ্পটেশ্বৰৰ শিৱ মন্দিৰৰ উদ্দেশ্যে এযোৰ পাৰ চৰাই মেলি দিলে। পিছত গুৰুজনে এই কথা জানি সকলো ভকতৰে আলচ কৰি ব্যাসকলাইক ত্যাগ কৰিলে। ব্যাসকলায়ে নিজৰ ভুল বুজিব পাৰি, গুৰুভ্ৰাতা ৰামৰায়ৰ যোগে তিনিকুৰি টকা জগৰ দি দায় ভাঙিবৰ চেষ্টা কৰিলে। গুৰুজনা কিন্তু সৈমান ন'হল, কাৰণ ব্যাসকলায়ে জানি-শুনিও এনে ব্যভিচাৰী কাৰ্য্যৰপৰা পত্নীক বাৰণ কৰিবৰ চেষ্টা নকৰিলে। গুৰুজনাই ভক্তি প্ৰদীপতো লিখিছে—

> অনাচাৰ কৰে যিটো অপৰাধ মুহি।
> ব্যভিচাৰ কৰে যিটো সেহি মোৰ দ্ৰোহী ॥

ব্যাসকলাইৰ এই অপৰাধৰ সংক্ৰান্ততে আনকি ৰামৰায়কো ছমাহ কাল এৰা পেলাই থৈছিল। কাৰণ ব্যাসকলাই দোষী সাব্যস্ত হোৱাৰ পিছতো ৰামৰায়ে বোলে "দোষ গুণে দণ্ড হৈছে, দায়হে ভাগে, ভকত কাহানি ভাগে ?" গুৰুজনে এই কাৰ্য্যৰদ্বাৰা ইয়াকে দেখুৱাই দিলে যে, নিষ্ঠাহীন লোকক সঙ্গত ৰাখিলে সমস্ত তেনে লোকৰ সংসৰ্গত সমাজখনেই ব্যভিচাৰৰ পথত অগ্ৰসৰ হবৰ আশঙ্কা থাকে, অকল 'জগৰ' দিলেই আত্মশুদ্ধি কদাপি নহয়।

গুৰু-ভকতৰ সম্পৰ্ক :

মহাপুৰুষীয়া ধৰ্মত গুৰু-ভকতৰ সম্পৰ্ক দেখুৱাই চৰিতত

কোৱা হৈছে যে ছোট আতা নিতে গণককুহিবণৰা পাটবাউসীলৈ অহা-যোৱা কৰে। এদিন পথত এক ব্ৰাহ্মণে মাধৱক আগচি ধৰি তেৱাৰ গুৰুৰ চিনাকি লোৱাৰ ছলেৰে শঙ্কৰদেৱৰ গুৰু কোন এই প্ৰশ্ন লৈ খটবাদ্ধ লগালে। পাচে বাউসীত আহি তাকে গোচৰ কৰাত গুৰুজনে বোলে "এনেকৈ নুবুলিলা কিয়, কৃষ্ণদেৱে বুলিছে— 'মোৰ গুৰু ভকতেসে স্বৰূপ স্বভাৱ। যেন বায়ু আকাশৰ নাই ভিন্ন ভাৱ॥' আমিও ভাবিছোঁ, 'সৰ্ব্বতত্ত্ব ভকতক মই গুৰু মানো। ভকত গুৰুত পৰে আনক নজানো' ॥" অকল সেয়ে নহয়, গুৰুজনাৰ একশৰণ ধৰ্মত ভকতৰ মাহাত্ম্য ইয়াতোকৈ অধিক। কথাগুৰু চৰিতত 'ভকত দ্ৰোহী'ৰ এক প্ৰসঙ্গ উথাপন কৰি লিখিছে— "একদিনা ঠাকুৰ আতা, মধাই আতৈ, সবে ভক্ত অনিয়া-অনি লাগি গুৰুজনাত সুধিলে ভকতদ্বেষীৰ গতি আছে নাই বুলি। গুৰুজনে বোলে ৰাম-কৃষ্ণ অৱতাৰেহে দ্বেষ কামে শত্ৰু ভাএ গতি পালে কংস, কুব্জী, গোপী, দন্তবক্ৰ, শিশুপাল আদি। এতিয়া একা কৃষ্ণদেএ কৈছে— 'মোৰ দ্ৰোহী ভৈলে তাক ৰাখিবে ভকতে। ভকত দ্ৰোহীৰ মই নুহিকো শকতে' ॥" গুৰুত লাগিলে ভক্তত ৰব, ভক্তত লাগিলে অধঃপাত হব।"

কছাৰী ৰজাৰ ধৰ্ম গ্ৰহন :

ৰামচৰণ ঠাকুৰৰ চৰিত অনুসৰি গুৰুজনাৰ প্ৰচাৰিত ধৰ্মৰ বাণী অকল অসম বা কামৰূপ ৰাজ্যতে প্ৰচাৰ হোৱা নাছিল, "শঙ্কৰৰ যশ কীৰ্ত্তি ৰাজ্যে ৰাজ্যে গৈলা।" এই অনুক্ৰমে হেড়ম্ব ৰাজ্যৰ কছাৰী ৰজাই গুৰুজনাৰ ধৰ্মৰ সাৰ্বজনীনতা, উদাৰতা আৰু মহত্বৰ কথা শুনি কৃষ্ণত শৰণ লবৰ মানসে গুৰুজনাক নিবৰ বাবে চাৰিজন দূত পঠালে। গুৰুজনাই অৱশ্যে নিজে নগৈ মাধৱদেৱ আৰু নাৰায়ণ ঠাকুৰক পঠাই হেড়ম্ব ৰাজক শৰণ উপদেশ দিয়াৰ। আন আন চৰিত অনুসৰি হেড়ম্ব ৰাজৰ এই শৰণ কাৰ্য্য গুৰুজনাৰ

দ্বিতীয় তীর্থযাত্ৰাৰ পিছতহে সম্পাদন হয়। কিন্তু ৰামচৰণ ঠাকুৰ আৰু ভূষণ দ্বিজে এই কাৰ্য্য তীৰ্থ-যাত্ৰাৰ আগতে উল্লেখ কৰিছে।

গুৰুজনাৰ পাৰিবাৰিক জীৱন :

তীৰ্থ যাত্ৰাৰ আগতে গুৰুজনাৰ পাৰিবাৰিক জীৱনৰো দুটি ঘটনাৰ উল্লেখ চৰিতসমূহত পোৱা হয়। গুৰুজনাৰ প্ৰবৰ্ত্তিত ধৰ্ম ধৰি বিভিন্নজনে পৰকালৰ বিত্ত সঞ্চয় কৰিবৰ কাৰণে কৃষ্ণত একান্ত শৰণ পশিলে। কিন্তু তেৰাৰ বৰপুত্ৰ ৰমানন্দ ঠাকুৰৰ কৃষ্ণ-কথাত লেশমাত্ৰও মতি নেদেখি গুৰুজনাৰ মনত খেদ হ'ল। সেইবাবে পুত্ৰক ইহ-পৰলোকৰ পৰম ধন ভক্তি-তত্ত্ব শিকাবৰ কাৰণে চক্ৰপাণি মজুমদাৰৰ ওচৰত কাকত পঢ়াবলৈ লগালে। মজুমদাৰৰ ওচৰত শিক্ষা লৈ ঘৰলৈ ঘূৰি আহিলত গুৰুজনে কাম চৌধাৰীৰ কন্যা সিন্ধুমতীক ৰমানন্দ ঠাকুৰলৈ বিয়া কৰায়। ইয়াৰ কিছুদিন পিছতেই গুৰুজনাৰ দ্বিতীয় তীৰ্থযাত্ৰাৰ আগে আগে মধ্যম পুত্ৰ কমললোচনৰ মৃত্যু হয়।

দ্বিতীয়বাৰ তীৰ্থ যাত্ৰা :

এই সমূহ কাৰ্য্য আৰু ঘটনাৰ মাজত পাটবাউসীত তিনিবছৰ কাল যাপন কৰাৰ পিছত গুৰুজনাই ৯৭ বছৰ বয়সত দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণ কৰে। এইবাৰৰ তীৰ্থ-যাত্ৰাৰ উদ্যোগ সম্পৰ্কে কথাগুৰু চৰিতত লিখিছে - "গুৰুজনে গোকুল, বৃন্দাবনৰ, মথুৰাৰ বাহ্রুবন গোপবালকৰ চৰিত্ৰ লীলা কৈ থাকে। পাছে বাই আতাকে মুখ্যকৈ সবে ভক্তে আলচি ধৰিলে গুৰুজনাক বোলে বাপ, গোকুল, বৃন্দাবন, জগন্নাথ এবাৰ দেখকগৈ।" চৰিতৰ বৰ্ণনাৰপৰা আৰু বুজা যায় যে গুৰুজনাৰো বৃন্দাবন পুনৰ দৰ্শন কৰাৰ হেঁপাহ এই সময়তে প্ৰবল হৈ উঠিছিল। সেইবাবে তেৰাই ভকতসকলৰ ইচ্ছা পূৰণৰ কাৰণে সন্মতি জনালে আৰু বাট-খৰচৰ বাবে কাৰ কেনে যোত্ৰ আছে, তাৰ বুজ ললে। পাছে ভালেমান ভকতৰ যোত্ৰ নাই জানি "কতো

বাই আত্ম ললে, কেহো বামবায় গোসাঁই ললে, কোনো বামদাস আতৈএ ললে,— গুৰুজনে নজে কতো। এই ক্রমে বিভাগি ললে। তেহে মহাপুৰুষ গুৰু ছয়কুৰি ভক্তে সমে হ'ল যাবলৈ যাত্রাকৈ।"
গুৰুজনা তীর্থলৈ যাবলৈ ওলোবাব কথা জানি কালিন্দী আই-মাতৃৰ ভগ্ন হ'ল— গোসাঁয়ে 'আপুনাব লীলা-খেলাব ঠাই পাবেঁগৈ নাহে ইযাব' বুলি। সেইবাবে গুৰুজনাক তীর্থযাত্রাৰপৰা যেনে-তেনে প্রকাবে বাৰণ কৰিবলৈ তেওঁ ছোট আতাক বৰকৈ খাটনি ধৰিলে। অৱশেষত, এই উদ্যোগ এ:কোমতে ভঙ্গ কৰাবৰ উপায় নাই জানি গোসাঁনীয়ে বৃন্দাবনলৈ নাযাবলৈকে মাধৱক অনুৰোধ জনালে। তেবায়ো বৃন্দাবনলৈ নোযোৱাব আশ্বাস দি যাত্রাব কাৰণে প্রস্তুত হ'ল। গুৰুজনাই তীর্থভ্রমণকালত পাটবাউসী সত্র পৰিচালনাৰ সম্পূর্ণ দায়িত্ব দামোদৰদেৱক অর্পণ কৰি মাধৱ, ৰামবাম, নাৰায়ণ, গোবিন্দ, পৰমানন্দ, উদাব গোবিন্দ, গোকুলচান্দ, বামবায়, হৰিদেৱ, শ্রীৰাম, বলবাম, বলভদ্র, জয়ন্তীৰ মাধৱ, জটীৰাম, ভোবোৰা দামোদৰ আদিকে মুখ্যকৈ ছয়কুৰি ভকত লগত লৈ ১৪৬৮ শকৰ আঘোন মাহৰ সাতদিন যাওঁতে তীর্থলৈ যাত্রা কৰিলে।

এইবাৰৰ তীর্থভ্রমণ কালত গুৰুজনাই গঙ্গা, গয়া, জগন্নাথ আৰু জগন্নাথ ক্ষেত্ৰৰপৰাই শ্বেতগঙ্গা, মার্কণ্ডেয় হ্রদ, ইন্দ্রদ্যুম্ন, চন্দন সৰোবৰ, লোকনাথকে আদি কৰি সকলো পবিত্র স্থান দর্শন কৰে। ভূষণ দ্বিজৰ মতে গুৰুজনা বাবানসী আৰু কুৰুক্ষেত্ৰলৈকো গৈছিল, কিন্তু বেছিভাগ চৰিতৰ মতে এইবাৰ তেওঁলোক গয়াৰপৰা আগবঢ়া নাছিল। এইবাৰৰ তীর্থভ্রমণ কালত গুৰুজনাই কবীৰৰ মঠ দর্শন কৰাব কথা সকলো চৰিতে উল্লেখ কৰিছে। বর্ণনাৰ বঢ়া-টুটাৰ বাহিৰে চৰিতৰ এই উল্লেখ নিতান্তই সত্য; কাৰণ এই সময়ছোৱাত সমগ্র উত্তৰ ভাৰত কবীৰৰ গীতেৰে মুখৰ হৈ আছিল। কবীৰৰ মঠত গুৰুজনে কবীৰৰ জীৱ নাতি অৱৰছিক লগ পাইছিল আৰু তেওঁৰপৰাই ভক্ত কবীৰৰ চিনাকি লৈছিল। এইজনা ভক্ত কবিও

গুৰুজনাৰ মনেই নিগুৰ্ণ-ব্ৰহ্মৰে উপাসক আছিল।

বৃন্দাবন দৰ্শনৰ আশা ভঙ্গ :

তীৰ্থভ্ৰমণ কালত ৰামৰায় আদি সঙ্গৰ ভকতসকলে বৃন্দাবনলৈ যাবৰ কাৰণে গুৰুজনাক ধৰকৈ ধৰিছিল। গুৰুজনাৰো বৃন্দাবনলৈ যোৱাৰ আৰু গোকুল, মথুৰা, গোবৰ্দ্ধন আদি কৃষ্ণলীলাৰ স্থানসমূহ দৰ্শন কৰাৰ একান্ত আগ্ৰহ আছিল। ছোট আতা মাধৱদেৱে পুৰুষে ইমান পৰে এইসমূহ কথা-বতৰা শুনি কালিন্দী আই-মাতৃৰ ওচৰত দি অহা প্ৰতিশ্ৰুতি ৰক্ষাৰ উপায় চিন্তা কৰি আছিল। গুৰুজনে ইতিমধ্যে বৃন্দাবনলৈ যাবৰ কাৰণে 'যানৰ কাণ্ডাৰী' বাপুৰ মাধৱৰ সন্মতি বিচাৰিলে। মাধৱদেৱে প্ৰথমতে, বৃন্দাবনত গৈ কৃষ্ণ-লীলাভূমি, এই মহা মনোৰম স্থানখনিৰ পূৰ্বৰ ৰূপ নেদেখিব আৰু সেয়ে হলে ভকতসকলৰ মনত স্থানখনিৰ প্ৰতি অশ্ৰদ্ধাৰ ভাব জাগিব পাৰে বুলি কৈ তালৈ যাবৰ কাৰণে অসন্মতি প্ৰকাশ কৰিলে। সেইবাবে মাধৱক সন্মত কৰাবৰ হেতু গুৰুজনাই, তেৰাই প্ৰথম তীৰ্থ-যাত্ৰাৰ কালত বৃন্দাবন দাস আৰু ৰূপ সনাতনক ধৰ্ম-বস্তু দান কৰাৰ প্ৰমাণ চাবলৈ আৰু তেওঁলোকে একশৰণ ধৰ্ম কেনে প্ৰকাৰে ৰক্ষা কৰিছে- তাৰ বুজ লবৰ কাৰণে বৃন্দাবনলৈ যোৱাৰ কথা দঢ়াই ক'লে। প্ৰত্যুৎপন্নমতি মাধৱদেৱে গুৰুজনাৰ এই কথাতে এফেৰাগে গুৰুবাক্য আৰু গুৰুপত্নী কালিন্দী আইৰ অনুৰোধ ৰক্ষাৰ উপায় পালে। বিনম্ৰ ভাৱে মাধৱে ক'লে বোলে—

"তোমাৰ কথাত আৰো আছয় সংশয়।
আনত পুছিয়া মন কৰিবো নিৰ্ণয়॥
তুমি সৰ্ব্বসাক্ষী বীজ জগতৰ ধাম।
দৈৱকী নন্দন তুমি সেহি আত্মাৰাম॥
কদাচিতো আমি নযাইবাহোঁ বৃন্দাবন।
নিশ্চয় কৰিয়া কৈলোঁ তোমাত বচন॥

ভকতৰ মায়াই গুৰুজনক মোহিত কৰিলে, ফলত গুৰুজনা আৰু অন্যান্য ভকতসকলে বৃন্দাবন দৰ্শনৰ আশা পৰিত্যাগ কৰিবলগা হ'ল। এইদৰে অনেক লীলাৰে বিভিন্ন তীৰ্থস্থান ভ্ৰমণ কৰি গুৰুজনা ছমাহৰ মূৰত ঘৰলৈ উভতি আহি বৰ্হাগমহীয়া পাটবাউসীত উপস্থিত হ'লহি।

তীৰ্থ-নিষেধ :

তীৰ্থভ্ৰমণ কালত ছোট আতা মাধৱদেৱৰ পাণ্ডিত্য আৰু তত্ত্বদৰ্শিতাই গুৰুজনাৰ মনত এক নতুন পোহৰ পেলালে। দুবাৰকৈ তীৰ্থভ্ৰমণ কৰাৰ পাছত সেয়েহে গুৰুজনে প্ৰাণ-মাধৱৰ বাক্যত তীৰ্থ ভ্ৰমণৰ অসাৰ্থক শ্ৰমৰ কথা উপলব্ধি কৰিলে। ইয়াৰ আগেয়ে অৱশ্যে গুৰুজনেও একাদশত যুধিষ্ঠিৰৰ বাক্যৰে প্ৰকাশ কৰিছে—

দেৱে তীৰ্থে ভকতৰ অন্তৰ অনেক দেখা
শুনি আছোঁ বেদৰো ৰহস্য
ভকতৰ সঙ্গ যিটো ক্ষণ মাত্ৰ লৱে সিটো
ঈশ্বৰ কৃষ্ণক কৰৈ বশ্য ॥

কুঁৱৰীয়ে আদিত্যক ঢকাৰ দৰে ভকত-বৎসল গুৰুজনাক ভকতৰ স্নেহ-মায়াই আবৰা চলেৰে যেন তীৰ্থ-নিষেধ কৰিবৰ কাৰণেই গুৰুজনে এইসমূহ অপূৰ্ব লীলা কৰিছিল। কথাচৰিতত আছে ৰামৰাম গুৰু আৰু পাঁচ-সাত আতৈৰ গয়া, কাশী, বৃন্দাবন চোৱাৰ হেঁপাহ অপূৰণ হৈ ৰ'ল। তেওঁলোকে সৰেও আলচকৈ বৃন্দাবনলৈ যোৱাৰ উদ্যোগ কৰিলে। গুৰুজনে এই কথা জানি 'নাহি নাহি ৰময়া বিনে তাপ তাৰক কোই' গীতটি ৰচি দুৱাৰমুখতে চালত খুচি থলে। পাছে তীৰ্থযাত্ৰীসকলে যাত্ৰাৰ সময়ত গুৰুজনাত বিদায় লবলৈ আহি গীতটি পাই তীৰ্থ ভ্ৰমণৰ আশা পৰিত্যাগ কৰিলে। গুৰুজনাই সোধাত বোলে "বাপ তোমাৰ এই গীতে কৈছে দেখোঁ তীৰ্থক্ষেত্ৰ ভ্ৰমছে, একশয় হৈ হৰিভক্তি হৰিগুণ গালেছে জীৱৰ

সংসাৰ নিবাৰণ। তোমাক মাজানি নিচিনি নভজোঁ। কাত্তেহে, তোমাৰ মায়া মুহি এই ভোৰ।”

বিভিন্ন শাস্ত্ৰ ৰচনা :

ৰামচৰণ ঠাকুৰৰ চৰিতত গুৰুজনে তীৰ্থৰপৰা ঘূৰি অহাৰ পিছত একাদিক্ৰমে জনম যাত্ৰা নাট, একাদশ স্কন্ধ ভাগৱত, প্ৰথম স্কন্ধ ভাগৱত, ৰুক্মিণীহৰণ নাট, কুৰুক্ষেত্ৰ কাব্য, ৰাসক্ৰীড়া নাট, লীলামালা, পাৰিজাত হৰণ নাট, বিভিন্ন গীত আৰু ভক্তি ৰত্নাকৰ গ্ৰন্থ প্ৰণয়ন কৰাৰ কথা কৈছে। ইয়াৰে একাদশ স্কন্ধৰ ৰচনা সম্পৰ্কে ওপৰত বৰদোৱা আৰু ধুঁৱাহাটা প্ৰসঙ্গত উল্লেখ কৰি অহা হৈছে। সম্ভৱ, তীৰ্থভ্ৰমণৰ পিছত গুৰুজনাই পুনৰ একাদশত বুৰ দি ‘ভকতৰ চিহ্ন দেখাইলা তেখন উদ্ধৱত সাক্ষী দিয়া’। সম্ভৱতঃ, চৰিতত উল্লেখ কৰা একাদশৰ এই প্ৰসঙ্গই নিমিনৱসিদ্ধ-সংবাদ ৰচনাৰ কথাহে ইঙ্গিত কৰিছে।

বেজবৰুৱাৰ মতে গুৰুজনে দ্বিতীয়বাৰ তীৰ্থভ্ৰমণ কৰাৰ আগে আগে পাটবাউসীত আন্ত-দশম ৰচনা কৰে। কিন্তু আন্ত দশম স্কন্ধ ভাগৱতৰ অনুবাদ যে গুৰুজনা কামৰূপ ৰাজ্যলৈ অহাৰ আগেয়ে সম্পূৰ্ণ হৈছিল এইকথা নিঃসন্দেহ। পাটবাউসীত দশমৰ প্ৰসঙ্গই আচলতে দশম স্কন্ধ ভাগৱতৰ কথাৰে অন্যান্য শাস্ত্ৰ ৰচনাৰ কথাহে ইঙ্গিত কৰিছে। উল্লিখিত প্ৰসঙ্গ অনুসৰি গুৰুজনা পাটবাউসীত থাকোঁতে উজনিৰপৰা অনন্ত কন্দলিয়ে আনি তেওঁ কৰা শেষ দশমৰ (মধ্য আৰু শেষ খণ্ড) পদ গুৰুজনাক দেখুৱালেগৈ। কাৰণ, গুৰুজনাই বৰদোৱাত দশমৰ পদ কৰা সময়ত কন্দলিয়ে এইখণ্ডৰ পদ অনুবাদ কৰাৰ অনুমতি গুৰুজনাৰপৰা লৈছিল। সেই পদকে কন্দলিয়ে গুৰুজনাক পাটবাউসীত দেখুৱাইছিলহি। কিন্তু কন্দলিৰ পদ গুৰুজনাৰ মনঃপুত নহ’ল, তেৰাই ক’লে— “ভাল তযু কৃত্যখানি, কিন্তু আৰ ভব থাকিল মাজত”। গুৰুজনে কন্দলিক শাস্ত্ৰ তত্ব উদ্ধাৰৰ

নিদর্শন দেখুৱাই মধ্য আক শেষ দশমৰ সাৰ কাঢ়ি হৰিবংশ মিশ্ৰাই ৰুক্মিণীহৰণ নাট আৰু কুৰুক্ষেত্ৰ কাব্য ৰচনা কৰিলে। গুৰুজনাৰ নিৰ্দেশিত ছোট আতায়ো এই সময়তে ভাগৱতৰ কথাৰে ৰাজসূয় ৰচনাৰ কাম হাতত লৈছিল, অৱশ্যে গুৰুজনা শেষবাৰ বেহাৰলৈ যাওঁতে সময়তহে মাধৱদেৱে গ্ৰন্থখনিৰ ৰচনা সম্পূৰ্ণ কৰে। ৰুক্মিণী-হৰণ নাট আৰু কুৰুক্ষেত্ৰ ৰচনাৰ পিছতে নিশ্চয় গুৰুজনে মধ্য আৰু শেষ দশমৰ কথাৰে কুঁজীৰ বাঞ্ছা পূৰণৰেপৰা দৈৱকীৰ পুত্ৰ আনয়নলৈকে এইছোৱা কীৰ্তনৰো পদ কৰে।

ৰামায়ণৰ পদ ৰচনা :

ইয়াৰ সমসাময়িকভাবেই দুজনা গুৰুৱে ৰামায়ণৰো পদ ৰচনা কৰে বুলি অনুমান কৰিব পাৰি। সম্ভৱ, অনন্ত কন্দলিয়ে ভাগৱতৰ পদ দেখুওৱাৰ সময়তে তেওঁ কৰা ৰামায়ণৰ পদো গুৰুজনাক দেখুৱাইছিল। গুৰুজনে দেখিলে যে কন্দলিৰ এই কাৰ্য্যই অপ্ৰমাদী পূৰ্ব্বকবি গৰাকীৰ পদ লুপ্তহে কৰিব। আনহাতে, মাধৱ কন্দলিয়ে বাল্মীকিৰ সম্পূৰ্ণ সাতকাণ্ড ৰামায়ণ 'লঙ্কা পৰিহৰি সাৰোদ্ধতে' অসমীয়া ভাষাত পদ কৰিছিল; কিন্তু ইতিমধ্যে ইয়াৰ আদি আৰু উত্তৰ এই দুইকাণ্ড কেনেবাকৈ লোপ পালে। সেইবাবে, গুৰুজনে নিজে উত্তৰাকাণ্ড ৰচনা কৰিলে আৰু মাধৱদেৱৰদ্বাৰা আদিকাণ্ড ৰচনা কৰাই পূৰ্ব্বকবিৰ ৰামায়ণখনি সম্পূৰ্ণ কৰিলে। ইয়াৰ উপৰিও মাধৱ কন্দলিৰ ৰচনাৰ সকলো অধ্যায়তে 'উপদেশ আচুকুল' দি মহাকাব্যখনিক ভক্তি-কাব্যৰ ৰূপত সজালে। কথাচৰিতত আছে— "কাপৰ গাৰি দৰে আগলোৰ সমে হ'ল, উপদেশ আচুফুল হুজ। আগে উপদেশ নাই, শুভ শুভ হে আছিল আধ্যাত্ত। ছোট আতা দিছে"।

তীৰ্থ প্ৰত্যাবৰ্ত্তনৰ পিছত গুৰুজনে ভাগৱতৰ বাহিৰে উদ্ধাৰি অনেক গীত-পদ ৰচনা কৰাৰ কথা চৰিতসমূহে উল্লেখ কৰিছে।

ৰামচৰণ ঠাকুৰে আকৌ "পুৰাণ ভাৰত ভাগৱত যত কাব্যৰূপ ৰচিলন্ত" বুলি কৈ ইয়াৰ পিছতে ৰাসক্ৰীড়াৰ প্ৰসঙ্গ উল্লেখ কৰিছে। অন্যান্য চৰিতেও ৰাসক্ৰীড়া বা কেলিগোপাল নাট গুৰুজনে পাটবাউসীতে ৰচনা কৰে বুলি মত দিছে। গতিকে নিশ্চয় কৰিব পাৰি, যে ৰামচৰণ ঠাকুৰে উল্লেখ কৰা এই প্ৰসঙ্গই কেলিগোপাল নাট ৰচনাৰ কথাকে কৈছে। অনুমান হয় কেলিগোপাল নাট ৰচনা কৰাৰ পিছত পাটবাউসীত এই নাট অভিনয়ো কৰা হৈছিল। ৰামচৰণ ঠাকুৰে আৰু লিখিছে যে ৰাসোৎসৱৰ পিছতে ৰামৰাম গুৰুৱে পূৰ্ব্বৰ দশমৰ সাৰ কাঢ়ি ঘোষা ছন্দে পদ কৰিবৰ কাৰণে গুৰুজনাক অনুৰোধ জনাইছিল। এই অনুৰোধ অনুসৰিয়েই গুৰুজনাই কীৰ্ত্তনৰ লীলা-মালাখণ্ড ৰচনা কৰে।

গুৰুজনে কৰ্মকাণ্ডী বিপ্ৰসকলৰপৰা অন্যান্য স্থানত পাই অহা বিৰোধৰ দৰেই পাটবাউসীতো অনেক বাধাৰ সন্মুখীন হব লগা হৈছিল। ইকালে তেৰাৰ প্ৰৱৰ্ত্তিত ধৰ্মৰ প্ৰতি আসক্ত হৈ চতুৰ্বৰ্ণৰ লোক আহি গুৰুজনাৰ ধৰ্ম গ্ৰহণ কৰাত পূজা-হোম আদিৰ প্ৰাধান্য কমি আহিবলৈ ধৰিলে। বিপ্ৰসকলৰ বিদ্বেষ বাঢ়ি গ'ল, কোনোৱে গুৰুজনাৰ লগত পোনপটীয়াভাবে তৰ্কত অৱতীৰ্ণ হ'ল। কিন্তু শাস্ত্ৰ-বাদত গুৰুজনাক কোনোৱে পৰাভৱ কৰাব নোৱাৰিলে। তথাকথিত বেদ-বিশাৰদ এই পণ্ডিতসকলক বেদৰ মৰ্ম বুজাবলৈ এই সময়তে কীৰ্ত্তনৰ বেদস্তুতি খণ্ড ৰচনা কৰি গুৰুজনাই কীৰ্ত্তন ৰচনা সামৰণি পেলায় বুলি অনুমান হয়।

গুৰুজনাৰ ভক্তি ৰত্নাকৰ আৰু মাধৱদেৱৰ ভক্তি ৰত্নাৱলী প্ৰণয়ণ :

ৰামচৰণ ঠাকুৰৰ চৰিত আৰু কথাচৰিতত আছে যে কণ্ঠভূষণ নামে এজন পণ্ডিতে এবাৰ গুৰুজনাক তৰ্কত পৰাস্ত কৰিবৰ মানসে কাশীত ব্ৰহ্মানন্দ পণ্ডিতৰ ওচৰত বেদান্ত অধ্যয়ন কৰিছিলগৈ। এদিন ভাগৱত পাঠ-প্ৰসঙ্গত মূল সংস্কৃত পাঠৰ সৰল ব্যাখ্যা দিয়াত অন্যান্য

ছাত্রসকল অসমর্থ হ'ল, কিন্তু কণ্ঠভূষণে সেই শ্লোকৰ অৰ্থ ভাঙি সকলোকে বুজাই দিলে। কণ্ঠভূষণে এই কঠিন শ্লোকৰ তত্ত্ব কেনেকৈ উপলব্ধি কৰিলে বুলি গুৰুৱে সোধাত তেওঁ শ্ৰীমন্ত শঙ্কৰদেৱৰ পদ মাতি শুনালে। ব্ৰহ্মানন্দ চমৎকৃত হ'ল আৰু কণ্ঠভূষণে কাশীত বেদান্ত অধ্যয়ন কৰাৰ কোনো প্ৰয়োজন নাই বুলি কৈ শ্ৰীমন্ত শঙ্কৰৰ ওচৰলৈ ওভোতাই পঠালে। কথিত আছে যে কণ্ঠভূষণ স্বদেশলৈ ঘূৰি অহাৰ সময়ত ব্ৰহ্মানন্দই তেওঁৰ গুৰু বিষ্ণুপুৰীকৃত ভক্তি-ৰত্নাৱলী গ্ৰন্থখনি শ্ৰদ্ধাৰ চিনস্বৰূপে গুৰুজনালৈ দি পঠায়। গুৰুজনাই পুথিখন পাই আনন্দত অধীৰ হ'ল আৰু খেদকৈ ক'লে বোলে, আগেয়ে এই গ্ৰন্থখনি পোৱাহলে তেৰাই নিজে অনেক শ্ৰমকৈ ভক্তি-ৰত্নাকৰ ৰচনা কৰাৰ কোনো প্ৰয়োজন নহ'লহেঁতেন। গুৰুচৰিতৰ এই আখ্যানৰপৰা ঠাৱৰ কৰিব পাৰি যে গুৰুজনাই বেদ-বেদান্ত আৰু ভাগৱতৰ ভক্তিপৰ শ্লোকসমূহ উদ্ধাৰ কৰি ইয়াৰ আগতেই ভক্তি-ৰত্নাকৰ গ্ৰন্থখনি প্ৰণয়ন কৰিছিল। অৱশ্যে ভক্তি-তত্ত্ব মূলক এই গ্ৰন্থখনি যে গুৰুজনাই পাটবাউসীতহে প্ৰণয়ন কৰিছিল সেই কথা নিঃসন্দেহ। ভক্তি-ৰত্নাৱলী গ্ৰন্থখন গুৰুজনে নিজে নাভাঙি ছোট আতাৰ হতুৱাই পদ কৰায়।

প্ৰথম স্কন্ধ ভাগৱত :

ইয়াৰ সমসাময়িকভাৱে অথবা ৰামচৰণ ঠাকুৰে উল্লেখ কৰাৰ দৰে একাদশৰ পদ উদ্ধাৰি নিমি-নৱসিদ্ধ সংবাদ ৰচনা কৰাৰ সময়তে সম্ভৱ গুৰুজনাই প্ৰথম স্কন্ধ ভাগৱতৰো পদ ৰচনা কৰিছিল। প্ৰথম স্কন্ধ ভাগৱত ৰচনাৰ সময় সঠিকভাৱে নিৰ্ণয় কৰিব নোৱাৰিলেও গুৰুজনাই দ্বিতীয় তীৰ্থভ্ৰমণৰ পিছতহে যে এই কাৰ্য্য সম্পাদন কৰে, সন্দেহ নাই। বৰদোৱাত ভাগৱত ৰচনা প্ৰসঙ্গৰ আলোচনাতো এই কথা উনুকিয়াই অহা হৈছে।

পাৰিজাত হৰণ নাট :

পাৰিজাত-হৰণ নাটকখন মহন্ত গুৰুজনাৰ পাটবাউসীত নিগাজীকৈ থকাৰ শেষ ভাগত ৰচিত নাট। ৰামচৰণ ঠাকুৰৰো এয়ে মত বুলি অনুমান হয়। এই প্ৰসংগতে উল্লেখযোগ্য যে গুৰুজনাৰ কালিয় দমন, ৰুক্মিণী হৰণ, কেলিগোপাল আৰু পাৰিজাত-হৰণ, এই চাৰিওখন নাটক ৰসিক-সুজান ভকত গুৰুভ্ৰাতা ৰামদাসৰ অনুৰোধত ৰচনা কৰা হয়। এই সমূহৰ উপৰিও ৰামচৰণৰ মতে গুৰুজনাই তীৰ্থৰপৰা ঘূৰি অহাৰ পিছতে জনম-যাত্ৰা নামে এখন অঙ্ক লিখি তাৰ ভাওনা পাতে। বৰদোৱা চৰিতত আনহাতে গুৰুজনাই কংসবধ নামে আন এখন নাট ৰচনা কৰাৰ উল্লেখ আছে। বৰ্তমান সময়ৰ কোনো কোনো লেখকে আকৌ জনম-যাত্ৰা আৰু কংসবধ একেখন নাট বুলিও অনুমান কৰিছে। কিন্তু এই দুয়োখন নাট যে সুকীয়া সুকীয়া বিষয়-বস্তুৰে ৰচিত নাট, সেই কথা নাটৰ নাম দুটায়েই পৰিষ্কাৰ কৰি দিয়ে। ৰামচৰণ ঠাকুৰৰ উল্লেখৰ বাহিৰে গুৰুজনাই জনম-যাত্ৰা নাট ৰচনা কৰা আৰু অভিনয় কৰাৰ আন কোনো প্ৰমাণ নাই। সেইদৰে গুৰুজনা ধুঁৱাহাটাত থাকোঁতে ৰামৰাম গুৰুৱে কংসবধৰ পদৰ ওজা গোৱাৰ সময়ত কুবলয়ৰ দন্ত উভৰা পদ মাতোঁতে নামৰ প্ৰেমত মজি কীৰ্তনঘৰৰ টুপৰ খুটা উভালি লোৱা কথাৰপৰাই গুৰুজনাই কংসবধ নাট ৰচনা কৰি অভিনয় কৰা কথাৰ সৃষ্টি হব পাৰে।

বৰগীত :

এই সমূহ কাব্য, নাট আৰু ভক্তি-তত্ত্বমূলক পুথিৰ উপৰিও গুৰুজনে বিভিন্ন সময়ত ভালেমান গীত, ভটিমা আৰু টোটয় ৰচনা কৰে। মাধৱদেৱে পুৰুবেও গুৰুজনাৰ বাক্য পাই পিছত এনে গীত আদি ৰচনা কৰিছিল। দুজনা গুৰুৰ অঙ্কৰ গীতৰ বাহিৰে অন্যান্য গীতসমূহ ঘাইকৈ আধ্যাত্মিক ভাৱৰ, আৰু এই গীতসমূহক বৰগীত

বোলা হয়। অবশ্যে ছুটিমান গীত একেলগে বৰগীত আৰু অন্তৰ গীত উভয় প্ৰকাৰে ব্যৱহাৰ কৰা হৈছে। ৰামচৰণ ঠাকুৰৰ চৰিত আৰু কথাগুৰু চৰিতৰ বৰ্ণনাবপৰা অনুমান হয় যে গুৰুজনাই দ্বিতীয় তীৰ্থভ্ৰমণৰ পিছত তেখেৰ বৰগীতসমূহ একেলগ কৰি পুথিখন পুথি যুক্ত কৰিছিল। চৰিতৰ মত অনুসৰি গুৰুজনাৰ দ্বাৰা ৰচিত গীতৰ সংখ্যা বাৰকুৰি হলেও বৰ্তমান এই আটাইখিনি গীত পাবলৈ নাই। এই সম্পৰ্কে কথাচৰিতৰ মত এই যে, এবাৰ কমলা গায়ন নামে একজন ভকতে গীতখিনি আওঁবাবলৈ নিছিল আৰু তাতে চুতমহীয়া বন-পোৰা জুয়ে ঘৰ পোৰাত পুৰিলে। "গুৰুজনে থেৰকৈ বোলে ববাপো, অনেক শ্ৰমকৈ গীতখানি কৈলো, পুইলে। গীত কিছু কথা, আমি নকৰো আৰু তেহে শ্ৰীমাধৱদেৱে গুৰুবাক্য ধাৰ কৰিছে ····· নকুৰি-এঘাৰটা বৰগীত, হয় বগে, চোৰ চাতুৰী।"

চিলাৰায়ৰ লগত গুৰুজনাৰ সাক্ষাৎ : চিলাৰায়ৰ শৰণ :

গুৰুজনা পাটবাউসীত নিগাজীকৈ থকা কাল তথা তেখা মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত উপস্থিত হোৱাৰ কাল নিৰ্ণয় সম্পৰ্কীয় আলোচনা প্ৰসঙ্গত নৰনাৰায়ণে শনিৰ দশা এৰাবৰ কাৰণে দান-দক্ষিণা আদি কৰি ধৰনগৰ আৰু ভিঙা নগৰত আঢ়ৈবছৰকৈ কাল কটোৱাৰ কথা ওপৰত উল্লেখ কৰি অহা হৈছে। ইয়াৰ লগতে ১৪৮৪ শকত বীৰ চিলাৰায়ৰ আহোম ৰাজ্য আক্ৰমণৰ প্ৰসঙ্গত নৰনাৰায়ণৰ নাম উল্লেখ নথকা আৰু কথা চৰিতৰ মত অনুসৰি "শনিৰ অষ্টবৰ্ষে ভোগ" থকাৰ যুক্তিত ১৪৭৬-৭৭ শকৰ ভিতৰতে নৰনাৰায়ণৰ শিৰত শনি প্ৰবেশ হোৱা বুলি ধৰিব পাৰি। নৰনাৰায়ণ ভিঙা নগৰত থকা সময়ৰ ভিতৰতে চিলাৰায়ে ৰামৰায় আতাৰ জীয়েক কমলপ্ৰিয়া বা ভুৱনেশ্বৰীক বিয়া কৰায়। চৰিতৰ বৰ্ণনাবপৰা জনা যায় যে নৰনাৰায়ণ ভিঙা নগৰত থকা কালত "ছোট যুৱৰাজ চিলাৰায় বেহাৰ নগৰে ৰাজ্য ধৰি পালি পাটি প্ৰৱৰ্তাই আছে।"

এবাৰ তেওঁৰ লিপিৰা শ্ৰীদামে ভুবনেশ্বৰীৰ ত্ৰৈলোক্যমোহিনী ৰূপ-গুণ দেখি গৈ চিলাৰায়ক কোৱাত তেওঁ ৰায় আতাদৈ বিয়াৰ প্ৰস্তাৱ আগবঢ়ালে। ৰায় আতা প্ৰথমে সন্মত হোৱা নাছিল। কিন্তু গুৰুজনে দেখিলে যে ৰজাৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰিলে তেওঁলোক পুনৰ ৰাজৰোষত পৰিব লাগিব আৰু সেয়ে হ'লে কামৰূপ-বেহাৰত শান্তিৰে ধৰ্ম প্ৰচাৰ কাৰ্য্য অসম্ভৱ হৈ উঠিব। অৱশেষত ৰামৰায়ে গৈ ৰাজধানীৰ বাহিৰত থাকি (ৰামৰায় কুঠি) জীয়েক ভুবনেশ্বৰীক চিলাৰায়লৈ বিয়া দিয়ে। বেজবৰুৱা আৰু ডঃ নেওগে এই বিয়া গুৰুজনাৰ দ্বিতীয় তীৰ্থভ্ৰমণৰ আগেয়ে সম্পন্ন হয় বুলি অনুমান কৰিছে। ইয়াৰ উপৰিও ডঃ নেওগে গুৰুজনা তীৰ্থৰপৰা ঘূৰি অহাৰ পিছতে কমলপ্ৰিয়াৰ যোগেদি গুৰুজনাৰ লগত চিলাৰায়ৰ দেখা হোৱা বুলি মত দিছে। বেজবৰুৱাৰ বৰ্ণনাত আনকি চিলাৰায়ৰ যোগে মহাৰাজ নৰনাৰায়ণৰ লগত গুৰুজনাৰ সাক্ষাৎ হোৱা কথাও তীৰ্থভ্ৰমণৰ আগৰ কাৰ্য্যৰূপে প্ৰকাশ পাইছে। কিন্তু বুৰঞ্জীৰ যুক্তিত এই অনুমান নিতান্তই অমূলক। বুৰঞ্জী বিচাৰৰ সহায়ত ওপৰত কৰি অহা আলোচনা অনুসৰি চিলাৰায়-কমলপ্ৰিয়াৰ বিবাহ ১৪৭৯ শ'ক মানতহে সম্পন্ন হয় বুলি অনুমান হয়। চৰিতত আৰু আছে— এবাৰ চিলাৰায়ৰ দেৱান ঘৰত নোহোৱা সময়ত তেওঁৰ এশ পত্নীয়ে তাম্বুলী চ'ৰাতে বহি মুখ্য পটেশ্বৰী কমলপ্ৰিয়াৰ হতুৱাই গীত গোৱাইছিল। গীত গালে সাৰঙ্গ ৰাগত স্বৰ তুলি— "পামৰ মন, ৰাম চৰণে চিত্ত দেহু।" দেৱানে আহি শুনি মোহিত হ'ল, 'কোকিল সুৰতো অধিক'; 'শয্যাত গোৱাই পুনু শুনিলে', গীতৰ অৰ্থত দেৱান মজি গ'ল। কাৰ গীত সোধাত কমলপ্ৰিয়াই গুৰুজনাৰ পৰিচয় দিলে। ইয়াৰ পিছতে চিলাৰায় দেৱানে গুৰুজনাত শৰণ লয় বুলি বিভিন্ন চৰিতে বৰ্ণনা দিছে। বিয়াৰ এবছৰমান পিছতে অৰ্থাৎ ১৪৮০ শ'ক মানতে এই শৰণ কাৰ্য্য হয় বুলি অনুমান কৰিব পাৰি আৰু এই সময়ত নৰনাৰায়ণ ৰজা ৰাজধানীৰ বাহিৰত

আছিল। শৰণ গ্ৰহণৰ পিছৰেপৰা চিলাৰায়ে দেৱান শুকজনাৰ প্ৰতি গভীৰভাৱে আকৃষ্ট হৈ উঠে।

কৰ্মকাণ্ডী বিপ্ৰৰ খল : গুৰুজনা ৰাজ-অপৰাধী :

চিলাৰায়ৰ শৰণ গ্ৰহণ কেহাৰ ৰাজ্যত ভক্তি-ধৰ্ম প্ৰচাৰৰ কাৰণে এহাতে যেনেকৈ গুৰুজনাৰ বাবে সহায়ক হ'ল, আনহাতে সেইদৰে এই ঘটনাই গুৰুজনাৰ প্ৰতি থকা কামৰূপ বেহাৰৰ কৰ্ম-কাণ্ডী বিপ্ৰসকলৰ বিদ্বেষ দুগুণে বঢ়াই তুলিলে। ইতিমধ্যে মহাৰাজ নৰনাৰায়ণৰ শনিৰ দশা এৰাগত সম্ভৱতঃ ১৪৮৪ শকৰ শেষভাগত তেওঁ আহি ৰাজধানীত উপস্থিত হ'লহি আৰু ইয়াৰ পিছৰ বছৰতে আহোম ৰাজ্য আক্ৰমণ কৰি জয় কৰে। ওপৰত উল্লেখ কৰি অহা হৈছে যে মহাৰাজ নৰনাৰায়ণৰ শনিৰ দশা থকা কাৰণে কালাপাহাৰে ভাঙি থৈ যোৱা কামাখ্যা মন্দিৰৰ পুনৰ নিৰ্মাণ কাৰ্য্য স্থগিত আছিল। এতিয়া যুদ্ধৰপৰা ঘূৰি আহি নৰনাৰায়ণে খৰধৰকৈ এই নিৰ্মাণকাৰ্য্য আৰম্ভ কৰিলে। কামাখ্যা মন্দিৰ পুনৰ নিৰ্মাণ-কাৰ্য্য ১৪৮৭ শকত শেষ হয়। যি নহওক, দেৱী কামাখ্যাৰ প্ৰতি ৰজা নৰনাৰায়ণৰ প্ৰবল আসক্তি দেখা পাই বিৰুদ্ধবাদী ব্ৰাহ্মণ-সকলে মনে মনে আনন্দ পালে। শাস্ত্ৰ-বাদত গুৰুজনাক একোপধ্যে পৰাস্ত কৰিব নোৱাৰি তেওঁলোক এইবাৰ মহাৰাজ নৰনাৰায়ণৰ কাষ চাপিল। ৰাজসভাত উপস্থিত হৈ ব্ৰাহ্মণসকলে গোচৰ দিলে যে শঙ্কৰে তীৰ্থ, ব্ৰত, পূজা, হোম, ঈশ্বৰৰ মূৰ্তি আদি একো নামানে আৰু কাজেই শঙ্কৰৰ কাৰণে ধৰ্ম ৰক্ষা কৰা অসম্ভৱ হৈ উঠিছে। নিজৰ কথাৰ প্ৰমাণস্বৰূপে তেওঁলোকে খেমুখন্দা বিলৰপৰা দেৱীমূৰ্ত্তিৰ চোহোজা তুলি নি ৰাজসভাত দেখুৱালেগৈ। ব্ৰাহ্মণসকলে ভেগ বুজি এই কথা কবলৈকো নাপাহৰিলে যে যি ৰাজ্যত এনে অনীতি হয় সেই ৰাজ্যত প্ৰজাৰ দুখ হয় আৰু ৰজাৰো ছত্ৰভঙ্গ যোগ পাবে। ভূষণ দ্বিজে লিখিছে যে কৰ্মকাণ্ডী বিপ্ৰসকলে এইদৰে খল

দিওঁতে ৰাজগুৰু কণ্ঠভূষণে 'প্ৰথমে ব্ৰাহ্মণসকলৰ সকলো কথা মিছা বুলি কৈ শঙ্কৰদেৱৰ' মতহে শুদ্ধ বুলি ৰজাক শুনাইছিল, কিন্তু একো ফল নধৰিলে। ৰবনাৰায়ণ খণ্ডত গৰ্জি উঠিল— "ছাবে পুৱাইবো জুই ছামে ভামা সিম'। শৰীৰৰ মাংস তাৰ কুকুৰক দিম॥" লগে লগে তেওঁ মন্ত্ৰীসকলৰে সৈতে শঙ্কৰক ধৰি আনিবৰ কাৰণে গৰমলি পঠালে। সম্ভৱতঃ গুৰুজনাৰ বিপক্ষে ব্ৰাহ্মণসকলৰ কূট-অভিসন্ধিৰ কথা ৰজাক বুজাব নোৱাৰি কণ্ঠভূষণে এই খবৰ ভতাতৈয়াকৈ চিলাৰায় দেৱানক দিয়ালে। দেৱানেও অলপো পলম নকৰি আঠজন ৰাজবংশী লোক পঠাই ৰজাৰ গৰমলিয়ে গুৰুজনাক ধৰাৰ আগেয়ে নিজৰ চ'ৰালৈ অনালে। চিলাৰায় দেৱানে ফুল-বাৰিতে বহা সজাই দি গুৰুজনাক থাকিবলৈ দিলে। গুৰুজনা এইস্থানত ছমাহ কাল আছিল বুলি প্ৰায়বোৰ চৰিতে স্বীকাৰ কৰিছে।

ভক্তৰ ওপৰত নিষ্পেষণ :

ইফালে ৰজাৰ গৰমলিয়ে গুৰুজনাক ঘৰত নাপাই ঠাকুৰ আতা আৰু গোকুলচান্দ আতৈক ধৰি আনি ৰাজ-চ'ৰাত উপস্থিত কৰালে। স্বামীক ৰজাৰ চৰে ধৰি নিয়াৰ গম পাই ঠাকুৰ আতাৰ পত্নীও লগতে গ'ল। ৰজাই দুয়োজন ভকতক নানাৰূপে সুধিও, ব্ৰাহ্মণসকলে কোৱাৰদৰে, শঙ্কৰ অনাচাৰী বুলি স্বীকাৰ কৰাব নোৱাৰিলে। শেষত দুয়ো ভকতক আঙুলি চেপা দি, নখত শলা সুমুৱাই, কোৰ তপতাই দাগ দি, গাঁত খান্দি পুতি শাস্তি দিও সুধিলে; তথাপি সত্যবাদী দুয়ো ভকতে গুৰুজনা সদাচাৰী বুলিয়েই কৈ থাকিল। গুৰুৰ প্ৰতি পৰম শ্ৰদ্ধালু আৰু নিষ্ঠাবান দুয়ো ভকতৰ নিৰ্য্যাতন দেখি গৰমলিয়ে তেওঁলোকক গা সৰাবলৈ এবাৰ পৰামৰ্শ দিছিল, কিন্তু ঠাকুৰ আতাই বোলে—

> কৰ্ম্মবশে সুখ-দুখ দেহক আছয়।
> কৰ্ম্ম অনুসাৰে তাক ভুঞ্জিবে লাগয়॥

বিনাশী দেহৰ অৰ্থে ভক্তে নবাঞ্ছয় ।
ঈশ্বৰৰ ইচ্ছা বুলি সহিয়া থাকয় ॥
ঈশ্বৰৰ পাদ-পদ্মে মতি ৰহাড়োক ।
তাহান ভক্তৰ সঙ্গে সদা সঙ্গ হৌক ॥

একোপধ্যে হাব মনাব নোৱাৰি অৱশেষত বজাই ঠাকুৰ আতাক হেমা আৰু পেমা নামে দুটা ভোটত বেচিলে । পাছে পৰতে দুয়ো ভোটৰ চকু অন্ধ হোৱাত দেও-মানুহ বুলি ওভোতাই লৈ আহিল । বজাই ঘুৰাই নোলোৱাত সহিহৰি নামে গৰমলিজনে তিনিকুৰি টকা দি কিনি লৈ আতাক মুক্ত কৰি পত্নীসমে নি নিজৰ ঘৰত ৰাখিলেগৈ ।

শুভদিনৰ সুচনাঃ গুৰুজনাৰ ধৰ্মৰ প্ৰতি নৰনাৰায়ণৰ অনুৰাগ ঃ

নৰনাৰায়ণ বজাই পিছত ঠাকুৰ আতাৰ এনে মাহাত্ম্য আৰু বিমল চৰিত্ৰৰ কথা জানি সহিহৰিৰ ঘৰৰপৰা আতাক অনাই নিজৰ অজানিত ভুলৰ বাবে ক্ষমা মাগিলে আৰু পৰণা লিখি সিংহচাব মাৰি পূৰ্বৰ দৰেই হৰি নাম কীৰ্তন কৰিবলৈ অনুমতি দি তেওঁক বিদায় দিলে । ৰামচৰণ ঠাকুৰৰ চৰিতৰ পিছৰ বৰ্ণনাৰপৰা অনুমান হয় যে নৰনাৰায়ণ বজাই এই সময়তে ঠাকুৰ আতাৰপৰা গুৰুজনাৰ শাস্ত্ৰজ্ঞান, কবিত্ব আৰু তেখেতৰ ধৰ্মৰ বিষয়ে সবিশেষ বুজ লৈছিল । ইফালে সহিহৰিৰ গৃহতে ইতিমধ্যে ঠাকুৰ আতাই এটি পুত্ৰ লাভ কৰিলে । শুদ্ধি-সংস্কাৰ হৈ আতাই চিলাৰায়ৰ ফুলবাৰীতে গৈ গুৰুজনাক সাক্ষাত কৰিলেগৈ আৰু পুত্ৰক গুৰুৰ চৰণত অৰ্পন কৰিলে । পুত্ৰলাভৰ আগমুহূৰ্তত ঠাকুৰ আতাই অনেক কায়-কষ্ট ভোগ কৰিলেও ভক্তৰ সেই কষ্টৰ বিনিময়ত ৰজা নৰনাৰায়ণে একশৰণ নাম ধৰ্মৰ মাহাত্ম্য উপলব্ধি কৰিলে আৰু সেই ধৰ্মৰ প্ৰতি তেওঁৰ অনুৰাগ বাঢ়িল । গুৰুজনেও ঠাকুৰ আতাৰ নৱজাত ল'ৰাটিৰ নাম থলে পৰমানন্দ ।

ৰাজ-চ'ৰাত গুৰুজনা :

নৰনাৰায়ণে পিছত খবৰ লৈ জানিলে যে গুৰুজনা সেই সময়ত দেৱান চিলাৰায়ৰ ফুলবাৰীতে আছে। সেইবাবে তেওঁ গুৰুজনাৰ একো অন্যায় নাসাধে বুলি ভায়েকক আশ্বাস দি গুৰুজনাক ৰাজ-দৰবাৰলৈ পঠাবৰ কাৰণে অনুৰোধ জনাই দূত পঠালে। চিলাৰায় প্ৰথমতে নৰনাৰায়ণৰ প্ৰস্তাৱত সন্মত হোৱা নাছিল। অৱশেষত, এজন স্নেহৰ পাত্ৰক ৰজাই চিলাৰায়ৰ চ'ৰাত জামিন থোৱাতহে আৰু গুৰুজনা নিতৌ দেৱানৰ গৃহৰপৰা ৰাজ-চ'ৰালৈ অহা-যোৱা কৰাৰ প্ৰস্তাৱত ৰজা সন্মত হোৱাতহে দেৱানে গুৰুজনাক ৰাজসভালৈ পঠালে; কিন্তু তথাপিও তেওঁ ভাঁৰৰ বাতৰি ভাঁৰে লৈ আছিল। গুৰুজনা ৰাজসভাত উপস্থিত হোৱাত নৰনাৰায়ণ ৰজাই তেওঁক আদৰ কৰি নি বহিবলৈ কম্বল পৰাই দিলে। গুৰুজনেও ৰাজসভাত প্ৰৱেশ কৰোঁতে "মধু দানৱ দাৰণ দেৱ বৰম্" আদি শ্লোকেৰে আৰম্ভ হোৱা টোটয়টি আৰু "জয় জয় মল্ল নৃপতি ৰসৰাজ"—এই ভটিমাটি গাই আসন গ্ৰহণ কৰিলে। ৰাজ-চ'ৰাত পণ্ডিত ব্ৰাহ্মণসকলৰ লগত গুৰুজনাৰ তিনিমাহ শাস্ত্ৰবাদ হ'ল, কিন্তু একোমতে গুৰুজনাক পৰাভৱ কৰাৰ নোৱাৰি তিনিমাহৰ মূৰত তেওঁলোকে ৰজাৰ ওচৰত নিজৰ অক্ষমতা প্ৰকাশ কৰিলে। কিন্তু তথাপিও তেওঁলোকে শঙ্কৰৰ মত শুদ্ধ নহয় বুলি কৈ থাকিল আৰু কাশী-প্ৰয়াগৰপৰা শাস্ত্ৰজ্ঞ পণ্ডিত আনি সেই কথাৰ প্ৰমাণ লবলৈ ৰজাক অনুৰোধ জনালে। নৰনাৰায়ণেও ব্ৰাহ্মণসকলৰ সেই অনুৰোধ অনুসৰি ব্যৱস্থা ললে, কিন্তু এইবাৰো গুৰুজনাৰ মতেই শুদ্ধ বুলি প্ৰমাণিত হ'ল। সকলোৱে স্বীকাৰ কৰিলে যে গুৰুজনাৰ প্ৰৱৰ্তিত ধৰ্ম গীতা, ভাগৱত, বেদ, বেদান্ত, সাত্বততন্ত্ৰ, পঞ্চৰাত্ৰ আদিৰ মতৰ ওপৰত প্ৰতিষ্ঠিত; এই ধৰ্ম অশাস্ত্ৰীয় নহয়। এইদৰে গুৰুজনা প্ৰায় ছমাহ কাল দেৱানৰ ফুলবাৰীৰপৰা ৰাজ-চ'ৰালৈ অহা-যোৱা কৰিছিল বুলি অনুমান হয়। গুৰুজনাই নৰনাৰায়ণৰ ৰাজসভালৈ

অহা-যোৱা কৰাৰ শেষ ভাগ সময়তে গুণমালা পুথি ৰচনা কৰে। গুণমালা পুথিৰ ৰচনা কাল সম্পৰ্কে অৱশ্যে বহুতে ভিন্ন মত পোষণ কৰে। বেজবৰুৱাৰ মতে প্ৰথম আধ্যাত বাজে গুণমালাৰ বাকীখিনি বৰদোৱাতে ৰচনা কৰা। বেজবৰুৱাই আৰু লিখিছে যে গুৰুজনে গাংমৌত থকা কালত সতানন্দ বা দেৱীদাস কায়স্থক শৰণ দিয়াৰ পিছত এই পুথিখনকে সতানন্দক দিছিল। ডঃ নেওগেও বেজবৰুৱাৰ এই মত সমৰ্থন কৰিছে আৰু পিছত মহাৰাজ নৰনাৰায়ণৰ ৰাজসভাত থকা কালত তেৱাই ইয়াৰ প্ৰথম আধা লিখি গুণমালা পুথি সম্পূৰ্ণ কৰে বুলি ধৰিছে। কিন্তু এইসমূহ মত নিতান্তই বিশ্বাস যোগ্য নহয়। চৰিততে আছে যে হাৰিও হাৰ নমনা পাণ্ডিত্যাভিমানী ব্ৰাহ্মণসকলক "ব্ৰাহ্মণ নভৈলে দণ্ডৱেসে যোগ্য হোৱা" বুলি কদৰ্থনা কৰি আকবাৰ পৰীক্ষা কৰিবৰ কাৰণে নৰনাৰায়ণে একে বহাতে তেওঁক ভাগৱত শুনাবলৈ আজ্ঞা কৰিলে। ব্ৰাহ্মণসকলে এইবাৰো নিজৰ অক্ষমতা প্ৰকাশ কৰি কলে— "অসাধ্য কথাক ৰাজা আমাক বুলিলা॥ হাতী মাৰি ভুককাত ভৰাব নপাৰি। ভাগৱত গ্ৰন্থ তেনে কৰিবে নোৱাৰি॥" পিছে গুৰুজনাক ৰজাৰ ইচ্ছা নিবেদন কৰাত গুৰুজনে নিশাটোৰ ভিতৰতে ভাগৱতৰ সাৰ তুলি গুণমালা পুথিখন ৰচনা কৰিলে আৰু পিছদিনা ৰাজসভাত নি পাঠ কৰি শুনালেগৈ। ভাগৱত সাৰ গুণমালা শুনি ৰজা পৰম আনন্দিত হ'ল আৰু গুৰুজনাক ঈশ্বৰ শক্তি জ্ঞান কৰিলে।

নৰনাৰায়ণৰ কৃষ্ণলীলা দৰ্শনৰ ইচ্ছা আৰু বৃন্দাবনীয়া বস্ত্ৰ ঃ

ৰামচৰণ ঠাকুৰৰ মতে ইয়াৰ পিচবেলাৰা ৰজাই কিছুদিন গুৰুজনাৰ মুখে ভাগৱত কথা শ্ৰৱণ কৰিছিল। কৃষ্ণলীলাৰ অপূৰ্ব কাহিনীসমূহ শুনি অৱশেষত সেই লীলাসমূহৰ স্বৰূপ দৰ্শনৰ কাৰণে ৰজা বৰ ব্যগ্ৰ হৈ উঠিল। "ৰাজা বোলে বাপ চুক ভেকুলিৰ পায়স, দৰিদ্ৰৰ অষ্টনিধি, বোবাৰ পৰ্বত, কনাৰ বস্ত্ৰ, ভিকুকৰ অমৃত

ইচ্ছা মন হবে মোৰ অধম পাপীয়ো চিত্ত গ'ল। তথু মুখ পদ্মত আণ পাই পিয়াৰ পাৰোঁ নিকিন? গুৰু বোলে বস্ত্ৰকৈহে দেখাব পাৰি।" কেতবোৰ চৰিতৰ মতে বস্ত্ৰে বৃন্দাবন লীলা বৰ্ণন কৰাৰৰ এই অনুৰোধ ছোটৰজা চিলাৰায় দেৱানৰহে আছিল। যি নহওক্, গুৰুজনাৰ পৰামৰ্শ ক্ৰমে তাঁতীকুছিৰ বাৰে মৰলৰ ওচৰত, বস্ত্ৰ ব'বৰ কাৰণে ৰঙা, বগা, ক'লা, হালধীয়া, সেউজীয়া, কাচনীল, গৌৰ, শ্যাম বৰ্ণৰ সূতা গতোৱা হ'ল। গুৰুজনাই পাটবাউসীৰপৰা নিতে তাঁতীকুছিলৈ অহা-যোৱা কৰি বাৰে মৰলৰ হতুৱাই দিনে এবেগেতকৈ বোৱাই দীঘে ছকুৰি আৰু প্ৰন্থে তিনিকুৰি হাত কাপোৰ প্ৰস্তুত কৰালে। বস্ত্ৰতে গোকুল, মথুৰা, দ্বাৰকা, বৃন্দাবন, গোবৰ্দ্ধন, বাৰেবন, যমুনা হ্ৰদ, গোপ, গোপী, ধেনু, বৎস, শিশু আৰু কংসৰ বন্দীশালত কৃষ্ণৰ জন্মৰেপৰা কংসবধলৈকে সকলো লীলা চিত্ৰিত কৰা হ'ল। লগতে প্ৰত্যেক চিত্ৰৰ তলত আখৰ তুলি চিত্ৰসমূহ বুজাই লিখাও হ'ল; কাপোৰৰ নাম দিয়া হ'ল 'বৃন্দাবনীয়া বস্ত্ৰ'।

এবছৰৰ মূৰত গুৰুজনা বস্ত্ৰ লৈ বেহাৰত উপস্থিত হ'লগৈ। ওপৰত কৈ অহা হৈছে আৰু সকলো চৰিতেও মত দিছে যে বেহাৰত গুৰুজনা গৈ চিলাৰায় দেৱানৰ ফুলবাৰীত থকা বাহৰতে থাকেগৈ। এইবাৰো গুৰুজনে চিলাৰায়ৰ ঘাটত নাও ৰাখি দেৱানলৈ খবৰ দিলে আৰু দেৱানে 'ধূপে দীপে বৰি' গুৰুজনাক বাহৰলৈ আনিলে। চিলাৰায় দেৱানে তেওঁৰ এশ পত্নীসমে টকা-বস্ত্ৰ আগকৈ গুৰুজনাক সেৱা জনালে। এই সময়তে দেৱানৰ পত্নীসকলে গুৰুজনাত শৰণ লয় বুলি ৰামচৰণ ঠাকুৰে উল্লেখ কৰিছে, অৱশ্যে অন্য চৰিতত এই কথা নাই। সম্ভৱ এই সময়তে গুৰুজনে চিলাৰায় দেৱানক জন্ম পুৰাণৰ (?) পদো দিয়েগৈ। গুৰুজনা বেহাৰৰ ৰাজসভাৰপৰা পাটবাউসীলৈ ওভতা সময়ত চিলাৰায় দেৱানে জন্ম পুৰাণৰ (জন্ম ৰহস্য) শ্লোক কিছু পাই ভাঙিবলৈ দিছিল; তেৱাই পাটবাউসীত

ভাঙি আনি দিয় বুলি বিদায় ললে । পাটবাউসীত আছি মাধৱদেৱক এই কাৰ্য্যৰ ভাৰ দিয়াত তেওঁ ভাগৱত মিশ্ৰ দি অভিনৱ গঢ়ত পুথিখনি ভাঙিলে। গুৰুজনাই এই পুথিখনকে এতিয়া দেৱানক অৰ্পন কৰিলে ।

পটত বৃন্দাবন দৰ্শন : নৰনাৰায়ণৰ ধৰ্মৰ প্ৰতি আসক্তি :

গুৰুজনা বেহাৰত আহি উপস্থিত হৈছেহি বুলি সম্বাদ পাই ৰজা নৰনাৰায়ণে দূত পঠাই তেৰাক ৰাজসভালৈ অনালে । ৰামচৰণ ঠাকুৰৰ চৰিত অনুসৰি গুৰুজনা বেহাৰত আহি উপস্থিত হোৱাৰ খবৰটো এইবাৰ দেৱান চিলাৰায়েই নৰনাৰায়ণক দিছিলগৈ । যথাসময়ত গুৰুজনা ৰাজসভাত উপস্থিত হৈ ৰজাক বৃন্দাবনীয়া বস্ত্ৰ দেখুৱালেগৈ । "কাপোৰ দেখিয়া ৰাজা হ'ল বিমোহিত । সভাসদ সবে দেখি হইল আচৰিত ॥" তন্ময়তাত সেইদিনা ৰজাই চিত্ৰিত ঘটনাৰ বিবৰণ বুজিবৰ সময়কে নাপালে । সকলোকে বিদায় দি আৰু পিছদিনা সোনকালে সভালৈ আহিবৰ আজ্ঞা কৰি ৰজাই 'ৰাম নাম স্মৰি' অন্তঃপুৰত প্ৰবেশ কৰিলে । পিছদিনা গুৰুজনাই যথাসময়ত ৰাজসভালৈ আহি পট মেলি প্ৰত্যেক চিত্ৰত অঙ্কিত কৃষ্ণ-লীলাৰ অপূৰ্ব কথাসমূহ ৰজা আৰু সভাসদসকলক বুজাই দিলে । ক্ৰমান্বয়ে কৃষ্ণলীলা শ্ৰৱণৰ প্ৰতি নৰনাৰায়ণৰ হেঁপাহ বাঢি গ'ল আৰু তেওঁৰ অনুৰোধত গুৰুজনেও প্ৰতিদিনে ৰাজসভালৈ গৈ চিত্ৰসমূহ বুজাব ধৰিলে । এইদৰেই "ক্ৰমে ক্ৰমে ৰাজাৰ আগ্ৰহ চৰি গৈল । সকলোকে এৰি মাত্ৰ ধৰ্ম্মে মন হৈল ॥" ৰজাই গুৰুজনাক ঈশ্বৰ শক্তি জ্ঞান কৰিলে আৰু তুয়ো ককাই-ভায়ে আলচ কৰি তেৰাই ৰাতে ধৰ্মচৰ্চা কৰাত কোনো অসুবিধা নাপায় সেই অৰ্থে পূবে ভেলা, দক্ষিণে মানচৈ, পশ্চিমে মোৱামাৰী, উত্তৰে তোৰোচা সীমাকৈ মাটি দি তাতে সম্ভৰা কাজীৰ কলঘাৰী কটাই গৃহবাৰী, নামঘৰ-মনিকূট সজাই দিলে । তোৰোচাৰ দক্ষিণপাৰৰ

এই স্থানত এটি ভোবা আছিল আৰু তাতে অনেক ভেলা চৰাই পৰি মাছ খাই থাকে দেখি লোকে এইস্থানক ভেলাভোঙা বুলিছিল। পাছত ছোট আতাই এই স্থানৰ নাম মধুপুৰ ৰাখিছে। কথাচৰিতত আছে যে গুৰুজনা দ্বিতীয়বাৰ তীৰ্থলৈ যাওঁতে বেহাৰ ৰাজ্য পাই "এক পাৰলি বৃক্ষৰ তলে বসি কৃষ্ণ কথা কৈছে। গুৰুজনে, পাছৰ খোবোঙ্গে মাথী মৌ পাই পাৰি লৈছে। ছোট আতা বোলে কি পুণ্য ভূমিখানি। হৰিকথা মধুপান, গুৰু-ভকতৰ খুলা পৈল। তেহে মহাপুৰুষ গুৰু বোলে বৰাপো, তোমাৰ আমাৰ পাছত, আত্তে মধুপুৰ নামে এখানি থান হব"। গুৰুজনে দ্বিতীয় তীৰ্থযাত্ৰাত পোৱা সেই স্থানেই সম্ভৱ এই ভেলাভোঙা। তোৰোচাৰ মৰিস্থঁতিটিক লোকে পিছত কাকতকুটা বুলিছিল।

তোৰোচাৰ মৰিস্থঁতিটিৰ কাকতকুটা নাম হোৱাৰ সম্পৰ্কত গুৰুচৰিতত এটি সুন্দৰ আখ্যান সংযোজনা কৰা হৈছে। গুৰুজনে ৰজাৰ সমাদৰ পোৱাত ব্ৰাহ্মণসকলৰ হৃদয় ফাটি গ'ল। তেওঁলোকে পুনৰ গুৰুজনাৰ লগত বাদ কৰিবৰ কাৰণে ৰজাৰ অনুমতি বিচাৰিলে। কিন্তু নৰনাৰায়ণে একোপধ্যে ব্ৰাহ্মণসকলক অনুমতি নিদিলে। চৰিতত আছে যে কু-তাৰ্কিক ব্ৰাহ্মণসকলৰ পাণ্ডিত্যাভিমান ভাঙিবৰ কাৰণে নৰনাৰায়ণ ৰজাই তেওঁলোকৰ জাল শাস্ত্ৰবোৰ কালি-চিৰি তোৰোচাত পেলোৱালেগৈ। ফলত তোৰোচাৰ মূল সুঁতিটোৱেই বন্ধ হৈ নৈখনে অন্তকালে গতি কৰিলে আৰু মৰিস্থঁতিটো পিছত কাকতকুটা নামে খ্যাত হ'ল।

ব্ৰাহ্মণৰ মুখে নাম-ধৰ্মৰ শ্ৰেষ্ঠতা স্বীকাৰ :

ব্ৰাহ্মণসকলে একোপধ্যে গুৰুজনাৰ অহিত কৰিব নোৱাৰি অৱশেষত ৰাজ অনুগ্ৰহ লাভ কৰিবৰ কাৰণে এটি নতুন ফন্দি উলিয়ালে। তেওঁলোকে ৰজাৰ ওচৰলৈ গৈ শঙ্কৰক প্ৰশংসা কৰিবলৈ ধৰিলে—

বুজিলোঁহো আমি যুগধৰ্ম্ম অনুসাৰে ।
যি ধৰ্ম্মক প্ৰবৰ্ত্তাইছে শ্ৰীমন্ত শঙ্কৰে ॥
এহি ধৰ্ম্মে তাৰিবন্ত লোক সমস্তক ।
তাক দুৰ্বুদ্ধিয়া নবে মৰে অনাছক ॥

নিজ স্বাৰ্থ সিদ্ধিৰ কাৰণে অনিচ্ছাতো তাৰ্কিক ব্ৰাহ্মণসকলৰ মুখত গুৰুজনাৰ প্ৰশংসা প্ৰকাশ পালে । মহাৰাজ নৰনাৰায়ণৰ আনন্দৰ পাৰ নোহোৱা হ'ল । তেৰেঁা ব্ৰাহ্মণসকলক ধন-বস্ত্ৰ দি সন্তোষ কৰিলে । এইদৰেই সৰ্বশেষত গুৰুজনা সকলো বিৰোধবণৰ মুক্ত হ'ল— অসম, কামৰূপ, কোচবিহাৰ তিনিও ৰাজ্যত গুৰুজনাৰ ধৰ্মৰ ধ্বজা উৰিল ।

মহাপুৰুষীয়া ধৰ্মৰ সাৰ্বজনীনতা : চান্দসাইৰ শৰণ :

গুৰুজনাৰ ধৰ্মৰ দুৱাৰ সকলো জাতি-উপজাতিৰ লোকৰ কাৰণে খোলা । গুৰুজনা ভেলা-মধুপুৰত থাকোঁতে তেৰাই চান্দসাই নামে এজন মুছলমান দৰ্জীকো শৰণ দি সজৰ ভকত কৰি লৈছিল । চৰিত অনুসৰি চান্দসায়ে প্ৰথমে গুৰুজনাক ইতিকিং কৰি ঘূৰি ফুৰিছিল । এবাৰ ৰজাই তেওঁক গুৰুজনাৰ বাবে এটা দগলা (চোলা) চীবলৈ দিছিল । পাছে চান্দসায়ে এদিন গুৰুজনাৰ চতুৰ্ভুজ মূৰ্তি দেখি তেৰাক ঈশ্বৰ বুলি জ্ঞান কৰি শৰণ লৈ নাম-ধৰ্ম গ্ৰহণ কৰিলেহি । ৰজাই চীবলৈ দিয়া চোলাটো তেওঁ চাৰিখন হাত দি চী গুৰুজনাক দিছিলহি । পাছত জানিবা গুৰুজনাৰ আজ্ঞাক্ৰমে কোনেও নেদেখাকৈ দুটা হাত গুচাই দিয়ে । গুৰুজনাৰ চতুৰ্ভুজ ৰূপ দেখা কথাৰপৰাই বুজিব পাৰি যে চান্দসাই এজন প্ৰথমশাৰীৰ ভকত আছিল ।

ব্ৰাহ্মণ ভক্ত ভাগৱত ৰচনা :

আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে গুৰুজনা বেহাৰৰ

তেলাতোলাত প্ৰায় তেওঁ বছৰমান কাল নিৰাপদিকৈ কলতি হৈ আছিল। সম্ভৱ, এইছোৱা সময়ৰ ভিতৰতে তেওঁই দ্বাদশ স্কন্ধ ভাগৱত আৰু ৰামবিজয় নাট ৰচনা কৰিছিল। দ্বাদশ স্কন্ধ ভাগৱত যে গুৰুজনাই অন্তিম বয়সত ৰচনা কৰা কাব্য সন্দেহ নাই। এই স্কন্ধ ভাগৱতৰ ক'তো গ্ৰন্থকাৰৰ নামোল্লেখ নথকাৰ উপৰিও ভণিতাৰ 'মৰণ সঙ্কটে প্ৰভু নছাৰিবা মোক', 'মই পাতকীৰ কৰা গতি' আদি আৰু কেবাবাৰো উল্লেখ কৰা 'তেবেসে নিস্তৰো সবে বোলা ৰাম ৰাম' আদি পদ লক্ষ্য কৰিবলগীয়া। এইসমূহ পদত নিশ্চয় গুৰুজনাৰ বৃদ্ধ বয়সৰ চাপ অনুমান কৰিব পাৰি। ইয়াৰ উপৰিও 'মাৰ্কণ্ডেয় মুনিৰ ভগৱন্মায়া দৰ্শন' খণ্ডত গুৰুজনাই স্পষ্টকৈ লিখিছে—

হে প্ৰাণ কৃষ্ণ প্ৰভু মই দুৰাচাৰ।
প্ৰণিপাতে তোমাকেসে কৰোঁ নমস্কাৰ॥
কতনো সহিবো বাপ মায়াৰ নিগ্ৰহ।
অদ্যাপিও পাপীত সুপজে অনুগ্ৰহ॥
তোমাৰ ৰূপক মনে হৃদয়ত ধৰি।
কান্দি কন্থা পিন্ধিয়া তোমাৰ নাম স্মৰি॥
ভ্ৰমো ভকতৰ সঙ্গে হুয়া ভিক্ষাহাৰী।
এতেকে কৰুণা মোক কৰিয়ো মুৰাৰী॥
নতেজে ভকতি নছাৰিলে মোহ মায়া।
জৰা ৰোগে পীড়ে পৰৈ কেতিক্ষণে কায়া॥
কৰোঁ কৃষ্ণ কাতৰ পূৰিয়ো মনকাম।
পলাউক পাতক ডাকি বোলা ৰাম ৰাম॥

ৰামবিজয় নাট ৰচনা :

দ্বাদশ স্কন্ধ ভাগৱত ৰচনাৰ সমসাময়িকভাৱেই গুৰুজনাই চিলাৰায় দেৱানৰ অনুৰোধত ৰামবিজয় নাটো ৰচনা কৰে। কথা-চৰিতৰতো বৃন্দাবনীয়া বস্ত্ৰ বজাত শোধোৱা প্ৰসঙ্গৰ পিছতে ৰামায়ণৰ

নাট কৰিবলৈ টিলাধাৰ যোৱানে গুৰুজনাক প্ৰাৰ্থনা কৰাৰ কথা কৈছে। এই অনুৰোধ অনুসৰি গুৰুজনে ৰামৰ বিয়াহু কৰাৰে শ্ৰীৰামবিজয় নাট লিখি কল্যাণ আৰু মুক্তি-মঙ্গল ভটিমাত গুৰুৰাজ নৃপতিৰ প্ৰশংসা কৰিছে। ইয়াৰ পিছতে অহ সামৰণিৰ শ্লোকত লিখিছে—

বিন্দু-বহ্ন্য-বেদ-চন্দ্ৰশাকে শঙ্কৰসংজ্ঞকঃ।
শ্ৰীৰাম বিজয়ো নাম নাটকং বিদধেঽমুনা॥

কথাচৰিতৰ পৰা স্পষ্টকৈ বুজা যায় যে ৰামবিজয় নাট ৰচনা কৰাৰ পিছত গুৰুজনাই আৰু কাপ ধৰা নাই- "গুৰুজনে তাতে কাপ কাঠি এৰিছে।" ৰামানন্দ দ্বিজৰ চৰিত্ৰপৰা আৰু জনা যায় যে ৰামবিজয় নাট ৰচনা সম্পূৰ্ণ হোৱাত গুৰুজনে নিজে এই নাটৰ ভাওনাও কৰায়।

শ্ৰীৰামবিজয় বা সীতাসয়ম্বৰ নাট ৰচি ভাওনা কৰাৰ পৰা দিনৰ হিচাপত চাৰিমাহমানৰ অন্ততে গুৰুজনে বৈকুণ্ঠ প্ৰয়াণ কৰে বুলি অনুমান হয়। কাৰণ বিভিন্ন চৰিত মিলাই চালে দেখা যায় যে ইয়াৰ পিছত এমাহমান কাল মাত্ৰ বেহাৰ ৰাজ্যত থাকি গুৰুজনা পাটবাউসীলৈ আহে। পাটবাউসীতো এমাহৰ কিছু বেছিদিন কটাই ছোট আতা মাধৱক ধৰ্মৰাজ্য পৰিচালনাৰ সম্পূৰ্ণ ভাৰ গতাই গুৰুজনা পুনৰ বেহাৰলৈ যায় আৰু বেহাৰত এইবাৰো মহাৰাজ নৰনাৰায়ণে শৰণ দানৰ কাৰণে নেৰা-নেপেৰা দি ধৰাত প্ৰায় এমাহমানৰ মূৰতে তেৰাই নশ্বৰ দেহ ত্যাগ কৰে।

নৰনাৰায়ণৰ শৰণ ভিক্ষা :

নাৰায়ণ দাস ঠাকুৰ আতাৰপৰা গুৰুজনাৰ পাণ্ডিত্য, কবিত্ব-শক্তি আৰু তেৰাৰ প্ৰৱৰ্তিত ধৰ্মৰ বিষয়ে সবিশেষ শুনাৰ পিছৰে-পৰা মহাৰাজ নৰনাৰায়ণ গুৰুজনাৰ প্ৰতি ক্ৰমান্বয়ে আসক্ত হৈ পৰাৰ কথা আমি পাই আহিছোঁ। তাৰ পিছৰছোৱা কালত

ৰাজসভাত ব্ৰাহ্মণ পণ্ডিতসকলৰ লগত হোৱা বাক্-প্ৰতিবাদসমূহত গুৰুজনাৰ ধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন হোৱাত এই আসক্তি অধিক প্ৰবল হৈ উঠে। ইফালে বৃন্দাবনী বস্ত্ৰত কৃষ্ণলীলা দৰ্শন কৰি ৰজা নৰনাৰায়ণে গুৰুজনাক ঈশ্বৰ জ্ঞান কৰাৰ কথাও লকলো চৰিত্ৰে স্বীকাৰ কৰিছে। এইদৰেই গুৰুজনাৰ প্ৰতি আকৃষ্ট হৈ অৱশেষত তেখেতৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ নামধৰ্ম গ্ৰহণ কৰিবলৈ ৰজা নৰনাৰায়ণ একান্ত আগ্ৰহশীল হৈ উঠিল। তেওঁ গুৰুজনাত শৰণ প্ৰাৰ্থনা কৰিলে, গুৰুজনাৰ কিন্তু নৰনাৰায়ণক শৰণ দান কৰিবৰ ভাব সম্ভুলি নাছিল। কাৰণ, গুৰুজনে বুজিছিল যে বেহাৰত যদিও শেষলৈ কোনোৱে তেখেতৰ ধৰ্মৰ বিৰুদ্ধাচৰণ কৰা নাছিল আৰু কৰ্মকাণ্ডী বিপ্ৰসকলো তেখেতৰ প্ৰশংসাত পঞ্চমুখ হৈছিল, তথাপিও তেওঁলোকৰ মনৰ বিদ্বেষ নিৰ্মূল হোৱা নাছিল; গুৰুজনাৰ বিৰুদ্ধাচৰণ কৰিলে ৰজাৰ অপ্ৰিয়ভাজন হোৱা আৰু ভেটি নোপোৱাৰ আশঙ্কাতহে মাত্ৰ তেওঁলোকে এই কূট উপায় অৱলম্বন কৰিছিল। আনহাতে, ৰাজ্যৰ সমূহ প্ৰজা আৰু সকলো পন্থী লোকক সমানে সন্তুষ্ট ৰখা ৰজাৰ প্ৰধান আৰু পবিত্ৰ কৰ্তব্য। ইয়াৰ বাবে ৰজাই প্ৰয়োজন হলে কেতিয়াবা একশৰণ বিৰোধী কাৰ্য্যও সম্পাদন কৰিবলগীয়া হব পাৰে। বিশেষতঃ, ৰজা নৰনাৰায়ণ এজন প্ৰজাৰঞ্জক ৰজা আছিল। দ্বিতীয়তঃ, কালাপাহাৰে ভাঙি থৈ যোৱা কামাখ্যা মন্দিৰ পুনৰনিৰ্মাণ আৰু প্ৰতিষ্ঠা কাৰ্য্যত দেৱীৰ প্ৰতি নৰনাৰায়ণৰ গভীৰ নিষ্ঠা প্ৰকাশ পাইছিল; ই মাত্ৰ গুৰুজনা ৰাজসভাত উপস্থিত হোৱা সময়ৰ ঘটনা। সেইবাবে গুৰুজনে হয়তো ভাবিছিল যে এই নিষ্কাম আৰু অব্যভিচাৰী ভক্তি-ধৰ্মত শৰণ ললে নৰনাৰায়ণে নিষ্ঠাৰে ইয়াক পালন কৰিব নোৱাৰিব। সেইবাবে, তেখেতে এই ধৰ্মত শৰণ গ্ৰহণ কৰিলে ৰজাৰ কেতিয়াবা পাপ সিঁচিব পাৰে বুলি কৈ নৰনাৰায়ণক বিভিন্ন প্ৰকাৰে বুজালে। এক্ষোমতে ৰজাক বাৰণ কৰিব নোৱাৰি গুৰুজনে শেষত তত্ত্ব উপাখ্যানৰে বুজাবৰ চেষ্টা কৰিছিল—

একান্ত শৰণ যিটো লয় কৃষ্ণত ।
হৰিময় দেখে সিটো সমস্ত জগত ॥
শৰণ ভজন ভক্তি ব্ৰহ্মাণ্ডৰ ৰাজ ।
হেন জানি ৰাজা তুমি এৰা ইটো কাজ ॥
হৰিক ভজিয়া যিটো আন কৰ্ম্ম কৰে ।
জানিবা নিশ্চয় সিটো নৰকত পৰে ॥
কদাচিতো তুমি নকৰিবা ইটো কাম ।
পৰম পণ্ডিত তুমি গুণে অনুপাম ॥
হেন জানি তুমি মোৰ বচন ধৰিয়ো ।
ৰাজনীতি ধৰ্ম্মে থাকি প্ৰজাক পালিয়ো ॥

পৰম পণ্ডিত ৰজা নৰনাৰায়ণে গুৰুজনাৰ মনৰ ভাব বুজি ধৰ্ম গ্ৰহণৰ বাবে নিজৰ মনৰ দৃঢ়তা আৰু নিশ্চয়তা প্ৰকাশ কৰি পুনৰবাৰ কাতৰ প্ৰাৰ্থনা জনাই ক'লে—

দেৱ-দেৱী সবাৰে এৰিলো মই আশ ।
তোমাক মানিয়া গুৰু গাইবো কৃষ্ণ যশ ॥
নিশ্চয় কৰিয়া আৰে হৰিক ভজিবো ।
কদাচিতো আমি আন কৰ্ম্ম নকৰিবো ।

গুৰুজনা নিৰুপায়ত পৰিল । তেৰাই নৰনাৰায়ণৰ হাত এৰাবলৈ মনতে বুদ্ধি পাঙি "গৃহক লাগিলা আৰে ৰাজা যাওঁ আমি, কৰাইবো শৰণ যদি পাওঁ কৃষ্ণ বাণী" বুলি কৈ সেইদিনা ৰজাৰ পৰা বিদায় লৈ ঘৰলৈ গ'ল । অনেক ভণি-পাতিও কোনো উপায় নাপাই গুৰুজনে শেষত "নৰনাৰী প্ৰবিষাক মনে কৈলা সাৰ" । কিন্তু ইয়াৰ আগেয়ে ধৰ্ম ৰক্ষা হবৰ বাবে তেওঁই আৰু কিছু কাৰ্য্য সাধন কৰিব লাগিল । সেইবাবে গুৰুজনে নৰনাট এবাৰ আগেয়ে এবাৰ পাটবাউসীলৈ যোৱাৰ প্ৰয়োজন অনুভৱ কৰিলে ।

মাধৱদেৱক ধৰ্মৰাজ্য পৰিচালনাৰ দায়িত্ব অৰ্পণ :

গুৰুজনে পাটবাউসীত এইবাৰ এমাহমান কাল কটাই পুনৰ বেহাৰলৈ ঘূৰি আহে । এইছোৱা সময়ৰ ভিতৰতে গুৰুজনে "ধৰ্মৰ ভাণ্ডাৰ মেলি মাধৱক দিলা" আৰু সকলো ভকতক জনাই তেওঁৰ

অবিহনে ছোট আতা মাধৱদেৱক গুৰু [illegible] ধৰ্মৰাজ্য পৰিচালনাৰ সম্পূৰ্ণ দায়িত্ব গতাই দিলে। মাধৱদেৱৰ পুত্ৰক ধৰ্মৰাজ্য পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰাৰ কথা সকলো চৰিতেই স্বীকাৰ কৰিছে। কিন্তু কোনো কোনো চৰিতত আকৌ 'জীয়াৰীৰ নাতিয়েহে ভকতি ৰাখিব', 'সাত পুৰুষলৈহে এই ধৰ্ম প্ৰবৰ্তিব' আদি কেতবোৰ ঠেক নোহোৱা কথা গুৰুজনে কোৱা বুলি স্থানান্তৰত উল্লেখ কৰা হৈছে। (এনেবোৰ কথা নিতান্তই গুৰুজনাৰ জীয়াৰী পক্ষৰ নাতি চতুৰ্ভুজ ঠাকুৰৰ পত্নী আই কনকলতাই বৰকোৱা আবিষ্কাৰ কৰা কথাৰ পৰা উদ্ভৱ হোৱা— গুৰুজনাৰ জন্মস্থান অধ্যায় দ্ৰষ্টব্য।) ৰামচৰণ ঠাকুৰৰ চৰিততো এনেকুৱা উক্তি সংযোজিত হৈছে যদিও এইবোৰ যে প্ৰক্ষিপ্ত আৰু পিছত কোনোবাই সুমুৱাই দিয়া, সন্দেহ নাই। কাৰণ এইখন চৰিততে আছে— গুৰুজনাই বৈকুণ্ঠ প্ৰয়াণ কৰাৰ আগনিশা বৰপুত্ৰ ৰমানন্দ ঠাকুৰে 'পৰমাৰ্থ বিত্ত' বিচৰা সময়ত তেওঁৰ মাথোঁ কৈছিল— "ভাণ্ডাৰ সহিতে মাধৱৰ হাতে দিছো মই উৰোবাই..........যদি আছে মন কৰিয়া যতন সুধি লৈবা তান্ত পাছে"। গুৰুজনে ভকতসকলক দিয়া প্ৰবোধ বাণী ৰামচৰণ ঠাকুৰে এইদৰে উল্লেখ কৰিছে—

মই যদি যাওঁ তেবে মাধৱ আছন্ত ॥
মাধৱৰ বাক্য তোমাসকলে কৰিবা।
ভকত পীৰিতি ৰতি কদাপি নেৰিবা ॥
ভকতিৰ আদি মূল ভকত পীৰিতি।
হৰিকথা শ্ৰৱণৰ কৰিবেক ৰতি ॥
ভকতজনত কিন্তু ভকতেসে ধন।
হৰিগুণ নাম লাভ শ্ৰৱণ কীৰ্ত্তন ॥
হেন জানি নামকেসে নেৰিবা মুখত।
সদাই কহিলন্ত গুৰু সবাৰে আগত ॥

সম্ভৱ, এইষাৰেই একশৰণ নামধৰ্মাৱলম্বী লোকসকললৈ গুৰুজনাৰ শেষবাণী।

গুৰুজনাৰ বৈকুণ্ঠ প্ৰয়াণ ঃ

গুৰুজনে ভকতসকলৰপৰা শেষবাৰৰ কাৰণে বিদায় লৈ পাটবাউসী এৰি বেহাৰত উপস্থিত হ'লগৈ । ইফালে ৰজা নৰনাৰায়ণে তেখাৰ আগমনলৈ আগ্ৰহেৰে বাট চাই আছিল । গুৰুজনাক পাই ৰজাই শৰণদানৰ কাৰণে পুনৰ মেৰা-মেপেৰাকৈ ধৰিলে । উপায়ান্তৰ হৈ গুৰুজনে নশ্বৰ দেহা ত্যাগ কৰিবলৈকে ঠাৱৰ কৰিলে । চৰিতৰ মতে অনুসৰি গুৰুজনে নৰনাট এৰিবলৈ ইচ্ছা কৰাৰ লগে লগে তেখাৰ শৰীৰত এটি ফোহোৰা (ৰামানন্দৰ মতে 'দক্ষিণ হস্তত', দৈত্যাৰীৰ মতে 'জাঙ্গগাঁঠিত' আৰু ৰামচৰণ ঠাকুৰৰ মতে 'অণ্ডকোষ তলে গুহ্য ভূমি উপৰত') দেখা দিয়ে আৰু তাৰ বিষতে জ্বৰ হৈ চাৰিদিনৰ পিছত, সম্পূৰ্ণে ১১৯ বছৰ বয়সত, ১৪৯০ শকৰ ভাদ মাহৰ শুক্লা দ্বিতীয়া তিথিত কাকতকুটাত তেখাই ইহলীলা সম্বৰণ কৰে ।

ৰামচৰণ ঠাকুৰে গুৰুজনাৰ বৈকুণ্ঠপ্ৰয়াণ সম্পৰ্কে টিপ্পনি দিয়াৰ চলেৰে জীৱনে-মৰণে গুৰুৰ চৰণ সেৱাৰ আকাংক্ষা কৰিবৰ বাবে সকলোলৈকে আহ্বান জনাইছে —

আপুনি শঙ্কৰদেৱ জগতৰ পতি ।
তাহাৰ মৰণ হেন মিলিলা সম্প্ৰতি ॥
সামান্যজনৰ আৰে কি কহিবা কথা ।
কৃষ্ণৰ ৰামৰ মৃত্যু দেখিয়োক তথা ॥
মোৰ মনে নেৰোক গুৰুৰ পাদ পদ্ম ।
কৰোঁহো কাকুতি মোক নকৰিয়ো ছদ্ম ॥
মনুষ্যৰ চেষ্টা দেখাই ভাণ্ডিলা লোকক ।
কোনে বুজিবাক পাৰে কৃষ্ণৰ মায়াক ॥
হেন জানি হুয়ো জাণ্টে কৃষ্ণৰ সম্মুখ ।
তেবেসে এৰাইবা যম যাতনাৰ দুখ ॥
দৈবকী নন্দন দেৱ পতিতৰ গতি ।
তুমি বিনে তাৰন্তা নাহিকে যদুপতি ॥
জীৱনে মৰণে মুখে মহাডোক নাম ।
গুৰুক হৃদয়ে ধৰি বোলা ৰাম ৰাম ॥

পরিশিষ্ট

গুৰুজনাৰ আত্ম-ৰচনা স্তোত্ৰটিৰ সম্পূৰ্ণ পাঠ আৰু সৰলাৰ্থ :

স্তোত্ৰ[1]— কৰতল কমল কমলদল নয়ন ।
ভৱদৱ দহন গহন বন শয়ন ॥
নপৰ নপৰ পৰ সতৰত গময় ।
সভয়মভয় ভয় মমহৰ সততয় ॥
খৰতৰ বৰশৰ হতদশ বদন ।
খগচৰ নগধৰ ফণধৰ শয়ন ॥
জগদঘ মপহৰ ভৱভয় তৰণ ।
পৰপদ লয়কৰ কমলজ বয়ন ॥

সৰলাৰ্থ—

যিজনাৰ কৰতল পদুম সদৃশ, পদুমৰ পাহিৰ দৰে যাৰ নয়ন যুগল, মহাৰণ্য স্বৰূপ শ্ৰেষ্ঠ শাস্ত্ৰ ভাগৱতত যাৰ গুণানুকীৰ্তন কৰা হৈছে[2], (অথবা, ভাগৱত অমৃত পয়োধিৰ · মাজত যাৰ ভজন-ৰত্ন নিহিত আছে[3], আনপ্ৰকাৰে, মহাপ্ৰলয়ত সমগ্ৰ বিশ্ব-ব্ৰহ্মাণ্ড নাশ

১। এই স্তোত্ৰটি, অ-স্বৰ ধ্বনি ভিন্ন, কোনো স্বৰবৰ্ণ বা কোনো যুক্ত-ব্যঞ্জন ব্যৱহাৰ নকৰাকৈ ৰচনা কৰা বাবে কোনোৱে এইটি কোমল[4] গীত নামেও অভিহিত কৰে । যি নহওক, এইটি নিঃসন্দেহে এটি শ্ৰেষ্ঠ স্তুতি গীত ।

২। বন = অৰণ্য, ডাঠ হাবি (গহন বন) ;

সৰ্ব্বশ্ৰুতি শিৰোৰত্ন ভাগৱত বন মাজে
হৰিনাম সিংহ প্ৰকাশয় । (নামঘোষা)

৩। বন = পানী, সমুদ্ৰ (গহন বন) ;

ভাগৱত অমৃত সাগৰে বুৰ দিলো ॥
কৃষ্ণৰ কৰুণা দিব্য পৰম অঞ্জন ।
কৰিলে নিৰ্ম্মল মোৰ হৃদয় লোচন ॥
দেখিলোহো কৃষ্ণৰ ভজন ৰত্ন পাচে ।
ভাগৱত অমৃত পয়োধি মাজে আছে ॥ (ভক্তি-ৰত্নাৱলী)

হোৱাতো একমাত্ৰ যিজনা শাশ্বত পুৰুষ গভীৰ জলৰাশিৰ মাজত বৰ্তমান আছিল[৪]), একমাত্ৰ তেৰেঁইহে সংসাৰৰ সকলোপ্ৰকাৰ দুখ-তাপ নাশ কৰোঁতা ।

যি পৰমাত্মা সংসাৰৰ সকলো জীৱ আৰু পদাৰ্থত আত্মা বা শক্তিৰূপে বিৰাজমান, কিন্তু অজ্ঞানতাৰ বশত দেহীয়ে (দেহধাৰী, প্ৰাণী) যাক উপলব্ধি কৰিব নোৱাৰে, যিজনে সমস্ত বিশ্ব-ব্ৰহ্মাণ্ডক গতিশীলতা প্ৰদান কৰিছে, একমাত্ৰ তেৰেঁইহে দেহীক সকলোপ্ৰকাৰ সংসাৰ-ভয় হৰণ কৰি অভয় দান কৰোঁতা (হৰি)[৫] ।

(স্বভাৱতে জন্ম-কৰ্ম ৰহিত হলেও লীলা অৱতাৰত) যিজনে তীব্ৰ বেগী শ্ৰেষ্ঠ (তীক্ষ্ণ) শৰ প্ৰহাৰ কৰি দশাননক নিধন কৰিছিল, পক্ষী শ্ৰেষ্ঠ গৰুড় যাৰ বাহন আৰু যিজনা গোবৰ্দ্ধনধাৰী, তেৰেঁই সেই (সৰ্ব অৱতাৰৰ কাৰণ[৬]) অনন্তশায়ী নাৰায়ণ ।

৪। বাৰ = পানী, জল, প্ৰলয় পয়োধি (প্ৰলয় বন্যা);

জগত সংহাৰ কৰি প্ৰভু নাৰায়ণ ॥
জীৱক উদৰে ধৰি যোগনিদ্ৰা হলে ।
অনন্ত শয্যাত যেৱে শুনা কৌতূহলে ॥
তেৱে হুইটো তিনিলোক জলে বিয়াপিল ।
হাজাৰেক যুগ তাতে আছা কৃপাশীল ॥ (ভাগৱত)

৫। স্মৰণ মাত্ৰকে যি হেতু দুৰ্ঘোৰ
সংসাৰ দুখ হৰন্ত ।
এহি হেতুতেসে ঈশ্বৰক হৰি
বোলয় যত মহন্ত ॥ (নামঘোষা)

৬। স্বভাৱতে জন্ম-কৰ্ম ৰহিত ভগৱানে জীৱ-জগতক পাপ, তাপ, অন্যায়, অধৰ্মৰ পৰা ৰক্ষা কৰিবৰ কাৰণে সময়ে সময়ে লীলা অৱতাৰ ধাৰণ কৰে । ৰাম, কৃষ্ণ আদি ভগৱানৰ এনে অৱতাৰেই । এই প্ৰসঙ্গতে উল্লেখযোগ্য যে মহাপুৰুষীয়া ধৰ্মত শ্ৰী-নাথ আৰু জানকী-নাথক অভেদ কল্পনা কৰা হৈছে । এই তত্ত্ব ভাগৱতৰো প্ৰমাণসিদ্ধ (ভাগৱতৰ দ্বিতীয়, নৱম স্কন্ধ আৰু কীৰ্ত্তনৰ প্ৰসঙ্গ দ্ৰষ্টব্য— "বেদে ৰামায়ণে / পুৰাণে ভাৰতে / আদি মধ্য অৱসানে / হৰিৰ চৰিত্ৰ মাত্ৰ / কৰয় নিশ্চয় / জানা তত্ত্ব এহিমানে") ।

যিজনা জগতৰ সকলোপ্ৰকাৰ পাপ হৰণকাৰী, যিজনা প্ৰাণী-সমূহক সংসাৰ-ভয়ৰ পৰা ত্ৰাণ কৰোঁতা, নিৰ্গুণ গুণনিয়ন্তা[৭] সেই ভগৱানেই (জীৱ জগতৰ কাৰণে) একমাত্ৰ প্ৰকৃষ্ট পদ আৰু পৰম আশ্ৰয় (সেইজন আপুনি গুণৰহিত আৰু গুণৰ নিয়ামক ভগৱন্তক নমস্কাৰ কৰোঁ)।

৭। কমলজ বয়ন=নিৰ্গুণ ব্ৰহ্ম বা পৰমেশ্বৰ। কমল (পদ্ম)ৰ জন্ম বোকাতে হলেও ইয়াৰ পাতকো পানীয়েও স্পৰ্শ কৰিব নোৱাৰে; সেইদৰে পৰমেশ্বৰ এই বিশ্ব-ব্ৰহ্মাণ্ডতে ব্যাপী হৈ আছে যদিও "সত্ব, ৰজ, তম, তিনি গুণ বৃত্তি, লুপ্ত তাঙ্ক নকৰয়।" নামঘোষাত আৰু কোৱা হৈছে—

তযু গুণ নাম হৰি কেৱল নিৰ্গুণ মাত্ৰ
আৱৰ সমস্তে গুণময়।
এতেক জানিয়া হৰি তোমাৰ নামক মাত্ৰ
কৰিলোহো সাৰ কৃপাময়॥

মহাপুৰুষীয়া ধৰ্মৰ দৰ্শন

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে প্ৰচাৰ কৰা ধৰ্মক বৰ্তমান কালত যাইতৈক মহাপুৰুষীয়া ধৰ্ম বোলা হয়। শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ দুজনা গুৰুৱে তেখেতসৱৰ লেখনিত এই ধৰ্মক গোমপটীয়াকৈ ভাগৱত ধৰ্ম[১] আৰু নাম-ধৰ্ম[২] আখ্যাৰে উল্লেখ কৰিছে আৰু ভগৱন্তৰ একান্ত সেৱকসকলৰ কথা কওঁতে মূল ভাগৱতত মহাপৌৰুষিক[৩] বা মহাপুৰুষীয়া বোলাৰ দৰে দুজনা গুৰুৱেও মহাপুৰুষৰ সেৱক, মহাপুৰুষৰ কিঙ্কৰ, পৰম বৈষ্ণৱ, মহাবৈষ্ণৱ আদি শব্দ প্ৰয়োগ কৰিছে। এই ধৰ্মৰ ভজনীয় দেৱতাজনক হৰি, নাৰায়ণ, কৃষ্ণ, গোপাল, গোবিন্দ, ৰাম, মুৰাৰী, অচ্যুত, পৰমানন্দ, পুৰুষোত্তম আদি নামেৰে উল্লেখ কৰিলেও ভগৱানৰ আৰু এটি প্ৰখ্যাত নাম হ'ল বিষ্ণু[৪]। আনহাতে,

---

১। ধৰিয়ো কুমাৰ কালে ভাগৱত ধৰ্ম (কীৰ্ত্তন)
যি সব উপায় কহি আছে কৃপাময়।
অজ্ঞানী সকলে কৰি তাহাকে আশ্ৰয় ॥
মহাসুখে আত্ম-তত্ত্ব জানে সমুদায়।
তাকে বুলি ভাগৱত ধৰ্ম্ম নিগদয় ॥ (ভক্তি ৰত্নাৱলী)

২। কৃষ্ণ সূৰ্য্য তেজত উদিত।
নাম ধৰ্ম্ম কৰিলা বিদিত ॥ (কীৰ্ত্তন)
হৰি গুণ নাম-ধৰ্ম্ম মহা সুখকৰ। (ভাগৱত, ২য় স্কন্ধ)

৩। তদহং তেঽভিধাস্যামি মহাপৌৰুষিকো ভৱান্।
সদ্য শ্ৰদ্দধতামাশু ন্যায় কুন্দে মতিঃ সতী ॥ (ভাগৱত, ২য় স্কন্ধ)

৪। [illegible] জানা [illegible] জগতত
[illegible] প্ৰবেশ।
[illegible] বিষ্ণু
বুলিয়া নাম বিশেষ ॥ (নামঘোষা)

ভাগৱতৰ বিভিন্ন স্থানত ভগৱান বাচক উত্তম-শ্লোক, পৰমাত্মা, পুৰুষোত্তম, উত্তম-পুৰুষ আদি শব্দ প্ৰয়োগ কৰাৰ উপৰিও ভজনীয় দেৱতা বিষ্ণু-কৃষ্ণক পোনপটীয়াকৈ মহাপুৰুষ[5] বুলি সম্বোধন কৰা হৈছে। সেইবাবে এই ধৰ্মৰ আন দুটি প্ৰচলিত আখ্যা হ'ল বৈষ্ণৱ ধৰ্ম আৰু মহাপুৰুষীয়া ধৰ্ম। ইয়াৰ উপৰিও বেদ-বেদান্তাদি সমস্ত শাস্ত্ৰ নিৰ্দেশিত শ্ৰেষ্ঠ দেৱতা, অনন্ত-কোটী ব্ৰহ্মাণ্ডৰ সৃজনৰ কৰ্তা, সৃষ্টি-স্থিতি-প্ৰলয়ৰ গৰাকী ভগৱান স্বয়ং কৃষ্ণই এই ধৰ্মৰ একমাত্ৰ ভজনীয় দেৱতা হোৱা কাৰণে এই ধৰ্মক এক-শৰণ ধৰ্ম বুলিও আখ্যা দিয়া হয়। ভাৰতীয় দৰ্শন শাস্ত্ৰ গীতাৰো মূল শিক্ষা এই এক-শৰণেই[6]। একাদশ স্কন্ধ ভাগৱতত শ্ৰীমন্ত শঙ্কৰদেৱে লিখিছে—

শুনা সভাসদ পদ মহা ভাগৱত।
এহি কথা কৈলা কৃষ্ণে গীতাৰ অন্তত॥
সৰ্ব্ব ধৰ্ম্ম এৰি এক শৰণ সাক্ষাত।
সুদৃঢ় বিশ্বাসে মাথো লৈয়োক আশ্ৰত॥
নকৰিবা ভয় হেৰা কৰো অঙ্গীকাৰ।
সমস্ত পাপতে মই কৰিবো নিস্তাৰ॥

বেদান্তৰ অদ্বৈতবাদৰ ভেটিত প্ৰতিষ্ঠিত এই ধৰ্ম জগতৰ একমাত্ৰ চিৰন্তন, সত্য, শুদ্ধ আৰু সনাতন ধৰ্ম। এই ধৰ্মত ভগৱানৰ গুণানুকীৰ্তন ভিন্ন যাগ, যজ্ঞ, পূজা, হোম, ধ্যান, ধাৰণা, সমাধি আদি ঈশ্বৰ সাধনাৰ আন কোনো উপায় দিয়া নাই; বৰং প্ৰমাণ সহকাৰে এই কথাহে ব্যক্ত কৰা হৈছে—

তন্ত্ৰ মন্ত্ৰ আনো দ্ৰব্য অনেক।
দেশ কাল পাত্ৰ ছিদ্ৰ যতেক॥
সুছি পূৰ্ণ হন্ত যজ্ঞৰ অঙ্গ।
হৰি নামে কৰে সবে অভঙ্গ॥

৫। বন্দে মহাপুৰুষ তে চৰণাৰবিন্দম্ (ভাগৱত, ১১শ স্কন্ধ)

৬। সৰ্ব্ব ধৰ্ম্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্ব্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ॥ (গীতা)

এই ধৰ্মমতে পৰমেশ্বৰত বিশ্বাস স্থাপন আৰু শ্ৰদ্ধা ভক্তি সহকাৰে সেই ভগৱানৰ গুণানুকীৰ্তনতহে গুৰুত্ব আৰোপ কৰা হৈছে।

'মহাপুৰুষ'ৰ গুণ-নাম প্ৰধান এই শুদ্ধ সনাতন এক শৰণীয়া ভাগৱত ধৰ্ম বা বৈষ্ণৱ ধৰ্ম আন সকলো ধৰ্মতকৈ প্ৰাচীন[৭] আৰু গৰিষ্ঠ[৮]। জগতৰ আদি-গুৰু ভগৱান স্বয়ং কৃষ্ণদেৱে পদ্ম-কল্পত প্ৰজাপতি ব্ৰহ্মাৰ আগত আৰু ধৰ্মক্ষেত্ৰ-কুৰুক্ষেত্ৰত শোক-মোহাগ্ৰস্ত অৰ্জুনৰ আগত এই ধৰ্মৰ মৰ্মকে শিক্ষা দিছিল। তাৰ পিচত দেৱৰ্ষি নাৰদে বদৰিকাশ্ৰমত ব্যাসদেৱৰ আগত; গঙ্গাৰ পাৰত শুকদেৱে ব্ৰহ্মশাপগ্ৰস্ত ৰজা পৰীক্ষিতৰ আগত আৰু নৈমিষাৰণ্যত দেৱঋষি, ৰাজঋষি, ব্ৰহ্মঋষিযুক্ত সভাত সূত উগ্ৰশ্ৰৱাই এই ধৰ্মৰ কথাকে ব্যাখ্যা কৰিছিল। কলিত লোকৰ কুশল হেতু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে যি ধৰ্মৰ শিক্ষা প্ৰচাৰ কৰিছে সেইধৰ্ম নিতান্তই বেদ-বেদান্ত-গীতা-ভাগৱত প্ৰোক্ত এই এক শৰণীয়া বৈষ্ণৱ ধৰ্মই। উল্লেখ কৰিব লাগিব যে বেদৰ কৰ্ম-মাৰ্গ আৰু জ্ঞান-মাৰ্গৰ কাৰ্য্য-ব্যৱস্থা ব্যতীত 'মহাপুৰুষ'ৰ গুণ-নাম, শ্ৰৱণ-কীৰ্তন প্ৰধান এই ভক্তি-ধৰ্ম যাইকৈ গীতা আৰু ভাগৱতৰ একত্ব তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত। বেদৰ ঋষি-সকলেও ভাগৱত নিৰ্দেশিত এই মহাপুৰুষকেই একমাত্ৰ উপাস্য দেৱতা বুলি নিৰ্দেশ কৰিছে। বেদ আৰু উপনিষদৰ শ্লোকত এই দেৱতা-জনক 'পুৰুষং মহান্তম্' বুলি চিনাকি দিয়া হৈছে—

শৃনন্তু বিশ্বেঽমৃতস্য পুত্ৰা আ যে ধামানি দিব্যানি তস্থুঃ।
বেদাহমেতং পুৰুষং মহান্তমাদিত্যবৰ্ণং তমসঃ পৰস্তাৎ॥
তমেৱ বিদিত্বাতিমৃত্যুমেতি নান্যঃ পন্থা বিদ্যতেঽয়নায়॥[৯] (যজুৰ্বেদ)

৭। আদি সত্য যুগে শুদ্ধ ধৰ্ম্ম আছিলেক মাত্ৰ হৰিনাম (নামঘোষা)

৮। সকল ধৰ্ম্মতে কৰি বিশিষ্ট।
হৰি কীৰ্তনেসে ধৰ্ম্ম গৰিষ্ঠ॥ (কীৰ্তন)

৯। মহাপুৰুষে এই শ্লোকৰ অনুবাদ কৰিছে—
দিব্যধাম বাসী যত অমৃত সন্তান যৱে
শুনা শুনা হুই সাৱধান।

আনহাতে হিন্দুৰ সৰ্বশ্ৰেষ্ঠ প্ৰাৰ্থনা মন্ত্ৰ ৰূপে অভিহিত গায়ত্ৰী মন্ত্ৰতো[১০], যাক ঋষিসকলে বেদৰ-জননী আৰু পাপ-নাশিনী আদি বিশেষণৰে ভূষিত কৰিছে, আৰু কোৱা হৈছে—যিজন সমস্ত জগতৰ উৎপত্তি, স্থিতি আৰু নাশৰ পৰম কাৰণ; যিজন শাশ্বত অৰ্থাৎ সৃষ্টি-স্থিতি-প্ৰলয় সকলো সময়তে যিজন বৰ্তমান আৰু যিজনে সমস্ত বিশ্বৰ স্থাবৰ-জঙ্গমাত্মক সকলো জীৱ আৰু পদাৰ্থত আত্মাৰূপে নিবাস কৰি সকলোকে প্ৰাণশক্তি দান কৰিছে; যিজন গুণাতীত আৰু যাক জানিলে প্ৰাণীসমূহে সংসাৰৰ সকলো প্ৰকাৰ দুখ-কষ্টৰ পৰা পৰিত্ৰাণ লাভ কৰিব পাৰে; যিজন পৰম ৰসৰূপ আৰু আনন্দৰ প্ৰতীক অৰ্থাৎ যিজন পৰমানন্দপদ; সেইজন পৰম জ্যোতি-স্বৰূপ আৰু সকলোৰে একান্ত ভক্তিৰ পাত্ৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ স্ৰষ্টা পৰমেশ্বৰে যাতে আমাৰ মানসিক বৃত্তিবোৰ শুদ্ধ পথে পৰিচালিত কৰে সেই অৰ্থে তেওঁক নমস্কাৰ কৰোঁ। পৰম পুৰুষ বা পুৰুষোত্তমৰ এনে ধাৰণা নিতান্তই অদ্বৈতবাদী। ভাগৱতৰ অদ্বৈতবাদ এইদৰে বেদাদি সকলো শাস্ত্ৰৰ দ্বাৰা সমৰ্থিত হোৱা কাৰণেই গৰুড় পুৰাণত ভাগৱতক 'ব্ৰহ্মসূত্ৰৰ অৰ্থ, মহাভাৰতৰ তাৎপৰ্য্য, গায়ত্ৰীৰ ভাষ্য, বেদৰ গূঢ়াৰ্থৰে সমৃদ্ধ'[১১] বুলি প্ৰশংসা কৰা হৈছে।

জানিছো নিশ্চয় কৰি তিমিৰ অতীত সেই
জ্যোতিৰ্ম্ময় পুৰুষ মহান ॥
জানিলে মানৱে যাক বিধিৰ কিঙ্কৰ গুচে
নথাকিবে মৰণৰ ভয়।
কহিলো ধ্ৰুবক সাৰ মৃত্যুঞ্জয় অধিকাৰ
আন পন্থা আৰ নাই নাই ॥

১০। গায়ত্ৰী মন্ত্ৰ—
ওঁ ভূভু‌ৰ্বঃ স্বঃ। তৎসবিতুৰ্বৰেণ্যম্। ভৰ্গো দেৱস্য ধীমহি। ধিয়োঃ যো নঃ প্ৰচোদয়াত্॥

১১। অৰ্থোঽয়ং ব্ৰহ্মসূত্ৰাণাং ভাৰতাৰ্থবিনিৰ্ণয়ঃ।
গায়ত্ৰী ভাষ্যৰূপোঽসৌ বেদাৰ্থপৰিবৃংহিতঃ ॥

ওপৰৰ আলোচনাৰ আধাৰত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত একশৰণ নাম-ধৰ্মৰ অদ্বৈতবাদ সম্পৰ্কে বিচাৰ কৰিলে দেখা যায় যে উপনিষদৰ 'একং সৎ' বা যথাৰ্থ সৎ ব্ৰহ্মক অন্যান্য অদ্বৈতবাদী পণ্ডিতসকলৰ দৰেই এই ধৰ্মতো নিৰ্গুণ, নিৰাকাৰ, নিৰঞ্জন, অনিৰ্ব্বচনীয়, আনন্দময়, মঙ্গলময় আৰু চৈতন্যস্বৰূপ বুলি গ্ৰহণ কৰা হৈছে[১২]। কিন্তু অন্যান্য অদ্বৈত দৰ্শনৰ দৰে জ্ঞান সাধনৰ দ্বাৰা ব্ৰহ্মৰ উপলব্ধিয়েই শংকৰী দৰ্শনৰ লক্ষ্য নহয়; অব্যভিচাৰিণী ভক্তিৰ সহায়ত কাল মায়াৰ অধিকাৰী অনাদি, অনন্ত, নিৰ্গুণ, গুণনিয়ন্তা, পৰম-পুৰুষ ভগৱন্তৰ স্বৰূপ উপলব্ধিহে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শিক্ষাৰ মূল লক্ষ্য। শংকৰী দৰ্শনৰ মতে ভক্তি-বিহীন জ্ঞান বিফল[১৩]।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ এক শৰণ নাম-ধৰ্মত যিজনক একমাত্ৰ উপাস্য দেৱতা বা পৰমব্ৰহ্ম বুলি স্বীকাৰ কৰা হৈছে সেইজন হ'ল চাৰি বেদ, চৌদ্ধ শাস্ত্ৰ, ওঠৰ পুৰাণ নিৰ্দেশিত হৰিৰ প্ৰকট ৰূপ বিষ্ণু-কৃষ্ণ। মাধৱদেৱে ঈশ্বৰ নিৰ্ণয় ঘোষাত পৰম ব্ৰহ্মৰ স্বৰূপ এই কৃষ্ণক এনেদৰে বৰ্ণনা কৰিছে—

১২। নমো নমো নিত্য নিৰঞ্জন ন্যাৰায়ণ শিৱ সনাতন
অনাদি অনন্ত নিৰ্গুণ গুণ নিয়ন্তা।
পৰম পুৰুষ ভগৱন্ত নাহি পুৰ্ব্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্ত ভাব ভাবন্তা॥ (নামঘোষা)

১৩। শৰণ ব্ৰহ্মৰ পাৰ হৈল, যিটো
কৃষ্ণত ভকতি নাই।
তাৰ শ্ৰম মাত্ৰ শ্ৰমে ফল মাত্ৰ
যেন বাথে বাজী পাই॥ (নামঘোষা)
শ্ৰেয়ং স্ৰুতিং ভক্তিমুদস্য তে বিভো
ক্লিশ্যন্তি যে কেৱল বোধ লব্ধয়ে।
তেষামসৌ ক্লেশল এব শিষ্যতে
নান্যদ্ যথা স্থূলতুষাৱঘাতিনাম্॥ (ভাগৱত, ১০ম স্কন্ধ)

কৃষ্ণ এক দেৱ দুখহাৰী কাল-মায়াদিৰো অধিকাৰী
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ তান্ত বিনে আন নাহি কেৱ
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ॥

মহাপুৰুষীয়া ধৰ্মৰ উপাস্য পৰমাত্মাৰ স্বৰূপ এই বিষ্ণু-কৃষ্ণই একমাত্ৰ সত্য ব্ৰহ্ম, তেওঁৰ ব্যতিৰেকে চৰাচৰ বিশ্ব-ব্ৰহ্মাণ্ডৰ আন সকলো ভগৱানৰ মায়াৰ অধীন[১৪]। অৰ্থাৎ জীৱ-জগতৰ নিজা কোনো স্বকীয়া সত্বা নাই, এক সত্য ব্ৰহ্মই বাকী সকলোকে প্ৰাণ শক্তি দিছে[১৫]; মানুহে মায়াৰ বশবৰ্ত্তী হৈহে ভগবানৰ সৃষ্ট অনিত্য জগত-খনক নিত্য বুলি জ্ঞান কৰে[১৬]।

নোহোৱাক হোৱা যেন দেখুওৱা এই মায়াৰ বিভ্ৰম ভক্তি সাধনৰ দ্বাৰা মনৰ পৰা দূৰ কৰিব নোৱাৰিলে ভক্তই পৰম ব্ৰহ্ম বা ঈশ্বৰৰ প্ৰকৃত স্বৰূপ উপলব্ধি কৰিব নোৱাৰে। দ্বাদশ স্কন্ধ

১৪। হে কৃষ্ণ তুমি মাত্ৰ চৈতন্য স্বৰূপ নিত্য
সত্য শুদ্ধ জ্ঞান অখণ্ডিত
আৰৰ যতেক ইটো তোমাৰ বিনোদ ৰূপ
চৰাচৰ মায়াৰ কল্পিত॥ (নামঘোষা)

১৫। তুমিসে সবাকে দিয়া চৈতন্য শকতি।
আমি বেদগণ আত প্ৰমাণ সম্প্ৰতি॥
দশ-দিকপাল সমে জগত সমস্ত।
তোমাতেসে উপজে তোমাতে যায় অন্ত॥ (কীৰ্ত্তন)
এক ব্ৰহ্ম আছে সৰ্ব্ব দেহত প্ৰকটে।
যেন এক আকাশ প্ৰত্যেক ঘটে ঘটে॥ (ভাগৱত, ১২শ স্কন্ধ)

১৬। যত দেখা যত শুনা যতেক মনত গুণা
সবে মায়াময় স্বপ্নসম।
অসত্ত জগত খান তোমাতে উত্তৰ তেজ
সত্ত যেন প্ৰকাশে সদায়।
কৰ্ম্মজড় মনুষ্যৰ মন মগ্ন ভৈল তাতে
বেদৰ নুবুজে অভিপ্ৰায়॥ (কীৰ্ত্তন)

ভাগৱতৰ পৰমাৰ্থ নিৰ্ণয় প্ৰসংগত এই কথা স্পষ্টকৈ উল্লেখ কৰা হৈছে যে জ্ঞান সাধনৰ দ্বাৰা ব্ৰহ্মক উপলব্ধি কৰিব পাৰিলেও অহংকাৰ প্ৰভৃতি মায়াৰ ফলত জীৱই একো প্ৰকাৰে কৰ্ম বন্ধন ছেদ কৰিব নোৱাৰে; ভগৱন্ত ভক্তিযুক্ত জ্ঞানৰ সহায়ত অহংকাৰ ছেদ হলে ভক্তই আপোনাআপুনি পৰমানন্দ পদ লাভ কৰে[17]। সেইবাবে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ আৰু মাধৱদেৱে গীতা, ভাগৱত, পুৰাণ, সংহিতা আদিৰ তত্ত্ব-মৰ্ম সংগ্ৰহ কৰি সংসাৰ তৰণৰ উপায় স্বৰূপে মহাপুৰুষীয়া ধৰ্মৰ অব্যাভিচাৰী ভক্তিপথ[18] নিৰ্দেশ কৰিছে। মাধৱ-দেৱে গীতা আৰু ভাগৱতৰ শ্লোক উদ্ধাৰি নামঘোষাৰ ভালেমান

১৭। ……… ভকতি নভৈলে কৈতো নেৰায় মৃত্যুভয় ॥
দেও পৰিচ্ছেদ কিবা কহিবো বহুত।
দেখে ব্ৰহ্মময় যিটো জীৱন্তে মুকুত ॥
তথাপিতো সিটো কৃষ্ণ কীৰ্ত্তনেসে তৰে।
ভকতি নভৈলে পুনাই মায়া আসি ধৰে ॥
কৰে অচেতন ব্ৰহ্ম-জ্ঞান হোৱে হত।
পৰে পৰবাতি আসি সংসাৰ গৰ্ত্তত ॥ ………
হেন জানি জগ লোকে নকৰিবা বৃথা।
যাৰ যেন শকতি শুনোক কৃষ্ণ কথা ॥
যাৰ যেন মতি কৰা কৃষ্ণৰ কীৰ্ত্তন।
এতেকে ছিণ্ডিবে ঘোৰ সংসাৰ বন্ধন ॥ (ভাগৱত ১২শ স্কন্ধ)

১৮। কৃষ্ণকেসে মাত্ৰ ভজে যিটো জনে
অব্যাভিচাৰী ভকতি।
তিনি গুণ আতি ক্ৰমি ব্ৰহ্মপদ
পাৱে সিটো মহামতি ॥
তিনি গুণ [illegible] অত [illegible] [illegible]
[illegible] [illegible] [illegible]।
জানি তাক [illegible] একান্ত ভকতি
ভজিও কৃষ্ণ চৰণ ॥ (নামঘোষা)
মাঞ্চ যোঽব্যভিচাৰেণ ভক্তিযোগেন সেৱতে।
স গুণান্ সমতীত্যৈতান্ ব্ৰহ্মভূয়ায় কল্পতে ॥ (গীতা)

শ্লোকাত এই ভক্তিৰ বিশ্লেষণ কৰিছে। শ্ৰীভাগৱত ভগৱান স্বয়ং কৃষ্ণইও শৰণ আশ্ৰয়ী অৰ্জুনক এনে অব্যভিচাৰী একশৰণৰ উপদেশকেহে দান কৰিছে[১৯]। এনে এক উপদেশৰ অনুবাদ মাধৱদেৱৰ নামঘোষাৰ পৰা উদ্ধৃত কৰা হ'ল—

মোতে মাত্ৰ শ্ৰদ্ধা দিয়া মন মোৰ ভক্ত হোৱা সৰ্ব্বক্ষণ
মোকে পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলো তোমাত সত্যবাণী পাইবা সুখে মোক মহামানী
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ॥

একমেবাদ্বিতীয়ম্ ভগৱানৰ প্ৰতি দ্বিধাশূন্য ভক্তি সিদ্ধ নহলে এই এক শৰণ তত্ত্ব উপলব্ধি কোনো প্ৰকাৰে সম্ভৱ নহয়, একান্ত ভক্তইহে ভগৱানৰ প্ৰকৃত মহিমা উপলব্ধি কৰিব পাৰে[২০]। এইখিনিতে মনকৰিবলগা আন এটি কথা হ'ল— আন আন অদ্বৈতবাদৰ প্ৰবক্তা সকলে জ্ঞান, কৰ্ম আদি সাধন যোগে ব্ৰহ্মৰ স্বৰূপ উপলব্ধিৰ দ্বাৰাই ব্ৰহ্মতে বিলীন হোৱাৰ আকাংক্ষাৰ ভাব সমৰ্থন কৰাৰ দৰে[২১] শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্তিত একশৰণ মহাপুৰুষীয়া ধৰ্মত পলায়ণবাদী ভাব নাই। এই ধৰ্মমতে ঈশ্বৰক সৰ্বব্যাপী বুলি উপলব্ধি কৰি তেওঁৰ চৰণত 'ভৈলোহো দাসৰ দাস। আমি আৰু নৰহৰি আত্মাক নেৰিবা কদাচিত' বুলি লোলুণ্ঠ্যমান হৈ পাৰিলেও উপাসনাৰ

১৯। মন্মনা ভব মদ্ভক্তো মদ্যাজী মাং নমস্কুৰু।
মামেবৈষ্যসি সত্যং তে প্ৰতিজানে প্ৰিয়োঽসি মে॥ (গীতা)

২০। ভক্ত্যা মামভিজানাতি যাবান্ যশ্চাস্মি তত্ত্বতঃ। (গীতা)
ভকতেসে মোৰ মহিমা জানে নিঃশেষ। (নামঘোষা)

২১। এইসকল অদ্বৈতবাদী পণ্ডিতে ভাগৱতৰ—
যাবানয়ং বৈ পুৰুষ [illegible] [illegible]।
তাৱানসাৱিতি প্ৰোক্তঃ সংস্থাৱয়ৱৈৰ্নিৰ [illegible] —এই শ্লোকৰ সমৰ্থনত জীৱ [illegible] সমান শৰীৰ এই মতৰ [illegible]কতা কৰে। শ্লোকটোৰ মূল অৰ্থ হ'ল— 'বিভিন্ন [illegible] [illegible] লৌকিক পুৰুষ যুক্ত সেই [illegible] [illegible]'।

যাৰ উক্তি হ'ল—

নামাগোঁহো সুখ ভোগ নালাগে মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি॥ (কীৰ্ত্তন)

মাধৱদেৱে পুৰুষেও নামঘোষাৰ পাতনিতে 'মুক্তিতো নিস্পৃহ' ভকতক নমস্কাৰ জনাই পৰম-ৰসৰূপ ভক্তিৰ আকাংক্ষাহে মাত্ৰ কৰিছে। সেইবুলি নিজে মুক্তিৰ আকাংক্ষা নকৰিলেও সকলো প্ৰকাৰ কামনা-ৰহিত এনে একান্ত ভক্তক ভগৱানে নিজেই পৰমানন্দপদ দান কৰে। একান্ত ভক্ত উদ্ধৱক অব্যভিচাৰী নিৰ্গুণ ভকতিৰ উপদেশ দিওঁতে কৃষ্ণদেৱে নিজেই কৈছে—

ভকত জনৰ যেন সুখ বিপৰীত।
সপোনতো নেদেখে জ্ঞানী কৰ্মী কদাচিত॥
পায়া মোক মনত সন্তোষ আসৱিশ।
ভকতৰ সখি, সুখময় দশোদিশ॥.........
ভকতেসে জানা মোৰ পৰম বান্ধৱ।
ভকত জনৰ মই সুহৃদ উদ্ধৱ॥
মই বিনে ভকতে নিচিন্তে কিছু আন।
ময়ো ভকতত পৰে নজানোহো আন॥
ভকত সমান সখি মোৰ কোন আছে।
ময়ো মহা ভকতৰ ফুৰো পাছে পাছে॥

(ভাগৱত, ১১শ স্কন্ধ)

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত অদ্বৈত ভক্তিবাদৰ আন এটি বৈশিষ্ট্য হ'ল ইয়াৰ উপাস্যৰ একত্ব আৰু ভক্তিৰ নিৰ্গুণতাত। কোনো কোনো অদ্বৈত দৰ্শনৰ মত অনুসৰি সগুণ ব্ৰহ্মক যি কোনো ৰূপত যাগ-যজ্ঞ-পূজা-অৰ্চনাৰ দ্বাৰাই উপাসনা কৰিব পাৰি; আনকি জীৱাত্মা আৰু পৰমাত্মা অভেদ হেতু ঈশ্বৰৰ ৰূপত যি কোনো দেৱতাক পূজা কৰাতো বাধা থাকিব নোৱাৰে। কিন্তু মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ মতে পৰম ব্ৰহ্মৰূপী কৃষ্ণক অন্ত

দেৱতাৰ সমানে জ্ঞান কৰাটো অকল অজ্ঞানতাই নহয়, সংসাৰ বন্ধনৰ অন্যতম কাৰণ।[২২] মাধৱদেৱে পুৰুষে নামঘোষাত লিখিছে—

ঈশ্বৰ কৃষ্ণক এৰি আন দেৱতাৰ সম
যোলয় অধম মূঢ়মতি।
চৌৰাশী নৰক ভুঞ্জি পাপত পৰিব সিটো
আসে ভুঞ্জিবেক দুৰ্গতি॥

উপাস্যৰ একক সম্পৰ্কত একজনে বিভিন্ন স্থানত স্পষ্টকৈ কৈছে যে আন দেৱতাৰ সেৱা পূজা কৰিলে ভকতি ব্যভিচাৰী হয়।

নকৰিবা সেৱা সখি আন দেৱতাৰ।
নুহি যেন আমাৰ ভকতি ব্যভিচাৰ॥ (ভাগৱত, ১১শ স্কন্ধ)
আন দেৱী দেৱ নকৰিবা সেৱ
গৃহো নপশিবা তাৰ।
মূৰ্ত্তিকো নচাইবা প্ৰসাদো নখাইবা
ভকতি হৈব ব্যভিচাৰ॥ (ভাগৱত, ২য় স্কন্ধ)

মহাপুৰুষীয়া ধৰ্মত উপাস্য দেৱতাৰ মূৰ্ত্তি গঢ়ি পূজা-সেৱা কৰাটোও সম্পূৰ্ণ নিষিদ্ধ[২৩]। কাৰণ মূৰ্ত্তি-পূজা কৰ্ম-মাৰ্গৰ অন্তৰ্গত ধৰ্ম

২২। অবিস্মিতং তং পৰিপূৰ্ণকামং স্বেনৈৱ লাভেন সমং প্ৰশান্তম্।
বিনোপসৰ্পত্যপৰং হি বালিশঃ শ্বলাঙ্গুলেনাতিতিতৰ্ত্তি সিন্ধুম॥
(ভাগৱত ৬ষ্ঠ স্কন্ধ)

মায়াৰ অধীন আমি দেৱতা অপৰ॥
তোমাক এৰিয়া লৱে আমাত শৰণ।
তাতপৰে মহিকে পৰম মূঢ়জন॥
যেন কোনোজনে কুকুৰৰ নেজে ধৰি।
যাইবাক ইচ্ছয় জাতি সমুদ্ৰক তৰি॥
তাৰ কদাচিত নোহে সমুদ্ৰ তৰণ।
সেহিমতে লৈয়া আনিশ্বৰত শৰণ॥
নপাৱে তৰিবে দুস্তৰাৰ্ণৱ সংসাৰক। (ভক্তি ৰত্নাৱলী)

২৩। অহং সৰ্ব্বেষু ভূতেষু ভূতাত্মাৱস্থিতঃ সদা।
তমৱজ্ঞায় মাং মৰ্ত্ত্যঃ কুৰুতেঽৰ্চ্চাবিড়ম্বনম্॥ (ভাগৱত ৩য় স্কন্ধ)

প্ৰক্ৰিয়াছে, মহাপুৰুষীয়া ধৰ্মই কিন্তু ইয়াৰ বিপৰীতে 'কৰ্ম্মত বিশ্বাস যাৰ, হিয়াত থাকন্তে হৰি, অভিমানে যুব হুন্ত তাৰ' বুলি উচ্চৈস্বৰে ঘোষণা কৰি কৰ্ম-মাৰ্গৰ অসাৰত্ব প্ৰতিপাদন কৰি দেখুৱাইছে। ওপৰত কোৱা হৈছে যে এই ধৰ্মত কামনা ৰহিত নিৰ্গুণ ভকতিৰ ওপৰতহে গুৰুত্ব আৰোপ কৰা হৈছে। ভগৱান কপিলেও মাতৃ

তীৰ্থ বুলি কৰে জলত শুদ্ধি।
প্ৰতিমাত কৰে দেৱতা বুদ্ধি॥
বৈষ্ণৱত নাই হেন মতি।
গৰুৰো অধম কৃষ্ণ বদতি॥ (কীৰ্ত্তন)

এই প্ৰসংগতে উল্লেখ কৰিব লগা আন এটা কথা হ'ল— মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে বিৰুদ্ধবাদী সকলক নিজ ধৰ্ম-মতৰ প্ৰতি আকৰ্ষণ কৰিবৰ কাৰণে বৰদোৱাত বিষ্ণু-মূৰ্ত্তি আৰু বেলগুৰিত মদন-গোপাল মূৰ্ত্তি প্ৰতিষ্ঠা কৰা বুলি চৰিতত উল্লেখ থকা কথাৰ পৰা কোনো কোনো পণ্ডিতে মহাপুৰুষীয়া ধৰ্ম মতেও বিষ্ণু-মূৰ্ত্তি পূজা কৰিলে কোনো দোষ নহয় বুলি মত দিব বিচাৰে। কিন্তু, বিশেষ প্ৰসঙ্গত সাধন কৰা সেই মূৰ্ত্তি স্থাপন কাৰ্য্যৰ ভিতৰত ভাব যে 'দেৱী পূজা এৰি সবে লৈব কৃষ্ণ নাম'হে সেই কথা চৰিতত উল্লেখ থকা 'শ্ৰৱণে কীৰ্ত্তনে আসকতি নোহে যাৰ, মন্ত্ৰ-মূৰ্ত্তি ঈশ্বৰক পূজিবেক তাৰে' কথাষাৰেই প্ৰমাণ কৰে। নামঘোষাত আছে—

তাৱত কৃষ্ণৰ ভক্ত নবে — ভক্তি অৱিৰোধি কৰ্ম্ম কৰে
কৃষ্ণৰ কথাত ৰতি যাৱে নোপজয়।
যেবে ভৈল কৃষ্ণ কথা ৰত — নিত্য নৈমিত্তিক আদি যত
কৰ্ম্মক বিৰোধী জানিয়া সবে তেজয়॥

আন প্ৰচাৰ পণ্ডিতে আকৌ কোনো দুষ্ট অভিসন্ধিৰে একে মহাপুৰুষীয়া ধৰ্মত বিভাজন ঘটাই মহাপুৰুষীয়া, দামোদৰীয়া আদি বেলেগ বেলেগ ধৰ্ম-সম্প্ৰদায়ৰ নাম উল্লেখ কৰিব বিচাৰে। এই শ্ৰেণীৰ লোকে ৰামৰায়কৃত গুৰু-লীলাৰ পৰা 'ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক দেখুৱাবলৈ আপুনিও স্নান সন্ধ্যা পূজা আচৰিবা' আদি শাৰীৰ উল্লেখ কৰি দামোদৰদেৱে প্ৰচাৰ কৰা বৈষ্ণৱ ধৰ্মত পূজা-সেৱাৰ বিধান দামোদৰদেৱে নিজে দি গৈছে বুলি মত দিব বিচাৰে। কিন্তু, পৰীক্ষিত নাৰায়ণ বৰাৰ বোধিত দাবি দামোদৰদেৱে তেওঁৰ প্ৰণয়

দেৱহূতিৰ আগত নিৰ্গুণ ভকতিৰ মাহাত্ম্য বৰ্ণনা কৰি কৈছে—

একবিধ মাত্ৰ শুদ্ধ নিৰ্ম্মল ভকতি ।
জ্ঞানে কৰ্ম্মে তীৰ্থে ব্ৰতে নকৰিবা মন ।
সুদৃঢ় বিশ্বাসে লৈয়ো মোহোত শৰণ ॥
মোৰ গুণ গণক শ্ৰৱণে সেৱিকণ ।
নিষ্কামে মোহোত যায় নিমজ্জয় মন ॥
নিৰ্গুণ ভকতি এহি কহিলো বুজাই ।
মই সমে ইটো ভক্তি এৰা এৰি নাই ॥

; দেৱক ব্ৰাহ্মণৰ নিত্য নৈমিত্তিক নেহেকৰাবলৈ কিয় আৰু পৰিস্থিতিত পৰামৰ্শ দিছিল সেই কথাও উল্লিখিত পৰামৰ্শটিৰ ঠিক পিচৰ পদ দুফাঁকিতে স্পষ্ট ভাষাত উল্লেখ আছে—

আপুনি শুনিলা নৃপতিৰ দুশ্চেষ্টাক ।
কৰ্ম্ম এৰাইলেক বুলি নিন্দাই আমাক ॥
একাগ্ৰ ভকতি কৰিবাহা মহাভাগ ।
তেৱে একো উপচক্ৰে নপাইবেক লাগ ॥ (গুৰুলীলা)

ভট্টদেৱৰ প্ৰতি দামোদৰদেৱে দিয়া এনে উপদেশৰে আন এঠাইত আছে—

বাহিৰত বেশ দিয়া অন্তৰত
দেখিবা সকলে মিছা ।
কৰ্ম্মৰ ভাগক লোকক দেখাই
আপুনিও আচৰিবা ॥ (গুৰুলীলা)

বিশেষ ইঙ্গিতপূৰ্ণ এই পদ কেইফাকিৰ অৰ্থ লমি চালেই বুজা যায় যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱ, মাধৱদেৱ আদিৰ দৰে দামোদৰদেৱেও দৃঢ়ভাৱে উপলব্ধি কৰিছিল— 'কৰ্ম্মত বিশ্বাস যাৰ, হিয়াত থাকন্তে হৰি, অতিশয় দূৰ হন্ত তাৰ' ।‡ দামোদৰদেৱে প্ৰচাৰ কৰা ধৰ্মও যে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা প্ৰৱৰ্ত্তিত একশৰণ ধৰ্মই সেই কথাও অলপ মন দি চালে গুৰুলীলাতে দেখা যায় । কোঁচ ৰজা পৰীক্ষিত নাৰায়ণে দামোদৰদেৱক পূজা-সেৱা, যাগ-যোগ, স্নান-ব্ৰত আদি এৰাৰ কাৰণ সোধাত দামোদৰদেৱে কৈছিল—

তীৰ্থত সেৱন দেৱী উপাসন
ধৰ্ম্ম কৰ্ম্ম যাগ যোগ ।

মুঠকথা, এক শৰণ মহাপুৰুষীয়া ধৰ্মৰ ভক্তিবাদত অন্য প্ৰকাৰ সাধনতকৈ অব্যভিচাৰী নিৰ্গুণ ভক্তিকহে উত্তম ভক্তি বুলি স্বীকাৰ কৰা হৈছে। সেইবুলি সাধন মাৰ্গত জ্ঞানৰ প্ৰয়োজনীয়তাও গুৰুজনে অস্বীকাৰ কৰা নাই; তেৱাঁই মাথো কৈছে— ভগৱন্ত ভক্তিযুক্ত জ্ঞানহে শ্ৰেষ্ঠ জ্ঞান, ভক্তি অবিহনে পবিত্ৰ জ্ঞানৰ উদয় একো প্ৰকাৰে সম্ভৱ নহয়। ভাগৱতৰ প্ৰথম স্কন্ধতে ব্যাস-নাৰদ সংবাদত জ্ঞান অপেক্ষা ভক্তিৰ শ্ৰেষ্ঠতা পৰিষ্কাৰকৈ দেখুওৱা হৈছে—

যিটো বাক্যে নাই নাম কৃষ্ণৰ চৰিত্ৰ।
উচ্ছিষ্ট গৰ্ত্তত কৰি সিটো অপবিত্ৰ॥
কাক তুল্য কামী পুৰুষৰ তাত ৰতি।
ভকতৰ নাই তাত অভিলাষ মতি॥
যিটো বাক্যে আছে গুণ নাম মাধৱৰ।
সিটো বাক্যে হৰে পাপ জগ সমূহৰ॥
ভকতি বিহীন জ্ঞান কৰ্ম্ম সবে ব্যৰ্থ।
কহিলো স্বৰূপে বেদান্তৰ তত্ত্ব অৰ্থ॥

ভাৰতীয় অদ্বৈত দৰ্শন-শাস্ত্ৰ গীতাৰো তাৎপৰ্য্য এয়ে। নামঘোষাত মাধৱদেৱে পুনৰে লিখিছে—

ৰাম কৃষ্ণ নামে সকলে সিজয়
নলাগে একো উদ্যোগ॥ (গুৰুলীলা)

ইয়াৰ উপৰিও দামোদৰদেৱে শ্ৰীমন্ত শঙ্কৰদেৱক মহাপুৰুষ বুলি জ্ঞান কৰা কথাও গুৰুলীলাই স্বীকাৰ কৰিছে। ভট্টদেৱক 'কথা ভাগৱত' ৰচনাৰ উপদেশ দিওঁতে দামোদৰদেৱে কোৱা বুলি উল্লেখ কৰা হৈছে—

আৰু এক জগত ঈশ্বৰ আজ্ঞা ধৰা।
কথাবন্ধে একখান ভাগৱত কৰা॥
পূৰ্ব্বে মহাপুৰুষে কৰিলা দশস্কন্ধ।
কীৰ্ত্তন ভটিমা হৰি দুলড়ি সুছন্দ॥
তাত কৰি সুগম কৰিও ভাগৱত।
স্ত্ৰী শূদ্ৰ সৰ্ব্বলোকে বুজে যেনমত॥ (গুৰুলীলা)

ভগৱন্ত ভকতি যুক্ত পুৰুষৰ আত্মবোধ
মাধৱৰ প্ৰসাদে মিলয় ।
কৃষ্ণৰ কৃপাত জ্ঞান শুচয় সংসাৰ ভয়
এহিমানে গীতাৰ নিৰ্ণয় ।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে আৰু অসমৰ আন আন বৈষ্ণৱ পণ্ডিতসকলে তেৱাঁসবৰ সমস্ত লেখনিত ভগৱৎ ভক্তিৰ দ্বাৰা মায়াক নিৰ্য্যাণ কৰি হৰি সেৱাত মজি মানৱী জন্ম সফল কৰাৰ ভাবহে প্ৰকাশ কৰিছে । হৰি সেৱাৰ কাৰণে আকৌ বৈষ্ণৱ মাৰ্গত নৱবিধ ভক্তিৰ[২৪] উল্লেখ থাকিলেও শ্ৰৱণ, কীৰ্ত্তন এই দুবিধকে সকলো ক্ষেত্ৰত মুখ্য স্থান দিয়া হৈছে । দেৱৰ্ষি নাৰদে মহামুনি ব্যাসক ভাগৱত ৰচনাৰ উপদেশ দিওঁতেই "শ্ৰৱণ কীৰ্ত্তন মাত্ৰ কৰোক নিঃশেষ" বুলি কৈ তাৰ কাৰণ ব্যাখ্যা কৰিছে—

যদ্যপি ভকতি নয় বিধ মাধৱৰ ।
শ্ৰৱণ কীৰ্ত্তন তাতো মহা শ্ৰেষ্ঠতৰ ॥
অৰ্চ্চন বন্দন ধ্যান সমস্তকে কৰি ।
যশ কীৰ্ত্তনত আতি তুষ্ট হোন্ত হৰি ॥ (ভাগৱত, ১ম স্কন্ধ)

বিশেষতঃ জীৱই সদগতি লাভ কৰিবৰ কাৰণে কলিত হৰি নামেই একমাত্ৰ সাৰবস্তু[২৫]— এয়ে শ্ৰীমন্ত শঙ্কৰদেৱৰ ধৰ্ম-শিক্ষাৰ মূল কথা ।

২৪। শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন ।
দাস্য সখিত্ব বন্দন বিষ্ণুৰ
কৰিব দেহা অৰ্পণ ॥
নৱবিধ ভক্তি বিষ্ণুত আচৰি
সেহিসে পাঠ উত্তম । (কীৰ্ত্তন)

২৫। কলিত জনম লভিয়া হৰিৰ
নামত নকৰে ৰতি ।
সিটো মূঢ়মতি আন কোনমতে
সাধিব আপোনা গতি ॥ (নামঘোষা)

ইয়াৰ লগতে ভক্তি সাধনৰ কাৰণে তেৱাঁই ভকতৰ সঙ্গ গ্ৰহণ, স্থাৱৰ-জঙ্গমাত্মক সকলো ভূতত ঈশ্বৰ উপলব্ধি আৰু সকলো প্ৰাণীত সমবুদ্ধি জ্ঞান কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছে[২৬]। কাৰণ সমস্ত ভূতত ঈশ্বৰৰ অস্তিত্ব উপলব্ধিৰ দ্বাৰাই সকলোকে আত্মজ্ঞান কৰিব পাৰিলে মনৰ পৰা উচ্চ-নীচ, জাতি-অজাতি ভেদ ভাব নোহোৱা হয় আৰু ভকতৰ সঙ্গত হৰি নাম শ্ৰৱণ-কীৰ্তনৰ দ্বাৰা নামত একাদিক্ৰমে ৰতি, প্ৰীতি হৈ নামৰ অমিয়াত সঙ্গ-আশ্ৰয়ীজনৰ মন নিমজ্জিত হয়, অনুক্ৰমে চিত্ত নিৰ্মল হলে ভক্তই পৰম গতি লাভ কৰিব পাৰে[২৭]।

যেন ফল পাৱে তপ জপ তীৰ্থস্নানে ।
যেন ফল পাৱে মহাযজ্ঞ যোগদানে ॥
যেন ফল পাৱে মহাজ্ঞান বৈৰাগ্যত ।
কলিত সমস্তে পাৱে কৃষ্ণ কীৰ্ত্তনত ॥
শ্ৰৱণ কীৰ্ত্তন এৰি আন কৰ্ম্ম কৰে ।
পাৱে শ্ৰম বিফলে কলিত সিটো নৰে ॥ (ভাগৱত, ১২শ স্কন্ধ)

যথাগদং বীৰ্য্যতমমুপযুক্তং যদৃচ্ছয়া ।
অজানতোঽপ্যাত্মগুণং কুৰ্য্যান্মন্ত্ৰোঽপ্যুদাহৃতঃ ॥ (ভাগৱত, ৬ষ্ঠ স্কন্ধ)

২৬। সমানত মৈত্ৰী উত্তমত সতকাৰ ।
দৰিদ্ৰত দয়া কৰিবেক ব্যৱহাৰ ॥
গীতা ভাগৱত শাস্ত্ৰ কৰিবে শ্ৰৱণ ।
সাধু সঙ্গে মোৰ নাম কৰিবে কীৰ্ত্তন ॥ (ভাগৱত, ৩য় স্কন্ধ)
সমস্ত ভূততে আত্মাবুদ্ধি নোহে যাৱে ।
কায় বাক্য মনে অভ্যাসিবা এহি ভাৱে ॥
সমস্তে প্ৰাণীক দেখিবাহা আত্মাসম ।
উপায় মধ্যত ইটো আতি মুখ্যতম ॥ (ভাগৱত, ১১শ স্কন্ধ)

২৭। কৰ্ণপথে ভকতৰ হিয়াত প্ৰবেশি হৰি
দুৰ্ব্বাসনা হৰে সমস্তয় ।
জলৰ যতেক মল যেহেন শৰত কালে
স্বভাৱতে নিৰ্মল কৰয় ॥

উল্লিখিত এই শৰণ পন্থি বা শৰণাগতিবাদ জাতৰ হেতু মহাপুৰুষীয়া ধৰ্মত নাম, দেৱ আৰু ভকতৰ লগতে গুৰুৰ আৱশ্যকতাৰ ওপৰতো সমানে গুৰুত্ব দিয়া হৈছে। এই প্ৰসঙ্গতে উল্লেখযোগ্য যে অন্যান্য সাধন মাৰ্গৰ দৰে মহাপুৰুষীয়া ধৰ্মত উপদেশ-দাতা গুৰুক উপাসক আৰু উপাস্যতকৈ ভিন্ন জ্ঞান কৰা নহয়। এই ধৰ্মমতে সেৱক আৰু সেব্য যে অভিন্ন সেইকথা ভাগৱতৰ অনেক ঠাইত উল্লেখ থকা মই এৱে ভকতৰ মাহিৰে অন্তৰ আদি কথাই স্পষ্টকৈ উল্লেখ কৰিছে; আনহাতে, উপাস্য আৰু উপদেশ-দাতা গুৰুৰ মাজত যে কোনো প্ৰকাৰ ভেদ বুদ্ধি ৰখা উচিত নহয় সেই সম্পৰ্কে গুৰুজনে নিমি-নৱসিদ্ধ সংবাদত লিখিছে—

তাকে বুলি গুৰু তাকে বুলিয় বাজন।
তাক স্বামী বুলি তাৰ সেৱিবাহা পায় ॥

কৃষ্ণ যশে ধৌত চিত্ত হয়া সমস্তে ক্লেশক তৰি পুনু
কৃষ্ণদাসে কৃষ্ণ চৰণ মূল সেৱয় ।
সকলে সম্পূৰ্ণ নিজ গৃহ পথিক সকলে পায়া পুনু
দুখ এৰাই যেন সিটো গৃহ আশ্ৰয় ॥ (নামঘোষা)
শুনৈ কৃষ্ণ কথা সিটো কৰিয়া যতন ।
তাহাৰ হিয়াত প্ৰৱেশয় নাৰায়ণ ॥
শুনন্তে কৃষ্ণৰ কথা সাধুৰ সঙ্গত ।
পৰম নিশ্চল ভক্তি হোৱয় কৃষ্ণত ॥
আত্মা ঈশ্বৰত মাত্ৰ দৃষ্টি হোৱে তাৰ ।
কৃষ্ণ কথা শ্ৰৱণৰ মহিমা অপাৰ ॥
ঈশ্বৰ কৃষ্ণৰ লীলা চৰিত্ৰ সিজন ।
পৰম শ্ৰদ্ধায়ে সদা কৰয় শ্ৰৱণ ।
আজি, অল্প কালে আসি, তাহাৰ হিয়াত ।
হোৱে ভগৱন্ত কৃষ্ণ প্ৰকাশ সাক্ষাত ॥ (ভক্তি ৰত্নাকৰ)

২৮। নৰতনু নৌকা ইটো সুদৃঢ় সুসাৰ ।
উপদেশ দাতা গুৰু ইহাৰ কাণ্ডাৰ ॥
মই অনুকূল বায়ু হয়া কৰো পাৰ । (ভাগৱত, ১১শ স্কন্ধ)
ন বিনা গুৰু সম্বন্ধং জ্ঞানস্যাধিগমঃ স্মৃতঃ । (মহাভাৰত, শান্তিপৰ্ব)

আৰম্ভণে সেৱকা বুলি কৈলো সাৰে সাৰ।
ভকতি উপদেশ দিলো গুৰুৰ সমান ॥

ভাগৱত আৰু গীতাৰ প্ৰসিদ্ধ টীকাকাৰ শ্ৰীধৰ স্বামীয়েও ভগৱন্তক প্ৰত্যক্ষ কৰাওঁতা গুৰুৰ তথা নিজ সম্যক জ্ঞান কৰাৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিছে—

যস্য দেৱে পৰা ভক্তিৰ্যথা দেৱে তথা গুৰৌ।
তস্যৈতে কথিতাহ্যৰ্থাঃ প্ৰকাশন্তে মহাত্মনঃ ॥ (সুবোধিনী টীকা)

মহাপুৰুষীয়া ধৰ্মৰ এনে অভেদ ভাৱ উপলব্ধিৰ প্ৰসংগত মন কৰিবলগীয়া আন এটি বিশেষ কথা হ'ল— স্বয়ং ভগৱন্তই আদি গুৰুৰ ৰূপত[২৯] ব্ৰহ্মাক ভাগৱতৰ পৰম গুহ্যতত্ত্ব বুজাই কওঁতে সাধন তত্ত্ব অঙ্গ স্বৰূপে যি জ্ঞান (শাস্ত্ৰ নিৰূপিত জ্ঞান), বিজ্ঞান (অনুভৱ ৰূপ বিজ্ঞান), তদঙ্গ (সাধন ৰূপ অঙ্গ) আৰু ৰহস্য (ভক্তি ৰূপ ৰহস্য)ৰ কথা উল্লেখ কৰিছিল, সেয়ে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ এক শৰণ নাম-ধৰ্মত নাম, দেৱ, গুৰু, ভকত এই চাৰিটি প্ৰধান অঙ্গ ৰূপে প্ৰকাশ পাইছে। গুৰুজনাৰ মতে ইয়াক একেসংগে নাম-বস্তু বা নাম-তত্ত্ব বোলা হয়।

২৯। এক শৰণ মহাপুৰুষীয়া ধৰ্মত ঈশ্বৰ আৰাধনাক গুৰু-সেৱা বোলাৰ তাৎপৰ্য্যও এয়ে। অনাদি পুৰুষ ভগৱন্তই যে জগতৰ আদিগুৰু সেই বিষয়ে মাধৱদেৱে পুৰুষে নামঘোষাত লিখিছে—

বসুদেৱ সুত কৃষ্ণ তুমি ভকতৰ ইষ্ট
কংস চানুৰাদি বিমৰ্দ্দন।
দৈৱকী হৃদয়ানন্দ জগতৰ গুৰু কৃষ্ণ
তয় পাৱে কৰোহো বন্দন ॥

নামঘোষাৰ বিভিন্ন ঘোষাত এইদৰে একমাত্ৰ পৰমেশ্বৰকে গুৰুৰূপে উল্লেখ কৰাৰ লগতে শ্ৰীমন্ত শঙ্কৰদেৱকো পৰম গুৰু বুলি স্বীকাৰ কৰা হৈছে। দামোদৰদেৱ, মহেন্দ্ৰ কন্দলি, সাৰ্ব্বভৌম ভট্টাচাৰ্য্যকে আদি কৰি অন্যান্য বৈষ্ণৱ আচাৰ্য্য আৰু পণ্ডিত সকলেও ব্ৰহ্মাণ্ডভেদী হৰি নাম প্ৰেম-অমৃতৰ নদী বোৱাওঁতা শ্ৰীমন্ত শঙ্কৰদেৱকে একমাত্ৰ [illegible] স্বীকাৰ কৰাৰ কথাও চৰিত পুথিত উল্লেখ আছে।

যি বহুতক সংসাৰী লোকক সংসাৰৰ মোহ-মায়াৰ বান্ধোনৰ পৰা মুক্ত কৰি পৰমাৰ্থ সাধনৰ পথৰ সন্ধান দিবৰ কাৰণে উপদেশ-দাতা গুৰুৰ আৱশ্যকতা সকলো সাধন মাৰ্গতে স্বীকাৰ কৰা হৈছে[৩০]। এনে উপদেশদাতা গুৰুৰ প্ৰয়োজনীয় যোগ্যতা সম্পৰ্কে গুৰুজনাই ভক্তি-ৰত্নাকৰত লিখিছে—

বেদৰ ৰহস্য তত্ত্ব সকলে জানন্ত।
কৃষ্ণক ভকতি বলে সাক্ষাত কৰান্ত॥
এহেন্তে উত্তম গুৰু কহিলো সম্প্ৰতি।
ইহাবেসে উপদেশে শুদ্ধ হোৱে মতি॥

নৱ-সিদ্ধৰ শ্ৰীপ্ৰবুদ্ধইও মহাৰাজ নিমিক তত্ত্বোপদেশ দিওঁতে উপদেশ দাতা গুৰু কেনে গুণশীল হব লাগে সেই সম্পৰ্কে স্পষ্টকৈ কৈছে—

তস্মাদ্‌গুৰুং প্ৰপদ্যেত জিজ্ঞাসুঃ শ্ৰেয়উত্তমম্।
শাব্দে পৰে চ নিষ্ণাতং ব্ৰহ্মণ্যুপশমাশ্ৰয়ম্॥
তত্ৰ ভাগৱতান্ ধৰ্মান্ শিক্ষেদ্‌গুৰ্বাত্মদৈৱতঃ।

গীতাৰ মতেও জ্ঞানী আৰু তত্ত্বদৰ্শী জনকহে উপযুক্ত গুৰু বুলি স্বীকাৰ কৰা হৈছে— 'উপদেক্ষ্যন্তি তে জ্ঞানং জ্ঞানিনস্তত্ত্বদৰ্শিনঃ'। কাৰণ, আনক উপদেশ দিওঁতা জ্ঞানীজন একভক্তি পৰায়ণ আৰু পৰমাৰ্থ তত্ত্বজ্ঞ নহলে তেনেলোকে একোপধ্যে জিজ্ঞাসু ভকতৰ মনৰ সংশয় ছেদ কৰি ভৱ সংসাৰ তৰণৰ উপায় স্বৰূপ ভক্তি উপদেশ দান কৰিব নোৱাৰে;[৩১] বৰং নিজৰ লগতে আশ্ৰয়ী জনকো মায়াৰ

৩০। বিনা গুৰু চৰণে ভকতি নকতি
মুকুতি কবহু নহোই। (গুৰু ভটিমা)
গকাৰঃ সিদ্ধিদঃ প্ৰোক্তো ৰেফঃ পাপস্য হাৰকঃ।
উকাৰো বিষ্ণুৰব্যক্তস্ত্ৰিতয়াত্মা গুৰুঃ পৰঃ॥ (শব্দকল্পদ্ৰুম)

৩১। শাস্ত্ৰক জানয় মাত্ৰ নুহিকে ভকত।
তাৰ উপদেশে বোধ নুপজে লোকত॥
যদিবা ভকত হোৱে শাস্ত্ৰ নজানয়।
নপাৰে খণ্ডিতে তেবে শিষ্যৰ সংশয়॥ (ভক্তি ৰত্নাকৰ)

পাশত আড়ুষ্ট জন্তুপূৰ্বকে বান্ধি সংসাৰৰ নিকাৰহে ভুঞ্জায় মাত্ৰ। ইয়াৰ বিপৰীতে নিৰ্গুণ ভকতে একান্ত ভক্তিৰ সহায়ত ভগৱন্তক বশ কৰাৰ একাধিক দৃষ্টান্ত ভাগৱতত উল্লেখ কৰা হৈছে[৩২]। সেইবাবে মাধৱদেৱে পুৰুষে বিভিন্ন শাস্ত্ৰৰ সাৰ সংগ্ৰহ কৰি ভকতৰ এনে মাহাত্ম্য বৰ্ণনা কৰি নামঘোষাত লিখিছে—

শিষ্য সবে যেবে মহাগুৰু ভাবে
উপদেশ আচৰয়।
শাস্ত্ৰ গুৰু আপো- নাকো সিটো শিষ্য
তিনিকো ৰক্ষা কৰয়॥

মুঠতে, মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ দ্বাৰা প্ৰচাৰিত এক শৰণ নাম-ধৰ্মত পৰম গুৰু বা ভগৱন্ত গুৰুক চিনাকি কৰি দিবৰ কাৰণে উপদেশ দাতা গুৰুৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰিলেও ভকতকহে

সেইবাবেই গুৰুবাচনিৰ হেতু মহাপুৰুষীয়া ভক্তৰ সাৱধান বাণী—

ভাৰত হাতত আছে অনেক দোকানী।
নিচিনি কিনিলে পাবা অনেক বিঘিনী॥
য'তে ত'তে নথাকয় হৰি নাম বস্তু।
মহন্ত দোকানী ৰাখে কৰি মহা যত্ন॥ (বৰগীত)

৩২। দুৰ্ব্বাসাৰ কোপৰ পৰা ৰজা অম্বৰীশক ৰক্ষা কৰিবৰ কাৰণে নিক্ষেপ কৰা চক্ৰক নিজে সম্বৰণ কৰিব নোৱাৰাৰ কাৰণ ব্যাখ্যা কৰি ভগৱন্তই নিজেই কৈছে— 'অহং ভক্তপৰাধীনোঽস্বতন্ত্ৰ ইব দ্বিজ'। নৱম স্কন্ধ ভাগৱতৰ এই শ্লোকৰ ভাঙনিৰে মাধৱদেৱে পুৰুষে ভক্তি ৰত্নাৱলীত লিখিছে—

শুনিয়ো দুৰ্ব্বাসা মই নোহো স্বতন্ত্ৰ॥
হওঁ মই ঈশ্বৰ সমস্ত জগতৰ।
তথাপি অধীন হৈলো বৈষ্ণৱজনৰ॥

তৃতীয় স্কন্ধ ভাগৱতত মাতৃ দেৱহুতিৰ প্ৰতি কপিলমুনিৰ বাণী—

ভকতিৰ আগে মাত্ৰ মোক্ষ কোন হয়।
ভকতিয়ে মোক্ষ আদি অধীন কৰয়॥

সকলো ক্ষেত্ৰতে শ্ৰেষ্ঠ স্থান দিয়া হৈছে[৩৩]। গুৰুজনাৰো বাণী—

মোৰ গুৰু ভকতেসে স্বৰূপ স্বভাৱ।
যেন বায়ু আকাশৰ নাই ভিন্ন ভাৱ॥
সৰ্ব্বতত্ত্ব ভকতক মই গুৰু মানো।
ভকত গুৰুত পৰে আনক নজানো॥

গুৰুজনাৰ ধৰ্ম সম্পৰ্কে উল্লেখ কৰিব লগা আন এটা প্ৰধান কথা হ'ল— এই ধৰ্মত বৰ্ত্তমান আমাৰ সমাজত প্ৰচলিত থকাৰ দৰে জাতি-অজাতি, উচ্চ-নীচ, ধনী-দুখীয়া আদি শ্ৰেণী বিভাজনৰ স্থান নাই। এই ধৰ্মমতে আধ্যাত্মিক সাধনৰ কাৰণে বাহ্যিক যাগ, যজ্ঞ, পূজা, হোম, তপ, ব্ৰত, তীৰ্থ, স্নান আদি বিক্ষিপ্ত কৰ্মসমূহ যেনেকৈ নিষ্ফল সেইদৰে ব্যৱহাৰিক জীৱনৰ বৰ্ণাশ্ৰম ধৰ্ম, জাতিভেদ আদিও ঈশ্বৰ সাধনাৰ ঘাই অন্তৰায়[৩৪]। সেইবাবে, গুৰুজনে

৩৩। দেৱতো তীৰ্থতো কৰি ভকতেসে বৰ।
ভকতক ভজিলে শুচয় কৰ্মজড়॥ (ভাগৱত, ১১ স্কন্ধ)

৩৪। নালং দ্বিজত্বং দেবত্বমৃষিত্বং বাসুরাত্মজা।
প্ৰীণনায় মুকুন্দস্য ন বৃত্তং ন বহুজ্ঞতা॥
ন দানং ন তপো নেজ্যা ন শৌচং ন ব্ৰতানি চ।
প্ৰীয়তেঽমলয়া ভক্ত্যা হৰিৰন্যদ্ বিড়ম্বনম্॥ (ভাগৱত, ৭ম স্কন্ধ)

কীৰ্ত্তনত গুৰুজনে লিখিছে—

কুকুৰ খায় হেন ম্লেচ্ছয়ো
শিশু শুদ্ধ হোৱে হৰি কীৰ্ত্তনে॥
চণ্ডালো হৰি নাম লয়ে মাত্ৰ।
কৰিবে উচিত যজ্ঞৰ পাত্ৰ। (ভাগৱত, ৬ষ্ঠ স্কন্ধৰ মত অনুসৰি)
নলাগে দেৱ দ্বিজ ঋষি হইবে।
নলাগে সত্ত্ব ত' শাস্ত্ৰ জানিবে॥
মিছাতে মৰে আন কৰ্ম্ম কৰি।
হোৱন্ত ভকতিত তুষ্ট হৰি॥ (ভাগৱত, ৭ম স্কন্ধৰ মত অনুসৰি)
কৃষ্ণৰ কথাত বিমুখ বধিক।
ব্ৰাহ্মণ জন্ম তাৰ ধিক ধিক॥

ভাগৱতৰ মত তুলি সৰ্বজন সমঅধিকাৰ নীতিত মহাপুৰুষীয়া ধৰ্মৰ ভেটি বচনা কৰিছে। মাধৱদেৱে পুৰুষে বত্নাৱলীত এই নীতি ঘোষণা কৰি লিখিছে—

"নাহি ভকতিত জাতি আচাৰ বিচাৰ।
কৃষ্ণ ভকতিত সমস্তৰে অধিকাৰ॥
ভকতিসে মাত্র হৰি তোষৰ কাৰণ।
লৈয়ো সৰ্বজনে জানি কৃষ্ণত শৰণ॥

অৰ্থাৎ সাৰ্বজনীন এই ধৰ্মৰ দুৱাৰ সকলো সম্প্রদায়ৰ লোকৰ কাৰণে খোলা। গুৰুজনে ভাগৱতৰ দ্বিতীয় স্কন্ধত লিখিছে—

কিবাত কছাৰী খাচী গাৰো মিৰি
যবন কঙ্ক গোৱাল।
অসম মুলুক বজক তুৰুক
কুবাচ ম্লেচ চণ্ডাল॥
আনো পাপী নব কৃষ্ণ সেৱকব
সঙ্গত পবিত্র হয়।
ভকতি লভিয়া সংসাৰ তৰিয়া
বৈকুণ্ঠে সুখে চলয়॥

এইদৰে দেখা যায় গুৰুজনাৰ ধৰ্মত কোনো আঁহকলা নীতি নাই; সমাজৰ সকলো শ্রেণীৰ লোকক ভাতৃত্ব ভাবেৰে আঁকোৱালী লোৱাতো এই ধৰ্মৰ অন্যতম বৈশিষ্ট্য। গীতাত ভগৱান স্বয়ং কৃষ্ণই অৰ্জুনৰ আগতো ভক্তিতত্ত্ব সম্বন্ধে এনে সাৰ্বজনীন মতকে ব্যক্ত কৰিছে[৩৫]।

সমাজ বচনাত মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱে নিজেও জাতি-বৰ্ণ

চণ্ডালক মাত্র হৰি দিলে বাতি।
নবাছে ভকতি জাতি অজাতি॥ (ভাগৱত, ১০ম স্কন্ধৰ মত অনুসৰি)

৩৫। মাংহি পাৰ্থ ব্যপাশ্রিত্য যেঽপি স্যুঃ পাপযোনয়ঃ।
স্ত্রিয়ো বৈশ্যাস্তথা শূদ্রাস্তেঽপি যান্তি পৰাং গতিম্॥
কিং পুনৰ্ব্রাহ্মণাঃ পুণ্যা ভক্তা ৰাজৰ্ষয়স্তথা। (গীতা)

নিৰ্বিশেষে ব্ৰাহ্মণ আৰু মুছলমানৰ পৰা সেই সময়ৰ সমাজে প্ৰতি তলখাপৰ বুলি অৱজ্ঞাৰ চকুৰে চোৱা অকুলীন (?) লোকসকলৈকে সকলোকে এক-শৰণ ভক্তি দান কৰি এখন অ-সাম্প্ৰদায়িক সমাজ ৰচনাৰ দ্বাৰা প্ৰকৃত সাম্যবাদৰ নিদৰ্শন দেখুৱাই গৈছে। গাৰোৰ গোবিন্দ, মিৰিৰ পৰমানন্দ, নগাৰ নৰোত্তম, ভোটৰ দামোদৰ, কছাৰীৰ ৰমাই, কৈৱৰ্ত্তৰ পূৰ্ণানন্দ, বনিয়াৰ হৰিদাস, যৱনৰ চান্দখাঁ আদি ভকতসকলে মহাপুৰুষীয়া সমাজত মিশ্ৰ, কন্দলি আদি ব্ৰাহ্মণ আৰু অন্যান্য কায়স্থ তথা কুলীন (?) শিষ্যসকলৰ লগত সমান আসন লাভ কৰাৰ কথা চৰিত পুথিয়ে স্বীকাৰ কৰিছে[৩৬]। মাধৱদেৱে পুৰুষে সেয়েহে নামঘোষাত, সকলো শাস্ত্ৰৰ মতৰ সমৰ্থনত, এই সাম্যবাদী উদাৰ নাম ধৰ্মক জগতৰ আন সকলো ধৰ্মতকৈ শ্ৰেষ্ঠ

৩৬। এই প্ৰসঙ্গতে মনকৰিবলগা এটি বিশেষ কথা হ'ল যে এনে উদাৰ আৰু সাৰ্বজনীন এই মহাপুৰুষীয়া ধৰ্মত গুৰুজনাৰ পৰৱৰ্তী কালত সাম্প্ৰদায়িকতাৰ ভেদ-নীতি সোমায় আৰু ফলস্বৰূপে, গুৰুজনাই প্ৰাচীন অসমৰ বিভিন্ন জন-গোষ্ঠীৰ মাজত ধৰ্মীয়-ঐক্য সাধনৰ যোগে জাতীয় সমন্বয় সাধন কৰি যি এক বিশাল অসমীয়া জাতি গঠনৰ চেষ্টা কৰিছিল সেই সম্মিলিত জাতি অনেক শাখা প্ৰশাখাত পুনবিভক্ত হ'ল। এনে হোৱাৰ প্ৰধান কাৰণ কি সেই কথা বিশ্লেষণ কৰি চালে দেখা যায় যে মহাপুৰুষীয়া সমাজত সংহতি বিভাজনৰ উপৰিও আহোমৰ ৰজাঘৰীয়া পৃষ্ঠপোষকতাত তথাকথিত কুলীন বা শ্ৰেষ্ঠ-বংশোত্তৱ সত্ৰানুষ্ঠান কেতবোৰে প্ৰাধান্য লাভ কৰাত, অধিক মান-সন্মান লাভৰ আশাত আন আন সত্ৰসমূহৰ মাজতো নিজৰ প্ৰাচীন পৰিচয় গোপন কৰাৰ এনে এক প্ৰৱণতা জাগি উঠিল যে গোবিন্দ, পৰমানন্দ, নৰোত্তম, দামোদৰ, ৰমাই, পূৰ্ণানন্দ, হৰিদাস আদি আতাসকলৰ প্ৰতিষ্ঠাপিত সত্ৰসমূহৰ আজি একো চিন-মোকাম নাইকীয়া হৈ পৰিল। আজি আমাৰ জাতীয় ঐতিহ্য ৰক্ষাৰ কাৰণে সেয়েহে পুনৰ মহাপুৰুষৰ শিক্ষাৰ আহিত অসমৰ বিভিন্ন সম্প্ৰদায়ৰ লোকৰ মাজত সামাজিক-সাংস্কৃতিক সমন্বয় সাধন একান্ত প্ৰয়োজনীয় হৈ পৰিছে।

ধৰ্ম বুলি উচ্চৈস্বৰে ঘোষণা কৰিছে—

পৰম নিৰ্ম্মল ধৰ্ম্ম হৰি নাম কীৰ্ত্তনত
সমস্ত প্ৰাণীৰ অধিকাৰ।
এতেকেসে হৰিনাম সমস্ত ধৰ্ম্মৰ ৰাজা
এহি সাৰ শাস্ত্ৰৰ বিচাৰ ॥
বৰ্ণাশ্ৰম আদি যত যাৰ যেন বিধি আছে
তাৰেসে কেৱল অধিকাৰ।
হৰি নাম কীৰ্ত্তনৰ নাহিকে নিয়ম একো
এতেকেসে ধৰ্ম্ম মাজে সাৰ ॥

মহাপুৰুষীয়া ধৰ্মৰ মত অনুসৰি পৰমানন্দপদ লাভৰ কাৰণে হৰি নাম কীৰ্তনৰ প্ৰয়োজনীয়তা সম্বন্ধে ওপৰত উল্লেখ কৰি অহা হৈছে। সাধন বিষয়ত এই হৰি নামৰ মহিমা আৰু কাৰ্যকাৰিতা সম্বন্ধে আকৌ কীৰ্তনৰ পাষণ্ড-মৰ্দন খণ্ডত ব্ৰহ্মৰ্ষি নাৰদৰ প্ৰশ্নৰ উত্তৰ স্বৰূপে পৰম সিদ্ধ পুৰুষ সনত কুমাৰৰ বাক্যৰে বিস্তৃত ভাৱে ব্যাখ্যা কৰা হৈছে—

পৰম বান্ধৱ হৰিৰ নাম।
যি জনে তাক লবৈ অবিশ্ৰাম ॥
তাৰ সাত কাৰ্য্য সাধিবে দেখা।
প্ৰতি প্ৰতি লোৱা সাতবো লেখা ॥
প্ৰথমে দহিবে পাতেক চয়।
কৰিবে মহাপুণ্য অভ্যুদয়।
কৰাইবে বিষয়ত বিৰকতি।
কৃষ্ণত পোৱাইবে প্ৰেম ভকতি ॥
উপজাইবে আত্তি বৈষ্ণৱ জ্ঞান।
মায়াকো কৰিবে দহি নিৰ্ধ্যান ॥
চৈতন্য মূৰ্ত্তি পূৰ্ণানন্দ হৰি।
থৈবন্ত তেন্তে এৰে এক কৰি ॥

মহাপুৰুষীয়া ধৰ্মই এইদৰে প্ৰমাণ কৰি দেখুৱাইছে যে হৰি-কীৰ্ত্তন জগতৰ আন সকলো বিশিষ্ট ধৰ্মতকৈ গৰিষ্ঠ ধৰ্ম। সেয়ে বৃহন্নাৰদীয় পুৰাণৰ মত উদ্ধাৰি গুৰুজনে কীৰ্ত্তনত টিপ্পনী দিছে—

হৰি নামে নামে নামে নিশ্চয়।
মোহোৰ জীৱন নাৰদে কয়॥
কলিৰ কালে আৰ আন পৰ।
নাই নাই নাই গতি লোকৰ॥

হৰিনাম কীৰ্ত্তন ভিন্ন অন্য উপায়ে যে জীৱই গতি পাব নোৱাৰে সেই কথা মহাপুৰুষৰ লেখনিৰ অনেক ঠাইত উল্লেখ পাইছে। কীৰ্ত্তনৰ বেদস্তুতি অধ্যায়ত ইয়াকে সংক্ষেপ কৰি গুৰুজনে লিখিছে—

আগম পুৰাণ যত বেদান্তৰ তাৎপৰ্য্য
জানি কৰা ভকতিক সাৰ॥
শ্ৰৱণ কীৰ্ত্তন বিনা আন পুণ্যে নপায় জানা
ইটো ঘোৰ সংসাৰৰ পাৰ॥
শুনিয়োক বুদ্ধজন জনম মৰণ দুখ
তৰিবাক যাৰ ইচ্ছা আছে।
গোবিন্দৰ গুণ নাম শ্ৰৱণ কীৰ্ত্তন কৰা
অন্তকে কেশত ধৰি আছে॥

এইদৰে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে তেওঁৰ ভক্তি দৰ্শনৰ যোগে এই পৰম তত্ত্বকে মাত্ৰ প্ৰচাৰ কৰিছে—

পৰম ঈশ্বৰ কৃষ্ণ দেৱতা প্ৰধান।
কৃষ্ণ গুণ নাম সম ধৰ্ম্ম নাহি আন॥
জানিয়া যতনে তেজিয়োক আন কাম।
(কৃষ্ণৰ কিঙ্কৰে কহে) বোলা ৰাম ৰাম॥